# জীৱনৰ বাটত
# এক প্ৰবাহ

# জীৱনৰ বাটত এক প্ৰবাহ

গোপাল জালান

বিশাল প্ৰকাশন
গুৱাহাটী- ৭৮১০০৩

**Jeevanar Batat Ek Probah**
A collection of Assamese articles
written by Gopal Jalan and published by
Brajendra Nath Deka on behalf of Bishal Prakashan,
Upasana Bhawan, Rajgarh Link Road, Chandmari, Guwahati-3.
First Edition : Dec, 2015, Price : Rs. 100/- only

**ISBN :** 978-93-82587-38-5

**জীৱনৰ বাটত এক প্ৰবাহ**

**প্ৰকাশক**
ব্ৰজেন্দ্ৰ নাথ ডেকা
বিশাল প্ৰকাশন, গুৱাহাটী- ৩
দূৰভাষ ঃ ৯৮৬৪০-৩৮৮১৪

প্ৰথম প্ৰকাশ
**ডিচেম্বৰ, ২০১৫**

গ্ৰন্থস্বত্ব
© লেখকৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত

বেটুপাত
**পংকজ পৰাণ**

অক্ষৰ বিন্যাস
**দুৰ্গাপ্ৰসাদ হাজৰিকা**

মূল্য ঃ **১০০ টকা**

মুদ্ৰণ
**শৰাইঘাট ফটো টাইপছ্ প্ৰাঃ লিঃ**
উদ্যোগপাম, বামুণীমৈদাম, গুৱাহাটী- ২১

## উচৰ্গা...

*পিতৃ-মাতৃৰ চৰণত...*

# ভাল গ্ৰন্থ

গোপাল জালান পাঠশালাৰ অসমীয়া মাৰোৱাৰী পৰিয়ালৰ ব্যৱসায়ী যুৱক বুলি কিছুবছৰ আগলৈকে সকলোৱে জানিছিল। অসমত 'অসমীয়া কোন' বুলি সংজ্ঞা বিচাৰি মেল-মিটিং, তৰ্ক-বিতৰ্ক চলি থকা সময়ত, হয়তো আমাৰ মনত নপৰে অসমৰ মাটি, পানী, ভাষা-সংস্কৃতিৰ সৈতে বিলীন হৈ যোৱা গোপাল জালানৰ দৰে মাৰোৱাৰী, বিহাৰী, পাঞ্জাৰী, চৰ-চাপৰিৰ যুৱক-যুৱতীৰ কথা। যিসকলৰ মুখত শুদ্ধ অসমীয়া ভাষা, মনত অসমীয়া সংস্কৃতিৰ প্ৰেম, কলমেৰে নিগৰে অসমীয়া আখৰ।

গোপাল জালান অসমীয়া বোলছবি, নাটক, গীত-মাতৰ সাংস্কৃতিক জগতখনৰ সৈতে ওতপ্ৰোতভাৱে জড়িত, সামাজিক কামত আগৰণুৱা, বিনয়ী আৰু সদালাপী। এই গুণখিনিৰেই তেওঁ সমাজত জনপ্ৰিয়। কিন্তু আজি কিছুবছৰৰ পৰা গোপাল জালানে বাতৰি কাকত, আলোচনীত সামাজিক সচেতনতাৰ পৰিচয় দি লিখিবলৈ আৰম্ভ কৰিছে। মই তেওঁৰ প্ৰায়বোৰ লেখা অ'ত-ত'ত পঢ়ি দেখা পাওঁ অসমীয়া সমাজ, আধুনিক মানুহৰ জীৱনলৈ স্বতঃস্ফূৰ্তভাৱে

অহা সমস্যাসমূহক লৈ তেওঁ চিন্তিত হয়। একোটি সৰু লেখাৰ মাজেৰে মনৰ ভাব সময়সাপেক্ষে প্ৰকাশ কৰে। উদাহৰণস্বৰূপে তেওঁ সৰ্থেবাৰীৰ কাঁহ-পিতলৰ উদ্যোগ, শিলঘাটৰ মৰাপাট উদ্যোগ, বৰুৱা বামুণগাঁৰৰ চেনিকল ইত্যাদি মৃত বা অৰ্ধমৃত উদ্যোগসমূহক পুনৰুজ্জীৱনত গুৰুত্ব দি চৰকাৰৰ মনোযোগ আকৰ্ষণ কৰিব খুজিছে। অসমৰ এশটাৰো অধিক সৰু-বৰ মৃত উদ্যোগক নতুন নীতিৰে সক্ৰিয় কৰিলে, নিবনুৱাৰ সংস্থাপন, উগ্ৰপন্থীৰ সমস্যা হ্ৰাস পোৱাৰ ইংগিত দিছে। সেইদৰে অন্ধবিশ্বাস, কন্যা সন্তানৰ প্ৰতি অভিভাৱকৰ ধাৰণা সলনি কৰাৰ প্ৰয়াসৰ পৰা অসমীয়া বোলছবি, সাংস্কৃতিক জগতৰ নানা সমস্যাৰ আলোচনা, সমাধানৰ চিন্তা আগ বঢ়াইছে। জীৱনৰ বিভিন্ন সময়ত, নানা ধৰণে দেখা আৰু উপলব্ধি কৰা বিষয়সমূহকেই জালানে সৰল ভাষাৰে লিখিছে। বিষয়সমূহৰ গুৰুত্ব আৰু ইতিবাচক দৃষ্টিভংগীয়ে পঢ়ুৱৈক খন্তেক সময়লৈ হ'লেও চিন্তাৰ বাট মোকলাই দিয়ে। পূৰ্বে প্ৰকাশিত এই ৰচনাসমূহ সংকলিত কৰি প্ৰকাশ হোৱা 'জীৱনৰ বাটত চিন্তাৰ প্ৰবাহ' গ্ৰন্থখনি পঢ়ুৱৈয়ে ভাল পাব বুলি আমাৰ বিশ্বাস চুটি লেখাৰ প্ৰতি পঢ়ুৱৈৰ আগ্ৰহ বেছি, সেই কাৰণতে জালানৰ কম শব্দৰ মাজত বন্দী হোৱা গভীৰ চিন্তাৰ বিষয়বস্তুৱে আকৰ্ষণ কৰিব। জালানক এই গ্ৰন্থৰ বাবে অভিনন্দন জনাইছোঁ।

**অনুৰাধা শৰ্মা পূজাৰী**

# লেখকৰ একাষাৰ

সময়ৰ লগে লগে সকলোবোৰ পৰিৱৰ্তন হ'বলৈ ধৰিছে। এয়া কোনো এটা নিৰ্দিষ্ট অঞ্চলৰ সমস্যা নহয়। এই পৰিৱৰ্তনে উন্নতিৰ সমান্তৰালভাৱে সমস্যাৰো সৃষ্টি কৰিছে। কিয়নো, যিমানেই বিজ্ঞানৰ উন্নতি সাধন হৈছে সিমানেই ইয়াৰ কু-ফলো মানৱ জাতিয়েই ভুগিছে। অৱশ্যে ইয়াৰ বাবে মানৱ জাতি নিজেই দায়ী। কাৰণ বিজ্ঞানে উন্নয়নৰ বাট প্ৰশস্ত কৰাৰ পিছত তাৰ ব্যৱহাৰ মানুহৰ ওপৰতেই নিৰ্ভৰ কৰে। সমাজৰ একাংশ লোকে যদিও মানৱ সমাজখনৰ উন্নতিৰ হকে অহৰ্নিশে চেষ্টা চলাই আছে আন কিছুমানে আকৌ ধ্বংসৰ পথৰ সন্ধান কৰি থকা পৰিলক্ষিত হয়। এই ধাৰাৰেই সমাজখন চলি আছে। আধুনিক সভ্যতাৰ নামত চলিছে অপসংস্কৃতি। হত্যা, সন্ত্ৰাস, অপহৰণেৰে ভৰি পৰিছে পৃথিৱী। বিশ্বায়নৰ সময়ত বৃদ্ধি পাইছে ধৰিত্ৰীৰ উত্তাপ সমস্যাবহুল পৃথৱীখনৰ সময়ত বৃদ্ধি পাইছে ধৰিত্ৰীৰ উত্তাপ। সমস্যাবহুল পৃথিৱীখনত এতিয়া জীয়াই থকাটোৱে সকলোৰে বাবে প্ৰত্যাহ্বান হৈ পৰিছে। এনে সমস্যাসমূহৰ প্ৰতিগৰাকী ব্যক্তিয়েই চিকাৰ হৈছে। পথভ্ৰষ্টসকলক সঠিক পথলৈ অনা লোকৰ অভাৱ। কাৰো আনৰ

ফালে চাবলৈ আহৰি নাই। বিজ্ঞানে পৃথিৱীখনক এখন গাঁৱলৈ পৰ্যবসিত কৰিলেও মানুহৰ মনৰ পৰিৱৰ্তন কৰিছেনে? যদি কৰিছে— মনবোৰ কিয় সংকীৰ্ণ হৈছে। সংকীৰ্ণ মনোভাবৰ বাবেই আজি এনে পৰিস্থিতিৰ সৃষ্টি হোৱা নাইনে? সূক্ষ্ম দৃষ্টিভংগীৰ পৰা বিশ্লেষণ কৰিলে নিশ্চয় ইয়াৰ উত্তৰ ওলাব।

কিমান প্ৰশ্নৰ উত্তৰ নাথাকে। কিন্তু উত্তৰ নোহোৱাকৈ জানো প্ৰশ্ন উত্থাপিত হ'ব পাৰে? কাৰণ নহ'লে কাৰ্য হ'ব নোৱাৰে। প্ৰতিটো কাৰ্যৰে থাকে একোটা কাৰণ। অৱশ্যে কেতিয়াবা এই কাৰণ বিশ্লেষণ কৰোতে কঠিন হয়। মহান বিজ্ঞানী ছাৰ আইজাক নিউটনৰ গতিৰ তৃতীয় সূত্ৰ অনুসৰি ক'ব পাৰি— প্ৰতিটো ক্ৰিয়াৰে এক বিপৰীত ক্ৰিয়া থাকে। সম্প্ৰতি আমাৰ সমাজত যিবোৰ ঘটনা সংঘটিত হ'বলৈ ধৰিছে সেইবোৰৰ আঁৰতো নিশ্চয় একো একোটা কাৰণ লুকাই থাকে। এই কাৰণবোৰ আমি বিশ্লেষণ কৰি চোৱাৰ সময় আহি পৰিছে।

অতি সম্প্ৰতি আমি যিবোৰ সমস্যাৰ সন্মুখীন হৈছো তাৰ কাৰণ আৰু সমাধানসূত্ৰ বিচাৰি ইতিমধ্যে কেইবাখনো দৈনিক কাকত, আলোচনী, সাপ্তাহিক কাকতত মোৰ বহুতো লেখা প্ৰকাশ পাইছে। এই লেখাসমূহ একগোট কৰি গ্ৰন্থ এখন প্ৰকাশ কৰিবলৈ বিশাল প্ৰকাশনৰ স্বত্বাধিকাৰী ব্ৰজেন্দ্ৰনাথ ডেকা আগ বাঢ়ি অহাত মই তেওঁক ধন্যবাদ জ্ঞাপন কৰিছো। প্ৰকাশক ডেকাৰ তাগিদাৰ বাবেই গ্ৰন্থখন প্ৰকাশ কৰাটো সম্ভৱ হ'ল। আশা কৰিছো পাঠকসকলে গ্ৰন্থখন আঁকোৱালি ল'ব।

**গোপাল জালান**

# সূচী-পত্ৰ


- মূল্যবোধ ১৩
- মা তুমি অনন্যা ১৮
- তন্ত্ৰ-মন্ত্ৰ, অন্ধবিশ্বাস... ২০
- কন্যা সন্তানক অৱহেলা কিয় ? ২৩
- পুনৰুজ্জীৱীত কৰিবই লাগিব মৃতপ্ৰায় উদ্যোগ ২৫
- ডাইনী হত্যা বন্ধ হ'ব কেতিয়া ২৮
- অসমীয়া ছবিৰ ৮০ বছৰ ৩১
- ভোগালী-মেজি আৰু যুৱ মানসিকতা ৩৪
- গণৰাজ্য দিৱস ৩৭
- বুলবুলি যুঁজ, কণী ভঙা খেল আৰু ভোগালী বিহু ৩৯
- অপসংস্কৃতি ৰোধ কৰিবই লাগিব ৪১
- এখন সুস্থ সমাজ লাগে ৪৩
- অসমীয়া চলচ্চিত্ৰৰ ভৱিষ্যৎ ৪৫
- অভিযুক্ত মানেই অপৰাধী নহয় ৪৮
- নাচনীৰ মুগাৰ ৰিহা-মেখেলা ৫১
- ৰাজপথত বন্ধৰ সমৰ্থক নে দুৰ্বৃত্তৰ দল ৫৭
- শান্তি বিচাৰি ওলাওঁতেই... ৫৯
- গ্ৰন্থমেলাত গ্ৰন্থৰ সুৱাস ৬১
- বৰদিন-মানৱসেৱা যীশুৰ বাণী ৬৩
- কিয় বৃদ্ধি পাইছে অপৰাধপ্ৰৱণতা ৬৫

■ বন্ধ সংস্কৃতি বন্ধ কৰক ৬৮
■ গ্ৰন্থমেলা মানেই কিতাপ বিক্ৰী ৭০
■ ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ নাটক আৰু দৰ্শক ৭২
■ সমন্বয়ৰ বাৰ্তাবহনকাৰী হয়গ্ৰীৱ মাধৱ মন্দিৰ ৮১
■ বৰপেটাৰ হোলী উৎসৱ আৰু পৰম্পৰা ৮৩
■ কিয় জনপ্ৰিয় আছিল আদ্য শৰ্মা ৮৫
■ আঁতৰি গ'ল এগৰাকী শিল্পী ৮৭
■ নীৰৱে গুচি গ'ল বিদ্যুৎ চক্ৰৱৰ্তী ৮৯
■ ভ্ৰাম্যমাণৰ এগৰাকী অক্লান্ত সৈনিক ৯১
■ সাংস্কৃতিক সন্ধিয়া নে সাংস্কৃতিক পুৱতি নিশা ৯৩
■ ব'হাগ বিহু, তাঁতৰ শব্দ আৰু... ৯৬
■ সৰস্বতী পূজা নে প্ৰতিযোগিতা ৯৮
■ লোকবিশ্বাস আৰু ফাকুৱা ১০০
■ যৌথ পৰিয়াল ধৰি ৰখাত মহিলাৰ ভূমিকা ১০৩
■ নিঃসংগতা, এখন বিবাহ আৰু কিছু প্ৰাসংগিক কথা ১০৫
■ উত্তৰ-পূৰ্বাঞ্চলৰ লোক বৈষম্যৰ বলি কিয়? ১০৮
■ নৱপ্ৰজন্ম আৰু আৰু ফেচবুক ১১১
■ ৰাজনৈতিক হত্যাকাণ্ড ১১৩
■ তদন্তৰ নিৰ্দেশ মানেই সমস্যাৰ সমাধাননে ১১৬
■ অপহৰণৰ আঁৰত ১১৮
■ যুৱ মানসিকতা-আত্মহত্যা ১২০
■ ৰাজপথত মৃত্যুৰ কিৰীলি ১২২
■ আইন হাতত ল'লে বিপদ হ'ব ১২৫
■ সন্তানৰ স্বাস্থ্য ৰক্ষাত মাতৃৰ ভূমিকা ১২৮
■ সচেতন নহ'লে প্ৰদূষণমুক্ত নহয় ধৰিত্ৰী ১৩০
■ মহানগৰীৰ পথত জাবৰৰ দ'ম ১৩৩
■ সপ্তপুৰী দ্বাৰকা ভ্ৰমণ ১৩৫
■ মাতা বৈষ্ণো দেৱী মন্দিৰ দৰ্শন ১৪০
■ আমি কি কৰা উচিত ১৪৫

# মূল্যবোধ

অৰ্থই হ'ল অনৰ্থৰ মূল। অসমীয়া প্ৰবচন ফাকিৰ যথাৰ্থ সত্যতা আজিও আছে। যেতিয়া এজন ব্যক্তিয়ে প্ৰয়োজনতকৈ বেছি অৰ্থ লাভ কৰে তেতিয়াই তেওঁৰ প্ৰকৃতিও সলনি হয়। প্ৰতিটো ক্ষেত্ৰৰে একো একোটা নিৰ্দিষ্ট পৰিসৰ থাকে। কিন্তু যেতিয়া এই পৰিসৰ অতিক্ৰমি যায় তেতিয়াই দৰাচলতে আৰম্ভ হয় বিপত্তি। যদিহে শৈশৱৰ পৰাই অৰ্থ ব্যয়ৰ হিচাপ-নিকাচ সঠিকভাৱে কৰিবলৈ শিকে তেন্তে জীৱনৰ পৰৱৰ্তী সময়তো ইয়াৰ ব্যৱহাৰ উপযুক্তভাৱেই হ'ব। সেইবাবে সন্তানক সৰুৰে পৰাই ব্যয় কেনেদৰে কৰিব লাগে আৰু অৰ্থ সঞ্চয়ৰ কৌশল সম্পৰ্কে সম্যক জ্ঞান দিয়া উচিত। শৈশৱৰ পৰাই মূল্যবোধৰ শিক্ষা দিলে পৰৱৰ্তী সময়ত জীৱনটো এটা সৰলৰেখাৰে গতি কৰোৱাত বিশেষ সমস্যাৰ সৃষ্টি নহয়। জীৱনৰ প্ৰতিটো খোজতেই মূল্যবোধ সকলোৰে বাবে অনুকৰণীয়।

প্ৰত্যেকৰে জীৱনত সমস্যাৰ সৃষ্টি হয়। যেতিয়াই সমস্যাৰ উদ্ভৱ হয় তেতিয়াই সমাধানৰ বাবে আমি কোনটো পথ অনুকৰণ কৰিম সেয়া ভাবোতেই কিছু সময়

অতিবাহিত হয়। জীৱনৰ প্ৰতিটো বিষয়েই অভিজ্ঞতা। কেতিয়াবা ভাল আৰু কেতিয়াবা বেয়া অভিজ্ঞতা। দুয়োটাৰেই দুটা পৃথক দিশ আছে। ভাল অভিজ্ঞতাই যিদৰে সুন্দৰ পথ এটিৰ সন্ধান দিয়ে তেনেদৰে বেয়া অভিজ্ঞতাই বহুতো কাৰ্য সম্পাদনৰ পৰা নিজকে আঁতৰাই ৰাখিবলৈ শিকনি দিয়ে। এবাৰ বিপদত পৰা মানুহে কেনেবাকৈ উদ্ধাৰ হ'ব পাৰিলে পাছত আৰু তেনে বিপদৰ সন্মুখীন নহ'বলৈ পাৰ্যমানে চেষ্টা চলায়। কোনো বিষয়ত বিপদৰ সংকেত ঘনীভূত হ'লেই তেনেধৰণৰ বিষয়ৰ পৰা আঁতৰি থাকিব পাৰে। প্ৰকৃততে ভাল বেয়া যুদ্ধ এখনৰ মাজত থকা সত্তাটোৰেই হ'ল জীৱন। জীৱনৰ যুঁজখন শক্তিশালী কৰিবলৈ হ'লে প্ৰথমতে ভৰিৰ তলৰ মাটিখিনি সঠিকভাৱে আছে নে নাই সেয়া নিশ্চিত হ'ব লাগিব। চুৰি কৰিলে যিদৰে ধৰা পৰাৰ সম্ভাৱনা বেছি, তেনেদৰে ফাঁকি মাৰিলেও এদিন ধৰা পৰিবই। এজন ব্যক্তিয়ে জীৱনত যিমান মিছা কথা কয় সিমানহে উন্নতিৰ জখলাৰ পৰা এখোপ তললৈ নামি আহে। যুধিষ্ঠিৰেই এটা মিছা শব্দ কৈছিল অধৰ্মক বিনাশ কৰিবলৈ। তাৰ অৰ্থ এইটো নহয় যুধিষ্ঠিৰৰ সকলোবোৰ কথাই মিছা আছিল। 'অশ্বত্থমা হত ইতি গজ' বুলি ক'লেও যুধিষ্ঠিৰকেই কোৱা হয় 'ধৰ্মৰাজ'। মহামানৱ মহাত্মা গান্ধীয়ে মোহনদাস কৰম চান্দ হৈ থাকোতে মাংস খাই মাকৰ আগত মিছা কৈছিল যদিও, এইগৰাকী ব্যক্তি আজি কেৱল ভাৰতবৰ্ষতেই নহয়, বিশ্বতেই পূজিত। কাৰণ এইসকলোৱে সেই এটা বা দুটা মিছা কোৱাৰ পাছত অনুশোচনাত দুগ্ধ হৈছিল। শৈশৱৰে পৰা মূল্যবোধৰ শিক্ষা পোৱা বাবে জীৱনৰ প্ৰতিটো ক্ষেত্ৰতেই সন্মুখীন হোৱা প্ৰত্যাহ্বান বিপৰ্যয়ৰ মাজতো নেওচিবলৈ সক্ষম হৈছিল। প্ৰায়ভাগ সমস্যাৰ সমাধান কৰে মূল্যবোধে।

মূল্যবোধ সম্পৰ্কে শৈশৱৰ পৰাই শিক্ষা দিবলৈ পিতৃ-মাতৃৰ লগতে অভিভাৱকে চেষ্টা কৰা উচিত। সাধাৰণতে শিশুসকলক পিতৃ-মাতৃ অথবা অভিভাৱকে 'এইটো নকৰিবা', 'অমুকটো কৰিব নালাগে, তমুকটো কিয় কৰিছা ?' ,'এনে কৰিলে ভগৱানে পাপ দিব', 'এইটো কৰিলে তোমাৰ পঢ়া-শুনা ৰসাতলে যাব' ইত্যাদি ইত্যাদি কথা কৈ কিছুমান কাম কৰাৰ পৰা আঁতৰি থাকিবলৈ উপদেশ দিয়ে। সন্তানেও কিছুমান কথা আখৰে-আখৰে পালন কৰে। কিছুমানে আকৌ পালন নকৰি মনে মনে তেনে কাম কৰি থাকে। কিন্তু তাকে নকৰি পিতৃ-মাতৃ

অথবা অভিভাৱকে মূল্যবোধৰ কথা শিকাবলৈ চেষ্টা নকৰে। এই সময়ত শিশুক মূল্যবোধ বিষয়টো শিকোৱাতো এক প্ৰকাৰ প্ৰত্যাহ্বান হৈ পৰে। কাৰণ শিশুসকলৰ ভাল-বেয়া, ন্যায়-অন্যায় আদি বোধ সৃষ্টি কৰাৰ সময়ত স্বাভাৱিকতে এটি প্ৰশ্ন উত্থাপন কৰে কিয়? যদি কোনো এটা কাম কৰিবলৈ মন কৰে তেতিয়া প্ৰথমতে শিশুটিয়ে প্ৰশ্ন কৰে— কিয় কৰিব নালাগে? কৰিলে কি হ'ব? কিন্তু সকলো সময়তে এই 'কিয়' শব্দটোৰ উত্তৰ দিয়াটো সম্ভৱ নহয়। আমাৰ সমাজত 'যৌনতা' বিষয়টো এতিয়াও ঠেক গণ্ডীৰে চোৱা হয়। এই শব্দটো বহুতহে শুনিবলৈ নোখোজে— যেন মহাভাৰতখনহে অশুদ্ধ হ'ব। ল'ৰা-ছোৱালীক যৌনতাৰ বিষয়ে শিক্ষা দিয়াতো দূৰৈৰে কথা, বহুতো পতি-পত্নীয়েই মুকলিভাৱে বিষয়টো আলোচনা কৰিব লজ্জাবোধ কৰে। সেয়েহে টিভি চাই থাকিলে যদি কোনো প্ৰাপ্তবয়স্কৰ বাবে দৃশ্যাংশ থাকে তেতিয়া হয় চেনেলটো সলনি কৰিব নতুবা ল'ৰা-ছোৱালীক টিভিৰ আগৰ পৰা আঁতৰাই পঠিয়াব। যেতিয়া শিশুৱে সোধা প্ৰশ্নৰ উত্তৰটো ডাঙৰে পোনপটীয়াভাৱে নিদিয়ে তেতিয়া সিহঁতৰ কৌতূহল আৰু বৃদ্ধি পায়। এটা সাধাৰণ উদাহৰণ দিব খুজিছো। ঘৰলৈ আলহী আহিলে অথবা কোনো ব্যক্তিৰ স'তে প্ৰথমে পৰিচয় কৰাই দিলে নমস্কাৰ বা জ্যেষ্ঠজনক সেৱা কৰিব লাগে বুলি শিশুটিক কোৱাৰ আগতে যদি ডাঙৰেই সেই আৰ্হি দেখুৱায় তেতিয়া নিশ্চয় শিশুটিয়েও অনুসৰণ কৰিব। যদিহে শিশুটিয়ে এই কথাতো আয়ত্ত কৰিব পৰা নাই তেন্তে এনে কৰিলে জ্যেষ্ঠজনে যে তেওঁক মৰম-চেনেহ কৰিব, বিপদৰ সময়ত সহায় কৰিব আৰু পঢ়া-শুনাত নজৰ দিব সেই বিষয়ে বুজাই দিব পাৰিলে নিশ্চয় আয়ত্ত কৰিব পাৰিব। কেতিয়াবা কিছুমান শিশুৱে পৰুৱা ধৰি আনি গ্লাছৰ ভিতৰত সুমুৱাই দি ঢাকনীৰে বন্ধ কৰি দিয়ে। এনে কৰি শিশুটিয়ে খুব ৰং পায়। নানাৰঙী পখিলা ধৰি আনি পাখি ছিঙি খুব আনন্দ পায়। একেদৰে ফৰিং আদি ধৰি আনিও ঠেং ছিগে। এনে কৰাৰ সময়ত বহুতো পিতৃ-মাতৃয়ে খং কৰি তেনে নকৰিবলৈ ধমকি দিয়ে। তেতিয়া কিন্তু শিশুটিয়ে সেই কথাটো মনে মনে কৰিবলৈ চেষ্টা চলায়। কিন্তু তেনেদৰে ধমকি দিয়াৰ পৰিৱৰ্তে যদি পিতৃ-মাতৃ অথবা পৰিয়ালৰ আন সদস্যই বিষয়টো সহজভাৱে বুজাই দিয়ে, পৰুৱাটো গ্লাছৰ ভিতৰত সুমুৱাই দিলে সি গাঁতৰ ভিতৰত থকা বাহলৈকে যাব নোৱাৰিব। পখিলাৰ পাখি কাটিলে অথবা ফৰিঙৰ ঠেং

ছিঙিলে যে উৰিব নোৱাৰিব সেই কথাটো সহজভাৱে বুজাই দিলে শিশুটিয়ে নিশ্চয় বুজি পাব।

সেয়েহে শিশুটিৰ আচাৰ-ব্যৱহাৰ আৰু প্ৰকৃতিৰ পৰিৱৰ্তন কৰিবলৈ কেইটামান বিষয়ৰ ওপৰত গুৰুত্ব প্ৰদান কৰা উচিত। কোনবোৰ বিষয়ত গুৰুত্ব প্ৰদান কৰিব—

- সাধুকথাৰ পুথি ,বিশষকৈ নীতি কথামূলক বিষয়ৰ ওপৰত ৰচিত ৰামায়ণ, মহাভাৰত, পঞ্চতন্ত্ৰ, হিতোপদেশ আদি পঢ়িব দিব লাগে। তদুপৰি এইবোৰৰ কাহিনী যদি সাধুকথা হিচাপে পিতৃ-মাতৃ অথবা পৰিয়ালৰ কোনো এজন সদস্যই শুনায়, তেতিয়া শিশুটিয়ে সহজেই আয়ত্ত কৰিব পাৰিব। শিশুটিৰ মনত উদয় হোৱা প্ৰশ্নৰো উত্তৰ যেতিয়া লাভ কৰিব তেতিয়া ইয়াৰ ফল ইতিবাচক হ'ব।
- সকলো প্ৰাণীৰ প্ৰতি সহানুভূতিশীল হ'বলৈ শিকাব লাগে। পোহনীয়া জীৱ-জন্তুৰ প্ৰতি যেতিয়া সহানুভূতিশীল হ'ব তেতিয়া আন প্ৰাণীৰ প্ৰতিও তেনে ভাব মনত গঢ় লৈ উঠিব। জীৱ-জন্তুৰ মাত শুনিয়ে চিনি পোৱাৰ বিষয়েও জ্ঞান দিয়া উচিত।
- সপ্তাহত নহ'লেও মাহত তিনি-চাৰিদিন গছ-গছনি চিনাক্ত কৰিব লাগে। ঘৰৰ ওচৰে-পাঁজৰে থকা গছ-গছনিসমূহৰ নাম শিকোৱাৰ লগতে তেনে ধৰণৰ গছৰ পৰা কেনে উপকাৰ হয়, সেই শিক্ষা দিব পাৰিলে নিশ্চয় উপকৃত হ'ব। ই ভৱিষ্যৎ জীৱনৰ আদিছোৱাত শিকা সকলোবোৰ কথাই পৰৱৰ্তী সময়ত হৈ পৰে অমূল্য সম্পদ।
- সততা, আন্তৰিকতা আৰু বন্ধুত্ব —এই তিনিটা মৌলিক গুণক সাৰথি কৰি পিতৃ-মাতৃয়ে সন্তানৰ সন্মুখত তিনিওটা গুণক আদৰ্শৰ ৰূপত উপস্থাপন কৰিব লাগিব। এই তিনিওটা গুণ সন্তানে আয়ত্ত কৰিব পাৰিলে শিশুটিয়ে ভৱিষ্যতে এজন 'ভাল মানুহ' হিচাপে নিজকে প্ৰতিষ্ঠা কৰিব পাৰিব।
- প্ৰকৃতিৰ স'তে মিলিবলৈ শিকাওক। এটা শীত-তাপ নিয়ন্ত্ৰিত কোঠাৰ মাজত আবদ্ধ ৰখাতকৈ প্ৰকৃতিৰ বুকুত মুকলি মনেৰে খেলিবলৈ দিয়া উচিত। ফুলনিৰ পৰা ফুল ছিঙা, গছ-গছনি ৰুবলৈ

শিকোৱা, পানী দিয়া, পাচলি বাগানত পানী দিয়া আদি কামত লগালেও ইয়াৰ ফল ইতিবাচকেই হয়।

- নিজৰ সভ্যতা-সংস্কৃতিক শ্ৰদ্ধা কৰিবলৈ শিকাব লাগে। অৱশ্যে আনৰ সভ্যতা-সংস্কৃতিৰ বিৰুদ্ধেও বিৰূপ মন্তব্য দিব নালাগে। আনৰটোক ভাল বুলি কৈ নিজৰখিনি তাতোকৈ বেছি ভাল বুলি শিকালেহে আনক শ্ৰদ্ধা কৰি নিজৰখিনি ভাল পাবলৈ শিকিব।
- লোভ মানৱৰ শত্ৰু। এই বিষয়ে সাধুকথাৰ মাজেদি শিকাব লাগে।
- সন্তানৰ আগত পিতৃ-মাতৃয়ে ধনক লৈ গৰ্ব কৰা, সম্পত্তিৰ অধিকাৰী হোৱা বাবে দুখীয়াক ঘৃণা কৰা, লেই-লেই-ছেই-ছেই কৰিব নালাগে। নহ'লে পাছত ধনৰ গৰ্বত বলিয়ান হ'ব সন্তানটি। ভৱিষ্যৎ হ'ব অন্ধকাৰ।

# মা তুমি অনন্যা

পৃথিৱীৰ সৰ্বাধিক ব্যৱহৃত শব্দটোৱেই হ'ল— 'মা'। যি ভাষাতেই নহওক কিয়— সকলোৰে উচ্চাৰণ একেই। পৃথিৱীৰ সকলো ভাষাৰ উমৈহতীয়া শব্দ হিচাপে গণ্য কৰা হয় 'মা'ক। ভূমিষ্ঠ হোৱাৰ পাছৰে পৰাই শৈশৱৰ বেছিভাগ সময় কটায় মাকৰ স'তে। পৃথিৱীৰ অনাবিল আনন্দৰ তথা বিনন্দীয় পৃথিৱীখন চোৱাৰ সকলোৰে সৌভাগ্য ঘটে কেৱল মাতৃৰ বাবেহে। মাতৃগৰ্ভত সৃষ্টি উৎস লুকাই থাকে বাবে মাতৃক জীৱনৰ কোনো এটা মুহূৰ্তৰ বাবেও আঁতৰ কৰিব নোৱাৰি। মাতৃগৰ্ভৰ পৰা ১০ মাহ ১০ দিন পাছত বিচ্ছিন্ন হ'লেও মাতৃৰ বোকোচা শুদা কৰি আঁতৰি যাব নোৱাৰে 'মাতৃদুগ্ধ'ৰ বাবে। কাৰণ জীৱনৰ চালিকা শক্তি লভা কৰা হয় মাতৃদুগ্ধৰ জৰিয়তে। 'মাতৃদুগ্ধ'ক অমৃতৰ স'তে তুলনা কৰা হয়। দেৱীৰ আসনত মাতৃদেৱীক প্ৰতিষ্ঠা কৰা হয় বাবে মাতৃৰ বুকুৰ পৰা লাভ কৰা খাদ্যখিনি অমৃতৰ সমতুল্য হোৱাতো স্বাভাৱিক কথা।

পিতৃ-মাতৃৰ ঋণ জীৱনত কেতিয়াও পূৰণ কৰিব নোৱাৰে। চিৰ ঋণী হোৱা বাবে সন্তানে পিতৃ-মাতৃৰ অবাধ্য হ'বলৈ নোখোজে। অৱশ্যে এই পৃথিৱীত ইয়াৰ ব্যতিক্ৰম নোহোৱা লোকো আছে। মেক্সিম গৰ্কীৰ 'মা' উপন্যাখন পঢ়াৰ পাছত 'মা' শব্দটোৰ প্ৰকৃত অৰ্থ বিচাৰি পোৱা যায়।

'মা' শব্দটোৰ কোনো নিৰ্দিষ্ট সংজ্ঞা নাই। নাই কোনো সৰ্বসন্মত গ্ৰহণযোগ্য সূত্ৰ। মাতৃৰ কোনো জাতি নাথাকে। নাথাকে কোনো নিৰ্দিষ্ট পৰিসীমা। সকলো জাতিৰ এটাই উমৈহতীয়া শব্দ— 'মা'। 'মা'ক যি ৰূপ দিয়া হয় সেই ৰূপেই লয়। পানীৰ নিৰ্দিষ্ট বৰণ নথকাৰ দৰে মাতৃৰো কোনো বৰণ নাথাকে। সকলো 'মা'ৰ পৰিচয় নাৰী, পিছে সকলো নাৰীয়েই জানো 'মা' শব্দটোৰ অধিকাৰী হ'ব পাৰে। প্ৰসৱ বেদনা অবিহনে মাতৃত্বৰ গৌৰৱ অৰ্জন কৰাটো অসম্ভৱ। একেদৰে মাতৃত্বৰ গৌৰৱ অবিহনে নাৰী জীৱন আধৰুৱা বুলি কোৱা হয়।

কেৱল যে মানুহৰ বাবেই 'মা' শব্দটো পৱিত্ৰ তেনে নহয়, প্ৰাণীকুলৰ সকলোৰে বাবে আপোন। ছাগলী পোৱালি এটিৰ জন্মৰ পাছত পোৱালিটোৱে মাতৃৰ ওহাৰৰ পৰা খোৱা দুগ্ধৰেই জীৱনৰ পাতনি মেলে। ভাষা বা মাধ্যম বেলেগ হ'লেও সকলোৰে বাবে মাতৃ মৰমিয়াল। মাতৃৰ চকুতো সন্তান সদায় শিশু আৰু নিৰ্বোধ হৈয়ে থাকে। মহাভাৰতৰ পৃষ্ঠা মেলি চালে দেখা যায় মাতৃৰ অবাধ্য কোনো হ'ব নোৱাৰে। কুন্তীৰ কুমাৰী কালৰ ভুলৰ বাবে কৰ্ণৰ জন্ম হ'লেও ডাঙৰ-দীঘল হৈছিল সূতৰ ঘৰত। সহোদৰৰ বিৰুদ্ধে কুৰুক্ষেত্ৰত কৌৰৱৰ সেনাপতি হৈছিল নিজ গুণৰ বলত। কৰ্ণৰ লক্ষ্য আছিল অৰ্জুন। কাৰণ অৰ্জুনৰ সমান ধনুৰ্ধৰ এই পৃথিৱীত নাই বুলি সকলোৱে স্বীকাৰ কৰিছিল। কিন্তু কৰ্ণই এই স্বীকৃতি মানি লোৱা নাছিল। অৰ্জুনৰ সমানেই বীৰ যোদ্ধা আছিল কৰ্ণ। কুৰুক্ষেত্ৰৰ ৰণত কৰ্ণই পঞ্চ পাণ্ডৱৰ বিৰুদ্ধে যুঁজত অৱতীৰ্ণ হোৱাৰ পূৰ্বেই এদিন মাতৃ কুন্তীয়ে কৰ্ণৰ ওচৰত উপস্থিত হৈছিল সংগোপনে। মাতৃ পৰিচয় লাভ কৰাৰ পাছত কৰ্ণই কৈছিল— 'মা, তোমাৰ পঞ্চ পাণ্ডৱ সদায় পঞ্চ পাণ্ডৱেই হৈ থাকিব। হয় অৰ্জুন— নহয় মোৰ মৃত্যু হ'ব। কিন্তু এই কথা তুমি গোপনে ৰাখিবা। তোমাৰ সন্মানত কেতিয়াও আঘাত হ'বলৈ নিদিওঁ।' সকলো দুখ-যন্ত্ৰণা, অপমান সহ্য কৰিও কিন্তু কৰ্ণই মাতৃ কুন্তীক সন্মুখত দেখাৰ পাছত পাণ্ডৱৰ প্ৰতি অলপ সময়ৰ বাবে হ'লেও দুৰ্বল হৈছিল। হয়তো সেইবাবে কুৰুক্ষেত্ৰৰ ৰণত যুধিষ্ঠিৰ, ভীম, নকুল আৰু সহদেৱক নিধন কৰিবলৈ সুযোগ লাভ কৰিও মাতৃক দিয়া 'বচন' পালন কৰিছিল। এয়াই মাতৃৰ প্ৰতি থকা শ্ৰদ্ধা, মৰম, ভালপোৱা। মা অবিহনে কোনোৱে এই বিনন্দীয় পৃথিৱীৰ পোহৰ দেখা নাপায়। 'মা' শব্দটোক আমি যিমান ব্যাপক অৰ্থত ব্যৱহাৰ কৰো তাতকৈ বেছি ইয়াৰ পৰিধি।

# তন্ত্ৰ-মন্ত্ৰ, অন্ধবিশ্বাস...

২০১৫ বৰ্ষৰ আদিভাগতে শোণিতপুৰ জিলাৰ ৰঙাপাৰাৰ তাৰাজুলি বাগানত এটি পাঁচ বছৰীয়া শিশুক দেৱীৰ সন্তুষ্টিৰ বাবে বলি দিয়া ঘটনাই সমগ্ৰ দেশতে আলোড়নৰ সৃষ্টি কৰিছিল। স্বয়ম্ভু কালী সাধক নানু মিৰ্ধা নামৰ আদবয়সীয়া লোকজনে পিতৃ-মাতৃ নথকাৰ সুযোগতে বাগানখনৰ সনাতন বাগ নামৰ ফুলকুমলীয়া শিশুটিক শিৰশ্চেদ কৰি কালী দেৱীৰ ফটোৰ সন্মুখত মূৰটো ৰাখি পূজা কৰা ঘটনাই পুনৰ প্ৰমাণ কৰিলে যে আমাৰ সমাজখন আজিও অন্ধবিশ্বাসৰ পৰা মুক্ত নহয়। এনে ধৰণৰ ঘটনা কেৱল যে অসমতে সংঘটিত হৈছে তেনে নহয়, দেশৰ আন ৰাজ্যতো সংঘটিত হৈছে। কিছুমান ঘটনা পোহৰলৈ নহাকৈয়ে থাকি যায়। বিশেষকৈ জনজাতীয় লোক অধ্যুষিত অঞ্চলত এনে ধৰণৰ নৰবলিৰ ঘটনা সংঘটিত হৈ আহিছে। তুলনামূলকভাৱে জনজাতীয় লোকসকল সকলো ক্ষেত্ৰতে অনগ্ৰসৰ। শিক্ষাৰ পৰা আৰম্ভ কৰি বহিঃবিশ্বৰ স'তে সংযোগ ৰক্ষাৰ ক্ষেত্ৰলৈ সকলোতে এই লোকসকল পিছপৰি আছে। ফলত তেওঁলোকে অন্ধবিশ্বাসৰ পৰা এতিয়াও মুক্ত হ'ব পৰা নাই। চিন্তা-চৰ্চা এতিয়াও মান্ধাতা যুগতে আছে। বিজ্ঞানৰ প্ৰভূত উন্নতিৰ প্ৰভাৱ এই অঞ্চলসমূহত

এতিয়াও পৰা নাই। বিজ্ঞান-প্ৰযুক্তিক ভ্ৰূকুটি কৰি তন্ত্ৰ-মন্ত্ৰকে সম্বল কৰি চলি আছে সমাজ ব্যৱস্থা। জনজাতীয় লোকসকলৰ সমাজ ব্যৱস্থা অপৈণত হোৱা বাবে অন্ধবিশ্বাসে গো-গ্ৰাসে গিলি আছে। অতীতত দেৱীক সন্তুষ্ট কৰিবলৈ নৰবলি দিয়াৰ বিষয়ে বিভিন্ন গ্ৰন্থত উল্লেখ কৰা আছে। তেতিয়াৰ সমাজখন আছিল অন্য ধৰণৰ। দেৱ-দেৱীৰ আশীৰ্বাদ-অভিশাপৰ ওপৰত ভিত্তি কৰিয়ে সমাজখন চলিছিল। নীতি-নিয়ম তথা সামাজিক ব্যৱস্থাপনাও এই আশীৰ্বাদ-অভিশাপৰ ওপৰতে প্ৰতিষ্ঠিত আছিল। দেৱ-দেৱী সন্তুষ্ট নোহোৱা বাবে অপায়-অমংগল তথা বিভিন্ন ৰোগ হোৱা বুলি ভাবিছিল। অশিক্ষিত সমাজখনৰ সুযোগ সন্ধানী তথা স্বাৰ্থপৰ লোকে এনে অন্ধবিশ্বাসৰ সুযোগ গ্ৰহণ কৰি নিজকে দেৱ-দেৱীৰ প্ৰতিনিধি বুলি সমাজত প্ৰচাৰ চলাইছিল। দেৱ-দেৱীৰ প্ৰতিনিধি বুলি দাবী কৰা লোকসকলে অনুগতৰ সংখ্যা বৃদ্ধি কৰিবলৈ বিভিন্ন তন্ত্ৰ-মন্ত্ৰৰ সহায় লৈছিল। তেওঁলোকৰ কথা মতে সমাজত নীতি-নিয়ম প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা চলাইছিল। স্বাৰ্থপূৰণৰ বাবে ভিতৰুৱা একেবাৰে অনগ্ৰসৰ অঞ্চলত প্ৰৱেশ কৰি লোকসকলক বিভিন্ন প্ৰকাৰে আকৰ্ষণ কৰিবলৈ চেষ্টা চলায়। বিভিন্ন প্ৰলোভনেৰে দুই-এজনক হাত কৰি লৈ অঞ্চলটোত প্ৰভাৱ বিস্তাৰ কৰে। এই লোকসকলে তন্ত্ৰ-মন্ত্ৰ, জৰা-ফুকাৰে চিকিৎসা চলায়।

এই ভণ্ড বেজ-কালী সাধকে সমাজৰ কোনো লোক এজনৰ ওপৰত সমস্ত দোষ জাপি দি সেই লোকজনৰ বিৰুদ্ধে অপপ্ৰচাৰ চলায়। গাঁওখনৰ বা অঞ্চলটোৰ কোনো এজন লোক অথবা এটা পৰিয়ালৰ ওপৰত কাৰোবাৰ বেমাৰ-আজাৰ, ৰাইজৰ অপায়-অমংগলৰ দোষ জাপি দি হত্যা কৰিবলৈ একাংশ লোকক উচতনি দিয়ে। সুযোগ সন্ধানী লোকসকলেও এনে কালী সাধক, ভণ্ড বাবা, ভণ্ড আইৰ নিৰ্দেশৰ গইনা লৈ তেনে পৰিয়ালৰ ওপৰত নিৰ্যাতন চলায়। গাঁৱৰ পৰা পৰিয়ালটোক খেদি পঠিয়ায়। কিছুমানক নৃশংসভাৱে হত্যা কৰে। এনেদৰে চলি আহিছে অন্ধবিশ্বাস। এনে অন্ধবিশ্বাসৰ পৰিণতিতে সংঘটিত হৈছে শেহতীয়াকৈ নৰবলি, ডাইনীৰ সন্দেহত হত্যা, নিৰ্যাতন।

আজিকালি কালী সাধক, বেজ, ভগৱানৰ অৱতাৰ, ধৰ্ম গুৰু বুলি প্ৰচাৰ চলোৱা লোকৰ অভাৱ নাই। এই লোকসকলে স্বাৰ্থ সিদ্ধিৰ লগতে কোনো লোকৰ এজেণ্ট হিচাপে কাম কৰে। তদুপৰি ব্যক্তিগত প্ৰতিশোধ তথা আন

কোনো উদ্দেশ্য আগত ৰাখিয়ে এনে ভণ্ড লোকে নিজকে প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা অব্যাহত ৰাখে। ব্যক্তিগত আখেজ পূৰণৰ বাবে ভণ্ড সাধক, বাবাৰ জন্ম হোৱাৰ পাছত দুষ্কাৰ্যত লিপ্ত হয়। হত্যা, ধৰ্ষণ, অপহৰণ, লুণ্ঠনত প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে জড়িত হৈ পৰে। বিভিন্ন ধৰণৰ দুষ্কাৰ্য নিয়ন্ত্ৰণ কৰে এনে ভণ্ড সাধক থকা লোকৰ ঘৰৰ পৰা। খ্ৰীষ্টানধৰ্মী নানু মিৰ্ধাই কালী সাধকৰ ভাও জুৰি যি নৃশংস হত্যাকাণ্ড সংঘটিত কৰিলে সেয়া মানৱ জাতিৰ বাবে এক কংলকিত অধ্যায়। প্ৰতিশোধ পূৰণৰ বাবে মিৰ্ধাই এনে ভাও ধৰিছিল। এটি নিষ্পাপ শিশুক কেনেদৰে হত্যা কৰিব পাৰে সেয়া ভাবিলে আচৰিত লাগে। দৰাচলতে এনে লোকে হঠাতে দুষ্কাৰ্য সংঘটিত নকৰে, পৰিকল্পিতভাৱেহে আগবাঢ়ে। আগৰেপৰাই অপৰাধপ্ৰৱণ মন এটি থাকেই। মাথোঁ প্ৰতিশোধৰ জ্বালাই ইয়াত সাৰ-পানীহে যোগায়।

সমাজত চলি থকা অন্ধবিশ্বাস প্ৰতিৰোধ কৰিবলৈ আমি সকলোৱে মাৰ বান্ধি থিয় দিব লাগিব। ইয়াৰ বিৰুদ্ধে ৰাইজক সজাগ কৰিলেহে প্ৰতিৰোধ সম্ভৱ হ'ব। অনগ্ৰসৰ অঞ্চলৰ লোকসকলক শিক্ষাৰ পৰা আৰম্ভ কৰি সকলো ক্ষেত্ৰতে আগুৱাই নিব লাগিব। অন্যথা প্ৰতিৰোধ অসম্ভৱ।

# কন্যা সন্তানক অৱহেলা কিয় ?

আমাৰ সমাজত সাধাৰণতে সকলোৱে পুত্ৰ সন্তান জন্ম হোৱাটো বিচাৰে। কন্যা সন্তান জন্ম হ'লে মুখ কোঁচোৱা লোকৰ সংখ্যাও কম নহ'ব। ভাৰতীয় পৰম্পৰা অনুসৰি পিতৃ-মাতৃক পিণ্ড দিয়াৰ অধিকাৰ পুত্ৰ সন্তানৰ। তদুপৰি বয়স হ'লে পুত্ৰ সন্তানেই পিতৃ-মাতৃক সেৱা-শুশ্ৰূষা কৰিব বুলি আশা কৰিয়েই কন্যাতকৈ পুত্ৰ সন্তান জন্ম হোৱাতহে গুৰুত্ব প্ৰদান কৰে। কিন্তু বাস্তৱ ক্ষেত্ৰত পিতৃ-মাতৃয়ে বিচৰা ধৰণে পুত্ৰ সন্তানে সকলো কাৰ্য সম্পাদন কৰে জানো? কিছুমান পিতৃ-মাতৃয়ে আনকি মনৰ দুখতে ক'বলৈ বাধ্য হয়, 'এনে পুত্ৰ সন্তান থকাতকৈ নথকাই ভাল আছিল।' ইয়াৰ বিপৰীতে সদায় অৱহেলাৰ দৃষ্টিৰে চোৱা কন্যা সন্তানেই বিপদৰ সময়ত সহায় কৰাৰ উপৰি সেৱা-শুশ্ৰূষাত ত্ৰুটি নকৰে। কন্যা সন্তানে যিমান সম্ভৱ পিতৃ-মাতৃৰ বাবে চিন্তা কৰে। আনকি বিয়াৰ পাছতো পিতৃ-মাতৃৰ খবৰ লৈ থাকে। কিবা সমস্যা হ'লেই সেয়া সমাধানৰ বাবে আগ বাঢ়ি যায়। তথাপি কন্যা সন্তানৰ প্ৰতি অৱহেলা কিয়? এই প্ৰশ্নৰ উত্তৰ উজু নহয়। কাৰণ আমাৰ সমাজ ব্যৱস্থাই সৃষ্টি কৰিছে এনে প্ৰশ্নৰ।

ঘৰুৱা কাম-কাজৰ ক্ষেত্ৰতো পিতৃ-মাতৃ অথবা অভিভাৱকে পুত্ৰ সন্তানকে বেছি প্ৰাধান্য দিয়া দেখা যায়। ঘৰুৱা কাম-কাজত কন্যা সন্তানক বেছি গুৰুত্ব দিলেও বাহিৰৰ সকলো কামেই পুত্ৰ সন্তানৰ দ্বাৰা সম্পাদন কৰাত অগ্ৰাধিকাৰ দিয়ে। এনে মানসিকতাৰ পৰা আমাৰ সমাজখন কেতিয়া সম্পূৰ্ণৰূপে মুক্ত হ'ব সেয়া কোনোৱে ন-দি ক'ব নোৱাৰে। দৰাচলতে এনে ধৰণৰ মানসিকতাৰ পৰিৱৰ্তন কৰিবলৈ হ'লে প্ৰথমতে সমাজৰ সকলো লোকেই লিংগ বৈষম্য মনৰ পৰা আঁতৰাই পেলাব লাগিব। লিংগ বৈষম্য সমাজৰ অভিশাপস্বৰূপ। আগতে দিল্লী, ৰাজস্থান, পাঞ্জাব আদি ৰাজ্যত তুলনামূলকভাৱে কন্যা সন্তানক অৱহেলা কৰা হয়। বহুতো লোকে বিশেষকৈ দুখীয়া পৰিয়ালসমূহে কন্যা সন্তানক বিয়াৰ সময়ত দৰাপক্ষই বিচৰা যৌতুকৰ আকাংক্ষা কৰিয়েই এনে সন্তান জন্ম দিব নিবিচাৰে। তদুপৰি জন্ম হ'লেও বহুতেই মাৰি পেলোৱাৰে চেষ্টা চলায়। এতিয়া যৌতুকৰ প্ৰচলন প্ৰায়ভাগ ৰাজ্যতে হ'বলৈ ধৰিছে। সেয়েহে দুখীয়া লোকে কন্যা সন্তানক অৱহেলাৰ দৃষ্টিৰে চায়।

চৰকাৰে কন্যা সন্তানৰ সুৰক্ষাৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰাৰ লগতে ইয়াৰ বাবে প্ৰচাৰ চলালেও এতিয়াও সুৰক্ষিত নহয়। গাঁৱে-ভূঞে সজাগতা সভাৰ আয়োজন কৰিলেই সমস্যাৰ সমাধান নহয়। ইয়াৰ বাবে ৰাইজক শিক্ষিত কৰিব লাগিব। কন্যা সন্তানো যে পুত্ৰৰ সমান সেই ধাৰণা মনত স্থায়ীভাৱে সাঁচ বহুৱাব লাগিব। তেজ-মঙহৰ শৰীৰত কোনো পাৰ্থক্য নাই। এজন ল'ৰাই কৰা কামটো এগৰাকী ছোৱালীয়ে কৰিব নোৱাৰাৰ কোনো যুক্তি নাই।

ভাৰতীয় সমাজত নাৰীক দেৱীৰ আসনত বহুওৱা হয়। নাৰীক ভিন্ন ৰূপত পূজা কৰা হয়। নাৰীয়েই সৃষ্টিৰ মূল। নাৰী অবিহনে সৃষ্টি অসম্ভৱ, নাৰীক পূজা কৰাসকলেই সময়ত ঘাতকৰ ৰূপত অৱতীৰ্ণ হয়। এতিয়া আৰু মহিলা চাৰিবেৰৰ মাজত আবদ্ধ থকা নাই। কেতিয়াবা যদি সাগৰৰ তলিত মাণিক বিচাৰি গৈছে, আন কেতিয়াবা আকৌ সীমান্তত শত্ৰুৰ বিৰুদ্ধে যুঁজ দিছে। বিপদৰ সময়ত সেৱা আগ বঢ়াইছে। কৰ্তব্যৰ মাজতে পিতৃ-মাতৃ অসুস্থ হ'লে চিকিৎসালয়লৈ নিছে। অশেষ কষ্ট কৰিও পৰিয়ালক ভৰণ-পোষণ দিছে। তেন্তে কন্যা সন্তানক লৈ বৈষম্য কিয়? কিয় কন্যা সন্তানক পিতৃ-মাতৃ তথা অভিভাৱকে অৱহেলা কৰে? ইয়াৰ উত্তৰ মাথোঁ এটাই— পৰম্পৰা।

# পুনৰুজ্জীৱিত কৰিবই লাগিব মৃতপ্ৰায় উদ্যোগ

অসম এখন প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ ৰাজ্য। প্ৰকৃতি দেৱীয়ে অসমৰ বুকুত মজুত কৰি ৰাখিছে পনীয়া সোণ, ক'লা হীৰা। তদুপৰি চাহ গছ, ধান খেতি, ৰবৰ বাগান, কলৰ বাগানৰ পৰা আৰম্ভ কৰি বিভিন্ন ধৰণৰ খেতি কৰিব পৰাকৈ এখন ক্ষেত্ৰৰ সৃষ্টি কৰিছে। এসময়ত অসমৰ প্ৰাকৃতিক সম্পদখিনিৰে বৃটিছসকল চহকী হৈছিল। স্বৰাজোত্তৰ কালছোৱাত লাহে লাহে সম্পদসমূহৰ ব্যৱহাৰৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হ'ল। প্ৰাকৃতিক সম্পদসমূহক কেন্দ্ৰ কৰি গঢ়ি উঠা উদ্যোগসমূহৰ সমান্তৰালভাৱে আন বহুতো উদ্যোগ স্থাপন কৰা হ'ল। কিন্তু এই উদ্যোগসমূহৰ অধিকাংশই এতিয়া মৃতপ্ৰায় অৱস্থা। হেজাৰ হেজাৰ থলুৱা লোকৰ পেটৰ ভাতমুঠি মোকলাব পৰা উদ্যোগসমূহৰ ৰুগ্নপ্ৰায় অৱস্থাই ৰাজ্য চৰকাৰৰ উদ্যোগ নীতিৰ প্ৰকৃত ছবিখন দাঙি ধৰিছে। যোগীঘোপাৰ অশোক কাগজ কল, শিলঘাটৰ মৰাপাট উদ্যোগ, নাথকুছিৰ পলিষ্টাৰ মিল, ছিপাঝাৰৰ প্ৰাগবচমি ছিন্থেটিক লিমিটেড, বৰুৱা বামুণ গাঁৱৰ চেনি কল, জাগীৰোডৰ সূতা কল, কৰিয়াৰ চিত্ৰনলা উদ্যোগ, বৰনদীৰ বয়ন উদ্যোগ, মুগকুছিৰ জাপি উদ্যোগ,

তুলসীবাৰীৰ এপ'ল', সৰ্থেবাৰীৰ কাঁহ-পিতলৰ উদ্যোগ আদিৰ অৱস্থা এতিয়া মৃতপ্ৰায়। এই উদ্যোগসমূহ যদি পুনৰুজ্জীৱিত কৰি উৎপাদনক্ষম কৰি তোলা হয় তেনেহ'লে হেজাৰ হেজাৰ নিবনুৱাৰ কৰ্মসংস্থাপনৰ বাট মুকলি হ'ব। এই উদ্যোগসমূহত পোনপটীয়াকৈ নিয়োজিত হোৱাৰ উপৰি উক্ত স্থানসমূহৰ আশে-পাশে ব্যৱসায় কেন্দ্ৰ স্থাপন কৰি বহুতো নিবনুৱাই পেটৰ ভাতমুঠি মোকলাব পাৰিব। এতিয়া প্ৰায়ভাগ উদ্যোগৰে যন্ত্ৰপাতি, গৃহসমূহৰ জৰাজীৰ্ণ অৱস্থা। হেজাৰ হেজাৰ কোটি টকাৰে ক্ৰয় কৰা যন্ত্ৰসমূহৰ মেৰামতি আৰু সংৰক্ষণৰ অভাৱত জহি-খহি গৈছে। ৰাইজৰ ধনৰ এনে অপচয় হোৱাতো কোনোৰে নিবিচাৰে যদিও বাস্তৱত সেয়াই ঘটি আছে। সেয়েহে জনসাধাৰণ প্ৰতিবাদমুখৰ হৈ পৰিছে। কিন্তু এনে প্ৰতিবাদেও সংশ্লিষ্ট কৰ্তৃপক্ষৰ গা লৰাব পৰা নাই। প্ৰচুৰ সম্ভাৱনাপূৰ্ণ উদ্যোগসমূহ ধ্বংসৰ মুখত কিয় উপনীত হ'ল সেয়া বিশ্লেষণ কৰাৰ সময় আহি পৰিছে। প্ৰকৃত কাৰণ নিৰ্ণয় কৰিব পাৰিলে নিশ্চয় এই উদ্যোগবোৰত আকৌ উৎপাদন আৰম্ভ হ'ব।

কিছুবছৰ আগলৈকে অসমৰ উদ্যোগসমূহৰ উৎপাদিত সামগ্ৰী বিক্ৰীৰ বাবে এখন উপযুক্ত বজাৰৰ অভাৱ আছিল বুলি চৰ্চা হৈছিল। কিন্তু এতিয়া অসমত প্ৰতিটো ক্ষেত্ৰতে একো একোখন বৃহৎ বজাৰৰ সৃষ্টি হৈছে। চাহিদা থকা সত্ত্বেও উদ্যোগসমূহক পুনৰুজ্জীৱিত কৰিবলৈ কিয় চৰকাৰ তথা সংশ্লিষ্ট কৰ্তৃপক্ষ আগ্ৰহী নহয় সেয়াহে সকলোৰে বাবে হৈ পৰিছে লাখটকীয়া প্ৰশ্ন। কোনো এখন দেশ বা ৰাজ্যৰ প্ৰগতি নিৰ্ভৰ কৰে উদ্যোগৰ ওপৰত। যিমানে উদ্যোগ স্থাপন হয় সিমানে উন্নতিৰ গ্ৰাফডাল ঊৰ্ধ্বমুখী হয়। কিন্তু অসমৰ গ্ৰাফডাল নিম্নমুখীহে হৈছে। এতিয়াও সময় আছে এই ৰুগ্ন উদ্যোগসমূহক পুনৰুজ্জীৱিত কৰি অসমক উন্নতিৰ পথত আগুৱাই নিয়াৰ। অসমত সম্প্ৰতি নিবনুৱা সমস্যাই ভয়াৱহ ৰূপ ধাৰণ কৰিছে। এনেদৰে নিবনুৱাৰ সংখ্যা বৃদ্ধি হৈ থাকিলে এসময়ত আৰু অধিক জটিল সমস্যাৰ সৃষ্টি হ'ব। উদ্যোগসমূহ কি কৰিলে পুনৰ উৎপাদনক্ষম হ'ব সেই বিষয়ে সিদ্ধান্ত গ্ৰহণ কৰিবলৈ বিশেষজ্ঞৰ পৰামৰ্শ গ্ৰহণ কৰা উচিত। বিশেষজ্ঞসকলে নিৰ্ধাৰণ কৰিব পাৰিব ইয়াৰ ত্ৰুটি। এটা উদ্যোগ ধ্বংস হ'বলৈ বেছি সময়ৰ প্ৰয়োজন নহয়, কিন্তু উদ্যোগ এটা স্থাপন কৰিবলৈ হ'লে বহু বছৰজোৰা শ্ৰম, ধন ব্যয়ৰ প্ৰয়োজন। এতিয়া অসমত ঔদ্যোগিক ক্ষেত্ৰত

প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষিত নিবনুৱাৰ অভাৱ নাই, অভাৱ মাথো কৰ্মসংস্থাপনৰ। বহুতো প্ৰশিক্ষণপ্ৰাপ্ত, কাৰিকৰী শিক্ষা লাভ কৰা যুৱক-যুৱতীয়ে অসমত চাকৰি নাপাই বহিঃৰাজ্যলৈ ঢাপলি মেলিছে। যদিহে অসমৰ মৃতপ্ৰায় উদ্যোগ কেইটা কাৰ্যক্ষম কৰি তোলা হয় তেনেহ'লে এইসকল যুৱক-যুৱতীয়ে পুনৰায় নিজ ৰাজ্যলৈ ঘূৰি আহি অসমৰ অৰ্থনৈতিক অৱস্থা টনকিয়াল কৰিব পাৰিব। অৰ্থনৈতিকভাৱে স্বাৱলম্বী হ'লে উগ্ৰপন্থী সমস্যাৰো অন্ত পৰিব। এতিয়াও বহুতো যুৱক-যুৱতীয়ে অৰ্থনৈতিকভাৱে টনকিয়াল হ'ব নোৱাৰি হতাশাত ভুগিয়ে উগ্ৰপন্থী সংগঠনত যোগ দি আছে। বিশ্ব উগ্ৰপন্থী সংগঠনৰ ইতিহাসেও তাৰেই ছবি এখন দাঙি ধৰে। অসমৰ আৰ্থ-সামাজিক ভাৰসাম্যৰ বাবে আৰু নিবনুৱা সমস্যা নিৰ্মূল কৰিবলৈ হ'লে ৰুগ্ন উদ্যোগসমূহ কাৰ্যক্ষম কৰিবই লাগিব। কাৰ্যক্ষম হ'লে হতাশগ্ৰস্ত নিবনুৱা, দক্ষ শ্ৰমিকে আত্মহত্যাৰ দৰে পথ বাছি ল'বলগীয়া নহ'ব।

# ডাইনী হত্যা
# বন্ধ হ'ব কেতিয়া

সভ্যতাৰ চৰম শিখৰত উপনীত হোৱা বুলি দাবী কৰিলেও মানৱ জাতিয়ে আজিও কিছুমান অন্ধবিশ্বাসৰ পৰা মুক্ত হ'ব পৰা নাই। বিশ্বৰ প্ৰতিখন দেশতে বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকৰ মাজত কিছুমান অন্ধবিশ্বাস চলি আছে। এনেধৰণৰ ঘটনা কি কাৰণে সংঘটিত হৈ আছে সেয়া চৰ্চাৰ বিষয় হৈ আহিছে। অসমো এইক্ষেত্ৰত ব্যতিক্ৰম নহয়। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত আজিও সংঘটিত হৈ আছে ডাইনী হত্যাকাণ্ড। ডাইনীৰ সন্দেহত বহুতো নিৰীহ লোকে প্ৰাণ হেৰুৱাবলগীয়া হৈছে। বহুতক গাঁৱৰপৰা খেদি পঠিওৱা হৈছে। ডাইনী প্ৰথাৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ পাছতো কিন্তু এনে ধৰণৰ ঘটনা সংঘটিত হৈয়ে আছে। এনে ধৰণৰ ঘটনা প্ৰতিৰোধৰ বাবে এতিয়া কঠোৰ আইন প্ৰণয়নৰ প্ৰয়োজন হৈ পৰিছে। কাৰণ যি হাৰত ডাইনীৰ সন্দেহত অত্যাচাৰ আৰু হত্যাকাণ্ড চলি আছে তেনেদৰে চলি থাকিলে ভৱিষ্যতে এই সমস্যাই ভয়াৱহ ৰূপ ধাৰণ কৰিব।

ডাইনী হত্যাকাণ্ডৰ বাবে প্ৰধানকৈ দায়ী অনগ্ৰসৰতা আৰু শিক্ষাৰ প্ৰভাৱ নপৰা। সাধাৰণতে এনে ঘটনা বেছিকৈ সংঘটিত হয় ভিতৰুৱা অনগ্ৰসৰ অঞ্চলত। যিবোৰ ঠাইত শিক্ষিত লোকৰ সংখ্যা কম তেনে ঠাইবোৰত 'বাবা' বা 'গোসাঁনী লম্ভা আই' বুলি দাবী কৰা ভণ্ড পুৰুষ-মহিলাই নিজ স্বাৰ্থ সিদ্ধিৰ বাবে সোমাই পৰে। যিসকলে বিশেষকৈ বৃদ্ধ দম্পতীক লক্ষ্য কৰি লয়। অকলশৰে থকা পুৰুষ অথবা মহিলাক হত্যাৰ লক্ষ্য কৰি লয়। নিশাৰ ভাগত বেছিকৈ আক্ৰমণ কৰে। তথাকথিত বাবা বা আই লম্ভা মহিলাসকলে অশিক্ষিত লোক তথা অন্ধবিশ্বাসী লোকসকলক বিভিন্ন ধৰণে প্ৰৰোচনা কৰে। ডাইনী বা ডাইনা বুলি আঙুলিয়াই দিয়া লোকসকলৰ বাবে সমাজত অপায়— অমংগল, গাঁওখনত মৃত্যু হোৱা লোকৰ সংখ্যা বৃদ্ধি হোৱা বুলি পতিয়ন নিয়ায়। তেওঁলোকে কথাবোৰ এনেদৰে উপস্থাপন কৰে যে গঞাই সেয়া বিশ্বাস কৰিবলৈ বাধ্য হয়। এই বাবা বা আই লম্ভা মহিলাৰ নিৰ্দেশতে লক্ষ্য কৰি লোৱা পৰিয়ালৰ ওপৰত আক্ৰমণ চলায়। নৃশংসভাৱে হত্যা কৰে। গাঁওসভা অনুষ্ঠিত কৰি কিছুমানক গাঁৱৰ পৰা খেদি পঠিয়াবলৈ সিদ্ধান্ত লয়। কিছুমানৰ ওপৰত ধাৰাবাহিকভাৱে পাশৱিক অত্যাচাৰ চলায়।

অৱশ্যে কেৱল যে অশিক্ষিত লোকসকলৰ মাজতেই 'ডাইনী' হত্যাৰ ঘটনা সংঘটিত হৈ আছে তেনে নহয়। একাংশ শিক্ষিত লোকেও এইক্ষেত্ৰত সময়ে সময়ে আগভাগ লোৱাৰ বাতৰি প্ৰকাশ পাই আহিছে। আনকি সমাজৰ মূধাফুটা লোকৰ নেতৃত্বতো এনে ঘটনা সংঘটিত হয়। মূলতঃ অনগ্ৰসৰতা আৰু শিক্ষাৰ অভাৱেই 'ডাইনী হত্যা'ৰ অন্যতম কাৰণ।

ডাইনী হত্যা'ৰ ঘটনাৰ আঁৰত যিবোৰ কাৰণ থাকে সেইবোৰৰ ভিতৰত অন্যতম হ'ল ভূমি দখলৰ ষড়যন্ত্ৰ। বহুতেই দুৰ্বল লোকৰ ভাল ঠাইত থকা ভূমি পোনপটীয়াকৈ দখল কৰিব নোৱাৰিলে তেনে উপায় গ্ৰহণ কৰে। হত্যা কৰাৰ পাছত নতুবা ভাবুকি দি কেনেবাকৈ খেদি পঠিয়াব পাৰিলে সেই ভূমি দখল কৰাৰ পথ প্ৰশস্ত হৈ পৰে। কিছুমানে এনে ঘটনা সংঘটিত কৰিবলৈ 'নাটক'ৰ সৃষ্টি কৰে। কেনেবাকৈ বৃদ্ধ দম্পতী অথবা অকলশৰীয়া মহিলাক হত্যা কৰিব পাৰিলে সেই ঠাইত ভয়তে আনে গৃহ সাজিবলৈ আগ নাবাঢ়ে। কেইবছৰমান তেনেদৰে ভূতবাংলোসদৃশ হৈ থকাত কৌশলেৰে দখল কৰে।

কিছুমান ভণ্ড লোকে নিজকে সমাজত প্ৰভাৱশালী ব্যক্তি হিচাপে প্ৰতিষ্ঠা কৰিবলৈ জৰা-ফুকা আদিৰ সহায় লয়। অনগ্ৰসৰ অঞ্চলত এনেধৰণৰ লোকৰ আৱিৰ্ভাৱ ঘটে।

নিজকে 'ভগৱান' বা 'দেৱী' বুলি চিনাকি দি তন্ত্ৰ-মন্ত্ৰৰ সহায়ত ভেল্কীবাজি মাৰি ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ চেষ্টা চলায়। গাঁওখনৰ যিগৰাকী ব্যক্তিক বেয়া পায় তেওঁৰ বিৰুদ্ধে ষড়যন্ত্ৰ ৰচি হত্যা কৰিবলৈ ব্লু-প্ৰিণ্ট ৰচনা কৰে। অন্ধবিশ্বাসী লোকসকলক বিভিন্ন ধৰণে প্ৰৰোচিত কৰি 'ডাইনী' বা 'ডাইনা' সজাই হত্যা কৰে।

মানৱ সভ্যতাই চূড়ান্ত শিখৰত উপনীত হোৱাৰ পাছতো 'ডাইনী' সন্দেহত হত্যাকাণ্ড আৰু অমানৱীয় অত্যাচাৰ চলি থকাটো লজ্জাজনক বিষয়। সঘনাই সজাগতা সভা, আলোচনা চক্ৰৰ জৰিয়তে ৰাইজক সজাগ কৰিব লাগিব। নহ'লে ই মানৱ জাতিৰ বাবে সদায় অভিশাপ হৈয়ে থাকিব। সকলোৱে সহযোগিতাৰে বন্ধ কৰিব লাগিব ডাইনী হত্যা ।

# অসমীয়া ছবিৰ ৮০ বছৰ

১৯৩৫ চনৰ ১০ মাৰ্চ। কলকাতাৰ (তেতিয়াৰ কলিকতা) ‘ৰৌণক মহল’ত মুক্তিলাভ কৰিছিল এখন অসমীয়া ছবি। চলচ্চিত্ৰ জগতত অসমীয়া ছবিৰ আত্মপ্ৰকাশৰ দিন আছিল ১০ মাৰ্চ। এই ঐতিহাসিক দিনটোতেই অসমৰ প্ৰথমখন ছবি ‘জয়মতী’য়ে মুক্তি লাভ কৰিছিল। ইয়াৰ ১০ দিন পাছত এই ছবিখন কামৰূপ নাট্য সমিতিৰ নাট্য মন্দিৰ (উজান বজাৰ)ত প্ৰদৰ্শন কৰা হৈছিল অসমবাসীৰ সন্মুখত। একেবাৰে শূন্যৰ পৰা এটা সুস্থিৰ পৰ্যায়লৈ যিগৰাকী ব্যক্তিয়ে কপালৰ ঘাম মাটিত পেলাই ‘জয়মতী’ ছবিখন নিৰ্মাণ কৰিছিল তেওঁ আন কোনো ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা। এইগৰাকী মহান শিল্পীয়ে ১৯৩৫ৰ ১০ মাৰ্চত অসমীয়া জাতিটোক দি থৈ গ’ল এক চিৰস্মৰণীয় উপহাৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ সেই উপহাৰৰ পৰাই অসমীয়া সংস্কৃতিয়ে বিশ্ব দৰবাৰত লাভ কৰিলে এক নতুন চিনাকি। ভাৰতৰ তৃতীয়খন সবাক ছবিৰূপে আখ্যা লাভ কৰা ‘জয়মতী’য়ে যি পথৰ সন্ধান দি গ’ল— সেই পথেদি খোজ দিয়ে অসমীয়া চলচ্চিত্ৰই ভৰি থ’লে ৮০টা বৰ্ষত। পিছে চাৰিকুৰি বছৰত দাক্ষিণাত্যৰ ছবিসমূহে দৰ্শকক ছবিঘৰলৈ আকৰ্ষণ কৰিছে সেই সময়ত অসমীয়া ছবিৰ ভৱিষ্যতক লৈ সন্ধিহান হৈছে দৰ্শক।

অসমীয়া চলচ্চিত্ৰৰ ইতিহাসৰ পৃষ্ঠা মেলি চালে দেখা যায় যে মাত্ৰ মুষ্টিমেয় ছবি কেইখনমানহে দৰ্শকে গ্ৰহণ কৰিছে। কম সংখ্যক ছবি চাবলৈহে ছবিঘৰলৈ দৰ্শকৰ সমাগম হয়। দেশৰ প্ৰথমখন ৰাজনৈতিক বাস্তৱবাদী চলচ্চিত্ৰ 'জয়মতী'ৰ পাছত আঙুলিৰ মূৰত লেখিব পৰা দৰ্শকে গ্ৰহণ কৰা ছবি নিৰ্মাণ হ'ল। ৬০ হেজাৰ টকা ব্যয় কৰি 'জয়মতী' ছবি নিৰ্মাণৰ দিনৰে পৰা আজিলৈকে চাৰিশ ছবি নিৰ্মাণ নোহোৱাটো পৰিতাপৰ বিষয়। ছবিৰ প্ৰযোজক-পৰিচালকসকলে সততে ছবিগৃহত দৰ্শক কম বাবে বেছি ছবি নিৰ্মাণ কৰিবলৈ ইচ্ছা নাযায় বুলি অভিযোগ কৰে। কিন্তু তেওঁলোকে নাযানে ছবিগৃহলৈ দৰ্শক কিয় নাযায়। নতুবা বুজিবলৈও চেষ্টা নকৰে। কেৱল অভিযোগহে কৰে। দৰ্শকক ছবিগৃহলৈ যাবলৈ প্ৰযোজক-পৰিচালকসকলে কিয় বাধ্য কৰাব নোৱাৰে সেই কথাতো কেতিয়াবা চৰ্চা হৈছে জানো? সি যি নহওক, এনে অৱস্থাৰ মাজতে কে'বাখনো ছবিয়ে ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত পদক লাভ কৰিবলৈ সক্ষম হৈছে। কে'বাখনো ছবি বিদেশী মহোৎসৱত প্ৰশংসিতও হৈছে।

বিষ্ণুপ্ৰসাদ ৰাভা আৰু ফণী শৰ্মা পৰিচালিত 'চিৰাজ', ড° ভূপেন হাজৰিকাৰ 'এৰা বাটৰ সুৰ', 'পিয়লি ফুকন', ব্ৰজেন বৰুৱা পৰিচালতি 'ডাঃ বেজবৰুৱা', নিপ বৰুৱাৰ 'আজলী নবৌ', 'ভাগ্য', প্ৰভাত মুখাৰ্জীৰ 'পূবেৰুণ', পদুম বৰুৱাৰ 'গঙা চিলনীৰ পাখি', আব্দুল মজিদৰ 'চামেলি মেমচাব', জাহ্নু বৰুৱাৰ 'অপৰূপা', 'হালধীয়া চৰায়ে বাও ধান খায়', 'বান্ধোন', 'সাগৰলৈ বহু দূৰ', ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ 'সন্ধ্যাৰাগ', 'অগ্নিস্নান', 'দীনবন্ধু', 'বনানী', 'কোলাহল', 'সাৰথি', শিৱপ্ৰসাদ ঠাকুৰৰ 'সোণমইনা', 'বোৱাৰী', নিপ বৰুৱাৰ 'ককাদেউতা, নাতি আৰু হাতী', 'ৰঙা পুলিচ', আশোক কুমাৰ বিষয়াৰ 'যৌৱনে আমনি কৰে', সঞ্জীৱ হাজৰিকাৰ 'হলধৰ', হেমেন দাসৰ 'যুঁজ', গৌতম বৰাৰ 'বশ্ব বিপো', মঞ্জু বৰাৰ 'আই ক'ত নাই', চন্দ্ৰ মুদৈৰ 'বাঁকৰ পুতেক', কংকন ৰাজখোৱাৰ 'চিএঞৰ' ছবি কেইখনে দৰ্শকক আকৰ্ষণ নকৰাকৈ থকা নাই। চৰ্চাও হৈছে। দৰ্শকৰ মনত গভীৰ সাঁচ বহুওৱা এইবোৰ ছবিয়ে অসমীয়া ছবি উদ্যোগটোলৈ আশাৰ ৰেঙনি কঢ়িয়াই আনিছে। এনে ধৰণৰ ছবি নিৰ্মাণ কৰিলে দৰ্শকে আঁকোৱালি নোলোৱাৰ কোনো কাৰণ নাই।

ছবি এখন দৰ্শকে গ্ৰহণ কৰিবলৈ কিছুমান উপাদনৰ প্ৰয়োজন। ছবিৰ কাহিনী,

সংগীত, পৰিচালনা, সংলাপ, গীতৰ সুৰ আদি সকলোবোৰ নিৰ্ভৰ কৰে। এই সকলোবোৰৰ স'তে আৰু এটা উপাদান হ'ল পৰিৱেশ। এটা অবাস্তৱ দৃশ্য সংযোগ কৰিলে ছবিখন দুৰ্বল হৈ পৰে। অসমীয়া ছবি বুলি ক'লেই বিহুনৃত্য, বিহুগীত, গৰুগাড়ী, জাকৈ, খালৈ, মাছ মৰা দৃশ্য, মৰণা মৰা আদি দৃশ্য যে থাকিবই লাগিব তেনে কোনো কথা নাই। এইবোৰ নোহোৱাকৈও এখন ভাল ছবি নিৰ্মাণ কৰিব পাৰি। অৱশ্যে এইবোৰ অন্তৰ্ভুক্ত কৰিলে ছবি এখন বেয়া হ'ব বুলিও ক'ব নোৱাৰি। কিন্তু দৃষ্টিভংগী সলনিৰ সময় আহি পৰিছে। পিছে এই দৃষ্টিভংগী অবাস্তৱ হ'ব নালাগিব। মাছ মাৰিবলৈ জাকৈ লৈ যোৱা গাভৰুৰ মুখত লিপষ্টিক, মেকআপ, ডিঙিত সোণৰ চেইন থাকিলেই যে আধুনিক অসমীয়া চিনেমা বুলি দৰ্শকে গ্ৰহণ কৰিব তেনে কোনো কথা নাই। চিনেমাত দৃশ্য এটাৰ সংযোজন কৰিলেও এটা বাস্তৱ ভিত্তি থাকিব লাগিব। যিহেতু চলচ্চিত্ৰ এটি গতিশীল আৰ্ট, সেইবাবে এই আৰ্টক বাস্তৱায়িত কৰিবলৈ প্ৰথমতে 'আৰ্ট' কি সেয়া জানি ল'ব লাগিব। এটা ভাল কাহিনী, শক্তিশালী সংলাপ, আধুনিক কৰিকৰী দিশ সমৃদ্ধ ছবি এখন নিৰ্মাণ কৰিলে দৰ্শকে আঁকোৱালি নোলোৱাৰ কোনো কাৰণ থাকিব নোৱাৰে। বন্ধ হোৱা ছবিগৃহসমূহ পুনৰুজ্জীৱিত কৰিবলৈ সকলোৱে মিলি এক বাস্তৱমুখী পৰিকল্পনা গ্ৰহণ কৰাৰ সময় আহি পৰিছে। নহ'লে অসমীয়া চলচ্চিত্ৰ উদ্যোগৰ ভৱিষ্যৎ অন্ধকাৰ হ'ব। ৮০টা বসন্তই গৰকা উদ্যোগ এটাই কি পালে, কি হেৰুৱালে আৰু কিমান আগুৱাই গ'ল সেই বিষয়ে চিন্তা-চৰ্চা কৰাৰ সময় সমাগত। পৰৱৰ্তী ৮০ বছৰত অসমীয়া চলচ্চিত্ৰ উদ্যোগৰ অৱস্থা কি হ'ব সেই বিষয়ে এতিয়াই যদি চিন্তা-চৰ্চা কৰা নহয়, তেনেহ'লে এদিন ইয়াৰ জঁকাটোহে ৰ'বগৈ। ছবিৰ অ-আ, ক-খ নজনা লোকেই যদি উদ্যোগটো নিয়ন্ত্ৰণ কৰে তেনেহ'লে তেওঁলোকৰ হাতত উদ্যোগটো সুৰক্ষিত হ'ব জানো?

# ভোগালী-মেজি
# আৰু যুৱ মানসিকতা

শীতৰ আগমন মানেই ভোগালীৰ প্ৰস্তুতি। দৰাচলতে ন-খোৱা পৰ্বৰ পাছৰে পৰাই ভোগালীৰ প্ৰস্তুতি আৰম্ভ হয়। শস্য-শ্যামলা পথাৰৰ পৰা সোণগুটিবোৰ ভঁৰাল পোৱাৰ পাছতে ভোগালীৰ বাবে যা-যোগাৰ আৰম্ভ কৰে। নৰাবোৰেই গোটাই 'ভেলাঘৰ' সাজে। এই 'ভেলাঘৰ'ত প্ৰচণ্ড শীতত জুই পুৱাবলৈ বহাৰ যি আমেজ সেয়া আন ক'তো বিচাৰি পোৱা নাযায়। অৱশ্যে এতিয়া চাৰিওফালে শংকা বৃদ্ধি পোৱাত নিশা দুপৰলৈ জুইৰ উম লোৱা ডেকাসকলৰ অভাৱ। নিয়ৰসিক্ত পথাৰৰ নৰাৰ মাজেদি খোজ কাঢ়ি কাঢ়ি নিশা মেজি বনোৱাৰ দৃশ্য আজিও আছে। কাৰণ 'ভেলাঘৰ', 'মেজি' অবিহনে ভোগালীৰ আনন্দ বিচাৰি পোৱা নাযায়। এই সময়ত বজাৰত শাক-পাচলি উভৈনদী হয়। কাৰোবাৰ ঘৰত কিবা নাথাকিলে উপহাৰ হিচাপে দিয়ে। মুঠৰ ওপৰত সকলোৱে ভোগ কৰিব লাগে।

সময় বাগৰিল। বিহুৰ পৰম্পৰা আজিও চলি আছে। এই প্ৰক্ৰিয়া চিৰদিন চলিও থাকিব। কিন্তু এতিয়া ভোগালীৰ সেই আনন্দ নাই। বজাৰত বয়-বস্তুৰ জুই-ছাই দাম । কোনে কিমান বস্তুৰ দাম বৃদ্ধি কৰিব পাৰে তাৰেই যেন অঘোষিত

প্ৰতিযোগিতা। আনহে নালাগে পিঠা-লাডুৰ বাবে প্ৰয়োজনীয় উপাদান কেইটাৰে যিমান আকাশলংঘী দাম সেই দাম দি কিনিব পৰা লোকৰ সংখ্যা এতিয়া কম। আনহাতে, এনেবোৰ উপাদান বেছি দাম দি কিনিবলগীয়া হৈছে। উৎপাদন হ্ৰাস পোৱাৰ বিপৰীতে চাহিদা দুগুণলৈ বৃদ্ধি হৈছে। যেতিয়া কোনো এটা বস্তুৰ চাহিদা অনুপাতে যোগান নাথাকে তেতিয়া তেনে বস্তুৰ দাম বৃদ্ধি পোৱাতো স্বাভাৱিক। ভোগালীৰ বতৰত সকলোৱে ঘৰে ঘৰে পিঠা-পনা পোৰে। আলহী আহিব বুলি এসপ্তাহমান আগৰে পৰাই পিঠা-পনা প্ৰস্তুত কৰে। তদুপৰি আজিকালি বছৰটোৰ ১২ মাহেই এনে ধৰণৰ লাড়ু, পিঠা বিভিন্ন প্ৰস্তুতকাৰী কোম্পানীয়ে এনেবোৰ উপাদান সংগ্ৰহ কৰে। সেয়েহে চাহিদাও বৃদ্ধি পাইছে। প্ৰায়ভাগ খেতিয়কেই এনে ধৰণৰ ধান বেছি উৎপাদন কৰিবলৈ আগ্ৰহী নহয়। কাৰণ এনে ধান বেছি উৎপাদন হ'লেও তেওঁলোকে উচিত মূল্য নাপায়। মধ্যভোগী দালালে দাম বৃদ্ধি কৰি মুনাফা লাভ কৰে। অথচ শ্ৰম কৰি উৎপাদন কৰা খেতিয়কজনে এমুঠি ভালদৰে খাবলৈ নাপায়। সেই বাবে পিঠা-পনাৰ বাবে প্ৰয়োজনীয় উপাদানসমূহৰ উৎপাদন লাহে লাহে হ্ৰাস পাবলৈ ধৰিছে। ই আমাৰ সকলোৰে বাবে অশুভ লক্ষণ। সময় থাকোতেই আমি সতৰ্ক হ'ব লাগিব। এইসকল খেতিয়কক উৎসাহিত কৰিব লাগিব, নহ'লে ভৱিষ্যতে ভোগালীতো দুৰ্ভোগ হ'ব।

এতিয়া গাৱত 'মেজি', 'ভেলাঘৰ'ৰ সংখ্যা কমি আহিছে। আগতে কোনে কিমান ওখ 'মেজি', 'ভেলাঘৰ' সাজিব পাৰে তাৰেই প্ৰতিযোগিতা চলিছিল। কোনখন গাঁও বা চুবুৰিৰ 'মেজি'ৰ কিমান ওখলৈ জুই উঠে তাকে লৈ চলিছিল প্ৰতিযোগিতা। 'ভেলাঘৰ'বোৰো আছিল প্ৰকাণ্ড। মাঘ বিহুৰ এসপ্তাহমান আগৰ পৰাই পথাৰত যেনি চাই তেনি কেৱল 'মজি', 'ভেলাঘৰ'হে দেখা যায়। চৌদিশে আনন্দৰ ঢৌ। ডেকা-বুঢ়া সকলোৱে মিলি পথাৰতে বেছি সময় কটায়। আজিকালি দুই এঠাইত এনে প্ৰতিযোগিতা নচলাকৈ থকা নাই। অৱশ্যে প্ৰায়ভাগেই কিন্তু সংবাদ মাধ্যমৰ দৃষ্টি আকৰ্ষণ কৰিবলৈহে চেষ্টা কৰা পৰিলক্ষিত হয়। অৱশ্যে 'ভেলাঘৰ'ৰ কথা সুকীয়া হ'লেও 'মেজি'ৰ সংখ্যা হ্ৰাস পোৱাৰ আঁৰত কিন্তু কিছুমান কাৰণ নথকাও নহয়। সম্প্ৰতি চহৰাঞ্চলৰ কথা বাদেই— গ্ৰামাঞ্চলতো শুকান কলপাত পাবলৈ নাই। আগতে প্ৰতিঘৰ মানুহৰ বাৰীত কলগছ উভৈনদী হৈ আছিল। এতিয়া ধৰ্মীয় কাম-কাজত ব্যৱহাৰ কৰিবলৈকে

কলপাতৰ অভাৱ। কি কাৰণে কল গছৰ সংখ্যা কমিছে সেয়া চিন্তা কৰাৰ মসয় আহি পৰিছে।

আগৰ দৰে উৎসাহ নাই ডেকা সকলৰ মাজত। ইয়াৰে অন্যতম কাৰণ হ'ল ইণ্টাৰনেট, ফেচবুক, কম্পিউটাৰ আদি। কাৰণ বেছিভাগ ডেকাই এতিয়া পথাৰত গৈ 'মেজি', 'ভেলাঘ'ৰ সজাতকৈ মোবাইল ফোন, ইণ্টাৰনেট, ফেচবুক আদিতহে ব্যস্ত থাকে। নৱ-প্ৰজন্মৰ মাজত 'ভেলাঘ'ৰ, 'মেজি' আদি এতিয়া 'আউটডেটেড' হৈ পৰিছে। কংক্ৰীটৰ অট্টালিকাবোৰ যিমানে নিৰ্মিত হ'বলে ধৰিছে সিমানেই পথাৰত নিয়ৰ গচকি 'মেজি' পুউৰাৰ আনন্দও হেৰাই গৈছে। যান্ত্ৰিকতাৰ মাজত যেন এইবোৰ লাহে লাহে লোপ পাবলৈ ধৰিছে। বহুতে ক'ব খোজে ভোগালীৰ আনন্দ কমা নাই। কিন্তু মূল্য বৃদ্ধি, ধন দাবী, হত্যা, অশান্ত পৰিৱেশ আৰু আশংকাৰ বাবে আজি বহুতো ঠাইত মেজি সাজিবলৈ 'ভেলাঘৰ'ত নিশা 'ভোজ ভাত' খাবলৈ কোনো নোযোৱা হ'ল। তদুপৰি নৱ প্ৰজন্মক পংগু কৰা মাদক দ্ৰব্যৰ অবাধ প্ৰচলনে ভোগালীৰ আনন্দতো বিঘিনি ঘটাবলৈ ধৰিছে। এইবোৰৰ পৰা মুক্ত হৈ পুনৰ মুকলি আকাশৰ তলত মুক্তমনে 'মেজি', 'ভেলাঘৰ' সজাৰ পৰিৱেশ চাৰিওফালে ঘূৰি আহক।

# গণৰাজ্য দিৱস

গণৰাজ্য দিৱস— প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে এটি বিশেষ দিন। কাৰণ ১৫ আগষ্টত ভাৰতে স্বাধীনতা লাভ কৰিলেও গণতন্ত্ৰ প্ৰতিষ্ঠা হয় ২৬ জানুৱাৰীত। এই বিশেষ দিনটোতেই প্ৰতিগৰাকী ভাৰতীয়ই লাভ কৰিলে গণতান্ত্ৰিক দেশৰ নাগৰিকৰ গৌৰৱ। স্বাধীন দেশ এখনত গণতন্ত্ৰ প্ৰতিষ্ঠা নহ'বও পাৰে। তাত ৰাজতন্ত্ৰ প্ৰতিষ্ঠা হোৱাৰ সম্ভাৱনাও নুই কৰিব নোৱাৰি ভূটান, নেপাল আদি স্বাধীন দেশ হ'লেও ইয়াত এতিয়া ৰাজতন্ত্ৰই প্ৰতিষ্ঠা হৈ আছে। বিশ্বৰ দুই শতাধিক দেশৰ ভিতৰত তিনি চতুৰ্থাংশত গণতান্ত্ৰিক শাসন ব্যৱস্থা চলি আছে। সকলোবোৰ গণতান্ত্ৰিক দেশত সকলোৱে সমানেই অধিকাৰ লাভ কৰিব পৰা ক্ষমতা থাকে। কিন্তু ভাৰতবৰ্ষত সকলোবোৰ লোকেই সমানেই অধিকাৰ ভোগ কৰি আছেনে? এবাৰ নিজকে এনেধৰণৰ প্ৰশ্ন কৰিলে তাৰ উত্তৰ কি পোৱা যাব সেয়া সহজেই অনুমেয়। অন্ন, বস্ত্ৰ, বাসস্থানৰ সমস্যাক লৈ কিমান শতাংশ ভাৰতীয়ই মৃত্যুৰ স'তে যুঁজিছে কেৱল পেটৰ ভোকৰ তাড়নাত। প্ৰচণ্ড শীততো বহুতেই গৰম কাপোৰ অবিহনেই পৰি আছে মুক্ত আকাশৰ তলত।

৭৬ লাখ কোটি টকা চুইচ বেংকত থকা লোকসকলে এতিয়া গণতন্ত্ৰৰ ধ্বজা বহনকাৰী। নিজৰ ধন বিদেশী বেংকত জমা ৰখাত পৰোক্ষভাৱে দেশৰ উন্নতিৰ অন্তৰায় হৈ পৰিছে। ৭৬ লাখ হেজাৰ কোটি টকা দেশ এখনৰ বাবে কম নহয়। বহুতো দেশৰ বাৰ্ষিক ব্যয় ইমান পৰিমাণৰ হোৱা দেখা নাযায়। এই ধনবোৰ কাৰ সেয়া ৰাইজৰ জ্ঞাত নোহোৱাকৈ থকা নাই। এইসকল নেতা-মন্ত্ৰী, বিধায়ক, সাংসদে ৰাইজৰ ধন লুটি-পুতি বিদেশৰ বেংকত ধন জমা ৰাখিছে। সততে সৰ্বহাৰাৰ কথা কৈ থকা নেতাসকলৰো সম্পত্তিৰ তালিকাখন চুটি নহয়। বহুতো

সৰ্বহাৰাৰ কথা কোৱা নেতাই বিলাসী গাড়ীত ঘূৰে। হাতত লাখটকীয়া ম'বাইল, ঘড়ী, কলম। এনেবোৰ নেতাইহে দৰাচলতে দেশৰ বেছিকৈ ক্ষতি কৰিছে। এওঁলোকৰপৰা হোৱা লোকচান সন্ত্ৰাসবাদীৰ দৰে সংঘটিত ঘটনাৰ পাছত হোৱা লোকচনতকৈ কোনো গুণে কম নহয়। সৰ্বহাৰাৰ নামত অহা আঁচনিৰ ধনৰ সিংহভাগ এনেধৰণৰ নেতাই উদৰস্থ কৰে। এওঁলোকে গণতন্ত্ৰতকৈ সাম্যবাদত বেছি বিশ্বাসী। গণতান্ত্ৰিক দেশত থাকি সাম্যবাদৰ কথা কোৱা নেতাসকল হ'ল দুমুখীয়া গোৱালা সাপসদৃশ। এফালে দেশৰ উন্নতিৰ কথা কৈ আনফালে সৰ্বহাৰাৰ নামত ধনৰ লুণ্ঠন চলায়। এনে প্ৰকৃতিৰ নেতাসকল গণতন্ত্ৰ বাবে সবাতোকৈ বিপদজনক। এওঁলোক হ'ল ছদ্মবেশী লুণ্ঠনকাৰী। সভাই-সমিতিয়ে মানুহক ভালৰি লগাবলৈ বহুত কথা কয়। কথাৰ ফুলজাৰি মৰাত এনে নেতা সমাজৰ লগতে দেশৰ বাবে বিপজ্জনক।

প্ৰতিবছৰে ২৬ জানুৱাৰীত আমি গণৰাজ্য দিৱস পালন কৰি আহিছো। কিন্তু আমি প্ৰকৃততে গণতান্ত্ৰিক দেশৰ নাগৰিক হিচাপে সকলো অধিকাৰ, সা-সুবিধা ভোগ কৰিব পাৰিছো নে নাই সেয়া পিছে লাখটকীয়া প্ৰশ্ন হৈ পৰিছে। আজিও দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বাস কৰা লোকৰ সংখ্যা দেশখনত কম নহ'ব। শিক্ষাৰ পৰা বঞ্চিত শিশুৰ ছবিখন দেখিলে চকু কপালত উঠে। আনহে নালাগে 'শ্ৰমিক দিৱস'ৰ দিনাও শিশু শ্ৰমিকে কাৰখানাত পুৱাৰে পৰা নিশালৈকে কাম কৰাৰ দৃশ্য তেনেই সুলভ। তেওঁলোকৰ বাবে কি মে' দিৱস, কি গণৰাজ্য দিৱস একো মূল্য নাথাকে। পেটৰ ভোকত ছট্‌ফটাই থাকি গণৰাজ্য দিৱসৰ বাবে কাম কৰা লোকৰ সংখ্যাও কম নহ'ব।

নৱ প্ৰজন্মৰ বাবে ২৬ জানুৱাৰীৰ দিনটো কেৱল স্কুল-কলেজ বন্ধৰ বিশেষ দিন হিচাপে গণ্য কৰা দেখা যায়। কাৰণ অধিকাংশই নাজানে গণৰাজ্য দিৱস কিয় পালন কৰা হয়। প্ৰায়ভাগ নৱ প্ৰজন্মৰ বাবে ২৬ জানুৱাৰীৰ দিনটো এটা বিশেষ বন্ধৰ দিন। ৰাজপথত খেলি, তামাচা-স্ফূৰ্তি কৰাৰ বাবে স্কুল-কলেজ বন্ধ হোৱাৰ এটি বিশেষ দিন। এনেদৰে গণৰাজ্য দিৱস পালন কৰা হৈয়ে থাকিব। কিন্তু যদিহে নৱ প্ৰজন্মক গণৰাজ্য দিৱসৰ তাৎপৰ্য সম্পৰ্কে সম্যক জ্ঞান দিয়া নহয় তেনেহ'লে ভৱিষ্যতেও ২৬ জানুৱাৰী হ'ব এটি বিশেষ কাৰণত দেশৰ কাম-কাজ বন্ধ থকাৰ দিন।

# বুলবুলি যুঁজ, কণী ভঙা খেল আৰু ভোগালী বিহু

ভোগালী বিহুৰ সময়ত খেতিয়কসকলৰ ব্যস্ততা সিমান নাথাকে। পথাৰ হৈ পৰে উদং। কঠোৰ পৰিশ্ৰমৰ অন্তত লখিমীক ভঁৰালত সোমাই স্বস্তিৰ নিশ্বাস পেলাই কৃষকসকলে । এই সময়ত সকলোৱে নতুন শাক-পাচলি, চাউল, পুখুৰীৰ মাছ আদিৰে ভালকৈ খোৱাত ব্যস্ত হৈ পৰে। পিঠা-পনা, সান্দহ, মাহ-কৰৈ আৰু যে ক'ত কিমান সোৱাদ লগা খাদ্য। এই খাদ্যসম্ভাৰৰ সোৱাদ লৈ আবেলি পৰত বিভিন্ন খেল উপভোগক লৈ ব্যক্ত হৈ পৰে লোকসকল। অসমৰ বিভিন্ন ঠাইত পৰম্পৰাগতভাৱে অনুষ্ঠিত হৈ আহিছে ম'হ যুঁজ, কুকুৰা খেল, কণী ভঙা খেল ইত্যাদি। উজনিৰ পৰা নামনিলৈকে সকলোৱে এনে উৎসৱত খেল সুকলমে আৰু দৰ্শকৰ মনোৰঞ্জন দিব পৰাকৈ অনুষ্ঠিত কৰিবলৈ এমাহমান আগৰে পৰাই ব্যস্ত হৈ পৰে।

ম'হযুঁজ বুলি ক'লে প্ৰথমতে মনত পৰে ঐতিহাসিক আঁহতগুৰিলৈ। হেজাৰ হেজাৰ লোক অসমৰ বিভিন্ন প্ৰান্তৰ পৰা আহে আঁহতগুৰিৰ ম'হযুঁজ চাবলৈ। অতীতৰে পৰা ম'হযুঁজ খেল অনুষ্ঠিত হৈ অহাৰ বিভিন্ন তথ্য পোৱা যায়। দিনক দিনে এইখন যুঁজৰ প্ৰসাৰ আৰু প্ৰচাৰ হ'বলৈ ধৰিছে। একধৰণৰ খেল আয়োজনেৰে খেতিয়ক তথা ম'হ পালকসকলৰ শ্ৰেষ্ঠতাৰ উমান পোৱা যায়। ম'হটোক কোনে কিমান পোহ মনাব অথবা আয়ত্তলৈ আনিব পাৰিছে সেয়া প্ৰতিফলিত হয়। এই ম'হযুঁজ ফ্ৰান্সৰ 'বুল ফাইট'তকৈ কোনোগুণে কম মানৰ নহয়। বৰং আমাৰ ইয়াত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাখনিত এক সুকীয়া বৈশিষ্ট্য

দেখা পোৱা যায়। কোনো ধৰণৰ প্ৰচাৰ নোহোৱাকৈ যে এনে এখন খেলে হেজাৰ হেজাৰ, লোকক আকৰ্ষণ কৰিব পাৰিছে সেয়া এক লক্ষণীয় বিষয়। এই যুঁজখনত আনকি ম'হৰ মৃত্যু হোৱাৰ লগতে দৰ্শক আৰু ম'হৰ গৰাকীও আহত হয়। হিংস্ৰ ম'হৰ যুঁজ এখন চাবলৈ সকলোৰে এমাহমান আগৰে পৰাই গাত তৎ নাইকিয়া হয়। গোনা ম'হ, পাহোৱাল ডেকা আৰু এখন মুকলি পথাৰ। তাৰ চাৰিওফালে দৰ্শকৰ লানি নিছিগা সোঁত। অস্ কি যে অপূৰ্ব দৃশ্য।

আনহাতে, হাজোৰ 'বুলবুলি খেল'ৰ আকৰ্ষণো কম নহয়। পঞ্চতীৰ্থ হাজোত মাঘ মাহত এনেয়ে দৰ্শনাৰ্থীৰ সোঁত ববলৈ ধৰে। অৱশ্যে ইয়াৰ মাজতে পৰম্পৰাগতভাৱে অনুষ্ঠিত হৈ আহিছে ঐতিহাসিক 'বুলবুলি' খেল। চৰাইক কেন্দ্ৰ কৰি যে এখন বৃহৎ প্ৰতিযোগিতাৰ আয়োজন কৰিব পাৰি সেয়া হাজোৰ 'বুলবুলি' খেলেই জ্বলন্ত নিদৰ্শন। এই খেল চাবলৈ ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ পৰা হেজাৰ হেজাৰ লোক আহি মিলিত হয়। এই খেলখনৰ উল্লেখযোগ্য বৈশিষ্ট্য এয়ে যে ইয়াত কোনো ধৰণৰ আধুনিকতাৰ প্ৰভাৱ নাই। পৰম্পৰা ৰক্ষা কৰিয়েই খেল অনুষ্ঠিত হয়। চৰাইৰ মাজত এখন দৰ্শকৰ বাবে উপভোগ্য খেল প্ৰস্তুত কৰিবলৈ অঞ্চলটোৰ ৰাইজে চেষ্টা ত্ৰুটি নকৰাকৈ নাথাকে। খেলত অংশ লোৱা বুল বুলি চৰাইবোৰক এনেদৰে প্ৰশিক্ষণ দিয়ে যে যুঁজত অৱতীৰ্ণ হোৱাৰ পাছত সেয়া যে ধৰি আনি পোহ মনা চৰাই ধৰিবকে নোৱাৰি। হিন্দু-মুছলমানৰ সম্প্ৰতিৰ নিদৰ্শন পঞ্চতীৰ্থ হাজোৰ এই বুলবুলি চৰাইৰ যুঁজ সম্পৰ্কে ইতিমধ্যে বহুতো তথ্য প্ৰকাশ পাইছে। দিনক দিনে এই যুঁজখনৰ প্ৰচাৰ আৰু প্ৰসাৰ হোৱাত ইয়াক লৈ চৰ্চাও হৈছে।

এই সময়ত বিভিন্ন ঠাইত 'কণীযুঁজৰো আয়োজন কৰে। অংশগ্ৰহণকাৰীয়ে 'ক্ষয়াকণী'ৰে যুঁজত অৱতীৰ্ণ হয়। দুজন প্ৰতিযোগিয়ে ইটোৱে সিটোৰ কণীত আঘাত কৰে। যিজনৰ কণী ভাঙি যায় সেই কণীটো যিজনে ভাঙে তেওঁ লাভ কৰে। সাধাৰণভাৱেই পথাৰৰ মাজত অথবা পথৰ দাঁতিত এনে প্ৰতিযোগিতা অনুষ্ঠিত হয়। স্থানীয় লোকসকলে এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰে। অতি কম সময়ৰ ভিতৰতেই সম্পন্ন হয় এনেধৰণৰ খেল। অৱশ্যে লাহে লাহে এইবিধ খেলৰ প্ৰচাৰ হ্ৰাস পাবলৈ ধৰিছে। এনে ধৰণৰ খেলৰ হয়তো এদিন বিলুপ্তিয়ে হ'ব। ইয়াক সংৰক্ষণ কৰাৰ দায়িত্ব আমাৰ সকলোৰে আহে।

# অপসংস্কৃতি ৰোধ কৰিবই লাগিব

১৪ ফেব্ৰুৱাৰীত সমগ্ৰ বিশ্বতে পালন কৰা হয় 'ভেলেণ্টাইন ডে'। কিন্তু এই দিৱসৰ নামত এতিয়া চলিছে অপসংস্কৃতি। সম্প্ৰতি নৱ প্ৰজন্মহ 'ভেলেণ্টাইন ডে' মানে কেৱল প্ৰেমিক-প্ৰেমিকাই সেই বিশেষ দিনটোত পৰস্পৰৰ বাহু বন্ধনত থকাটো বুলিয়েই ভাবে। ইজনে সিজনক বুকুৰ মাজত সাবটি লোৱাটোৱে এই দিৱসৰ তাৎপৰ্য নহয়। ভেলেণ্টাইনৰ প্ৰেম আছিল পৱিত্ৰ। স্বৰ্গীয় প্ৰেমৰ অনুভূতিৰে ভেলেণ্টাইনে প্ৰেমক দিছিল এক স্বকীয় ৰূপ। অৱশ্যে ভাৰতীয় সংস্কৃতিত এই দিৱসতকৈ ছেলিম-আনাৰকলি, ঊষা-অনিৰুদ্ধ, নল-দময়ন্তী, সতী জয়মতীৰ প্ৰেমকহে গুৰুত্ব দিয়া হয়। আনৰ সংস্কৃতিক আঁকোৱালি লোৱাত কাৰো বাধা থাকিব নোৱাৰে। কিন্তু নিজৰ সংস্কৃতিক বাদ দি আনৰটো আঁকোৱালি লোৱাৰো যুক্তি নাই। নৱ প্ৰজন্মৰ প্ৰায়ভাগেই ভেলেণ্টাইনৰ কথা জানে; কিন্তু সেইখিনিয়ে আকৌ নাজানে ছেলিম-আনাৰকলি, ঊষা-অনিৰুদ্ধক। তেওঁলোকে ভেলেণ্টাইন ডে'ৰ দিনাখন (প্ৰেমিক-প্ৰেমিকাই) পৰস্পৰক দামী দামী উপহাৰ দিয়ে হোটেল-ৰেস্তোৰাঁত বহি খানা খায়। পাৰ্কত বহি সময় কটায়। কিন্তু এনে সংস্কৃতিয়ে প্ৰেমক এক পণ্য সামগ্ৰীলৈ পৰ্যৱসিতহে কৰিছে। কাৰণ প্ৰেমক নিৰ্দিষ্ট দিনৰ বাবে বান্ধি ৰাখিব নোৱাৰি। প্ৰেম বাহ্যিক দৰ্শনৰ বিষয় নহয়। আনক দেখুৱাই দামী দামী উপহাৰ দিয়াটোৱে শেষ কথা নহয়। বৰং এনে মানসিকতাই সমাজৰ অপকাৰহে কৰে। ভোগবাদী সভ্যতাই এনে স্বৰ্গীয় বিষয়সমূহক পণ্য সামগ্ৰীলৈ পৰ্যৱসিত কৰিছে। আনহাতে, বহুতো বহুজাতিক কোম্পানীয়ে নিজৰ উৎপাদিত সামগ্ৰী বিক্ৰিৰ বাবে 'ভেলেণ্টাইন ডে'ৰ নামত অপপ্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। কোম্পানীসমূহৰ বিজ্ঞাপন দেখিলে মনত এনে ভাব হয় যেন 'ভেলেণ্টাইন ডে' মানে কেৱল প্ৰেমিকাক প্ৰেমিকে দামী দামী উপহাৰ দি

দিনটো উপভোগ কৰা। এই কোম্পানীসমূহে পিছে হিৰ-ৰেঞ্জ, ছেলিম-আনাৰকলি, ছাহজাহান-মমতাজৰ প্ৰেমৰ কথা প্ৰচাৰ নকৰে। কাৰণ এইবোৰৰ কোনো বিশেষ দিন পালন কৰা নহয়। তেওঁলোকৰ সামগ্ৰী বিক্ৰী কৰাৰো বিশেষ থল নাথাকে— য'ত লাভালাভৰ কথা নাথাকে তাত বিক্ৰীৰ ওপৰত গুৰুত্ব নিদিয়াটো স্বাভাৱিক কথা।

ডেৰ দশকমানৰ আগলৈকে অসমত 'ভেলেণ্টাইন ডে'ৰ বিষয়ে জনা লোক কিমানজন আছিল? শতকৰা ৯০ শতাংশই আছিল এই দিবসৰ বিষয়ে অজ্ঞ। পিছে এতিয়া বহুজাতিক কোম্পানীৰ আশীৰ্বাদত ৯০ শতাংশ কিশোৰ-কিশোৰী, যুৱক-যুৱতীয়ে এই দিৱসক লৈ এমাহমান আগৰে পৰাই সাজু হয়। গোলাপ ফুল কিনাৰ পৰা আৰম্ভ কৰি দামী দামী উপহাৰ সংগ্ৰহত ব্যস্ত হৈ পৰে। প্ৰেমিকাক কোনে কিমান দামী উপহাৰ দিব পাৰে তাৰেই যেন চলে অঘোষিত প্ৰতিযোগিতা। এনেধৰণৰ মানসিকতাৰ বাবে সেই দিনটোত অপৰাধ তথা অসামাজিক কাৰ্যকলাপো বৃদ্ধি পায়। আমি এই দিৱস পালনৰ বিৰোধিতা নকৰো; কিন্তু বিশেষ দিনটোৰ নামত অপসংস্কৃতিয়ে গা কৰি উঠাটোও নিবিচাৰো। পাৰ্ক, ৰেস্তোৰাঁ আদিত 'ভেলেণ্টাইন ডে'ৰ নামত চলা মুক্ত যৌনতা কোনো সভ্য লোকৰ বাবে সমৰ্থনযোগ্য নহয়। কোনে কি কৰিছে তালৈ চকু দি থকাৰ কাৰোৱে সময় নাই। সেইবুলি সমাজখনক আন এটা পথেদি ঠেলি দিব নোৱাৰি। কাৰণ সুস্থ সমাজ অবিহনে ভৱিষ্যৎ প্ৰজন্মই এজন সু-নাগৰিক হিচাপে নিজকে গঢ় দিব নোৱাৰে।

পৰিৱৰ্তনৰ লগে লগে মানুহৰ দৃষ্টিভংগীৰো সলনি হয়। হোৱাটো স্বাভাৱিক কথা। কিন্তু এনে দৃষ্টিভংগীয়ে যাতে সমাজৰ অপকাৰ সাধন নকৰে সেইটোও লক্ষণীয় বিষয় হৈ পৰে। পৰিৱৰ্তন মানে নিজৰ অস্তিত্বক বিলীন কৰোৱা নহয়। পৰিৱৰ্তন সদায় ইতিবাচক হ'ব লাগে। কাৰণ আমি যদি ইতিহাসৰ পৃষ্ঠা মেলি চাও তেন্তে দেখা পাম যে যি পৰিৱৰ্তনে ইতিবাচক দৃষ্টিভংগীৰে আগবাঢ়িছে সেয়াইহে সমাজখনক সুস্থিৰ ৰূপ দিব পাৰিছে। এই সুস্থ সমাজখনতে সৃষ্টিৰ সমল বিচাৰি পোৱা যায়। ইতিহাসেও তাৰেই তথ্য দাঙি ধৰিছে। গতিকে আমাৰ নৱ প্ৰজন্মও সদায় ইতিবাচক দৃষ্টিভংগীৰে আগবাঢ়ি যাওক। তথাকথিত পৰিৱৰ্তনৰ নামত আগবাঢ়ি গ'লে এদিন ছুনামিৰ দৰে মহাপ্ৰলয়ৰ সৃষ্টি হ'ব।

# এখন সুস্থ সমাজ লাগে

মানুহৰ জীৱনৰ প্ৰতিটো দিশ সাঙোৰ খাই থাকে সমাজ ব্যৱস্থাৰ ওপৰত। সমাজৰ স'তে মানুহ ওতপ্ৰোতভাৱে জড়িত। সেইবাবে কোনো লোকে সমাজক বাদ দি জীয়াই থাকিব নোৱাৰে। ইতিহাসৰ পৃষ্ঠা মেলি চালে দেখা পাওঁ যে অতীতত মানুহে সমাজ পাতি বাস কৰা নাছিল বাবে জীৱনটো সুশৃংখলিত আছিল। জুইৰ ব্যৱহাৰে মানুহক নতুন গতি দিলে। ক্ৰমবিকাশৰ লগে লগে মানুহৰ বুদ্ধিৰো বিকাশ হ'ল। বুদ্ধিৰ বিকাশ হোৱাত সমাজ পাতি বাস কৰিব লাগে বুলি ভাবিলে। এটা কথা ঠিক যে আমি যিখন উন্নত সমাজত বসবাস কৰি আছো অতীতত তেনে এখন সমাজ বা সমাজব্যৱস্থাৰ কথা কল্পনা কৰিব নোৱাৰো। তথাপি মানুহৰ মনত যেতিয়াৰে পৰা সমাজৰ ধাৰণা এটিৰ সৃষ্টি হ'ল তেতিয়াৰে পৰাই সকলোৰে পৰম্পৰাৰ প্ৰতি দায়িত্ববোধো বাঢ়িল। কৰ্তব্য সম্পৰ্কে মানুহ সচেতন হৈ পৰিল। সমাজৰ প্ৰতি যে সকলোৰে দায়িত্ব অথবা কৰ্তব্য আছে সেয়া উপলব্ধি হোৱা বাবে আমি আজি এইখন সমাজত বাস কৰিব পাৰিছো। সমাজৰ অংগ প্ৰতিজন ব্যক্তি। সমাজৰ আন দহজন লোকে যি পথেদি খোজ দিয়ে সেই পথেদি গতি কৰিবলৈ সকলোৰে বাধ্য। অথবা খোজৰ বিপৰীতে খোজ দিয়া লোকো আমাৰ সমাজতেই আছে।

এখন সুস্থ-সবল সমাজ গঢ়াৰ মূলতে হ'ল সমাজখনত বসবাস কৰা লোকসকলৰ দৃষ্টিভংগী। যদিও প্ৰতিগৰাকী ব্যক্তিৰ মনটোত বেলেগ বেলেগ ধাৰণাৰ সৃষ্টি হয় তথাপি সমাজৰ উমৈহতীয়া স্বাৰ্থত কেতিয়াবা কেতিয়াবা বাদ দিবলগীয়া হয় অথবা সমাজ এখনে পৰিৱৰ্তনৰ ঢৌত মিলি নগৈ সুস্থভাৱে

বজাৰ একাংশ লোকে দিনে-নিশাই চিন্তা-চৰ্চা কৰে। এওঁলোকৰ প্ৰধান লক্ষ্য সমাজখনক খামুচি ধৰি ৰাখি প্ৰত্যেকেই যাতে শান্তিপ্ৰিয়ভাৱে বসবাস কৰিব পাৰে। যিকোনো সমস্যাৰ সৃষ্টি হ'লেই এইসকল লোকে সমাধানৰ বাবে আগ বাঢ়ি আহে। পৰস্পৰৰ স'তে মিলা-প্ৰীতি বজাই ৰাখি কেনেদৰে সমাজখনক আগুৱাই নিব পাৰি তাৰেই চিন্তাত মগ্ন হয়। যদিহে কিছু সংখ্যক লোকৰ মাজত মনোমালিন্যৰ সৃষ্টি হয় তেনেহ'লে সেই সংঘাত আঁতৰ কৰিবলৈ দুয়োপক্ষৰ মাজত ব্যৱধান কমাবলৈ যত্ন কৰে। যেতিয়া এই ব্যৱধান হ্ৰাস পায় তেতিয়া সমাজত শান্তি প্ৰতিষ্ঠা হয়। আনহাতে, যেতিয়া এই ব্যৱধান বৃদ্ধি হৈ থাকে তেতিয়া সমাজত আৰম্ভ হয় অশান্তি। চৌদিশে বিয়পি পৰে প্ৰতিশোধৰ দাবানল। হত্যা, ধন দাবী, অপহৰণ, বলাৎকাৰ, দুৰ্ঘটনা আদিৰ সংখ্যা বৃদ্ধি পায়। প্ৰতিটো ঘটনাৰ আঁৰত থাকে একো একোটা কাৰণ। কিয়নো কাৰণ নাথাকিলে কোনো কাৰ্যই নহয়। সেইবাবে কাৰণসমূহ বিশ্লেষণ কৰাৰো প্ৰয়োজন আছে। কিয়নো যিবোৰ কাৰণৰ বাবে ঘটনা সংঘটিত হয় সেইবোৰ যদি উৎসতেই বিনাশ কৰা নহয় তেনেহ'লে পৰৱৰ্তী সময়ত বিপদৰ ঘণ্টা বজাটো নিশ্চিত। সাধাৰণতে আমি সকলোৱে প্ৰথম অৱস্থাত কিছুমান বিষয়ত বিশেষ গুৰুত্ব নিদিও। ইয়াৰ ফলত ফিৰিঙতিৰ পৰা খাণ্ডৱ দাহ হোৱাৰ দৰে হয়। যদিহে কৌৰৱে বেজীৰ আগৰ সমান মাটি পাণ্ডৱক নিদিও বুলি নক'লেহেঁতেন তেনেহ'লে কুৰুক্ষেত্ৰৰ ৰণত ইমান সেনাৰ মৃত্যু নহ'লহেঁতেন। পাণ্ডৱ আৰু কৌৰৱৰ মহান যোদ্ধাসকলৰ মৃত্যু নহ'লহেঁতেন ইংৰাজে প্ৰথম অৱস্থাতে যদি ভাৰতীয় লোকসকলক স্বাধীনতা দিলেহেঁতেন তেন্তে হেজাৰ হেজাৰ ভাৰতীয় লোকৰ নাম ছহিদৰ তালিকাত লিপিৱদ্ধ হ'বলগীয়া হ'লহেঁতেন জানো? এজন লোকৰ যদি কোনো এটি বেমাৰ হয় তেনেহ'লে তেওঁক সুস্থ কৰিবলৈ প্ৰথমতে ৰোগৰ উৎস অৰ্থাৎ কি কাৰণত ৰোগৰ সৃষ্টি হৈছে সেয়া নিশ্চিত হ'ব লাগিব। কোনবিধ ভাইৰাছ বা বেক্টেৰিয়াৰ বাবে ৰোগৰ সৃষ্টি হৈছে সেয়া নজনাকৈ চিকিৎসা কৰি থাকিলে ৰোগৰ উপশম নহ'ব। একেদৰে আমাৰ সমাজখনক সুস্থ সৰল কৰি ৰাখিবলৈ হ'লে সমাজত সৃষ্টি হোৱা সমস্যাৰ মূল কাৰণসমূহ বিশ্লেষণ কৰিব লাগিব। নহ'লে সমাজখনত অৰাজকতাৰ বাহিৰে আন একোৱে স্থান নাপাব। আমাৰ সকলোৰে দায়িত্ব সমাজখনক সুস্থ কৰি ৰাখি সু-পথৰ সন্ধান দিয়ে।

# অসমীয়া চলচ্চিত্ৰৰ ভৱিষ্যৎ

অসমীয়া চলচ্চিত্ৰৰ ভৱিষ্যতক লৈ ইমানদিনে সকলোৱে সন্দেহ প্ৰকাশ কৰি আহিছে। আন্তৰ্জাতিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত অসমীয়া ছবিয়ে কে'বাটাও সন্মানীয় পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হোৱাৰ পাছতো কিন্তু সাংস্কৃতিকপ্ৰেমী নাই সেয়া চিন্তনীয় বিষয়। কাৰণ ১৯৩৬ত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই 'জয়মতী' ছবি নিৰ্মাণ কৰাৰ পাছৰে পৰা কে'বাশ ছবি নিৰ্মিত হ'ল। ৰাজ্যখনৰ বিভিন্ন ঠাইত স্থাপন হ'ল প্ৰেক্ষাগৃহ, চিনেমা হল নিৰ্মাণ কৰাৰ পাছতো কিন্তু দৰ্শকৰ সংখ্যা বৃদ্ধি হোৱা নাই। দুই এখন ছবিৰ বাহিৰে আন ছবি উপভোগ কৰিবলৈ দৰ্শকৰ সোঁত বোৱা পৰিলক্ষিত নহ'ল। অথচ একে সময়তে হিন্দী ছবি উপভোগ কৰিবলৈ দৰ্শকে হেতা ওপৰা লগায়। ইয়াৰ কাৰণ কি হ'ব পাৰে?

অসমীয়া চলচ্চিত্ৰৰ ভৱিষ্যৎ সোণোৱালী কৰিবলৈ হ'লে ইতিবাচক চিন্তা-চৰ্চাৰ প্ৰয়োজন। এতিয়াও বহুতো ছবিৰ প্ৰযোজক-পৰিচালকে ছবি নিৰ্মাণ কৰি আছে নিচা বা চখৰ বাবে। আনকি পৈত্ৰিক সম্পত্তি বিক্ৰী কৰিও দুই-এজনে ছবি নিৰ্মাণ কৰিছে। হয়তো বহুজনে এনেদৰে কৰিও থাকিব। এতিয়া কথা হ'ল গাঁঠিৰ ধন খৰচ কৰি এনেদৰে কিমান দিন ছবি নিৰ্মাণ কৰি থাকিব? ছবি নিৰ্মাণৰ

খাতিৰত এনেদৰে নিৰ্মাণ কৰি থাকিলে দৰ্শকক আকৰ্ষণ কৰিব নোৱাৰাটো নিশ্চিত। গতিকে ইয়াৰ বাবে সলনি কৰিব লাগিব দৃষ্টিভংগীৰ। ইতিবাচক চিন্তা-চৰ্চাৰে আগবাঢ়িবই লাগিব। চিত্ৰনাট্য, কাহিনী আদি নিৰ্বাচনতো গুৰুত্ব প্ৰদান কৰিব লাগিব। কেৱল অসমৰ বিভিন্ন স্থানত দৃশ্যগ্ৰহণ কৰিলে কম খৰচতে ছবি নিৰ্মাণ হ'ব বুলি ভবাৰ মানসিকতাৰ পৰিৱৰ্তন নহ'লে দৰ্শকক আকৰ্ষণ কৰাটো অসম্ভৱ।

এটা উদ্যোগ সুচাৰুৰূপে পৰিচালিত হ'বলৈ সুস্থ নীতিৰ প্ৰয়োজন বৰ্তমানলৈকে অসমীয়া ছবিৰ নিৰ্মাতাসকলৰ মাজত সুস্থ চলচ্চিত্ৰ নীতিৰ অভাৱ দেখা যায়। সুস্থ নীতি তথা পৰিকল্পনা অবিহনে ভৱিষ্যতে অসমীয়া ছবিৰ ভৱিষ্যৎ অন্ধকাৰ। ইয়াৰ বাবে প্ৰয়োজন হ'লে বিশেষজ্ঞ কমিটি গঠন কৰিব লাগে। বিদেশৰ বিশেষজ্ঞৰ পৰামৰ্শ গ্ৰহণ কৰিলেও সুফল লাভ কৰিব পাৰিব। বিদেশৰ কথাটো বাদেই দক্ষিণ ভাৰতৰ ছবি নিৰ্মাতাসকলৰ স'তে মত বিনিময় কৰিলেও নিশ্চয় লাভান্বিত হ'ব। দক্ষিণৰ ছবি ইমান আগবাঢ়ি গৈছে যে ছবিসমূহে বলিউডৰ কথাতো বাদেই হলীউডৰ ছবিৰ সতেও ফেৰ মাৰিব পৰা হৈছে। ইমান উন্নত কাৰিকৰী পদ্ধতিৰ প্ৰয়োগ কৰিছে যে সেইবোৰ অসমীয়া ছবিৰ নিৰ্মাতা সকলৰ বাবে সুদূৰ পৰাহত। অসমীয়া ছবিৰ প্ৰযোজকসকলে সততে অভিযোগ কৰে যে দৰ্শক নাই বাবে ছবি এখন নিৰ্মাণ কৰোতে বিগ বাজেট ধাৰ্য কৰিব নোৱাৰে। কিন্তু তেওঁলোকে এইটো নাভাবে যে বিগ বাজেটেৰে নিৰ্মাণ কৰা ছবিসমূহে বিশ্বৰ বজাৰত শ শ কোটি টকা উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। বজাৰত কোনো এটা কোম্পানীয়ে উৎপাদিত সামগ্ৰী বিক্ৰী কৰিবলৈ হ'লে বস্তুটোৰ গুণগত মান তথা উপস্থাপন হ'ব লাগিব আকৰ্ষণীয়। তেনে নকৰিলে গ্ৰাহকে কমকৈ কিনে বাবে গুণগত মান নিম্ন কৰিলে কেনেকৈ বিক্ৰী বৃদ্ধি পাব? ছবি এখন দৰ্শকে গ্ৰহণ কৰাৰ ক্ষেত্ৰত একে ধৰণৰ নীতি প্ৰতিফলিত হয়। দৰ্শকৰ ৰুচি অনুযায়ী ছবি নিৰ্মাণ কৰিলে চিনেমা হলত দৰ্শকৰ ভিৰ নোহোৱাকৈ নাথাকে। এনেয়ে সদায় দৰ্শকৰ ওপৰত দোষ জাপি দি থাকিলে কি হ'ব।

অসমীয়া ছবিৰ মান কোনো গুণে কম নহয়। কিন্তু উপস্থাপন বিশ্বমানৰ নহয়। জ্যোতিপ্ৰসাদ আগৰৱালা, ব্ৰজেন বৰুৱা, নিপ বৰুৱা, ড° ভবেন্দ্ৰ নাথ শইকীয়া, জাহ্নু বৰুৱা, সঞ্জীৱ হাজৰিকা আদি ছবি নিৰ্মাতা তথা পৰিচালকৰ

বাহিৰে প্ৰায়ভাগে কোনো উদ্দেশ্য আগত ৰাখি নিৰ্মাণ কৰা যেন অনুভৱ নহয়। সময়ৰ পৰিৱৰ্তনৰ লগে লগে দৰ্শকৰ ৰুচিবোধৰ পৰিৱৰ্তন হোৱাতো স্বাভাৱিক। কিন্তু শেহতীয়া ভাবে যিকেইখন মচলাযুক্ত ছবিয়ে মুক্তি লাভ কৰিলে তাত কেৱল 'মচলা'ৰহে সমাহাৰ ঘটিল। কিন্তু মচলাৰ স'তে গুণগত মানৰ সমাহাৰ নোহোৱা বাবে দৰ্শকে হয়তো গ্ৰহণ কৰিবলৈ ইচ্ছা নকৰিলে। ছবি এখন দৰ্শকৰ মাজত মুক্তি দিয়াৰ পূৰ্বে যি ধৰণৰ প্ৰচাৰৰ প্ৰয়োজন তেনে প্ৰচাৰ কৰা পৰিলক্ষিত নহয়। মাত্ৰ কেইখনমান পোষ্টাৰ বা বেনাৰ আঁৰিলেই ছবি এখনৰ প্ৰচাৰ কৰাতো নুসুচায়। ইয়াৰ বাবে প্ৰয়োজন পৰিকল্পনাৰ। বহুতো নিৰ্মাতা তথা পৰিচালকে প্ৰচাৰৰ নামত ধন ব্যয় কৰিব নোখোজে। দক্ষিণৰ ছবিসমূহৰ প্ৰচাৰ আৰু অসমীয়া ছবিৰ প্ৰচাৰৰ মাজত আকাশ-পাতাল পাৰ্থক্য দেখা যায়। অসমীয়া ছবিৰ ভৱিষ্যতৰ কথা চিন্তা কৰিয়েই প্ৰচাৰৰ ওপৰতো গুৰুত্ব প্ৰদান কৰা উচিত।

ৰাজ্যখনৰ বিভিন্ন ঠাইত চলচ্চিত্ৰ নিৰ্মাণ সম্পৰ্কীয় আলোচনা চক্ৰ তথা কৰ্মশালা আয়োজন কৰাৰো প্ৰয়োজন আছে। কিয়নো নৱাগত নিৰ্মাতা তথা পৰিচালকসকলে বহুতো নতুন নতুন কথা তথা কৌশল শিকিব পাৰিব। ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ আৰু কৰ্মশালাৰ আয়োজন কৰাৰ ক্ষেত্ৰত জ্যেষ্ঠসকলেই আগভাগ ল'ব লাগিব।

# অভিযুক্ত মানেই অপৰাধী নহয়

ইমান দিনে দিল্লী, বাংগালুৰু, হাৰিয়ানা, হায়দৰাবাদ আদিত উত্তৰ-পূৰ্বাঞ্চলৰ যুৱক-যুৱতীক হত্যা, বলাৎকাৰ, আতিশয্য চলোৱাৰ অভিযোগ উত্থাপিত হৈ আহিছে। বিশেষকৈ অসম, নাগালেণ্ড, অৰুণাচল, মেঘালয়ৰ যুৱতীসকল বহিঃ ৰাজ্যত যৌন অতিশয্যৰ চিকাৰ হৈ অহাৰ অভিযোগ উঠিছে। উত্তৰ-পূৰ্বাঞ্চলবাসীয়ে এনে ঘটনাৰ প্ৰতিবাদ জনাই আহিছে। একগোট হৈ প্ৰতিবাদ জনোৱাটোৱে উত্তৰ-পূৰ্বঞ্চলৰ লোকসকলৰ মাজত থকা মিলা-প্ৰীতি, ঐক্য, শান্তিকামী ৰাইজৰ মনৰ ছবিখন প্ৰকাশ কৰি আহিলেও ডিমাপুৰ কাণ্ডই সাত ভনীৰ ৰাইজৰ মাজত থকা মানসিক ব্যৱধান বৃদ্ধি কৰিলে। আকৌ প্ৰমাণিত হ'ল দেশৰ অন্য প্ৰান্তৰ লোকসকলে কিয় উত্তৰ-পূৰ্বাঞ্চালৰ লোকসকলক 'জংগলী' বুলি কয় কিয়? ৰাজপথত এজন যুৱকক নৃশংসভাৱে হত্যা কৰি ওলোমাই থোৱা কাণ্ডই প্ৰমাণ কৰিলে নগা লোকসকল কিমান সভ্য? কিমান বৰ্বৰ হ'ব পাৰে শিক্ষা-দীক্ষাৰে বহিঃবিশ্ব দেখা লোকসকল? এজন লোকৰ বিৰুদ্ধে অভিযোগ উত্থাপন হোৱাৰ পাছত তেওঁ অপৰাধী হয় নে নহয় সেয়া নিশ্চিত নোহোৱাকৈ কেৱল অভিযোগৰ ভিত্তিতেই নগা ৰাইজে যি নাৰকীয় কাণ্ড সংঘটিত কৰিলে সেয়াই নগাসকলক কলংকিত কৰিলে।

ডিমাপুৰত পুৰণি যান-বাহনৰ ব্যৱসায় কৰা অসমৰ কৰিমগঞ্জৰ চৈয়দ ফৰিদ খান নামৰ ব্যৱসায়ীজনৰ বিৰুদ্ধে ২০১৪ৰ ২৩ আৰু ২৪ ফেব্ৰুৱাৰীত এগৰাকী ২০ বছৰীয়া যুৱতীয়ে ধৰ্ষণ কৰাৰ অভিযোগ উত্থাপন কৰে। ২৫ ফেব্ৰুৱাৰীত আৰক্ষীয়ে খানক গ্ৰেপ্তাৰ কৰাৰ পাছত তেওঁক আদালতে ন্যায়িক জিন্মাত কাৰাগাৰলৈ প্ৰেৰণ কৰে। কাৰাগাৰৰ ভিতৰত থকাৰ সময়তে খান এজন 'বাংলাদেশী' বুলি প্ৰচাৰ হয়। কিন্তু ব্যৱসায়ীজনক কোনে 'বাংলাদেশী' বুলি প্ৰচাৰ চলাইছিল সেই ছবিখন স্পষ্ট হোৱা নাছিল। যিটো চক্ৰই এই প্ৰচাৰ চলাই লোকসকলক প্ৰৰোচিত কৰি ব্যৱসায়ীজনক নগ্ন কৰি তালিবানী কায়দাৰে হত্যা কৰিবলৈ ৰাইজক প্ৰৰোচিত কৰিছিল তেওঁলোকৰ কি লাভ হ'ব সেয়া সময়েহে ক'ব। ডিমাপুৰৰ ঘটনা আৰু আনুষংগিক ঘটনাই এটা কথাৰ ইংগিত বহন কৰিছে যে ইয়াৰ আঁৰত তৃতীয় পক্ষৰ হাত আছে। কিন্তু এতিয়াও তৃতীয় পক্ষক চিনাক্ত কৰিব পৰা হোৱা নাই। যদিহে ইয়াৰ উচিত তদন্ত হয় তেনেহ'লে কাৰ প্ৰৰোচনাত ডিমাপুৰ কাণ্ড সংঘটিত হৈছিল তাৰ প্ৰকৃত ছবিখন স্পষ্ট হৈ পৰিব।

প্ৰতিটো ঘটনাৰ আঁৰত থাকে একোটি কাৰণ। কিন্তু কেতিয়া আমি যি কাৰণত ঘটনাটো সংঘটিত হোৱা বুলি ভাবো, তদন্তৰ পাছত আন বহুতো ঘটনাই পোহৰলৈ আহে। এই দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰিলে ডিমাপুৰ কাণ্ডৰ ছবিখন স্পষ্ট হৈ পৰিব। ধৰ্ষণৰ অভিযোগৰ বাবে ব্যৱসায়ীজনক ৰাইজে হত্যা কৰিছেনে? নে বাংলাদেশী বুলি হত্যা কৰিলে? নে ধৰ্ষণৰ অভিযোগৰ আঁৰত থকা ষড়যন্ত্ৰৰ বলি হ'ল ব্যৱসায়ীজন? কাৰণ যিয়েই নহওক কিয়, সেই বুলি ৰাইজে আইন হাতত তুলি ল'ব নোৱাৰে। ভাৰতীয় সংবিধানে ৰাইজক (ভাৰতীয় নাগৰিকক) অধিকাৰ সাব্যস্ত কৰাৰ অধিকাৰ দিছে, আইন হাতত লোৱাৰ নহয়। কোনো নাগৰিকে আইন হাতত তুলি ল'ব নোৱাৰে। কাৰোবাৰ বিৰুদ্ধে যদি অভিযোগ উত্থাপিত হয় তেনেহ'লে তাৰ বিচাৰ হ'ব দেশৰ প্ৰচলিত আইন ব্যৱস্থা অনুসৰি। আদালত, ন্যায়ালয়ৰ মজিয়াত ইয়াৰ বিচাৰ হ'ব। যদিহে অপৰাধী বুলি প্ৰমাণিত হয় তেনেহ'লে দেশৰ আইন মতে শাস্তি প্ৰদান কৰা হয়। ভাৰতীয় সংস্কৃতিয়েও ইয়াৰেই স্পষ্ট ছবি এখন দাঙি ধৰে। কিন্তু দেশৰ আইনক অংগুষ্ঠ প্ৰদৰ্শন কৰি কোনো নাগৰিকে জঘন্য কাৰ্য সংঘটিত কৰিব নোৱাৰে। যদি কৰে তেওঁলোককো সমানেই দোষী বুলি গণ্য কৰা হ'ব। ডিমাপুৰত খানে নগা যুৱতীৰ স'তে বিবাহ

পাশত আৰম্ভ হৈছিল। যিগৰাকী যুৱতীয়ে ব্যৱসায়ীজনৰ বিৰুদ্ধে কে'বাবাৰো ধৰ্ষণ কৰা বুলি অভিযোগ উত্থাপন কৰিছিল তেওঁ খানৰ পত্নীৰ সম্পৰ্কীয় ছোৱালী। ভুক্তভোগী আৰু পৰিয়ালৰ অভিযোগৰ ভিত্তিত আৰক্ষীয়ে ধৰ্ষণ প্ৰতিৰোধী আইনৰ অধীনত গোচৰ ৰুজু কৰিছিল। যিহেতু গোচৰ প্ৰক্ৰিয়া আৰম্ভহে হৈছিল সেয়েহে খানে যুৱতীগৰাকীক ধৰ্ষণ কৰিছিল নে নাই সেয়া স্পষ্ট হোৱা নাছিল। তেওঁ অপৰাধী আছিল নে নাই সেয়া বিচাৰ হোৱাৰ পূৰ্বে তালিবানী কায়দাৰে হত্যা কৰা হ'ল ব্যৱসায়ীজনক। ইয়াৰ লগে লগে উত্তৰ-পূৰ্বাঞ্চলক কলংকিত কৰা ঘটনাৰ তালিকাত সন্নিৱিষ্ট হ'ল ডিমাপুৰ কাণ্ড।

ধৰ্ষণক কেন্দ্ৰ কৰিয়েই জানো সংঘটিত হ'ল সমগ্ৰ ঘটনাৰাজি। দেশখনত প্ৰতি পাঁচ মিনিটত এগৰাকী মহিলা ধৰ্ষিতা হয়। ধৰ্ষণ কাৰ্য আইনেও প্ৰতিৰোধ কৰিব পৰা নাই। বহুতো ঘটনা আকৌ অপ্ৰকাশিত হৈয়ে আছে। আজি মহিলাসকল ঘৰৰ বাহিৰত সুৰক্ষিত নহয়। সেয়া সকলোৱে স্বীকাৰ কৰে। কিন্তু ডিমাপুৰ-কাণ্ডৰ নায়ক খানে নগা যুৱতীগৰাকী ধৰ্ষণ কৰিছিল নে নাই সেই সম্পৰ্কে যুৱতীগৰাকীৰ স্বাস্থ্য পৰীক্ষাৰ প্ৰাথমিক তদন্তই ৰহস্যৰ সৃষ্টি কৰিলে। কাৰণ প্ৰাথমিক তদন্ত হিচাপে স্বাস্থ্য পৰীক্ষা কৰোৱাৰ সময়ত কোনো ধৰণৰ প্ৰমাণ ব্যৱসায়ীজনৰ বিৰুদ্ধে লাভ কৰা নাই। যদি সঁচাকৈয়ে যুৱতীগৰাকীক ধৰ্ষণ কৰা নাছিল তেনেহ'লে এই ঘটনাটো কিয় সংঘটিত হ'ল? কোনে পৰিকল্পিত ভাবে এনে কাণ্ড সংঘটিত কৰিলে। উত্তৰ-পূৰ্বাঞ্চলবাসীৰ মাজত থকা সাতামপুৰুষীয়া ঐক্য, শান্তি, সম্প্ৰীতিৰ শিকলিডাল কোনে ছিগিবলৈ যত্ন কৰিছে? এই ঘটনাৰ আঁৰত তৃতীয় পক্ষ কোন জড়িত হৈ আছে সেয়া বিচাৰ কৰাৰ সময় আহি পৰিছে। নহ'লে অগ্নিগৰ্ভা হ'ব উত্তৰ-পূৰ্বাঞ্চল। বিশ্ববাসীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ লোকক 'জংগী' বুলি ভাবিবলৈ বাধ্য হ'ব। বিশ্ববাসীৰ সন্মুখত উত্তৰ-পূৰ্বাঞ্চলবাসীক লজ্জিত কৰা এনে ঘটনাৰ কেতিয়াও পুনৰাবৃত্তি নহ'ব। সকলোৱে সংযম ৰক্ষা কৰি ভ্ৰাতৃত্ববোধেৰে আগুৱাই যোৱাৰ সংকল্প লওক। বৈষম্য নহয়, শান্তিহে লাগে আমাক।

# নাচনীৰ মুগাৰ ৰিহা-মেখেলা

বিহু নৃত্যৰ অবিচ্ছেদ্য অংগ নাচনী। এই নাচনীৰ গা শুৱনি কৰে মুগাৰ ৰিহা-মেখেলাই। পৰম্পৰাগতভাৱে নাচনীসকলে পিন্ধি অহা এইসাজ কাপোৰ আজি সংকটৰ গৰাহত। চাহিদা অনুপাতে উৎপাদন হ্ৰাস পাইছে। ইয়াৰ কেবাটাও কাৰক আছে। মুগাৰ কাপোৰৰ চাহিদা বৃদ্ধি সত্ত্বেও উৎপাদন হ্ৰাস পাইছে, ই এক চিন্তনীয় বিষয়। অসমৰ অৰ্থনীতিত পাট-মুগাৰ কাপোৰে এক বিশেষ স্থান দখল কৰি আহিছে। পৰম্পৰাগতভাৱে এইবোৰ কাপোৰক এক বিশেষ মৰ্যাদা দি অহা হৈছে। অসমবাসীয়ে পাট-মুগাৰ কাপোৰক লৈ গৌৰৱ কৰে। 'ছাঁতে শুকোৱা মুঠিতে লুকুওৱা' কাপোৰসাজক লৈ প্ৰতিগৰাকী অসমীয়াই গৌৰৱ কৰাৰ থলো আছে। কাৰণ পৃথিৱীৰ আন কোনো ঠাইতে এনে ধৰণৰ কাপোৰৰ প্ৰচলন নাই। পাট-মুগাৰ কাপোৰ বুলি ক'লে অসমৰ শুৱালকুছিৰ নামেই সকলোৰে মনলৈ আহে। শুৱালকুছিক বাদ দি অসমৰ পাট-মুগা শিল্পৰ নক্সা আঁকিব নোৱাৰি। দৰাচলতে শুৱালকুছি হ'ল পাট-মুগা শিল্পৰ আত্মাস্বৰূপ। বিহুৰ সময়ত নাচনীৰ গাত মুগাৰ সাজযোৰ নেদেখিলে মনটো উৰুঙা উৰুঙা লাগে। এতিয়া এই সাজযোৰৰ উৎপাদন হ্ৰাস পোৱাত নাচনীৰ হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। সমান্তৰালভাৱে বৃদ্ধি পাইছে মূল্য। আগতে বিশেষকৈ ১০ বছৰমান আগলৈকে এযোৰ কাপোৰ যিমান দামত কিনিব পাৰিছিল তেনে মুগাৰ কাপোৰ এযোৰ এতিয়া পাঁচগুণ দামত কিনিব লাগে। ফলত বহুতো নাচনীৰ মন থাকিলেও বিহু দলত যোগ দিব নোৱাৰা পৰিস্থিতি এটিৰ সৃষ্টি হৈছে। কাৰণ ২০-২৫ হেজাৰ টকাৰে এযোৰ মধ্যমীয়া ধৰণৰ মুগাৰ কাপোৰ কিনাতো কমসংখ্যক নাচনীৰ

বাবেহে সম্ভৱ। সেয়েহে এতিয়া বহুতে মুগা কাপোৰৰ পৰিবৰ্তে মুগা ৰঙৰ অন্য কাপোৰহে পৰিধান কৰা দেখা যায়। ই বিহুৰ পৰম্পৰা, ঐতিহ্যৰ বাবে শুভ সংকেত নহয়।

ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰাই কামৰূপত পাট-মুগাৰ কাপোৰৰ প্ৰচলন হৈ আহিছে। এডোৱাৰ্ড গেইটৰ 'অসম বুৰঞ্জী'ত সপ্তম শতিকাত ভাস্কৰ বৰ্মনে থানেশ্বৰৰ ৰজা হৰ্ষবৰ্ধনৰ স'তে মিত্ৰতা স্থাপন কৰাৰ উদ্দেশ্যে হংসবেগৰ জৰিয়তে বিভিন্ন ধৰণৰ ৰেচম বস্তু, এৰী, মুগা, পাট সূতাৰ লগতে বিভিন্ন ধৰণৰ অলংকাৰ উপহাৰ দিছিল। গতিকে এনে ধৰণৰ ঐতিহ্য সম্পন্ন বস্ত্ৰ এখনে আজি সংকটকালত উপস্থিত হোৱাতো সঁচাকৈয়ে পৰিতাপৰ বিষয়। কি কাৰণে এনে অৱস্থাৰ সৃষ্টি হ'ল সেয়া বিশ্লেষণ কৰাৰ সময় আহি পৰিছে। নহ'লে এদিন ব'হাগৰ বিহুত নাচনীয়ে মুগাৰ পৰিৱৰ্তে আন কাপোৰহে ব্যৱহাৰ কৰিব লাগিব।

মুগা শিল্পৰ বিপৰ্যয়ৰ প্ৰসংগ উত্থাপন হ'লে প্ৰথমতে সকলোৱে ইয়াৰ কেঁচামালৰ উৎপাদন হ্ৰাস পোৱা বিষয়কে আঙুলিয়াই দিয়ে। মানি লৈছো কেঁচা মালৰ উৎপাদন হ্ৰাস পাইছে। কিন্তু এইটো জানো মুখ্য কাৰণ? আমাৰ বহুতেই প্ৰকৃত কাৰণ বিশ্লেষণ কৰাৰ পৰা আঁতৰি থাকি কেৱল চালে-বেৰে কোবোৱা যুক্তিহে দি আহিছে। মুগাৰ কাপোৰৰ বাবে যিবোৰ উপাদানৰ প্ৰয়োজন সেইবোৰৰ ভিতৰত অন্যতম হ'ল মুগা লেটা । আগতে অসমৰ বিভিন্ন ঠাইত মুগা লেটাৰ উৎপাদন প্ৰচুৰ পৰিমাণে হৈছিল। পিছে বিভিন্ন কাৰণৰ বাবে এইবোৰৰ উৎপাদন লাহে লাহে হ্ৰাস পাবলৈ ধৰিছে। বিশ্বায়নৰ প্ৰভাৱ পৰা বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। জলবায়ুৰ পৰিৱৰ্তনো আন এক কাৰণ। কিয়নো, মুগা লেটাবোৰ জীয়াই থাকিবলৈ অথবা বৃদ্ধিৰ বাবে এক নিৰ্দিষ্ট তাপমাত্ৰাৰ প্ৰয়োজন লেটাবোৰে সেই নিৰ্দিষ্ট তাপমাত্ৰাতকৈ বেছি উষ্ণতা সহ্য কৰিব নোৱাৰে। আগতে ৩২ ডিগ্ৰী চেলছিয়াছ উষ্ণতা হোৱা মানে অসমত বহুত বেছি উষ্ণতা বুলি গণ্য কৰা হৈছিল। পিছে এতিয়া ৪০ ডিগ্ৰী চেলছিয়াছ পৰ্যন্ত হৈছেগৈ। তদুপৰি গছ আদিৰো উৎপাদন হ্ৰাস পাইছে। যিবোৰ উদ্যান আছিল সেইবোৰৰ অৱস্থাও এতিয়া তথৈবচ। চৰকাৰৰ অৱহেলাৰ বাবে এনেবোৰ উদ্যানৰ অৱস্থা জৰাজীৰ্ণ হোৱাত স্বাভাৱিকতে লেটাৰ উৎপাদন হ্ৰাস পাব। কিছুবছৰ আগলৈকে টীয়ক, নাহৰণি, সাপেখাঁইতী, ধেমাজি, ঘিলামাৰা, ঢকুৱাখনা, নামতি, জাঁজী, ছয়গাঁও, বকো, পলাশবাৰী,

বনগাঁও আদি ঠাইত মুগা লেটা প্ৰচুৰ পৰিমাণে উৎপাদন হৈছিল। মুগা লেটাৰে বজাৰ ভৰি পৰিছিল। এতিয়া এইবোৰ ঠাইত স্থানীয় লোকে মুগা লেটা উৎপাদন কৰিবলৈ বাদ দিছে। নৱপ্ৰজন্মও আগ্ৰহী নহয়। কাৰণ মুগা লেটা বিক্ৰী কৰি পৰিয়াল পোহ-পাল দিয়াতো সম্ভৱ নহয়। এইবোৰ ঠাইত এতিয়া এৰী গছ দুষ্প্ৰাপ্য হৈছে। বনাঞ্চল ধ্বংসৰ পৰিণতি কিমান ভয়াৱহ হ'ব পাৰে তাৰেই জ্বলন্ত উদাহৰণ এৰী গছৰ পৰিমাণ হ্ৰাস পোৱাটো।

মুগাৰ ৰিহা-মেখেলা-চাদৰ প্ৰায় দুষ্প্ৰাপ্য হোৱাৰ আন এক উল্লেখযোগ্য কাৰণ হ'ল বিজ্ঞানসন্মত ব্যৱস্থাৰ অভাৱ। মুগা লেটা সংৰক্ষণৰ বাবে উপযুক্ত ব্যৱস্থা নাই। তদুপৰি এইবোৰ বিজ্ঞানসন্মতভাৱে কেনেদৰে ব্যৱহাৰ কৰিব পাৰি সেই বিষয়ে কোনো পৰিকল্পনা গ্ৰহণ কৰাও দেখা নাযায়। তদুপৰি বিজ্ঞানীসকলে মাজে সময়ে আগবঢ়োৱা পৰামৰ্শ গ্ৰহণৰ ক্ষেত্ৰত চৰকাৰৰ উদাসীনতাও আন এক কাৰণ।

অসমত মুগা কাপোৰৰ বজাৰখন এতিয়া টচ কাপোৰে বিস্তাৰ কৰিবলৈ ধৰিছে। মুগাৰ উপযুক্ত বজাৰ এখন আজিলৈকে সৃষ্টি নহ'ল। সেই সুযোগ গ্ৰহণ কৰি একাংশ ব্যৱসায়ীয়ে কম দামতে টচ সূতাৰ কাপোৰ বিক্ৰীৰ বজাৰ গঢ়িব পাৰিছে। টচ সূতাৰ আমদানী বন্ধ কৰিবলৈ ৰাজ্যজুৰি আন্দোলন হোৱাৰ পাছতো চৰকাৰে এই ক্ষেত্ৰত আওকণীয়া মনোভাবহে গ্ৰহণ কৰিছে। কেইবছৰমান শুৱালকুছিত ইয়াক কেন্দ্ৰ কৰি এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হৈছিল। আনকি এজনৰ মৃত্যু পৰ্যন্ত হৈছিল। সেইজন মৃতকক উপেক্ষা কৰি আজিও অবাধ গতিত টচ সূতা আমদানি হৈয়ে আছে। এইবোৰ কাৰণৰ উপৰি ৰাজ্য চৰকাৰৰ সুকীয়া ৰেচম নীতিৰ অভাৱো দেখা যায়। কোনো এটা উদ্যোগ এক সুকীয়া পৰিকল্পনা অবিহনে সম্প্ৰসাৰিত তথা জীয়াই থাকিব নোৱাৰে। বিশেষজ্ঞৰ দ্বাৰা গঠিত ব'ৰ্ড বা কমিটীয়ে এনে পৰিকল্পনা গ্ৰহণ কৰিলে নিশ্চয় উদ্যোগটো জীয়াই থাকিবলৈ সুযোগ পালেহেঁতেন। অৱশ্যে অসমত এতিয়াও মুগাৰ কাপোৰৰ উৎপাদন একেবাৰে শেষ হোৱা নাই। যেতিয়ালৈকে অসম থাকিব তেতিয়ালৈকে মুগা শিল্পও থাকিব। কিন্তু 'মৰো-জীউ শোওঁ আধিকৈ'ৰ দৰে কিমানদিন জীয়াই থাকিব সেয়া সময়েহে উত্তৰ দিব। নহ'লে এদিন নাচনীৰ গা শুৱনি কৰা মুগাৰ ৰিহা-মেখেলা-চাদৰ সংগ্ৰহালয়ৰ উপাদান হ'ব।

# স্বামী-স্ত্ৰীৰ সংঘাত

অনাদি অনন্ত কালৰ পৰাই নাৰী-পুৰুষৰ সম্পৰ্কক লৈ চৰ্চা হৈ আহিছে। এই চৰ্চাৰ অন্ত নাই। কিয় নাৰী-পুৰুষে পৰস্পৰৰ মৰম-ভালপোৱা, আশা-আকাংক্ষা বুকুত বান্ধি লৈ ওচৰ চাপে। মানুহে কেতিয়াৰ পৰা বিবাহপাশত আবদ্ধ হোৱাৰ কথা ভাবিছিল সেই বিষয়ে কোনোৱে তথ্য দাঙি ধৰিব নোৱাৰে। কঠোৰ বাস্তৱৰ মাজত আছে এই বান্ধোনৰ ৰহস্য। নাৰী-পুৰুষে কিয় অকলে বসবাস কৰিব নোৱাৰে। দুটা বিপৰীতধৰ্মী শাৰীৰে এক হোৱাৰ কিয় সপোন ৰচে সেয়া এক ৰহস্যৰ বিষয়। এই ৰহস্য আজিলৈকে কোনোৱে ভেদ কৰিব পৰা নাই। বিশ্বৰ বিভিন্ন অঞ্চলত বিয়াৰ পদ্ধতি ভিন্ন হ'লেও সকলোৰে পিছে উদ্দেশ্য এটাই সোণৰ সংসাৰ গঢ়া। দুয়োজনৰ জীৱনলৈ আহক দেৱ শিশু। পুত্ৰ-কন্যাৰে ঘৰ ভৰি পৰাৰ আশা বুকুত বান্ধি লয়। ভাৰতীয় সমাজত বিবাহ হ'ল এটি সামাজিক আৰু পাৰিবাৰিক ঘটনা। দুটি নাৰী-পুৰুষৰ জীৱনৰ ছন্দ আৰম্ভ হয় এই মাংগলিক কাৰ্যৰদ্বাৰা। জীৱনৰ শেষ নিশ্বাস ত্যাগ নকৰালৈকে পৰস্পৰৰ আকৰ্ষণত বিলীন হৈ পৰে। কিন্তু তাৰ মাজতো ক'ৰবাত থাকি যায় ব্যৱধান। সেইবাবেই পতি-পত্নীৰ মাজত আৰম্ভ হয় সংঘাত।

পাৰিবাৰিক জীৱনত স্বামী-স্ত্ৰীয়ে পৰস্পৰৰ প্ৰতি প্ৰদৰ্শন কৰা সন্মানেই জীৱনটো মধুৰ কৰি তোলাত এক বিশেষ ভূমিকা গ্ৰহণ কৰে। ইজনে সিজনৰ প্ৰতিটো সমস্যা বুজি গ'লে অথবা বুজিবলৈ চেষ্টা কৰিলে সংঘাতৰ সৃষ্টি নহয়। প্ৰত্যেকৰে জীৱনত কিবা নহয় কিবা সমস্যা থাকেই। ব্যক্তিগৰাকীয়ে সমস্যাটো কিদৰে গ্ৰহণ কৰিছে সেইটো গুৰুত্বপূৰ্ণ বিষয়। প্ৰতিটো সমস্যাৰে ইতিবাচক আৰু নেতিবাচক দুয়োটা দিশেই থাকে।

সমস্যা হ'ল জীৱনৰ অংগ। দৈনন্দিন জীৱন-যাপন কৰোঁতে প্ৰত্যেকে কোনো নহয় কোনো বিষয়ক কেন্দ্ৰ কৰি সমস্যাৰ সন্মুখীন হয়। কাৰোবাৰ যদি অৰ্থনৈতিক সমস্যা, আন কাৰোবাৰ আকৌ পাৰিবাৰিক সমস্যা। সন্তানহীনতাৰ সমস্যা, ল'ৰা-ছোৱালীক পঢ়ুওৱা, ডাঙৰ-দীঘল কৰা, ফুৰিবলৈ যোৱা-নোযোৱা আদিক কেন্দ্ৰ কৰি বহুতো সমস্যা থাকেই। সমস্যাবিহীন জীৱন এটি কোনোৱে কল্পনা কৰিব নোৱাৰে। সমস্যাৰ স'তে মোকাবিলা কৰিব পৰা লোকজনেহে সাংসাৰিক জীৱনত সুখ-শান্তি আনিব পাৰে। সমস্যাসমূহ কেনেদৰে মোকাবিলা কৰিব সেয়া নিৰ্ভৰ কৰে ব্যক্তিগৰাকীৰ ব্যক্তিত্বৰ ওপৰত। কেতিয়াবা দেখা যায় সৰু-সুৰা ঘটনা বা কথাক লৈ পতি-পত্নীয়ে দুৰ্বাদল কাজিয়াত লিপ্ত হয়। নিতৌ এনেদৰে কাজিয়া কৰাৰ পৰোক্ষ প্ৰভাব পৰে সন্তানৰ ওপৰত। এই কথা কিন্তু পিতৃ-মাতৃয়ে নাভাবে। বাস্তৱ ক্ষেত্ৰত দেখা যায় পিতৃ-মাতৃৰ সঘন কাজিয়াই সন্তানক বিপথে যাবলৈ বাধ্য কৰায়। কেতিয়াও এপাট তাল নাবাজে। গতিকে সমস্যা সৃষ্টিৰ ক্ষেত্ৰতো দুয়োজনৰ ভূমিকা সমান। একেদৰে সমাধান সূত্ৰ উলিয়াব লাগিলেও দুয়োজনেই অলপ এৰা-ধৰা কৰিবই লাগিব। নিজৰ স্থিতিত আঁকোৰগোজ হৈ থাকিলে কোনো সমস্যাৰে সমাধান নহয়। যিহেতু বিয়াৰ পাছত এটা সুস্থ আৰু সুখী পাৰিবাৰিক বাতাৱৰণৰ সৃষ্টিৰ মূলতে হ'ল পতি-পত্নীৰ মাজত এৰা-ধৰাকৈ চলি থকাৰ মনোভাব। এজনে যদি আনজনৰ সমস্যাৰ বিষয়ে উপলব্ধি নকৰে। তেনেহ'লে সমস্যা সমাধানৰ পৰিৱৰ্তে জটিলহে হ'ব। ক্ষন্তেকীয়া জীৱনত পতি-পত্নীয়ে যদি বেছিভাগ সময় হাই-কাজিয়া কৰিয়েই থাকে তেনেহ'লে শান্তি কেতিয়া পাব।

কিছুমান লোকে যিকোনো বিষয় এটা বাচি লৈ কাজিয়া কৰাতো স্বভাৱ। তেওঁলোকৰ এনে স্বভাৱৰ সলনি নহয়। এই ক্ষেত্ৰত যদিহে সংগীগৰাকীয়ে

ইতিবাচক স্থিতি গ্ৰহণ নকৰে তেনেহ'লে পৰিস্থিতি জটিল হৈ পৰে। যেতিয়াই কাজিয়াৰ বাবে চেলু চাই থাকে তেতিয়া আনজন সংগীয়ে লাহেকৈ বিষয়টোৰ পৰা ফালৰি কাটি আন বিষয় উলিয়াব লাগে।

চাকৰিয়াল দম্পতীয়ে বেছি সময় পৰস্পৰক লগ নাপায়। সেয়েহে এনে ক্ষেত্ৰত যদি কোনো বিষয়ত মনোমালিন্য হয় তেন্তে সহকৰ্মীৰ স'তে বিষয়টো আলোচনা কৰাৰ পূৰ্বে ভাবি চাওক। কাৰণ যিকোনো ব্যক্তিগত সমস্যা আনৰ আগত প্ৰকাশ কৰিব নালাগে। কেতিয়াবা হিতে বিপৰীত হয়। সহকৰ্মী যদি দুষ্ট প্ৰকৃতিৰ হয় তেনেহ'লে জ্বলা জুইত থিউহে ঢালিব। বহুতে আনৰ সংসাৰত জুই জ্বলাবলৈ চেষ্টা কৰি থাকে। কেনেবাকৈ যদি এনে সুযোগ পায় তেনেহ'লে সমস্যাটো জটিল কৰিবলৈহে উচটনি দিব। আনকি সহকৰ্মীৰ উচটনিত কিছুমানৰ বিবাহ-বিচ্ছেদ পৰ্যন্ত হোৱা দেখা যায়। অফিচৰ পৰা অহাৰ পাছত দুয়োগৰাকীয়ে সুস্থভাৱে চিন্তা কৰি সমস্যাৰ সমাধানৰ বাবে চেষ্টা কৰা উচিত। কেৱল স্বাৱলম্বী হ'লেই যে মহিলাগৰাকীয়ে স্বামীৰ কথাত সমানে সমানে প্ৰতিবাদ কৰিব তেনে নহয়। যদি প্ৰয়োজন হয় তেতিয়া প্ৰতিবাদ কৰিব লগে। কিন্তু আমাৰ সমাজব্যৱস্থা এনেদৰে সৃষ্টি কৰা হৈছে যে সকলো ক্ষেত্ৰতে মহিলাই অকলে যুঁজ দিয়াটোত অসম্ভৱ। বহিঃজগতখনৰ স'তে মহিলাসকল পৰিচিত হ'লেও পৰিস্থিতিৰ স'তে মোকাবিলা কৰাটো সহজ নহয়। গতিকে কিছুমান কামৰ দায়িত্ব সম্পূৰ্ণৰূপে স্বামীৰ ওপৰত এৰি দিব লাগে। তাকে নকৰি নিজে চাকৰি কৰি ধন উপাৰ্জন কৰিছো বুলি ফেপেৰি পাতি থাকিব নালাগে। দেখিব স্বামী-স্ত্ৰীৰ সমস্যা সমাধান হৈছে। মনত ৰাখিব পতি-পত্নীৰ সংঘাতৰ প্ৰভাৱ নিজৰ কৰ্মক্ষেত্ৰতো পৰে। সন্তানৰ ভৱিষ্যৎ, নিজৰ কেৰিয়াৰ, পাৰিবাৰিক শান্তিৰ বাবে পতি-পত্নীয়ে এৰা-ধৰাকৈ চলিবই লাগিব।

# ৰাজপথত বন্ধৰ সমৰ্থক নে দুৰ্বৃত্তৰ দল

আজিকালি যিকোনো বিষয়তে বিভিন্ন দল-সংগঠনে 'অসম বন্ধ', 'জিলা বন্ধ', 'উজনি অসম বন্ধ', 'নামনি অসম বন্ধ'ৰ আহ্বান জনায়। এই সংগঠনসমূহৰ অধিকাংশই বন্ধৰ মূল বিষয়তকৈ সংগঠন সমূহৰ অস্তিত্ব জাহিৰ কৰিবলৈহে বন্ধৰ আহ্বান জনোৱা পৰিলক্ষিত হয়। অসমত নিতৌ কোনোবা নহয় কোনোবা সংগঠনে বন্ধৰ আহ্বান জনায়। এতিয়া সোণৰ অসম ( !) খনত খোলা দিনতকৈ বন্ধৰ দিনহে বেছি হৈছে। এনেয়ে অসমখন ভাৰতৰ আন ৰাজ্যতকৈ পিছ পৰি থকা বুলি কৈ অসমক মাহী আইৰ দৃষ্টিৰে চোৱা বুলি চিঞৰ-বাখৰ কৰা লোকৰ অভাৱ নাই, তাতেই আকৌ বন্ধৰে সমস্যা সমাধানৰ ধ্বনি। এইবোৰৰ সংমিশ্ৰণে আমাৰ ৰাজ্যখনক আগুৱাই নিয়া নাই, বৰং বহু পিছলৈহে ঠেলি দিছে।

কোনো বিষয়ক কেন্দ্ৰ কৰি বন্ধৰ আহ্বান জনোৱাৰ প্ৰাসংগিকতা আছে নে নাই সেয়া আমি ক'ব খোজা নাই। প্ৰতিটো বিষয়ৰ আঁৰত থাকে একোটা যুক্তি। কিন্তু এই যুক্তিসমূহ বাস্তৱসন্মত হয় নে নহয় সেয়াহে বিশ্লেষণ কৰি চোৱা উচিত। অসমত এতিয়া কিমানসংখ্যক দল সংগঠন আছে তাৰ হিচাপ নাই। ছাত্ৰ সংগঠনৰ পৰা আৰম্ভ কৰি ৰাজনৈতিক দললৈকে সকলোতে কেৱল সংগঠনেই সংগঠন। এই সংগঠনসমূহৰ সদস্যৰ সংখ্যা কিমান আছে সেয়া জনাটোও কাৰো বাবে সম্ভৱ নহয়। সকলোৰে দাবী কৰে তেওঁলোকৰ দল সংগঠনৰ আঁৰত আছে অসমবাসী। কিন্তু এই দল সংগঠনসমূহে অসমবাসীৰ মতামতক গুৰুত্ব দিয়েনে? নে কেৱল অস্তিত্ব জাহিৰ কৰিবলৈহে বন্ধৰ আহ্বান জনায়।

অসম এখন সমস্যাবহুল ৰাজ্য। অৰ্থনীতিৰ পৰা আৰম্ভ কৰি সামাজিক, ৰাজনৈতিক, সাহিত্য-সংস্কৃতি আদি সকলোতেই সমস্যাৰ প্ৰতিফলন ঘটিছে।

অসম মাতৃয়ে আৰু সমস্যাৰ ভৰ সহ্য কৰিব নোৱাৰা হৈছে। সমস্যা সমাধানৰ বাবে বন্ধৰ আহ্বান জনোৱা সংগঠনসমূহৰ নেতৃবৰ্গই এবাৰ ভাবি চাইছেনে এদিন অসমখন বন্ধ হ'লে অৰ্থনৈতিকভাৱে কিমান ক্ষতিগ্ৰস্ত হয় অসমবাসী? সামাজিক, ৰাজনৈতিক, সাহিত্য-সংস্কৃতি আদি ক্ষেত্ৰত ইয়াৰ বিৰূপ প্ৰভাৱে অসমখনক সকলো ক্ষেত্ৰতে কিমান পিছুৱাই নিয়ে?

অসম বন্ধ এতিয়া এক প্ৰকাৰ ফেশ্বনত পৰিণত হৈছে। তাতোকৈ ডাঙৰ কথা হ'ল বন্ধৰ নামত শেহতীয়াভাৱে সংঘটিত হৈ থকা বিক্ষিপ্ত ঘটনাসমূহৰ আঁৰত থকা ষড়যন্ত্ৰ। গণতান্ত্ৰিকভাৱে প্ৰতিবাদী কাৰ্যসূচী হিচাপে বন্ধৰ আহ্বান জনোৱাৰ পাছত আকৌ ৰাজপথত বন্ধৰ সমৰ্থকৰ তাণ্ডৱ কিয়? এইসকল বন্ধৰ আহ্বান জনোৱা সংগঠনৰ নেতৃবৰ্গই এনে ঘটনা প্ৰতিৰোধৰ বাবে সমৰ্থকসকলক কিয় বুজনি দিব নোৱাৰে? কোনোবাই যদি বন্ধৰ সমৰ্থন নকৰে তেনেহ'লে তেওঁলোকক কিয় আক্ৰমণ কৰে? কোনোবাই বন্ধৰ আহ্বান জনালে বুলিয়ে যে সেয়া সকলোৱে মানি ল'ব বা সেই বন্ধক সমৰ্থন জনাব তাৰ কোনো যুক্তি নাই। দৰাচলতে এনে সংগঠনসমূহৰ প্ৰতি ৰাইজৰ কিমান সমৰ্থন আছে তাৰ প্ৰতিফলন এইবোৰ ঘটনাৰ মাজেদিয়ে প্ৰতিফলিত হয়। তাতকৈ এনে সংগঠন সমূহে এনে কিছু কাম কৰি দেখুৱাওক যিবোৰৰ বাবে ৰাইজে স্বতঃস্ফূৰ্তভাৱে তেওঁলোকৰ প্ৰতিটো কামকে সমৰ্থন কৰিব। সংগঠনসমূহে বুজা উচিত বলপূৰ্বক ভাৱে কোনো লোকৰ পৰাই সমৰ্থন আদায় কৰিব নোৱাৰি। বন্ধৰ সমৰ্থকসকলৰ তাণ্ডৱ প্ৰত্যক্ষ কৰিলে মনত এনে ভাব হয় যেন সেইবোৰ বন্ধৰ সমৰ্থক নহয়, দুষ্কৃতিকাৰীৰ দলহে। চলন্ত গাড়ীলৈ শিলগুটি নিক্ষেপ কৰা, গাড়ীত অগ্নি সংযোগ কৰা, পথচাৰীক প্ৰহাৰ কৰা, ৰাস্তাত টায়াৰ জ্বলোৱা, গছ-গছনি বগৰাই পথ অৱৰোধ কৰা, বলপূৰ্বক দোকান-পোহাৰ বন্ধ কৰা আদি কাৰ্য গণতন্ত্ৰক সমৰ্থন কৰা কোনো দল সংগঠনৰ সমৰ্থক, নেতাৰ কাৰ্য হ'ব নোৱাৰে। এইবোৰ উগ্ৰবাদী চিন্তাধাৰাৰ লোকৰ উচটনিৰহে কু-ফল। এনেবোৰ দুৰ্বৃত্ত, দুষ্কৃতিকাৰী অথবা উগ্ৰপন্থী সংগঠনৰহে কাৰ্য বুলি কোৱা হয়। এনে কাৰ্যৰদ্বাৰা ৰাইজৰ পৰা কেতিয়াও সমৰ্থন আদায় কৰিব নোৱাৰে। বৰং গণবিচ্ছিন্ন হোৱাৰহে আশংকা থাকে। সেয়েহে অসম বন্ধৰ নামত এনেধৰণৰ বিক্ষিপ্ত ঘটনা সংঘটিত কৰাৰ পৰা আঁতৰি থকাটোৱে সংগঠনসমূহৰ বাবে হ'ব শুভ বুদ্ধিৰ পৰিচায়ক।

# শান্তি বিচাৰি ওলাওঁতেই...

হত্যা, হিংসাজৰ্জৰিত অসমখনত আজি শান্তি বিচৰা লোকৰ সংখ্যাই অধিক। শংকাৰ মাজেৰে কোনোৰে জীৱন অতিবাহিত কৰিব নোৱাৰে। কাৰণ প্ৰত্যেক ব্যক্তিয়ে একোটা নিৰ্দিষ্ট পৰিসীমালৈকেহে দুখ সহ্য কৰিব পাৰে। কিমান দিন সহিব দুখ, দুখৰ যাতনা? অশান্ত পৃথিৱীখনক শান্ত কৰিবলৈ একাংশ লোকে অহৰ্নিশে চেষ্টা চলাই আছে যদিও আন একাংশই আকৌ অশান্তি বিয়পাই আছে। একাংশই যদি সমাজত জুই জ্বলাইছে, আন একাংশ লোকে আকৌ নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰি হ'লেও জুই নিৰ্বাপিত কৰিবলৈ চেষ্টা চলাইছে। ক'ৰবাত যেন কেনা লাগিছে।

সময় নিষ্ঠুৰ, সময়ত কি হয় কোনোৰে একো ক'ব নোৱাৰে। এসময়ত হাতত বন্দুক লোৱাই এতিয়া আকৌ শান্তি প্ৰতিষ্ঠাৰ কথা কৈছে। আনহাতে, যিসকলে ইমানদিনে শান্তিৰ হকে কাম কৰি আহিছে তেওঁলোকৰ একাংশই আকৌ এতিয়া উগ্ৰ ৰূপ ধাৰণ কৰা পৰিলক্ষিত হৈছে। সময়ৰ গতিত কোনে কি কৰে আৰু কৰিবলগীয়া হয় তাৰ হিচাপ নাথাকে।

মাঘ মহীয়া ঠাণ্ডাত এখন কাপোৰেৰে মুকলি আকাশৰ তলত বসবাস কৰা লোকে অট্টালিকাত থাকি কেনে সুখ পায় তাক জানিব খোজে। অট্টালিকাত থকা লোকে কেতিয়াবা মুকলি আকাশৰ তলত থাকি ভাল পায়। দুয়োটাৰ মাজত মাথোঁ এটাই পাৰ্থক্য অট্টালিকাত থকাজনে মাত্ৰ এদিন বাহিৰত থাকি আনন্দ ল'ব আৰু আনজনে সদায় বাহিৰত থাকি সুখ অনুভৱ কৰিব। কিন্তু দুয়োজন ব্যক্তিয়ে এনে কৰিলে কিমান শান্তি পাব সেয়া সময়তহে দুয়োজনেই

বুজি পাব। সকলোকে বুজিবলৈ সময়ৰ প্ৰয়োজন। বুজি পালে অথবা বুজিবলৈ চেষ্টা কৰিলে সকলো সমস্যাৰে সমাধান হয়। সাম্প্ৰতিক পৰিস্থিতিত শান্তি বিচৰা কথাটোও উল্লেখিত লোক দুজনৰ সমস্যাৰ দৰে হৈছে।

প্ৰাকৃতিক দুৰ্যোগ, বিশেষকৈ বানপানীৰ সময়ত সৰ্বস্বান্ত হোৱা লোকসকলৰ অধিকাংশই এতিয়া আকৌ উগ্ৰপন্থীৰ গুলীত থকা-সৰকা হোৱাৰ ভয়তে আহি আশয় লৈছে শৰণাৰ্থী শিবিৰত কিছুমানে আকৌ শৈশৱ, কৈশোৰ কি উপলব্ধি কৰিবই নোৱাৰিলে। কাৰণ আশ্ৰয় শিবিৰতে সোণালী শৈশৱ অতিবাহিত কৰিবলগীয়া হৈছে। শৰণাৰ্থীৰ মানসিক অৱস্থা কেনে হয় সেয়া ভুক্তভোগীৰ বাহিৰে আনে বুজিব নোৱাৰে। তেওঁলোকে শান্তি বিচাৰি হাবাথুৰি খাবলগীয়া হৈছে। চাৰিওফালে অগ্নিগৰ্ভা পৰিস্থিতিৰ মাজতে দিন নিয়াবলগীয়া হোৱাৰ বাবে শান্তি কি সেয়া ভালদৰে উপলব্ধি কৰিব পাৰে। উত্তপ্ত লাভাও এদিন ঠাণ্ডা হৈ শিলৰ ৰূপত গোট মাৰে। একেদৰে অশান্ত পৰিৱেশে সকলোকে আমুৱাইছে। চকুৰ সন্মুখত প্ৰায়ে হত্যাযজ্ঞ প্ৰত্যক্ষ কৰি হত্যা শব্দটোৰ সৈতে যেন সহাৰস্থান কৰিব পাৰিছে। সহাৰস্থান কৰিব পাৰিলেও কোনোৱে কাৰো মৃত্যু কামনা নকৰে। আৰ্তজনক সহায়ৰ হাত আগবঢ়োৱা লোকৰ পিছে অভাৱ হোৱা নাই। সন্ত্ৰাস বিয়পাই কাৰো পৰা সমীহ আদায় কৰিব নোৱাৰি। সন্ত্ৰস্ত হৈ কেতিয়াবা কাৰোবাক সমৰ্থন কৰিলেও সুবিধা পালেই এই চক্ৰৰ পৰা ওলাই আহিবলৈ প্ৰতিক্ষণতে সুৰুঙা বিচাৰি থাকে। তেওঁলোকে বিচাৰে এখন শান্তিৰ সমাজ। এইখন সমাজত যাতে কোনো তৃতীয় শক্তিয়ে গা কৰি উঠিব নোৱাৰে তাৰ বাবে ৰাইজ সজাগ হওক।

সামাজিক প্ৰেক্ষাপটত শান্তি প্ৰতিষ্ঠা কৰাতো গুৰুত্বপূৰ্ণ বিষয়। কাৰণ দেশ এখনৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে শান্তিৰ প্ৰয়োজন যি দেশত সঘনাই অশান্তিৰ পৰিৱেশ সৃষ্টি হৈ থাকে তেনে ঠাইৰ উন্নয়নৰ গতি স্থবিৰ। কাৰণ অশান্তিৰ উৎসসমূহ প্ৰতিৰোধ কৰিবলৈ দেশৰ প্ৰতিৰক্ষা বিভাগে সৰ্বশক্তি প্ৰয়োগ কৰিবলগীয়া হয়। অনবৰতে অপশক্তিৰ বিৰুদ্ধে যুঁজত ব্যস্ত থাকিবলগীয়া হোৱাৰ বাবে ইয়াৰ পৰোক্ষ প্ৰভাৱ আন ক্ষেত্ৰতো পৰে। যুদ্ধ-বিগ্ৰহ, হত্যা, ধনদাবী, অপহৰণে কোনো সমস্যাৰে সমাধান কৰিব নোৱাৰে। সেয়েহে সকলোৱে বিচাৰে শান্তি।

# গ্ৰন্থমেলাত গ্ৰন্থৰ সুবাস

গ্ৰন্থই মানুহৰ মনৰ পৰিসৰ বৃদ্ধি কৰে। এই পৰিসৰ বৃদ্ধিত গ্ৰন্থমেলাৰ ভূমিকা অপৰিসীম। গ্ৰন্থমেলাই কেৱল গ্ৰন্থ বিক্ৰেতাসকলক এখন নতুন বজাৰৰ সৃষ্টি কৰি নিদিয়ে। ক্ৰেতা তথা পাঠকসকলৰ বাবেও এটি নতুন পথৰ সন্ধান দিয়ে। পাঠকসকলে নিজৰ পছন্দৰ কিতাপখন অথবা প্ৰিয় সাহিত্যিকগৰাকীৰ গ্ৰন্থ এখন এই ক্ষেত্ৰতেই লাভ কৰে। তদুপৰি এই মেলাৰ জৰিয়তে নতুন নতুন জ্ঞানৰ সন্ধান লাভ কৰাটো সহায়ক হয়। কিছুবছৰ আগলৈকে গ্ৰন্থমেলা সম্পৰ্কে মানুহৰ মনত যি ধাৰণা আছিল সেয়া এতিয়া সম্পূৰ্ণৰূপে সলনি হ'ল। অৰ্থাৎ পূৰ্বৰ তুলনাত সম্প্ৰতি এখন নতুন ছবি দেখিবলৈ পোৱা যায়। দৰাচলতে গ্ৰন্থ হ'ল মানুহৰ সবাতোকৈ বিশ্বস্ত সহচৰ। গতিকে এই সহচৰগৰাকীক নিচেই ওচৰত পাবলৈ প্ৰায়ভাগ লোকেই চেষ্টা কৰে। যিহেতু অনাদি-অনন্ত কালৰ পৰাই মানুহৰ মনত গ্ৰন্থই প্ৰভাৱ বিস্তাৰ কৰি আহিছে, সেয়েহে ইয়াৰ গুৰুত্ব সদায় চিৰসেউজ হৈয়েই থাকিব।

গ্ৰন্থমেলাই পাঠক, লেখক আৰু প্ৰকাশকক এখন ক্ষেত্ৰত থিয় হ'বলৈ সুযোগ দিয়ে। পৰস্পৰৰ মাজত মত আদান-প্ৰদানৰো সুযোগ পায়। সততে

সন্মুখীন হোৱা বিভিন্ন সমস্যা সম্পৰ্কেও মত বিনিময়ৰ সুযোগ লাভ কৰে বাবে গ্ৰন্থমেলাই গুৰুত্ব লাভ কৰাটো স্বাভাৱিক বিষয়। বাস্তৱত আমি বহুতো সমস্যাৰ সন্মুখীন হওঁ। গ্ৰন্থৰ ৰচক অথবা প্ৰকাশকে এনেবোৰ গ্ৰন্থ ৰচনা-প্ৰকাশনৰ সময়ত কেনেধৰণৰ অভিজ্ঞতা লাভ কৰে সেই সম্পৰ্কে পাঠকৰ আগত প্ৰকাশৰো সুযোগ নোপোৱা নহয়। দৰাচলতে পৰস্পৰক বুজিবলৈ সুযোগ লাভ কৰে গ্ৰন্থমেলাৰ জৰিয়তে।

গ্ৰন্থমেলাত আয়োজিত বিভিন্ন ধৰণৰ আলোচনা-চক্ৰৰ জৰিয়তেও ভিন ভিন বিষয় এখন মঞ্চত আলোচনাৰ সুযোগ পোৱা যায়। সময়ৰ পৰিৱৰ্তনৰ লগে লগে গ্ৰন্থমেলাত ইয়াৰ প্ৰভাৱ পৰা পৰিলক্ষিত হৈছে। এটা কোঠাত গ্ৰন্থমেলাৰ আয়োজন কৰাৰ দিন উকলিল। বৃহৎ ভূমিখণ্ড আগুৰি শ শ গ্ৰন্থ বিপণীৰহে সময় এতিয়া। সেইবাবে বিভিন্ন ৰাজ্যৰ পৰা অহা গ্ৰন্থ বিক্ৰেতায়ো এনে মেলাত গ্ৰন্থ বিক্ৰী কৰি আনন্দ লাভ কৰে। গ্ৰন্থমেলাত কেৱল পাঠকেই যে গ্ৰন্থ কিনাৰ আনন্দ লাভ কৰে তেনে নহয়, সমান্তৰালভাৱে বিক্ৰেতাসকলেও নিজকে মুকলি মঞ্চত প্ৰতিষ্ঠা কৰাৰ সুযোগ পায়।

গ্ৰন্থমেলাক আমি কেৱল এখন মেলা হিচাপে গণ্য কৰিলে ভুল হ'ব। এইখন এনে এখন মেলা— য'ত জ্ঞানৰ অন্বেষণৰ বাবে হেজাৰ হেজাৰ লোকৰ সমাৱেশ ঘটে। ইয়াত এটা বাণিজ্যিক দিশো নথকা নহয়। কিন্তু এইক্ষেত্ৰত বাণিজ্যিক দিশটো গৌণ হৈ পৰে। য'ত জ্ঞান আৰু ধনক তুলাচনীত জোখা হয়— তাত ধনতকৈ জ্ঞানান্বেষীসকলৰ বাবে জ্ঞানৰ ভৰ বেছি। সেইবাবে গ্ৰন্থমেলাত বেছি কিতাপ বিক্ৰী হ'লে সকলোৱে লাভালাভৰ বিষয়তকৈ গ্ৰন্থৰ প্ৰতি মানুহৰ ধাউতি বৃদ্ধ হোৱা বুলিহে কয়।

# বৰদিন-মানৱসেৱা যীশুৰ বাণী

সমগ্ৰ বিশ্বতে ২৫ ডিচেম্বৰৰ দিনটোত পালন কৰা হয় 'বৰদিন'। যদিও খ্ৰীষ্টানসকলৰ পৱিত্ৰ উৎসৱ হিচাপে গণ্য কৰা হয়, তথাপি এতিয়া এই উৎসৱত আন ধৰ্মাৱলম্বী লোকসকলেও অংশগ্ৰহণ কৰা দেখা যায়। এতিয়া সংকীৰ্ণতা পৰিহাৰ কৰি প্ৰায়ভাগ লোকে এই উৎসৱত অংশগ্ৰহণ কৰে। প্ৰভু যীশুৱে যিবোৰ বাণী মানুহৰ মাজত প্ৰচাৰ কৰিছিল সেইবোৰ আজিও মানৱ সমাজত প্ৰচলিত হৈ আছে। মানৱ সেৱাই আছিল যীশুখ্ৰীষ্টৰ ধৰ্ম। আন ধৰ্মৰ লোকৰ প্ৰতিও যীশু আছিল উদাৰ। পৱিত্ৰ মনৰ হোৱা বাবে যেতিয়া একাংশ দুষ্ট প্ৰকৃতিৰ লোকে প্ৰভুক ক্ৰুছবিদ্ধ কৰিছিল তেতিয়াও সেইসকল লোকক সুমতি দিবলৈ ঈশ্বৰৰ আহ্বান জনাইছিল। তেওঁৰ অমৰ বাণীসমূহ আজিৰ মানৱ সমাজৰ প্ৰতিটো স্তৰতে বিদ্যমান হৈ আছে। জীৱন সম্পৰ্কে যীশুৱে যিবোৰ উপদেশ দি গৈছিল সেইবোৰ এতিয়া প্ৰতিগৰাকী ব্যক্তিয়ে উপলব্ধি কৰিছে। আনৰ বাবে জীৱন আহুতি দিয়া, সমাজৰ মংগলৰ বাবে কাম কৰা, আনৰ দুখত দুখী আৰু সুখত সুখী হ'বলৈ যীশুৱে উপদেশ দিছিল।

এতিয়া সমগ্ৰ বিশ্বতে মানৱতা হৈছে ভূ-লুণ্ঠিত। ভাতৃত্ববোধ যেন নোহোৱা হৈ যেন নোহোৱা হৈ পৰিছে। কুটুমে কুটুমক ভাল দৃষ্টিৰে নোচোৱা হ'ল। চৌদিশে

কেৱল হত্যা, অপহৰণ, ধৰ্ষণ, গোষ্ঠীসংঘৰ্ষ, ধনদাবী, সন্ত্ৰাসবাদ। পৃথিৱীৰ প্ৰায়বোৰ দেশতেই এতিয়া সন্ত্ৰাসবাদৰ বিষবাষ্প বিয়পি পৰিছে। অশান্ত হৈ পৰিছে পৃথিৱী। এই অশান্তিৰ কাৰণ ভিন্ন হ'লেও মূলত ক্ষমতা দখলৰ বাবে সংঘটিত হৈছে। এতিয়া 'জোৰ যাৰ মুলুক তাৰ' নীতিৰে চলিছে মানবতা। সকলোকে লাগে কেৱল ক্ষমতা। ক্ষমতাৰ ৰাগীত মতলীয়া হৈ চৌদিশে বিয়পাইছে সন্ত্ৰাস, হত্যালীলা, ধ্বংসযজ্ঞ। সেইবাবে এনে পৰিস্থিতিৰ অৱসান ঘটাবলৈ হ'লে আমি সকলোৱে প্ৰভু যীশুৰ বাণীসমূহ পুনৰ মানুহৰ মাজত প্ৰচাৰ কৰিব লাগিব। আনৰ বাবে চিন্তা কৰা, পৃথিৱীত সকলোৱে শান্তিৰে বসবাস কৰা, পৰোপকাৰ মৰম-চেনেহৰ বাবে এতিয়া যীশুৰ বাণীৰ প্ৰচলন কৰিব লাগিব।

সকলো মানুহেই এক। ভিন্ন ধৰ্ম, সম্প্ৰদায়ৰ হ'লেও সকলোৰে কিন্তু তেজৰ বৰণ ৰঙা। কোনো মানুহৰ গাত ধৰ্ম লিখা নাথাকে। এজন ব্যক্তিয়ে যি ধৰ্ম গ্ৰহণ কৰে সেই ধৰ্মৰ নিয়ম-কানুন, আচাৰ-ব্যৱহাৰ গ্ৰহণ কৰিবলগীয়া বিষয়টো স্বাভাৱিক কথা। জন্মতে সকলো ধৰ্মৰ মানুহে ধৰ্মবিহীনভাৱে জন্ম লাভ কৰে। এটি শিশুৱে ভালদৰে মাত-কথা ক'বলৈ ধৰাৰ পাছৰে পৰাই লাহে লাহে ঘৰখনৰ আনসকল সদস্যই গ্ৰহণ কৰা ধৰ্মীয় ৰীতি-নীতিৰ প্ৰতি আকৃষ্ট হয়। তেতিয়াৰ পৰাহে ধৰ্মৰ লেবেলখন গাত লাগে। ধৰ্ম হ'ল মানুহৰ অনুভূতি। এই অনুভূতি সকলোৰে সমান নহয়। কিছুমান সংকীৰ্ণ আৰু কিছুমান ঠেক গণ্ডীৰ ভিতৰত ধৰ্মীয় দিশসমূহ বিশ্লেষণ কৰাৰ ফলত সমস্যাই গা কৰি উঠে। এই সমস্যাসমূহৰ অধিকাংশই নিজৰ সৃষ্টি। পৃথিৱীত সেইসকল লোকে সদায় আনৰ ধৰ্মক স্বীকৃতি প্ৰদান কৰিব নোখোজে। তদুপৰি নিজৰ ধৰ্মটোৰ বাহিৰে পৃথিৱীৰ আন ধৰ্মক ঘৃণা কৰিলে দুয়োটা ধৰ্মৰ লোকৰ মাজত হিংসা বৃদ্ধি পায়। এনে হিংসা নকৰিবলৈ প্ৰভু যীশুৱে ভক্তসকলক উপদেশ নিছিল। ধৰ্মান্ধতা মহাপাপ। যীশুৰ মতে পাপক ঘিণ কৰিব লাগে, পাপীক পিছে তেওঁ ঘৃণা নকৰিবলৈ কৈ তেনে লোকক সৎ পথলৈ আনিবলৈহে উপদেশ দিছিল। সেইবাবে যীশুৰ বাণীসমূহ অমৰ হৈ আছে। এই বাণী আখৰে-আখৰে পালন কৰা লোকসকল কাচিৎহে বিপদত পৰা দেখা যায়। প্ৰভু যীশুৱে ভক্তক লৈ আশা কৰিছিল কেৱল শান্তিৰ বাবেই নহয়, সমান্তৰালভাৱে আনৰ উপকাৰৰ বাবেও ভক্তসকলক ভাবিবলৈ প্ৰেৰণা যোগাইছিল।

# কিয় বৃদ্ধি পাইছে অপৰাধপ্ৰৱণতা

সমগ্ৰ বিশ্বতে অভাৱনীয়ভাৱে বৃদ্ধি পাবলৈ ধৰিছে অপৰাধপ্ৰৱণতা। হত্যা, ধৰ্ষণ, ছুৰিকাঘাট, অপহৰণ, প্ৰহাৰ, চুৰি-ডকাইতি, লুণ্ঠন আদি ঘটনা বৃদ্ধি পাইছে। এয়া যে কোনো এটা অঞ্চলৰ সমস্যা তেনে নহয়, প্ৰতিখন দেশতে এনে সমস্যাই গা কৰি উঠিছে। দিনক দিনে এনেবোৰ অপৰাধজনিত ঘটনা বৃদ্ধি পোৱাত মানৱ জাতিৰ বাবে এক প্ৰত্যাহ্বান হৈ পৰিছে। বিশেষকৈ যিসকল লোকে সমাজত শান্তিৰে বসবাস কৰিব খোজে, তেওঁলোকৰ বাবে পদে পদে বিপদ ঘনীভূত হৈছে। যিবোৰ ঘটনা সংঘটিত হৈ আছে সেই সকলোবোৰ ঘটনাৰ আঁৰত আছে কিবা নহয় কিবা কাৰণ। কিয়নো, কাৰণ অবিহনে কাৰ্য সম্পাদন হ'ব নোৱাৰে।

কিয় বৃদ্ধি পাইছে অপৰাধজনিত ঘটনা ? স্বাভাৱিকতে এগৰাকী সুস্থ লোকৰ মনত এই প্ৰশ্নটোৱে খুন্দিয়াই নথকাকৈ নাথাকে। ব্যক্তিগত আখেজ পূৰণৰ বাবেই হওক অথবা ৰাজনৈতিক লাভালাভ, প্ৰকৃত তথ্য লুকুৱাবলৈ আৰু সন্ত্ৰাস বিয়পাবলৈকে এনেবোৰ ঘটনা সংঘটিত হৈ আহিছে। কিছুমানে সন্ত্ৰাস বিপয়াই নিজৰ আধিপত্য বিস্তাৰ কৰিবলৈকে অপৰাধমূলক কাৰ্য সংঘটিত কৰিছে।

অপৰাধমূলক কাৰ্য সংঘটিত কৰাৰ আঁৰত সকলো সময়তে কেৱল

ব্যক্তিগত স্বাৰ্থই নিহিত হৈ নাথাকে। কেতিয়াবা যদি ব্যক্তিগত স্বাৰ্থ সিদ্ধিৰ বাবে সম্পাদন কৰে আন কেতিয়াবা জাতিগত, ধৰ্মীয় কাৰণতে তেনে কৰিবলৈ আগবাঢ়ে। অৱশ্যে যি কাৰণতে অপৰাধমূলক কাৰ্য সম্পাদন নকৰক কিয়, ইয়াৰদ্বাৰা মানৱ জাতিৰ কোনো বিশেষ উপকাৰ সাধন হওকেই বা নহওকেই সেইবোৰলৈ কোনো ভ্ৰূক্ষেপ নাই। কেৱল অপৰাধমূলক কাৰ্যৰ পৰিসৰ বৃদ্ধিৰ ওপৰতহে গুৰুত্ব প্ৰদান কৰে।

কে'বাবছৰ আগলৈকে কিছুমান অপৰাধমূলক কাৰ্য এটা নিৰ্দিষ্ট বয়সৰ লোকৰ মাজতে আবদ্ধ আছিল। এতিয়া অপৰাধমূলক কাৰ্য আৰু অপৰাধীৰ সংজ্ঞাও সলনি হ'ল। বয়সৰ ব্যৱধানো হ্ৰাস পালে। আনকি সাম্প্ৰতিক সময়ত এটি দুগ্ধপোষ্য শিশুও এনে কিছু অপৰাধমূলক কাৰ্যত লিপ্ত হ'বলৈ ধৰিছে যিবোৰ কথা স্বচক্ষে নেদেখিলে বিশ্বাসেই কৰিব নোৱাৰি। হত্যা, ধৰ্ষণৰ দৰে জঘন্য কাণ্ড আজি নৱপ্ৰজন্মৰ বাবে হৈ পৰিছে তেনেই সাধাৰণ কথা। আনহে নালাগে নিজৰ পৰিয়ালৰ সদস্যকেই আজি-কালি সৰু-সুৰা কথাতে হত্যা কৰাৰ বাতৰি প্ৰায়ে টিভিৰ পৰ্দাতেই হওক অথবা বাতৰি কাকতত পঢ়িবলৈ পোৱা যায়। সমগ্ৰ বিশ্বতে আজি মানৱতা ভূ-লুণ্ঠিত।

এতিয়া মানুহৰ সহনশীলতা গুণ একেবাৰেই নোহোৱা হৈছে। আধুনিকতাৰ চোলা পিন্ধি সভ্যতাৰ উচ্চ শিখৰত উপনীত হোৱা বুলি কৈ গৌৰৱবোধ কৰে। কিন্তু সভ্য মানৱৰ একাংশ লোকে যি অপৰাধমূলক কাৰ্য সম্পাদিত কৰি আহিছে সেই কাৰ্যই দৰাচলতে ইতৰ প্ৰাণীলৈকে পৰ্যবসিত কৰিছে। এনে কাৰ্যই মানুহ আৰু ইতৰ প্ৰাণীৰ মাজত বিশেষ পাৰ্থক্যৰ সৃষ্টি নকৰে।

অপৰাধ প্ৰৱণতা বৃদ্ধিৰ আঁৰত যিবোৰ কাৰণ দেখা পোৱা যায় সেইবোৰৰ ভিতৰত অন্যতম হ'ল— বিভিন্ন টিভি চেনেল, তদুপৰি ইণ্টাৰনেট, ফেচবুক আদিও অন্যতম কাৰক হিচাপে চিহ্নিত হৈছে। আজি-কালি কিছুমান টিভি চেনেলত অনবৰতে হত্যা, বলাৎকাৰ, অপহৰণ তথা আন বহুতো অপৰাধমূলক কাৰ্য সম্পাদনৰ উৎস সম্প্ৰচাৰিত হৈ থাকে। টিভি খুলিলেই যেতিয়া এনেধৰণৰ দৃশ্য চকুৰ আগত ভাহি উঠে, তেতিয়া কম বয়সীয়া ল'ৰা-ছোৱালীৰ মনত তাৰ প্ৰত্যক্ষ বা পৰোক্ষ দুয়োটা প্ৰভাৱেই পৰে। কাৰণ যিকোনো ঘটনা এটা যেতিয়া চকুৰ সন্মুখত অনবৰতে ভাহি উঠে তেতিয়া মস্তিস্কৰ কোনো এটা নহয় কোনো

এটা অংশই ইয়াক গ্ৰহণ কৰিবই। সেই সময়ত মহাত্মা গান্ধীয়ে কোৱা 'বেয়া কথা নক'বা, বেয়া নাচাবা, বেয়া কথা নুশুনিবা' কথাষাৰ মনত নপৰে। বোধ শক্তি নোহোৱা হয়। চকুৰ সন্মুখত ভাহি থাকে মাথোঁ এখন ধ্বংসাত্মক ছবি।

ৰাজনৈতিক উদ্দেশ্য তথা ষড়যন্ত্ৰও ইয়াৰ আন এক কাৰণ। স্থানীয় পৰ্যায়তে হওক অথবা ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তে হওক একাংশই অপৰাধমূলক জঘন্য ঘটনা সংঘটিত কৰি ৰাজনৈতিক মুনাফা লাভৰ চেষ্টা চলায়। কিছুমানে আকৌ এখন ৰাষ্ট্ৰত থাকি আন এখন ৰাষ্ট্ৰৰ হৈ অপৰাধ সংঘটিত কৰে। পাকিস্তানৰ দ্বাৰা প্ৰেৰিত 'কাছভ'ৰ দৰে সন্ত্ৰাসবাদীয়ে মুম্বাইৰ তাজ হোটেলত যি হত্যালীলা চলাইছিল সেয়া এনে ঘটনাৰে নিদৰ্শন। তদুপৰি ডাউদ ইব্ৰাহিম, ছোটা চাকিল আদিৰ দৰে কুখ্যাত অপৰাধীয়ে ভাৰতত বিভিন্ন সময়ত সন্ত্ৰাসবাদমূলক কাৰ্যকলাপ সংঘটিত কৰি আহিছে।

নিথাৰী হত্যাকাণ্ড, চাৰ্লছ শোভৰাজৰ বিষয়ে নজনা লোকৰ সংখ্যা খুব কমেই ওলাব। এওঁলোক বিখ্যাত ব্যক্তি বাবে যে সকলোৱে জানে তেনে নহয়, অপৰাধমূলক কাৰ্যকলাপৰ বাবেহে আজি সৰ্বত্ৰে চৰ্চিত। কিছুমানৰ আকৌ বয়স বৃদ্ধি লগে লগে অপৰাধপ্ৰৱণতাই গা কৰি উঠে।

# বন্ধ সংস্কৃতি বন্ধ কৰক

অসমত এতিয়া কথাই প্ৰতি বন্ধ। আজি যদি 'অসম বন্ধ', কাইলৈ 'অমুক জিলা বন্ধ, তমুক জিলা বন্ধ' ঘোষণা। কোনে বন্ধ ঘোষণা কৰিছে তালৈ কাৰো গুৰুত্ব নাই। কেৱল 'বন্ধ' শব্দটো শুনাৰ লগে লগে সকলো সাজু হয় বন্ধ পালন কৰিবলৈ। কোন দিনা বন্ধ, কিমান ঘণ্টীয়া বন্ধ ঘোষণা কৰিছে সেয়াও গুৰুত্ব নিদিয়ে। কেৱল বন্ধৰ বিষয়ে জানিলেই দিনটো বন্ধ হয়। বন্ধই কাৰ কিমান উপকাৰ কৰিছে সেই বিষয়ে ভাবিবলৈ কাৰো আহৰি নাই। অপকাৰ কিমান হৈছে সেয়া কোনোবাই ভাবি চাইছেনে?

এতিয়া অসম কিমান দিন খোল থাকে? মাহত আঠ-দহ দিন বন্ধ থাকে। কোনোবা দিনা নহয় কোনোবা দিনা অসম বন্ধ, মধ্য অসম বন্ধ, পূব অসম বন্ধ, পশ্চিম অসম বন্ধ, বিভিন্ন জিলা বন্ধ থাকেই। এমাহত যদি ইমান দিন বন্ধ থাকে, তেনেহ'লে খোলা থাকে কিমান দিন সেয়া সহজেই অনুমেয়। এমাহত চাৰিদিন ৰবিবাৰ, দুদিন শনিবাৰে চৰকাৰী কাৰ্যালয় আদি বন্ধ থাকে। তাৰ মাজতে উৎসৱ-পাৰ্বণৰ বন্ধ থাকেই। একেদৰে ব্যক্তিগত খণ্ডৰ উদ্যোগ, কোম্পানী, ব্যৱসায়িক কেন্দ্ৰও বন্ধ থাকে ইমান দিন। বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়ো বন্ধ হয় এই বন্ধ সংস্কৃতিৰ ফলত। আজিৰ নৱ প্ৰজন্ম কাইলৈৰ দেশৰ নাগৰিক বোলা কথাষাৰত কিন্তু ইয়াৰ প্ৰভাৱ পৰোক্ষভাৱে নপৰাকৈ নাথাকে। কাৰণ ছাত্ৰ-ছাত্ৰীৰ পঢ়া-শুনাত ব্যাঘাত জন্মাৰ ফলত দেশখন অপূৰণীয় ক্ষতিৰ সন্মুখীন হ'ব অদূৰ ভৱিষ্যতে বন্ধ সংস্কৃতিয়ে নৱ প্ৰজন্মক পংগু কৰিবলৈ ধৰিছে। নিজৰ ভৱিষ্যতক লৈ শংকিত হৈয়ে ইতিমধ্যে বহুতো ছাত্ৰ-ছাত্ৰীয়ে অসম এৰি নিৰাপদ দূৰত্বত অৱস্থান কৰিছে।

বন্ধৰ ফলত ৰাজ্য এখনৰ কিমান ক্ষতি হ'ব পাৰে সেয়া ভাবি চোৱাৰ সময় আহি পৰিছে। কাৰণ এই বন্ধৰ ফলত ৰাজ্যখনৰ উন্নয়নৰ গতি হৈ পৰিছে স্থবিৰ। আন ৰাজ্যৰ তুলনাত সকলো ক্ষেত্ৰতে অসম পিছ পৰি আছে। কাগজে-কলমে উন্নতি হোৱা দেখুৱালেও ইয়াৰ প্ৰকৃত ছবিখন দেখা পোৱা যায় গ্ৰামাঞ্চলত, অনগ্ৰসৰ অঞ্চলত।

বন্ধৰ জৰিয়তে আজিলৈকে কোনো জ্বলন্ত সমস্যাৰ সমাধান হৈছে জানো? যিকোনো সমস্যাৰে সমাধান আছে। পৃথিৱীত এনে কোনো সমস্যা নাই যাৰ কোনো সমাধান নাথাকে। কিন্তু সমস্যা সমাধানৰো কিছুমান বিশেষ পদ্ধতি আছে। যিসকল সংগঠনে আজিলৈকে যিমান বন্ধ দিছে তাৰ দ্বাৰা কিবা লাভ হৈছে নে নাই সেই বিষয়ে হিচাপ কৰিছে জানো? হিচাপ কৰিলে নিশ্চয় ইয়াৰ খতিয়ান দেখি বন্ধৰ আহ্বান নিদিলেহেঁতেন।

এতিয়া অসমত কেৱল বন্ধৰ প্ৰতিযোগিতা। বন্ধ সংস্কৃতিৰ প্ৰতিবাদ কৰিবলৈ গৈ একাংশ সংগঠনে আকৌ বন্ধৰ আহ্বান জনাইছে। ইয়াতকৈ আৰু হাস্যস্পদ বিষয় আৰু কিবা হ'ব পাৰে জানো? এটা কাম বেয়া বুলি কৈ সেই কামটো নকৰিবলৈ সকীয়াই দি নিজেই আন এটা বেয়া কাম কৰাটো যুক্তিসংগত জানো? নিশ্চয় নহয়। আনক বেয়া বুলি কোৱাৰ আগতে নিজেই ভাল কাম কৰি দেখুৱাব লাগিব। তদুপৰি সকলোৱে যদি বোকা চতিওৱা ৰাজনীতি খেলিয়েই থাকে তেন্তে লাভ অথবা লোকচান কাৰ হ'ব? সি যি নহওক, বন্ধই যে কাৰো উপকাৰ নকৰে সেয়া সকলোৱে স্বীকাৰ কৰিছে। ইতিমধ্যে কেৰালাত উচ্চ ন্যায়ালয়ে বন্ধ ঘোষণা নিষিদ্ধ বুলি ঘোষণা কৰিছিল। সম্প্ৰতি কেৰেলা আদি ৰাজ্যত বন্ধ কাচিৎহে হয়। ইয়াৰ বিপৰীতে অসমত এতিয়া কাচিৎহে খোলা থাকে।

এদিন বন্ধত ৰাজ্যখনৰ কিমান লোকচান হ'ব? পাঁচ-ছয় হেজাৰ কোটিৰো অধিক লোকচান হ'লে এমাহত কিমান লোকচান হ'ব সেয়া সহজেই অনুমেয়। গতিকে ৰাজ্যখনৰ অৰ্থনীতিত ইয়াৰ কিমান প্ৰভাৱ পৰিব সেয়া সকলো দল-সংগঠনে ভাবি চাওকচোন। পদপথত দোকান দি পৰিয়াল পোহপাল দিয়া লোকসকলৰ কথাও সকলোৱে ভবা উচিত। তদুপৰি দৈনিক হাজিৰা কৰি জীৱন নিৰ্বাহ কৰা লোকসকলৰ কথা আমি নাভাবিলে কোনে ভাবিব?

# গ্ৰন্থমেলা মানেই কিতাপ বিক্ৰী

গ্ৰন্থমেলা— চাৰিটা আখৰৰ সমষ্টি। এই চাৰিটা আখৰৰ আঁৰতে লুকাই থাকে বৌদ্ধিক সত্তাৰ সুৱাস। ইতিহাসে ঢুকি নোপোৱা দিনৰেপৰাই মানুহৰ মাজত গ্ৰন্থই সমাদৰ লাভ কৰি আহিছে। গুৰুকুলত গ্ৰন্থৰ প্ৰচলন নাছিল বাবে ছাত্ৰই একান্তমনে গুৰুৰ মুখৰপৰা নিগৰা শব্দৰাজি আয়ত্ত কৰিছিল। কালক্ৰমত এই শব্দবোৰ সাঁচিপাতত লিপিবদ্ধ হয়। কিন্তু জাৰ্মানীৰ গুটেনবাৰ্গত আধুনিক ছপাশাল আৱিষ্কাৰ হোৱাৰ লগে লগে ৰচিত হৈছিল এক নতুন ইতিহাস। তাৰ বিৱৰ্তনৰ ফল গ্ৰন্থমেলা। জ্ঞানপিপাসু লোকক এঠাইত জ্ঞানৰ টুকুৰাবোৰ বুটলিবলৈ সুযোগ দিয়াৰ স্থলী হ'ল গ্ৰন্থমেলা।

গ্ৰন্থ ক্ৰেতা-বিক্ৰেতা আৰু লাভালাভৰ বিষয় জড়িত হৈ থাকিলেও গ্ৰন্থমেলাই কিন্তু আমাক দিয়ে অন্য এক স্বাদ। গ্ৰন্থমেলাক লৈ বিতৰ্কৰ অন্ত নাই। একাংশ লোকে নিজৰ পছন্দৰ কিতাপখন এঠাইত বিচাৰি পাবলৈ গ্ৰন্থমেলা বিপণীয়ে বিপণীয়ে লৰা-ঢপৰা কৰি থাকে। কেতিয়াবা চকুৰ সন্মুখত এখন নিবিচৰা কিতাপ দেখিলেও কিছুমান বিষয়ক কেন্দ্ৰ কৰি ক্ৰয় কৰে গ্ৰন্থপ্ৰেমীয়ে। সেই কিতাপখনৰপৰা কিবা লাভ হ'ব নে নহয় সেই বিষয়ে কিন্তু প্ৰথমতে ভাবি নাচায়। অথচ তেনে কিতাপেই আকৌ পৰৱৰ্তী সময়ত বিশেষভাৱে সহায় কৰা

দেখা যায়। গ্ৰন্থমেলাত যদিও বিপণীত কেৱল কিতাপ কেইখনকে দেখো তথাপি এনে মেলাৰ জৰিয়তে লেখক, প্ৰকাশক, বিক্ৰেতা, অনুবাদক, ছপাশাল প্ৰতিষ্ঠান, গ্ৰাহক, আয়োজক আদিৰ সৌহাৰ্দ্যপূৰ্ণ পৰিৱেশৰ সমাহাৰ ঘটে। সাহিত্য সংস্কৃতিৰ লগতে শিক্ষা বিকাশৰ অন্যতম মাধ্যম হিচাপে আমি গ্ৰন্থমেলাক সদায় আগস্থানত ৰাখিব লাগিব। কিছুবছৰ আগলৈকে প্ৰায়ভাগ লোকে গ্ৰন্থমেলাক এক বাণিজ্যিক লাভালাভৰ দৃষ্টিভঙ্গীৰে চাইছিল। সেয়েহে বহুতে কেৱল বাণিজ্যিক দিশটোৰ ওপৰত গুৰুত্ব প্ৰদান কৰিয়ে গ্ৰন্থমেলালৈ যোৱা নাছিল। কিন্তু এতিয়া আৰু তেনে ধাৰণাৰ বশৱৰ্তী নহয় গ্ৰন্থপ্ৰেমী ৰাইজ। দহ-বাৰদিনীয়াকৈ চলা গ্ৰন্থমেলাত প্ৰথমটো দিনৰ পৰাই ভিৰ কৰেহি বহুতে গ্ৰন্থ ক্ৰয় নকৰিলেও অন্তত বিপণীত কি কি কিতাপ প্ৰকাশ পাইছে সেয়া এবাৰ হ'লেও চাবলৈ যায়। গ্ৰন্থমেলা এখনত ক্ৰেতাতকৈ যদি দৰ্শকৰ সংখ্যা বেছি হয় তেনেহ'লে পৰোক্ষভাৱে লাভান্বিত হয় লেখক আৰু প্ৰকাশক। কাৰণ বহুতে এখন কিতাপ দেখাৰ পিছত ক্ৰয় কৰিবলৈ ইচ্ছা প্ৰকাশ কৰে। সেইবাবে গ্ৰন্থমেলাক সৃষ্টিৰ অনাবিল উৎস হিচাপে আখ্যা দিয়া হয়।

এইখিনিতে মনত এটা প্ৰশ্নৰ উদয় হয়— দুখনমান গ্ৰন্থমেলাই পাঠক অথবা ক্ৰেতাৰ চাহিদা পূৰণ কৰিব পাৰে জানো? ৰাষ্ট্ৰীয় পৰ্যায়ৰ গ্ৰন্থমেলা এখনৰ আয়োজন কৰিবলৈ হ'লে এখন বৃহৎ বজাৰৰো প্ৰয়োজন। আনহাতে, একাংশ লোকৰ মতে গ্ৰন্থমেলাৰ আয়োজনৰ পাছতহে এখন ভাল বজাৰৰ সৃষ্টি হয়। যুক্তি যিয়েই যিমান নিদিয়ক কিয় দুয়োটাই ইটো-সিটোৰ পৰিপূৰক নহয়। দুয়োটা বিষয় এটা মুদ্ৰাৰ ইপিঠি-সিপিঠিৰ লেখীয়া। বৰ্তমান গুৱাহাটীত প্ৰত্যেক বছৰে দুখনকৈ গ্ৰন্থমেলা অনুষ্ঠিত হৈ আহিছে। আনহাতে, প্ৰায়ভাগ জিলাতেই এনে গ্ৰন্থমেলাৰ আয়োজন কৰিবলৈ লোৱাত এনেধৰণৰ গ্ৰন্থমেলা সম্পৰ্কে থকা ধাৰণাৰ সলনি হ'বলৈ ধৰিছে। ডিব্ৰুগড়, যোৰহাট, নগাঁও, বঙাইগাঁও, ধেমাজি, উত্তৰ লখিমপুৰ, বৰপেটাৰ বিভিন্ন ঠাইত কে'বাটাও সংগঠনৰ উদ্যোগত গ্ৰন্থমেলা অনুষ্ঠিত হয়। গতিকে এতিয়া ৰাজ্যখনৰ গ্ৰামাঞ্চলতো ইয়াৰ প্ৰসাৰ বৃদ্ধি পাইছে। এনে প্ৰসাৰৰ ফলত কিতাপ ক্ৰেতাৰ সংখ্যা বৃদ্ধি পাইছে।

# ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ নাটক আৰু দৰ্শক

অসমৰ নাট্যজগতলৈ ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ অৱদান লেখত ল'বলগীয়া। আশী দশকৰপৰা এইগৰাকী বিশিষ্ট সাহিত্যিক তথা নাট্যকাৰে ভ্ৰাম্যমাণ থিয়েটাৰৰ দৰ্শকক যিকেইখন নাটক উপহাৰ দিছে সেইকেইখনে সদায় দৰ্শকৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। বিশেষকৈ আৱাহন থিয়েটাৰৰ মঞ্চত এইগৰাকী সাহিত্যিক-নাট্যকাৰৰ যিকেইখন নাটক মঞ্চস্থ কৰা হৈছিল সেইকেইখন নাটকৰ প্ৰতিটো কাহিনী, সংলাপ, দৃশ্য, চৰিত্ৰ আজিও দৰ্শকৰ মনত সজীৱ হৈ আছে। ভৱিষ্যতেও ভ্ৰাম্যমাণৰ দৰ্শকৰ মনত সজীৱ হৈ থাকিব। এইগৰাকী সাহিত্যিক-নাট্যকাৰৰ সকলোবোৰ নাটক মঞ্চত সফল হৈছে।

ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ নাটকসমূহ অথবা চিনেমাসমূহে সৰ্শকৰ মনত সদায় সাঁচ বহুৱাবলৈ সক্ষম হৈছিল। ইয়াৰ মূলতে আছিল কাহিনী নিৰ্বাচন। সমাজত ঘটি থকা সৰু-সুৰা কাহিনী একোটিক লৈ তেওঁ নাটক ৰচনা কৰিছিল। ড° শইকীয়াৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ বাবে ৰচিত নাটকসমূহৰ ভিতৰত অন্যতম হ'ল— ৰম্যভূমি, নীলকণ্ঠ, মহাৰণ্য, দীনবন্ধু, পাণ্ডুলিপি, আম্ৰপালী, অৰণ্যত গধূলি, মণিকূট, গহ্বৰ, গধূলি, অমৃত, বৰ্ণমালা, বন্দীশাল, পৰমানন্দ, বিষকুম্ভ,

অন্ধকুপ, দিগম্বৰ, স্বৰ্ণজয়ন্তী, স্বৰ্গৰ দুৱাৰ, ৰামধেনু, শতাব্দী, সমুদ্ৰ মন্থন, বৃন্দাবন, জন্মভূমি, প্ৰতিবিম্ব, এজাক জোনাকীৰ জিলমিল আদি। এইগৰাকী নাট্যকাৰে বছৰত খুব বেছি ভ্ৰাম্যমাণ থিয়েটাৰৰ বাবে দুখনহে নাটক ৰচনা কৰিছিল। তথাপি দৰ্শকৰ মাজত বছৰৰ আটাইখিনি সময়ে চৰ্চাৰ কেন্দ্ৰবিন্দু আছিল। নাটকৰ প্ৰতিটো শব্দই যেন সমাজৰ কোনোবা নহয় কোনোবা এটা শ্ৰেণীলৈ কিবা বাৰ্তা বহন কৰিছে। তেওঁৰ নাটকৰ সবাতোকৈ উল্লেখযোগ্য দিশ হ'ল— নাটকৰ গতি কেতিয়াও পৰি যোৱা নাছিল। নাটকীয় বৈশিষ্ট্য অটুট ৰাখিয়েই নাটকৰ সংলাপ ৰচনা কৰিছিল বাবে প্ৰতিশাৰী বাক্যই দৰ্শকৰ অন্তৰ চুই গৈছিল।

ড° শইকীয়াইনো কিনো এনে সংলাপ ৰচনা কৰিছিল— যাৰ বাবে নাটকখন সকলোৰে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈছিল। এইগৰাকী সাহিত্যিক তথা নাট্যকাৰৰ সৃষ্টিৰ বাবে সকলোৰে অধীৰ আগ্ৰহেৰে বাট চাই আছিল। বছৰটোৰ বাবে কি নাটক ৰচনা কৰিছে তাক লৈয়ো চৰ্চা হৈছিল। এইগৰাকী নাট্যকাৰে দৰ্শকৰ মনৰ ভাষা বুজিব পাৰিছিল। দৰ্শকে কেনেধৰণৰ বিষয়বস্তু বিচাৰে অথবা কি সংলাপ দিলে দৰ্শকে সহজে গ্ৰহণ কৰিব সেই সম্পৰ্কে তেওঁ পূৰ্বানুমান কৰিব পাৰিছিল। দৰ্শকৰ ৰুচিবোধক লৈ তেওঁ সদায় সতৰ্ক আছিল। কোনখন নাটকত কোনটো চৰিত্ৰৰ মুখেদি কি সংলাপ দিব লাগে সেই বিষয়বোৰ নিৰ্বাচন কৰোতে সতৰ্কতা অৱলম্বন কৰা বাবে ড° শইকীয়াৰ নাটকে বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। অসমত কমসংখ্যক নাট্যকাৰেহে ড° শইকীয়াৰ দৰে কমসংখ্যক নাট্যসম্ভাৰেৰে দৰ্শকৰ মনত গভীৰ সাঁচ বহুৱাবলৈ সক্ষম হৈছে। নিজৰ ভাবতকৈ দৰ্শকৰ মনৰ কথা বুজি লৈ নাটক ৰচনা কৰা নাট্যকাৰসকলৰ ভিতৰত নিঃসন্দেহে ড° শইকীয়াক আগস্থান দিব লাগিব।

নাটক এখন দৰ্শকে গ্ৰহণ কৰিবলৈ যিবোৰ উপাদানৰ প্ৰয়োজন সেইবোৰৰ ভিতৰত অন্যতম হ'ল সংলাপ। সংলাপ নিৰ্বাচন কৰোতে যদি নাট্যকাৰে বিশেষ গুৰুত্ব নিদিয়ে তেনেহ'লে নাটকখনে গতি লাভ কৰিব নোৱাৰে। দৰ্শকৰ বাবে উপভোগ্যও নহয়। সেইবাবে ড° শইকীয়াই নাটক ৰচনা কৰোতে সদায় সংলাপ নিৰ্বাচনত গুৰুত্ব প্ৰদান কৰিছিল। সংলাপৰ শব্দৰ চয়নতো তেওঁ সমানেই গুৰুত্ব দিছিল। সেইবাবে যিকোনো অভিনেতা-অভিনেত্ৰীৰ মুখৰ পৰা সংলাপ নিগৰিলেই দৰ্শকৰ হাত চাপৰিৰ ৰোল উঠিছিল।

আগতে উল্লেখ কৰা হৈছে যে ড° শইকীয়াই নাটকৰ বিষয়বস্তু নিৰ্বাচনৰ কৰোতে সদায় গুৰুত্ব দিছিল। তেওঁৰ প্ৰায়ভাগেই হ'ল সামাজিক নাটক। অসমীয়া গ্ৰাম্য-চহৰীয়া সমাজখনত সচৰাচৰ ঘটি থকা সৰু-সুৰা ঘটনাকেই স্থান দিছিল নাটকত। 'নীলকণ্ঠ' নাটকখনত পাৰিবাৰিক সংঘাত সুন্দৰ ৰূপত দাঙি ধৰা হৈছে। এজন সহজ-সৰল ককায়েকে বহু কষ্ট কৰি ভায়েকক ডাঙৰ-দীঘল কৰে। কিন্তু চহৰলৈ চাকৰি কৰিবলৈ যোৱাৰ পাছত বিয়া-বাৰু কৰোৱাৰ লগে লগে ভায়েকহঁতৰ চৰিত্ৰও সলনি হ'ল। পিতৃ-মাতৃৰ অসুখৰ সময়ত নীলকণ্ঠই শুশ্ৰূষা কৰিছিল। তথাপি চহৰত থকা ভ্ৰাতৃকেইজনে খবৰ ল'বলৈ নাহিল। কিন্তু মাতৃৰ মৃত্যুৰ খবৰ শুনাৰ লগে লগে ঘৰত উপস্থিত হৈ শ্ৰাদ্ধ কৰে। সেই সময়তো ভ্ৰাতৃয়ে মাতৃৰ সকাম কৰিবলৈ ধন উলিয়াই দিবলৈ ঘৈণীয়েকহঁতৰ অনুমতি ল'বলগীয়া হৈছিল। কিন্তু নীলকণ্ঠই সেইবোৰ গ্ৰহণ নকৰিলে। দুখে পিছ নেৰা নীলকণ্ঠই ৰাধা নামৰ ছোৱালীজনীক বিয়া কৰোৱাৰ পিছত সুখেৰেই সংসাৰ চলিছিল। কিন্তু গৰ্ভৱতী ৰাধাই এদিন পিছল খাই পৰি যোৱাৰ পিছতেই নীলকণ্ঠৰ সকলো হিচাপৰ খেলি-মেলি হৈ যায়। নাটখনৰ প্ৰতিটো সংলাপেই দৰ্শকৰ বাবে আকৰ্ষণীয় আছিল যদিও পত্নী ৰাধাৰ মৃত্যুৰ সময়ত মৃতদেহৰ ওচৰত বহি নীলকণ্ঠৰ মুখৰ পৰা নিগৰা সংলাপটো আছিল শ্ৰেষ্ঠ সংলাপ— 'সকলো কষ্ট তল পেলাই দিবলৈ তোমাৰ সুখৰ দিন আহিল ৰাধা। ইমান দিনৰ পিছত আহিল; কিন্তু কেনেকৈ আহিল দেখিলা? যেতিয়াৰপৰাই তোমাক লগ পোৱাৰ কথা মনত পৰে তেতিয়া তোমাক তই তই বুলি মাতিছিলো নহয়? কথাই কথাই ধমকি দিছিলো। তেতিয়াৰ পৰাই তোৰ কষ্ট। কি কৈছিলো— কাইলৈ, পৰহিলৈ বুলি কথা দিব নোৱাৰো, যাম দে এদিন। শেষত এদিন সঁচাকৈয়ে আহিলো। তোক সুখ দিবলৈ আহিলো। মাক সুখ দিব আহিলো। মোৰ ভাইটোৰ লগত তোৰ বিয়াখন ময়েই ভাঙিছিলো, সেই অপৰাধৰ প্ৰায়শ্চিত্ত কৰাতো মোৰ কৰ্তব্য আছিল। কিন্তু মই এইবোৰ নকৰা হ'লেতো আজি তোৰ ইমান সুখ নহয়। শুদ্ধ কাম কৰিছো বুলি কামবোৰ কৰি যাওঁ; কিন্তু মোৰ সকলো কামেই ইমান ভুল হ'ব লাগেনে? ৰাধা! সেইদিনা তোৰ হাত চাই কৈছিলো— তই পত্নী হ'বি, কেতিয়াও বুঢ়ী নহ'বি, সেই ধেমালি ইমান সঁচা হ'ল? ইমান সঁচা হ'ল। এইবোৰ ধেমালি কৰা কাৰণে তই বেয়া নাপাবি। মই তোক বেয়া পোৱা নাছিলো; কিন্তু

যেতিয়া ভাল পাবলৈ মাতি আনিছিলো তেতিয়াৰ পৰা বৰ ভাল পাইছিলো। গোটেই জীৱনৰ ভুলবোৰ গলাই গলাই মৰম কৰি গঢ়ি লৈছিলো, তোৰ কাৰণে। তাকেই বিশ্বাস কৰি তই যা গৈ। তোৰ লগত দেখিবলৈ কেঁচুৱাৰ নিচিনা— মৰমৰ টোপোলা এটা, পুতলা এটা পঠিয়াইছো। ভালকৈ ৰাখিবি।'

'পাণ্ডুলিপি' নাটখনত পিতৃৰ অপকৰ্মৰ চেকা পুত্ৰৰ ওপৰত জাপি দিবলৈ মাতৃয়ে চেষ্টা কৰা ঘটনা প্ৰতিফলিত হৈছিল। পত্নী, সন্তানৰ অনুপস্থিতিত এজন আদবয়সীয়া লোকে এগৰাকী বনকৰা ছোৱালীৰ স'তে শাৰীৰিক সম্পৰ্ক গঢ়ি তুলিছিল। এনে বোজা কোনে ল'ব? পত্নীয়ে স্বামীৰ চেকা আঁতৰ কৰিবলৈ পুত্ৰৰ ওপৰত অপবাদ জাপি দিছিল। কিন্তু অনুশোচনাত দগ্ধ আদবয়সীয়া লোকজনে এদিন আত্মহত্যা কৰিবলৈ বাধ্য হৈছিল। ইয়াৰ মাজতে পুত্ৰৰ মানসিক সংঘাত কেনে হ'ব পাৰে সেয়াও প্ৰতিফলিত হৈছে উক্ত নাটকখনত। পতি-পত্নী হিচাপে এখন বিছনাত থকাৰ পিছতো তেওঁৰ জ্যেষ্ঠ পুত্ৰ পৰিমল আৰু বিভাৰ মনত নাই শান্তি। ইজনে-সিজনৰ উপস্থিতিপৰ্যন্ত সহ্য কৰিব নোৱাৰা হ'ল। আনকি বিবাহ বিচ্ছেদৰ প্ৰস্তাৱো দিয়ে পত্নী বিভাই। সেয়েহে এদিন পৰিমলক উদ্দেশ্যি পত্নীয়ে কোৱা সংলাপখিনি আজিও কাণত বাজি থাকে। পৰিমলে এদিন তেওঁৰ অশান্তিৰ কাৰণ সোধোতে বিভাই টপৰাই উত্তৰ দিলে— 'শান্তি পোৱা নাই। মোৰ কিছুমান পছন্দ-অপছন্দৰ কথা আছে নহয়? চিধা কথা—মই তোমাক ভাল পাব পৰা নাই। সকলো মানুহে সকলো মানুহক ভাল পাব নোৱাৰে। কাৰোবাৰ কাৰণে তুমি নিশ্চয় বৰ ভাল লগা মানুহ; কিন্তু পৰিমল, তুমি বেয়া নাপাবা— মই তোমাক কিয় ক'ব নোৱাৰো, ইমান দিন একেলগে থাকিও ভাল পাব নোৱাৰিলো। মই চেষ্টা কৰি চাইছিলো, কিন্তু নোৱাৰিলো। এতিয়া অৱস্থাটো কেনেকুৱা হৈছে জানা? মানুহটোক ভাল নলগাৰ কাৰণে যে তেওঁৰ সৰু-সুৰা প্ৰত্যেকটো কথাই ভাল নলগা হয় এতিয়া তেনেকুৱা হৈছে। তোমাৰ মাতটো মোৰ বেয়া লগা হৈছে; তোমাৰ খোজটো মোৰ বেয়া লগা হৈছে, তোমাৰ গাৰ গোন্ধটো মোৰ বেয়া লগা হৈছে— তুমি যে ভাত চোবাই থাকা— সেই দৃশ্যটো মোৰ বেয়া লগা হৈছে— তুমি যে শুই থাকা সেই ভংগীটো মোৰ বৰ বেয়া লগা হৈছে— মানে বেয়া লাগিলে যে চব বেয়া লগা হৈ আহে— তেনেকুৱা হৈ আহিছে। মই ইচ্ছা কৰি একো কৰা নাই— কিন্তু আপোনা-আপুনি হৈ আহিছে।'

স্বাধীনতাৰ পূৰ্বে এখন হাবিত এখন গাঁৱৰ জন্ম। এই গাঁওখনক লৈয়ে আগবাঢ়িছে 'ৰম্যভূমি' নাটকখনৰ কাহিনী। নগৰলৈ সেই গাঁওখনৰ উত্তৰণৰ পটভূমিত এজন লোকৰ বৈধ-অবৈধ পৰিয়ালৰ মাজত হোৱা পৰিচয় আৰু সম্পত্তিৰ অধিকাৰৰ সংঘাতক কেন্দ্ৰ কৰি দৰ্শকৰ বাবে মনোগ্ৰাহী কৰা হৈছে 'ৰম্যভূমি'। স্বাধীনতা আন্দোলনৰ সংগ্ৰামী, মহাযুদ্ধৰ ঠিকাদাৰ, তেওঁলোকৰ জীৱন আৰু আদৰ্শই সৃষ্টি কৰা জটিল পৰিস্থিতিয়ে সুবিশাল পটভূমি নিৰ্মাণ কৰিছে। দৰাচলতে এই পটভূমিতে সৃষ্টি হোৱা ব্যক্তি সংঘাতে নাটখন সৰল পথৰ পৰা এক একা-বেঁকা পথলৈ আগুৱাই নিছে। 'ৰম্যভূমি' নাটখনৰ যি দুটা প্ৰধান চৰিত্ৰৰ কথা উল্লেখ কৰা হৈছে সেই দুটা চৰিত্ৰৰ এটাৰ মতে আনটো হ'ল দোষী। কিন্তু কোনোও কাৰো কথা মানিবলৈ আগ্ৰহী নহয়। প্ৰত্যক্ষভাৱে কোনো গুণবা দোষৰ প্ৰতিফলন নঘটোৱাকৈয়ে চৰিত্ৰসমূহ সুন্দৰভাৱে ৰূপায়ণ কৰা হৈছে। সংঘাত আৰু সংকটৰ অন্ত পেলাই এদিন দুয়ো পক্ষই সকলো সামৰি গাঁওখন এৰি যাবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছিল। তথাপি সেই ক্ষেত্ৰত নাছিল কোনো জয়-পৰাজয়ৰ হিচাপ-নিকাচ। কোনোবাই যদি জয় বুলি ভাবিছিল আনজনে আকৌ পৰাজয় বুলি মানি লোৱাৰ পৰিৱৰ্তে ইয়াক জীৱন চক্ৰৰ অংশ বুলিয়ে ভাবিছিল। নাটখনৰ সবাতোকৈ গুৰুত্বপূৰ্ণ দিশ হ'ল ইয়াৰ সংলাপ নাট্যকাৰ ড° শইকীয়াই নাটখনত সঘনাই নাটকীয় পৰিৱেশত ঘটনাপ্ৰবাহ আগুৱাই নিছে আৱেগিকভাৱে সমৃদ্ধ সংলাপেৰে। ঘনশ্যাম চৌধুৰী, লক্ষেশ্বৰ দাস, বীৰেশ্বৰ দাস, অনন্ত, হৰিশংকৰ, মনোৰঞ্জন দাস, অকণ চৌধুৰী, মহানন্দ চৌধুৰী, ৰমা চৌধুৰী, অতুল ৰায়, দাৰোগা, ৰামেশ্বৰ, যোগমায়া চৌধুৰী, অঞ্জলি চৌধুৰী, ৰাধা চৌধুৰী, গৌৰী দাস, পাৰ্বতী চৌধুৰী, তৰা দাসৰ চৰিত্ৰকেইটিয়ে নাটখন দৰ্শকৰ বাবে অধিক আকৰ্ষণীয় কৰি তুলিছে। নাটখনৰ সকলোবোৰ সংলাপেই শ্ৰেষ্ঠ যদিও শেষৰ ফালে অকণৰ মুখৰ পৰা ওলোৱা সংলাপটোৱে সকলোৰে মনত গভীৰ সাঁচ বহুৱাইছে। অনুশোচনাত দগ্ধ অকণে ক'লে— এতিয়া আৰু ফাইনেল কৰিবলৈ একো বাকী নাই। বৰ তুচ্ছ কথাৰ মাজত সোমাই বহুত সৰু কাম কৰিলো। ভাল কামখিনিও কলংকৰ নিচিনা হৈ পৰিল। এতিয়া মোৰ বৰ লাজ লাগে। মাৰ কাৰণেহে ইমানবোৰ কাম কৰিছিলো। কিন্তু এইবিলাক কৰিলে যে মাৰ অপকাৰ হ'ব, সেইটো বুজা নাছিলো। এই তুচ্ছ কথাবোৰ সকলোৰে

মনৰ পৰা আঁতৰি যাব, মাই সিমানেই সুখ পাব। মই মাকো লৈ যাম বুলি কোৱাৰ লগে লগে মাই বৰ ভাল পাইছে। চন্দন নগৰৰ আশ্ৰমখনত— ঠিক আশ্ৰম নহয়, স্কুল-কলেজ, হস্পিতাল বহুত কিবা-কিবি আছে, মায়ে থাকি ভাল পাব। ময়ো বহুত কাম কৰিব পাৰিম।

আনহাতে, 'স্বৰ্ণজয়ন্তী' নাটখনৰ বিষয়বস্তুও আছিল এগৰাকী জ্যেষ্ঠ ভাতৃৰ বিষাদগাৰ। জ্যেষ্ঠ ভাতৃ-ভগ্নীৰ মৰম-চেনেহৰ বাবে জীৱনৰ সকলোখিনি জলাঞ্জলি দি ডাঙৰ মানুহ কৰে। সকলোৱে ঘৰ-সংসাৰ পাতি দিলে ভাতৃয়ে। কিন্তু এইজন লোকৰ কথা পৰিয়ালৰ কোনো এগৰাকী সদস্যই নাভাবিলে। এই নাটখনত পৰিমল চৰিত্ৰটোৰদ্বাৰা তুচ্ছ আৰু সাময়িক দুৰ্ঘটনাৰ পৰা উদ্ধাৰ হৈ মানুহে কেনেদৰে ওপৰলৈ বগাই যোৱাৰ বাট বিচাৰি পায় তাৰেই প্ৰকাশ কৰিছে 'স্বণজয়ন্তী'ত। নাটখনৰ মুখ্য চৰিত্ৰ পৰিমলৰ মুখেৰে নাট্যকাৰ ড° শইকীয়াই নিজৰ বিদ্ৰোহী আৰু দৃঢ় মনৰ কথা প্ৰকাশ কৰিছে। আত্মীয়-স্বজনৰ দ্বাৰা কেনেদৰে প্ৰতাৰিত হয় তাৰ প্ৰকাশ ঘটিছে। আনহাতে এই চৰিত্ৰটোৰ মুখেদি যিবোৰ সংলাপ নিগৰাইছে সেয়া সঁচাকৈয়ে মৰ্মস্পৰ্শী। নাটখনৰ শেষৰ ফালে ক্ৰমাৎ বিদ্ৰোহী হৈ পৰা পৰিমলৰ মনৰ পৰা ওলাই আহিছে ক্ষোভ, ঘৃণা— এবাৰলৈও তোমালোকৰ কোনোবাই সুধিছানে— সেই ঘৰটোত মোৰ ৰূম কোনটো? মই জানিছিলো— তোমালোকৰ চিন্তা আছিল ঘৰটোৰ কাৰণে, মোৰ ৰূমটোৰ কাৰণে তোমালোকৰ চিন্তা নাছিল। কিন্তু তেতিয়াৰ পৰা আজিলৈকে— মোৰ এই ৫০ বছৰ বয়সলৈকে তোমালোকে মোৰ ৰূমটোৰ কাৰণে কেতিয়াও নাভাবিলা— মই কল্পনাই কৰা নাছিলো। পাৰিলাহেঁতেন? মই দহ বছৰ ঘৰ ধৰা হ'লে তোমালোকৰ কোন মোৰ নিচিনা হ'ব পাৰিলাহেঁতেন? কিহৰ জোৰত পাৰিলাহেঁতেন? থাৰ্ড ডিভিজনত মেট্ৰিক পাছ কৰা চাৰ্টিফিকেটৰ জোৰত? আই. এ ফেইল কৰা চাৰ্টিফিকেটৰ জোৰত? মিছা কথা। নোৱাৰিলাহেঁতেন। কিন্তু সেইষাৰ মন্ত্ৰ মাতি মাতিয়েই তোমোলেকে মোক শুহিলা।

ঠিক আছে। তেজৰ গ্ৰুপ মিলিছিল কাৰণেই মই ইমান দিন তেজ দি আছিলো বুলি ধৰি লোৱা। এতিয়া থকাখিনি তেজ মোক নিজকে লাগে। সেইখিনিও কম নহয়। বহুত। এতিয়াও মোৰ বহুত আছে। এতিয়া তোমালোকে মোৰ খেল চাই থাকিবা। মানুহৰ জীৱন বোলে চল্লিশ বছৰত আৰম্ভ হয়, মোৰ জীৱন পঞ্চাশ

বছৰ আৰম্ভ হ'ব। ককায়েকহঁতে পৰিমলক পৰিৱৰ্তন হোৱা বুলি কোৱা কথাত ক্ষুণ্ণ হৈ বিদ্ৰোহী মনটোৱে পৰিমলৰ পঞ্চাশ বছৰীয়া জন্ম জয়ন্তীত কৈছিল— হয় নেকি? কেনেকুৱা সলনি? চুলি পকিছে, মোৰ বয়স কিমান হ'ল জান? তোমালোকৰ কাৰোবাৰ হিচাপ আছেনে মোৰ বয়স কিমান হ'ল? আছে ডাঙৰ দাদা? সৰু দাদা? মোৰ মনত আছে। আজি মোৰ জন্ম দিন। আজি মোৰ বয়স পূৰা পঞ্চাশ বছৰ হ'ল। অৱশ্যে পঞ্চাশ বছৰ বয়সত বহুতৰে চুলি নপকে। মোৰ কিন্তু পকিল। বয়সতকৈ মই বেছি বুঢ়া হ'লো। তাৰ বাহিৰে মোৰ আৰু কি সলনি হ'ল। ...... তহঁতৰো জানো কম পৰিৱৰ্তন হৈছে? মনত আছে সৰু দাদা, এবাৰ যে তুমি মোৰ লগত আছিলাহি— সাদিনত এনেকুৱা সাতটা বটল তোমাক কিনি দিছিলো। মই কিন্তু নুচুইছিলোৱেই। আজি তুমি গিলাছটোৰ ফালে হাতেই মেলা নাই। এইটো কম ডাঙৰ পৰিৱৰ্তননে?

এখন গাঁৰৰ এগৰাকী যুৱতীক এজন পুলিচ কনিষ্টবলে ধৰ্ষণ কৰা ঘটনাকে বিষয়বস্তু হিচাপে লৈ ৰচনা কৰিছে 'গধূলি'। নাটখনত দোষীক শাস্তি প্ৰদানৰ পৰিৱৰ্তে আত্মোপলব্ধি আৰু মানসিক উত্তৰণত গুৰুত্ব প্ৰদান কৰাত ইয়াৰ এটা ইতিবাচক বিষয় ফুটি উঠিছে। নিজৰ ভুল ভঙাৰ পিছত নবীনে যেতিয়া পুনৰ অমলাৰ ওচৰলৈ আহিব খুজিছিল তেতিয়া অমলাৰ প্ৰতিবাদী কণ্ঠস্বৰ শুনা গৈছিল এনেদৰে— হ'বই নোৱাৰে। মোৰ আৰু তেনেকুৱা কোনো সম্পৰ্কৰ— অন্তত এইজন মানুহৰ লগত— দৰ্কাৰ নাই (নবীনক) কিয় এতিয়া আকৌ মোৰ ওচৰলৈ আহিব খুজিছা? দুৰ্লভৰ মোৰ লগত একো সম্পৰ্ক হোৱা নাছিল বুলি জানিলা কেনেকৈ? কোনো লাভ লাই। আজি ইমান দিনে এটাৰ সলনি পঞ্চাশটা দুৰ্লভৰ লগত মোৰ সম্পৰ্ক হৈ গৈছে। যোৱা। তোমাৰ নিচিনা মানুহৰ লগত সম্পৰ্ক কৰাতকৈ মই ভগীৰথ খুৰাই ঠিক কৰি দিয়া সেই টাউনৰ ঘৰটোত থাকি স্ফূৰ্তি কৰিম। সেয়া বহুত ভাল। এই কুসুমে যেনেকৈ ভুৱনৰ 'ভ'-টো শুনিলেও নাক কোঁচায়, ময়ো তেনেকৈ তোমাৰ ছাঁটোৰ কথা মনত পৰিলেও গা ধুম। যোৱা। মোৰ চকুৰ আগৰ পৰা আঁতৰি যোৱা গুৱাহাটীৰ ঘৰটোৰ ওপৰ মহলাটো সম্পূৰ্ণ কৰাগৈ তাৰ পিছত ওপৰ মহলাত থকা উপযোগী মানুহ যোগাৰ কৰি লোৱাগৈ। মই এই মাটিকে লেটি লৈ থাকিম। কিন্তু উইয়ে যেনেকৈ ভেটিৰ তলে তলে ডাঙৰ ডাঙৰ ঘৰো খান্দে, মই তেনেকৈ তোমাৰ গোটেই জীৱনটো

খান্দি পেলাম চাবা। মই কেঁচুৰ নিচিনাকৈ জীয়াই নাথাকো। সৌ পাছ চোতালত দিয়া চব লেকচাৰ মই তোমাকে ওভোতাই দিম। তোমাৰ নিচিনা এশটা নেতা মোৰ চোতালৰ পৰা আঁতৰি যোৱাৰ তুলনাত, দুৰ্লভ চিপাহীৰ নিচিনা বদনামী মানুহ এটা ওচৰ চাপি অহাটো বহুত লাভৰ কথা।

ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ জনপ্ৰিয় নাটক হ'ল 'দীনবন্ধ'। এই নাটকখনত সমাজত চলি থকা কিছুমান ৰীতি-নীতিৰ আত ধৰি পোখা মেলা কিছুমান সমস্যাৰ বিৰুদ্ধে ধৰ্মকান্তৰ বিৰূপ মন্তব্যৰ বিপৰীতে দীনবন্ধু হ'ল বিদ্ৰোহী আত্মাই প্ৰৱেশ কৰা এটি শৰীৰৰ প্ৰতীক। সামাজিক বাধ্যবাধকতাৰ হেঁচাত কোঙা দীনবন্ধুৰ বিদ্বেষী হৈ পৰা মনত এশ এবুৰি সমস্যাৰ সমাধান বিচাৰি হাবাথুৰি খাইছে। দীনবন্ধুৰ তথাপি মনত অদ্যম শক্তি। বিদ্ৰোহী চৰিত্ৰটোৰ মনৰ কথা প্ৰকাশ পাইছে এনেদৰে— 'বহু ভুল কৰি এটা সম্পূৰ্ণ জীৱন খৰচ কৰি তাৰ বিনিময়ত মই তিলতিলকৈ উপলব্ধি কৰিলো— তোমালোক-তোমালোক এহাল মানুহে সংসাৰ পাতিবা। কোনেও তোমালোকক সংসাৰ পাতি নিদিয়ে। সেই কাৰণে কাৰো কাৰণে এটা ফুটা-কড়িও খৰচ নকৰিবা। এদিন যদি মই তোমালোকৰ ঘৰ ওলাওঁগৈ, তোমালোকে যদি ধাৰ নকৰা পইচাৰে মোক এটা ৰসগোল্লা খুৱাব পাৰা তেনেহ'লে ঠিক বুজিবা, সেই ৰসগোল্লাৰ সোৱাদৰ নিচিনা সোৱাদ কোনো ৰসগোল্লাৰ নাই। কাৰো আশীৰ্বাদৰ কোনো মূল্য নাই। তোমালোকৰ বাহিৰে আশীৰ্বাদ দিবলৈ মোৰ আৰু কোনো নাই, কিন্তু অচলতে মোৰ আশীৰ্বাদৰো কোনো মূল্য নাই। একমাত্ৰ মূল্য আছে তোমালোক দুটাৰ ইটোৰে-সিটোক দিয়া আশীৰ্বাদৰ। সেই আশীৰ্বাদৰ যেন ঘাটি নপৰে.......।' এইগৰাকী দীনবন্ধুৱে এদিন আকৌ দুৰ্বল মনেৰে কৈছিল— আচলতে মই হাৰিলো বুজিছ। এসময়ত ভাবিছিলো— জেদ, দম্ভ, অহংকাৰ এইবোৰ মোৰ নিজৰ সম্পত্তি। এইবোৰ নাথাকিলে মানুহ দুৰ্বল হয়। কিন্তু মোৰ নিচিনা মানুহৰ গাত এইবোৰ বস্তুৱেই শোভা নাপায়। তাইৰ— ৰাণীৰ মৰমৰ সন্মান ৰক্ষা কৰিবলৈ মই বলিয়া হৈ গৈছিলো; কিন্তু তেতিয়া তোৰ কথা মই পাহৰি যাব নালাগিছিল। মই এতিয়া ইমান খালী হৈ গ'লো। তোক মই পঠিয়াওঁ কেনেকৈ?

মানুহৰ মনটোক নিজৰ বাহিৰে আনে বুজাব নোৱাৰে। সেইবাবে কেতিয়াবা এনে কিছুমান সিদ্ধান্ত গ্ৰহণ কৰে যিয়ে জীৱনত ধুমুহাৰ সৃষ্টি কৰে। কেৱল

সেয়াই নহয় জীৱনটো কণ্টকময় কৰি তোলে। দীনবন্ধুৰ সেই অৱস্থাটোৰ কথা উপলব্ধি কৰিয়েই ধৰ্মৰ মুখেদি এদিন আপোনা-আপুনি ওলাইছিল এই সংলাপ। এই সংলাপটোৰ আঁৰতে লুকাই আছে দীনবন্ধুৰ জীৱনৰ ঘাত-প্ৰতিঘাত আৰু হঠকাৰি সিদ্ধান্ত কথা— মানুহটোৰ জেদ হৈছিল। আমি ইমান ক'লো— আমাৰ কথা নুশুনিলে। কিছুমান কাম আমাক লুকুৱায়ো কৰিলে। বৰ ডাঙৰকৈ বিয়া পাতিলে। কিন্তু তাৰ পিছত আৰু কি লুকুৱাব? বিয়াৰ ৰভাইনো কেইদিন ৰ'দ-বৰষুণৰ পৰা চোতালখন ৰক্ষা কৰে? কথাটো তেনেকুৱাই। এবাৰ যে ৰভাখন আঁতৰিল তাৰ পিছত ৰ'দৰ প্ৰকোপেই চাব নে ধুমুহা-বৰষুণৰ প্ৰকোপেই চাব। প্ৰভিডেণ্ট ফাণ্ড, গ্ৰেচুইটিৰ যিমান টকা কোনোবা এদিন পাব, সেই সকলোখিনি মাৰ যোৱাকৈ ধাৰ কৰিলে। মই নিজেই ধাৰলৈ আনি দিছো দহ হাজাৰ টকা। মনে নসহিলে। নহ'লে মানুহটো কাবুলিৰ ওচৰলৈ গ'লহেঁতেন। তাৰ পিছত মানুহটোৱে শপত খাইছে— জীয়েক-জোঁৱায়েকৰ পইচাৰে হেনো তামোল এখনো নাখায়। সৰু ছোৱালীজনীক বিয়া বুলি দিয়া কাপোৰ দুযোৰ যদি আজি ফাটে, কাইলৈ তাইৰ ওলাবলৈ কাপোৰ নোহোৱা হ'ব। অলপ দিনৰ আগতে বিপুলে চাকৰি এটা পাইছে। কেতিয়াবা সি মনে মনে সৰু ছোৱালীজনীৰ হাতত অলপ পইচা দিয়ে। বাপেকক গান গাই পোৱা পইচা বুলি কৈ তাই তাৰে ৰুটী কিনে, চাহপাত কিনে। এতিয়াতো সিহঁতৰো বিয়াৰ বয়স হ'ল। সিহঁতে ভুলতো মানুহটোৰ আগত সেইবোৰ কথা নুলিয়ায়। কিন্তু মানুহটোৱে নভবাকৈ আছেনে?

ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ নাটক বুলি ক'লে দৰ্শকসকলৰ হেতা-ওপৰা লাগে। অন্ততঃ ভ্ৰাম্যমাণ থিয়েটাৰৰ মঞ্চত এখন ভাল নাট উপভোগ কৰিব পাৰিব বুলি আশা কৰে। দৰ্শকক কোনোদিনে আশাহত কৰা নাছিল ড° ভবেন্দ্ৰ নাথ শইকীয়াই। সেয়েহে দৰ্শকেও নাট উপভোগ কৰি প্ৰেক্ষাগৃহৰপৰা ওলায়েই আলোচনা কৰিছিল— এখন ভাল নাটক উপভোগ কৰিলো বুলি।

# সমন্বয়ৰ বাৰ্তাবহনকাৰী হয়গ্ৰীৱ মাধৱ মন্দিৰ

পঞ্চতীৰ্থ হাজোৰ অন্যতম হ'ল হয়গ্ৰীৱ মাধৱ মন্দিৰ। বছৰৰ সকলো সময়তে ভক্তৰে ভৰি থাকে এই ঐতিহাসিক মন্দিৰটো। অঞ্চলবাসীৰ বাবে হয়গ্ৰীৱ মন্দিৰ গৌৰৱৰ অন্যতম কাৰণ। কামৰূপ গ্ৰাম্য জিলাত থকা এই মন্দিৰটোৱে বহুতো ইতিহাসৰ কথা কয়। কেৱল অঞ্চলটোৰ ৰাইজৰেই নহয়, নামনি অসমৰ প্ৰায়ভাগ ভক্তই এই মন্দিৰটো দৰ্শন কৰিবলৈ আগ্ৰহী। কাৰণ এই মন্দিৰটোলৈ সেৱা কৰিবলৈ অহা মানে বহুতো পুণ্য অৰ্জন হয় বুলি জনবিশ্বাস। অতীতৰে পৰা পঞ্চতীৰ্থ হাজোৰ আছে এক সুকীয়া পৰিচয়। শান্তিপ্ৰিয় অঞ্চলটোৰ ৰাইজে সদায় ভ্ৰাতৃত্ববোধৰ চানেকি দাঙি ধৰি আহিছে। যিসময়ত সমগ্ৰ বিশ্বতে ধৰ্মৰ ওপৰত ভিত্তি কৰি বা কেন্দ্ৰ কৰি সংঘাতৰ সৃষ্টি হ'বলৈ ধৰিছে সেই সময়তো কিন্তু হাজোত উলিওৱা হৈছে শান্তি-সম্প্ৰীতিৰ মন্ত্ৰৰে সমদল। সকলো ধৰ্মৰ লোকেই অংশগ্ৰহণ কৰিছে এই শোভাযাত্ৰাত। কাৰণ অঞ্চলবাসীয়ে সদায় একগোট হৈ থাকিব বিচাৰে।

হয়গ্ৰীৱ মন্দিৰটো প্ৰধানতঃ হিন্দুসকলৰ উপাসনাৰ স্থল হিচাপে পৰিচিত। কিন্তু এই মন্দিৰটোলৈ গ'লে দেখা যায় যে আন ধৰ্মাৱলম্বী লোকৰ উপস্থিতিও কম নহয়। মাঘ-ফাগুন মাহত বিৰ-দি-বাট নোপোৱা অৱস্থা হয়। সকলোৱে পুণ্য অৰ্জনৰ বাবে উপস্থিত হয়। প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যৰ মাজত স্থাপিত মন্দিৰটোৰ আন্তঃগাঁথনিয়ে কয় ইয়াৰ ঐতিহ্যৰ কথা। মন্দিৰটোৰ চাৰিওফালে গছ-গছনি। পাহাৰৰ বুকুত অৱস্থিত মন্দিৰটোৰ আৰম্ভণি পিছে সমতলৰ পৰাই। ইয়াত থকা পুখুৰীটোৱেই হ'ল মন্দিৰৰ প্ৰৱেশৰ আৰম্ভণি। পুখুৰীটোত কোনেও মাছ-কাছ নামাৰে। ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰাই পুখুৰীটোত মাছ ধৰা নিষেধ। এই পুখুৰীটো স্থানীয় লোকসকলৰ সহযোগত মন্দিৰ পৰিচালনা কৰ্তৃপক্ষই সংৰক্ষণ কৰি আহিছে বাবে ইয়াত থকা মাছ-কাছ আদি সকলো প্ৰাণীয়েই

নিৰাপদ। এই ঐতিহাসিক পুখুৰীটোৰ মাছ-কাছ খালে পাপ হ'ব আৰু সেইবাবে অপায়-অমংগল হয় বুলি আজিও বিশ্বাস কৰে ৰাইজে। এই ঠাইখিনিৰ অন্যতম বৈশিষ্ট্য হ'ল স্থানীয় বাসিন্দাসকল প্ৰকৃতিপ্ৰেমী। সেইবাবে পাহাৰৰ ক্ষয়-ক্ষতি নোহোৱাকৈ আছে। গছ-গছনি কাটিবলৈও সকলোৱে সাহস নকৰে। মাজে সময়ে দুষ্কৃতিকাৰীয়ে গছ-গছনি কাটে যদিও স্থানীয় ৰাইজ সচেতন হোৱা বাবে দুষ্কৃতিকাৰীয়ে খোপনি পুতিবলৈ সক্ষম হোৱা নাই। যি সময়ত ৰাজ্যখনৰ বিভিন্ন ঠাইত পাহাৰ কাটি, বননিৰ ধ্বংসযজ্ঞ চলাই আছে সেই সময়তো হাজোৰ ৰাইজে এই মন্দিৰটোৰ লগতে আন চাৰিখন তীৰ্থস্থানকো সুৰক্ষা প্ৰদান কৰি আছে। সঁচাকৈয়ে এয়া এক প্ৰশংসনীয় পদক্ষেপ। সেইবাবে বহুতেই এবাৰ পঞ্চতীৰ্থ নগৰীলৈ আহিলে পাঁচোখন তীৰ্থই পৰিভ্ৰমণ কৰে।

হয়গ্ৰীৱ মাধৱ মন্দিৰ, কেদাৰ, কামেশ্বৰ, কমলেশ্বৰ আৰু শ্ৰীগণেশ মন্দিৰৰ একে স্থানতে ওচৰা-উচৰিকৈ স্থাপন কৰাৰ আঁৰতো আছে বহুতো কাহিনী। এনেদৰে একেটা স্থানতে ইমান মন্দিৰ স্থাপন হোৱাটো অঞ্চলবাসীৰ বাবে গৌৰৱৰ কাৰণ নহৈ নোৱাৰে। প্ৰমত্ত সিংহই নিৰ্মাণ কৰা হয়গ্ৰীৱ মাধৱ মন্দিৰৰ প্ৰতিটো ধূলিকণাতে লুকাই আছে ইতিহাস। এই ইতিহাসৰ পৃষ্ঠা আমি সকলোৱে লুটিয়াই চোৱা উচিত। কাৰণ ইয়াৰ পৰাই উদ্ধাৰ হ'ব অসমৰ বহুতো গৌৰৱ কাহিনী। পুৰাতত্ত্ব বিভাগে চোৱা-চিতা কৰা মন্দিৰটোৰ ইতিহাস প্ৰকাশ পাইছে যদিও আৰু বহুতো সমল এতিয়াও অপ্ৰকাশিত হৈয়ে আছে।

হয়গ্ৰীৱ মাধৱ মন্দিৰৰ আছে এক সুকীয়া পৰিচয়। এই মন্দিৰৰ ওচৰতে অনুষ্ঠিত হয় বুলবুলি চৰাইৰ যুঁজ। এইবাৰ ঐতিহাসিক যুঁজখন অনুষ্ঠিত নহ'ল যদিও অঞ্চলবাসীৰ এই যুঁজক লৈ ব্যস্ততাৰ অন্ত নাই। প্ৰমত্ত সিংহৰ দিনত আৰম্ভ হোৱা এই বুলবুলি চৰাইৰ যুঁজক লৈ ৰচিত হৈছে বহুতো কাহিনী। এই যুঁজখন চাবলৈ দূৰ-দূৰণিৰ পৰা দৰ্শকৰ লানি নিছিগা সোঁত বৈ আহিছে। ন্যায়ালয়ে এনে ধৰণৰ যুঁজ বন্ধ কৰাত অঞ্চলবাসীয়ে ন্যায়ালয়ৰ নিৰ্দেশক সন্মান জনাই বুলবুলি খেল অনুষ্ঠিত নকৰিলেও খেদ নাই। কাৰণ যিমান দিনলৈ হয়গ্ৰীৱ মাধৱ মন্দিৰ থাকিব সিমান দিনলৈ বুলবুলি চৰাইৰ যুঁজখনো ইতিহাসৰ পৃষ্ঠাত সোণালী আখৰেৰে লিখা থাকিব। পৰ্যটনৰ কেন্দ্ৰস্থল হিচাপে পৰিগণিত হোৱা হয়গ্ৰীৱ মাধৱ মন্দিৰ সদায় জাকত জিলিকা হৈ থাকিব ই নিশ্চিত।

# বৰপেটাৰ হোলী
# উৎসৱ আৰু পৰম্পৰা

বৰপেটাৰ হোলী উৎসৱৰ আছে এক সুকীয়া মাত্রা। পৰম্পৰাগতভাৱে উদ্‌যাপিত হৈ অহা বৰপেটাৰ হোলী উৎসৱ বুলি ক'লে আনন্দৰ অন্ত নাই। কাৰণ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত এই উৎসৱ পালন কৰিলেও বৰপেটাৰ হোলীত পোৱা যায় এক স্বকীয় বৈশিষ্ট্য। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ দিনৰে পৰা বৰপেটাত এই উৎসৱ পালন কৰি অহা হৈছে বুলি জনবিশ্বাস। বৰপেটা জিলাত পালন কৰা হোলীক স্থানীয়ভাৱে 'দেউল' বুলিহে বেছিকৈ চৰ্চিত। ভাৰতৰ বিভিন্ন ৰাজ্যৰ পৰা এই সময়ত দৰ্শনাৰ্থীৰ ভিৰ হয় বৰপেটাত। অতীজৰে পৰাই বৰপেটালৈ দৰ্শনাথী হিচাপে অহা লোকসকলক আদৰি লোৱা দেখা যায়। কাৰণ এই বৃহত্তৰ অঞ্চলটোৰ লোকসকল অতিথিপৰায়ণ। বৰপেটা সত্ৰই এই ছবিখন স্পষ্ট ৰূপত দাঙি ধৰে। এই সত্ৰখন স্থাপন হোৱাৰ দিনৰে পৰাই ইয়াত আছে অক্ষয় ভাণ্ডাৰ বা ভঁৰাল। অক্ষয় বন্তিয়ে সত্ৰখনক দিছে এক সুকীয়া পৰিচয়।

দেউলৰ প্ৰথম দিনটোক কোৱা হয় 'গোন্ধ'। প্ৰথম দিনা কীৰ্তনঘৰৰ পাছ দুৱাৰেদি গোসাঁইক উলিয়াই নি নাম-কীৰ্তন কৰা হয়। পৰম্পৰাগতভাৱে গোসাঁইক প্ৰথমতে মঠৰ চোতালত বৰ শৰাইত ৰখা হয়। গোন্ধৰ দিনা সত্ৰৰ আগফালৰ চোতালত বা টুপৰ চোতালত নল-খাগৰিৰে সজা হয় মেজি। এই মেজিত অগ্নি সংযোগ কৰাৰ সময়ত আয়তীৰ উৰুলি, মাংগলিক গীত, ঢুলীয়া-খুলীয়াৰ বাদ্য-বাদনে অনুষ্ঠানটোক দিয়ে এক সুকীয়া পৰিচয়। সমান্তৰালভাৱে সত্ৰ চৌহদত প্ৰদৰ্শন কৰা হয় আতচবাজী। জিলাখনত প্ৰস্তুত কৰা আতচবাজীৰ আছে এক সুকীয়া বৈশিষ্ট্য। বৰপেটাৰ আতচবাজীৰ স'তে ফেৰা মাৰিব পৰা উদ্যোগ উত্তৰ-পূৰ্বাঞ্চলৰ আন ৰাজ্যত নাই। গোন্ধৰ দিনা মেজিৰ ছাইৰে ভকতে কপালত তিলক পিন্ধে। মেজিৰ চাৰিওফালে সাতবাৰ ঘূৰি পাছত গোসাঁইৰ বিগ্ৰহ জগমোহন ঘৰৰ বৰ শৰাইত ৰখা হয়। দৌলৰ সময়ছোৱাত সত্ৰৰ প্ৰায়ভাগ কাৰ্য জগমোহনৰ গৃহতে সম্পাদিত হয়। পাছত নিয়মমতে পুনৰ গোসাঁইক জগমোহনৰ

ঘৰৰ পৰা দৌলৰ ওচৰলৈ নিয়া হয়। দৌলৰ মঠৰ চাৰিওফালে চাৰিডাল পূৰঠ ভলুকা বাঁহ থিয় কৰায়। ইয়াৰ ওপৰত থাকে চন্দ্ৰতাপ। দেউলৰ আন্তিম দিনটো 'সুৱেৰী' বুলি কয়। অন্তিম দিনটোতেই ৰাইজে ফাকু খেলে। চৌদিশ ফাকুৰ ৰঙেৰে আকাশ ৰঙীন হৈ পৰে। সকলোৰে ফাকু খেলাৰ আনন্দত মতলীয়া হয়। এই আনন্দৰ মাজতে সকলোৱে গায়—

ফাগু খেলে কৰুণাময়, এ নন্দ কুমাৰ
দেৱৰ দুৰ্লভ কেলি ফাগুৰ বিহাৰ।।
ফাগু পৰি শ্যাম তদু কৰে তিৰি-মিৰি
ৰবিৰ কিৰণে যেন মৰকত গিৰি।।

পুনৰ গায়—

ৰংগে ফাগু খেলে চৈতন্য বনমালী।
দুই হাতে ফাগুৰ গুৰা সিঞ্চন্ত মুৰাৰি।।

দৌল উৎসৱ সম্পৰ্কে আমাৰ সমাজতো বহুতো আখ্যান পোৱা যায়। পণ্ডিতসকলৰ মতে প্ৰথমতে ফাকুৱা আৰ্যসকলৰ উৎসৱ আছিল। পৰৱৰ্তী সময়ত এই উৎসৱ ভগৱান শ্ৰীকৃষ্ণৰ স'তে জড়িত হৈ পৰে। শ্ৰীকৃষ্ণই গোপীসকলৰ স'তে ফাকু খেলি নাচি-বাগি আনন্দ কৰিছিল। আন এক জনশ্ৰুতি মতে, হিৰণ্যকশিপুৰ ভগ্নী হোলিকাৰ নামৰ পৰাই হোলী উৎসৱৰ সৃষ্টি হৈছে। হিৰণ্যকশিপুৰ ভগ্নী হোলিকা আছিল শিৱৰ বৰপ্ৰাপ্ত। হোলিকা দাহ্য নহয় বুলি শিৱৰ বৰ লাভ কৰিছিল বাবে প্ৰহ্লাদক পুৰি মাৰিবলৈ ভাতৃৰ নিৰ্দেশ মতে এদিন শিশু প্ৰহ্লাদক কোলাত লৈ অগ্নিকুণ্ডত প্ৰৱেশ কৰিছিল। কিন্তু হোলিকা ভস্মীভূত হোৱাৰ বিপৰীতে প্ৰহ্লাদৰ প্ৰাণ ৰক্ষা পৰিছিল। আন এক জনশ্ৰুতি মতে, ফল্গু নামৰ এজন মহাপ্ৰতাপী দৈত্যই স্বৰ্গ, মৰ্ত্য, পাতালত আধিপত্য বিস্তাৰ কৰি দেৱতাসকলক নানা অত্যাচাৰ কৰিছিল। দেৱতাসকলে ফল্গু দৈত্যৰ অত্যাচাৰৰ পৰা পৰিত্ৰাণ পাবলৈ বিষ্ণুৰ শৰণাপন্ন হয়। বিষ্ণুৱে ফল্গু নিধনৰ বাবে যুদ্ধ কৰে। বিষ্ণুৰ হাতত ফল্গুৰ মৃত্যু হোৱাত আনন্দতে দেৱতাসকলে ফাগু গুড়ি খেলিছিল। আন এক জনবিশ্বাস মতে এই উৎসৱ প্ৰথমতে বৈকুণ্ঠত অনুষ্ঠিত হৈছিল। পাছত ইন্দ্ৰ আদি দেৱতাসকলে প্ৰাৰ্থনা কৰি এই উৎসৱ দেৱলোকলৈ আনে। পাছত নহুষ ৰজাৰ বংশধৰসকলে মৰ্ত্যলৈ আনি উৎসৱ অনুষ্ঠিত কৰে।

# কিয় জনপ্ৰিয় আছিল আদ্য শৰ্মা

বিখ্যাত ব্যক্তি হ'লেও সকলোৰে মাজত জনপ্ৰিয় নহ'বও পাৰে কিছুমানে নিজৰ সৃষ্টিশীলতাৰ মাজেদি বিখ্যাত হৈ পৰে। জনসমাজৰ পৰা আঁতৰি থাকি অৰ্থাৎ অকলশৰীয়া জীৱন এটা কটায়ো শিল্প-সাহিত্য সৃষ্টিৰে বিখ্যাত হৈ পৰা লোকৰ তালিকাখনো কম নহ'ব। কিন্তু জনপ্ৰিয় ব্যক্তিসকলে নিজৰ সৃষ্টিৰ লগতে মানুহৰ হৃদয়ো জয় কৰে। আনক আকৰ্ষণ কৰিব পৰাটো এগৰাকী ব্যক্তিৰ ব্যতিক্ৰমী গুণ। কিছুমান মানুহক এবাৰ লগ পালে কোনোকালেই সেইগৰাকী ব্যক্তিক পাহৰিব নোৱাৰি। নিজৰ সৃষ্টিৰাজিক লৈ কোনোদিনে গৰ্ব নকৰা শিল্পীগৰাকীৰ সৃষ্টিশীলতাক লৈ আনে যেতিয়া গৰ্ব কৰে তেতিয়া তেওঁ হৈ পৰে সকলোৰে বাবে আপোন শিল্পী। আপোন মানুহ। এনে এগৰাকী ব্যক্তি আছিল আদ্য শৰ্মা। এইগৰাকী সহজ-সৰল অথচ উদাৰ মনৰ শিল্পীয়ে সকলোৰে হৃদয়ত স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। তেওঁ এটা লাস-বিলাসী জীৱন কটাব পাৰিলেহেঁতেন কিন্তু এনে জীৱনৰ প্ৰতি শিল্পীগৰাকীৰ মোহ নাছিল। সাধাৰণভাৱে জীৱন-যাপন কৰি, মানুহৰ মাজত থাকি ভাল পাইছিল। নলবাৰীলৈ যদি কোনো এজন লোক ফুৰিবলৈ আহে তেনেহ'লে আদ্য শৰ্মাৰ নামটো এবাৰ হ'লেও নুশুনাকৈ নাথাকে। চিৰকুমাৰ হৈও বিশ্বখনকে আপোন ঘৰ কৰি লৈছিল আদ্য শৰ্মাই।

মহান শিল্পী হৈয়ো কোনোদিনে তেওঁৰ সৃষ্টিৰাজিক লৈ গৰ্ব কৰা নাছিল। বৰং নতুন নতুন সৃষ্টিক লৈ সদাব্যস্ত হৈ আছিল। পুৱা উঠাৰে পৰা নিশা শোৱালৈকে ৰং-তুলিকাৰে কেনভাছত ছবি আঁকিয়ে মানুহৰ বাবে সৃষ্টিৰ জয়গান গাইছিল। ভ্ৰাম্যমাণ থিয়েটাৰৰ মঞ্চত শিল্পীগৰাকীৰ শিল্পকৰ্মই কৌতূহলৰ সৃষ্টি

কৰিছিল। দৰ্শকৰ বাবে আছিল ই কেৱল চিন্তা-ভাবনাৰ উৎস। কেনেকৈ মঞ্চত অসম্ভৱকো সম্ভৱ কৰিব পাৰিছিল আদ্য শৰ্মাই তাক লৈ সদায় চৰ্চা হৈ আহিছিল। এখন শুকান মঞ্চক প্ৰাণৱন্ত কৰিব পৰা শক্তি আছিল শিল্পীগৰাকীৰ। তেওঁ মানুহৰ মনৰ কথা বুজি পাইছিল। মানুহক ভাল পাইছিল। আনকো ভাল পাবলৈ শিকাইছিল। মানুহৰ জীৱনৰ সুখ-দুখ, আশা-আকাংক্ষা, প্ৰেম-ভালপোৱা, বিষাদ-বেদনা সকলোবোৰেই তেওঁৰ কেনভাছত জীৱন্ত হৈ ফুটি উঠিছিল। সমাজ জীৱনৰ প্ৰতিটো সমস্যাকেই আদ্য শৰ্মাই সজীৱ ৰূপত প্ৰকট কৰিব পাৰিছিল বাবেই সকলোৰে অন্তৰ জয় কৰিছিল।

নলবাৰীৰ ৰাসৰ আছে এক সুকীয়া স্থান। এই ৰাসক অধিক জীৱন্ত কৰি তুলিছিল আদ্য শৰ্মাই। লক্ষ লক্ষ দৰ্শনাৰ্থীয়ে যেতিয়া ৰাসথলীত ভিৰ কৰেহি তেতিয়া সকলোৰে মাজত চৰ্চা হয় মৃণ্ময় মূৰ্তিসমূহৰ লগতে চিত্ৰসমূহৰ মূৰ্তিসমূহ ৰখা সৰু সৰু গৃহত তেওঁ যিবোৰ চিত্ৰ অংকন কৰিছিল সেইবোৰে মূৰ্তিসমূহৰ অধিক জীৱন্ত কৰি তুলিছিল। কেৱল উত্তৰ-পূৰ্বাঞ্চলৰ লোকৰ বাবেই নহয়, দেশৰ বিভিন্ন প্ৰান্তৰ পৰা নলবাৰীৰ ৰাসলৈ অহা লোকসকলৰ চৰ্দাৰ কেন্দ্ৰবিন্দু হ'লেও 'গুৰুজী' আদ্য শৰ্মাই কোনোদিনে অহমিকতাক প্ৰশ্ৰয় দিয়া নাছিল। তদুপৰি তেওঁ প্ৰচাৰৰ পৰিৱৰ্তে সৃষ্টিতহে গুৰুত্ব দিছিল। প্ৰচাৰ, পুৰস্কাৰ, বঁটা লাভৰ বাবে তেওঁ সৃষ্টি কৰা নাছিল। মাটিৰ মানুহ আছিল জীৱনশিল্পীগৰাকী।

শিল্পীগৰাকীৰ ওচৰলৈ গ'লে সকলোৱে এক প্ৰশান্তি অনুভৱ কৰিছিল। শান্তঃ সৌম্য মুখাবয়বত সদায় সৃষ্টিৰ ছবিখনেই ফুটি উঠিছিল। কোনোবাই কিবা পৰামৰ্শ বিচাৰি গ'লেই সকলো কাম কাটি কৰি থৈ সমস্যা সমাধানৰ বাট উলিয়াই দিছিল। সেইবাবে সকলোৱে তেওঁক 'গুৰু'ৰূপে জ্ঞান কৰিছিল।

তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰিবলৈ সদায় শিক্ষাৰ্থীৰ ভিৰ আছিল। এইগৰাকী মহান শিল্পীৰ পৰা চিত্ৰকলাৰ জ্ঞান আহৰণ কৰিবলৈ সুযোগ পোৱাসকলে নিজকে সৌভাগ্যৱান বুলি ভাবে। কেৱল শিক্ষাৰ্থীসকলে নহয়, অভিভাৱকসকলেও গৰ্ব অনুভৱ কৰিছিল যে নিজৰ সন্তানে এনে এগৰাকী মহান শিল্পীৰ তত্ত্বাৱধানত চিত্ৰকলাৰ শিক্ষা গ্ৰহণৰ সুযোগ লাভ কৰাৰ বাবে। তেওঁ আছিল সকলোৰে হৃদয়ত। হৃদয়ত স্থান লাভ কৰা ব্যক্তিয়েহে জনপ্ৰিয় হ'ব পাৰে।

# আঁতৰি গ'ল এগৰাকী শিল্পী

অসমৰ নাট্য-চলচ্চিত্ৰ জগত শূন্য কৰি আমাৰ মাজৰ পৰা নীৰৱে গুচি গ'ল 'গোবৰ্ধন' খ্যাত ইন্দ্ৰ বণিয়া। ত্ৰিশ দশক পূৰ্বে ৰেডিঅ'ত দেওবৰীয়া আঢ়ৈ বজাৰ অনুষ্ঠানত 'গোবৰ্ধন' নাটকখন প্ৰচাৰিত হৈছিল। তেতিয়া সকলোৰে ৰেডিঅ'টোৰ ওচৰতে বহি আধা ঘণ্টা সময় নিঃশব্দে শুনিছিল 'গোবৰ্ধন' নাটকখন। এই নাটকখন ৰেডিঅ'ত প্ৰচাৰিত সৰ্বাধিক জনপ্ৰিয় নাটকৰ তালিকাত শীৰ্ষস্থান থাকিব। আজিও সেই বিশেষ চৰিত্ৰটোৰ কথা চৰ্চা হয়। অজলা চৰিত্ৰটো ইন্দ্ৰ বনিয়াই ইমান নিখুঁতভাৱে ফুটাই তোলা বাবে শ্ৰোতাৰ হৃদয়ত গভীৰভাৱে স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। সেইজন গোবৰ্ধনে আমাক সকলোকে শোক সাগৰত এৰি থৈ এই পৃথিৱীৰ পৰা মেলানি মাগিলে। মানুহৰ মৃত্যু অনিবাৰ্য। কোনোবা দুদিন আগত, হয়তো আন এজন দুদিন পাছত যাব। তথাপি ইমান সোনকালে অসমৰ সাংস্কৃতিক জগতখন শুদা কৰি যাব বুলি ভবা নাছিলো। দীৰ্ঘদিন ধৰি শয্যাগত হৈ চিকিৎসাধীন হোৱাৰ সময়ত এটা কথাই মনত বাৰে বাৰে খুন্দিয়াইছিল— ইমান সহজ-সৰল মনৰ জনপ্ৰিয় ব্যক্তিগৰাকী সোনকালে এই পৃথিৱী এৰি যাব পাৰে জানো? আন্তৰ্জাতিক পৰ্যায়ত বঁটা অৰ্জনৰ পাছতো এইগৰাকী অভিনেতাই তেনেই সাধাৰণভাৱে জীৱন-যাপন কৰিছিল। এটা পবিত্ৰ মনেৰে সকলোৰে মাজত সোমাই পৰিছিল। সকলোকে সমভাৱেই ব্যৱহাৰ

কৰিছিল। নৱাগত শিল্পী তথা অভিনেতা-অভিনেত্ৰীসকলক নজনাখিনি মৰমেৰে শিকাই বুজাই দিছিল। কোনো কথাতে তেওঁ খং কৰা নাছিল। হাস্য বদনে সকলো কথা সৰলভাৱে বুজাই দিয়া বাবে নৱাগত অভিনেতা-অভিনেত্ৰীসকলৰ বাবে তেওঁ আছিল আদৰ্শ পুৰুষ। সকলো কথাতে ইন্দ্ৰ বণিয়াই আগভাগ লৈ ভাল পাইছিল। প্ৰতিটো কামতে সকলোকে উৎসাহিত কৰি ভাল পোৱা অভিনেতাগৰাকীৰ মৃত্যুৰ লগে লগে অসমবাসীয়ে হেৰুৱালে এক অমূল্য সম্পদ।

ইন্দ্ৰ বণিয়া সঁচা অৰ্থত আছিল এগৰাকী নিখুঁত অভিনেতা। অভিনয়ক আত্মা হিচাপে গণ্য কৰা অভিনেতাগৰাকীয়ে জীৱনৰ অন্তিম মুহূৰ্তলৈ চলাই থকা ঘটনাৰাজিয়ে সেই কথাৰে প্ৰমাণ কৰে। এগৰাকী সুনিপুণ অভিনেতাৰ বাবে যিবোৰ গুণৰ প্ৰয়োজন সেই আটাইবোৰেই আছিল ইন্দ্ৰ বণিয়াৰ গাত। তেওঁৰ অভিনয় জগতখনত এক সুকীয়া স্থান লাভৰ মূলতে আছিল চৰিত্ৰৰ স'তে একাত্ম হৈ পৰা। অভিনয় হ'লেও যেতিয়া চৰিত্ৰৰ মাজত নিজে সম্পূৰ্ণৰূপে সোমাই পৰিব পাৰে তেতিয়া ই বাস্তৱ যেন অনুভৱ হয়। দৰাচলতে অভিনয় আৰু বাস্তৱৰ মাজত যেতিয়া এজন অভিনেতাই সামঞ্জস্য ৰাখিব পাৰে তেতিয়াই তেওঁ অভিনেতা হিচাপে সাফল্য অৰ্জন কৰিব পাৰে। তদুপৰি অভিনয়ৰ জীৱনৰ সকলো সময় অতিবাহিত কৰা লোকৰ সংখ্যা বেছি নহ'ব। আন সকলো কাম বাদ দি অভিনয় জগতখনত অনবৰতে লাগি থকা লোক আছিল ইন্দ্ৰ বণিয়া। লখিমপুৰ জিলাৰ ধলপুৰৰ পৰা অহা এইগৰাকী অভিনেতাই পৰৱৰ্তী সময়ত অসমীয়া দৰ্শকৰ চৰ্চাৰ কেন্দ্ৰ বিন্দু আছিল। তেওঁ যিকোনো সময়তে অভিনয়ৰ বাবে সাজু হৈ আছিল যদিও মনঃপুত চৰিত্ৰ নাপালে কাকো অভিনয় কৰিম বুলি প্ৰতিশ্ৰুতি দিয়া নাছিল। কাৰণ চৰিত্ৰটো ৰূপায়ণ কৰাৰ আগতে ভালদৰে অধ্যয়ন কৰি লৈছিল। ইয়াৰ জ্বলন্ত উদাহৰণ 'হালধীয়া চৰায়ে বাওধান খায়'। এই ছবিখনত এজন খেতিয়কৰ ৰূপত অভিনয় কৰি দৰ্শকৰ মনত গভীৰ সাঁচ বহুৱাইছিল। 'গোবৰ্ধন' নাটকত 'গোবৰ'ৰ চৰিত্ৰটো কোনে পাহৰিব পাৰিব?

এইগৰাকী বিশিষ্ট অভিনেতা আজি আমাৰ মাজত নাই। তথাপি তেওঁৰ আদৰ্শ সকলোৰে বাবে চিৰস্মৰণীয় হৈ ৰ'ব। বয়সৰ জোখেৰে নহয় অভিনয়েৰেহে জুখিব লাগিব ইন্দ্ৰ বণিয়াক।

# নীৰৱে গুচি গ'ল বিদ্যুৎ চক্ৰৱৰ্তী

ৰঙালী বিহুৰ ধামখুমীয়াৰ মাজতে আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে গুচি গ'ল বিদ্যুৎ চক্ৰৱৰ্তী। চকুযুৰি দেখিলেই যিকোনো মানুহে এবাৰ হ'লেও যিগৰাকী অভিনেতা, চলচ্চিত্ৰ পৰিচালক বিদ্যুৎ চক্ৰৱৰ্তীক পাহৰিব পৰা নাছিল, তেওঁ অকালতে আমাৰ মাজৰ পৰা বিদায় মাগিলে। জীৱনৰ ৫৫ টা বসন্তই গৰকা বিদ্যুৎ চক্ৰৱৰ্তীয়ে ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অসমলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। কমসংখ্যক ছবি নিৰ্মাণ কৰিলেও তেওঁ সেইকেইখন ছবিৰেই অসম মাতৃৰ নাম উজলাবলৈ সক্ষম হৈছিল।

গুৱাহাটীৰ মাজ মজিয়াত জন্মগ্ৰহণ কৰিলেও তেওঁৰ সম্পৰ্ক পিছে গাঁৱৰ মানুহখিনিৰ লগতহে আছিল। তাৰ প্ৰমাণ পোৱা যায় ছবি নিৰ্মাণৰ সময়ত। সকলো পৰিৱেশতে তৎক্ষণাতে মিলিব পৰা গুণ আছিল। তেওঁ গ্ৰামাঞ্চলৰ বিশেষকৈ নৱজাত অভিনেতা-অভিনেত্ৰীসকলক বেছি ভালদৰে অভিনয়, ছবি নিৰ্মাণ সম্পৰ্কে শিকাই খুব আনন্দ লাভ কৰিছিল। সেইবাবে বিদ্যুৎ চক্ৰৱৰ্তী য'লৈকে যায় তাতেই নৱাগত অভিনেতা-অভিনেত্ৰীসকলৰ ভিৰ হৈছিল। নজনা কথাতো তেওঁ নৱাগতসকলক সুন্দৰভাৱে বুজাই দিছিল। এই গৰাকী অভিনেতা, পৰিচালকৰ চলচ্চিত্ৰ কেইখনত ইয়াৰ প্ৰতিফলন দেখা যায়। অসমৰ ছবিজগতত কমসংখ্যক পৰিচালক তথা অভিনেতা আছে যিয়ে কেইখনমান ছবি নিৰ্মাণ কৰি দৰ্শকৰ মাজত বিপুল জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে। এওঁলোকৰ

ভিতৰত অন্যতম হ'ল বিদ্যুৎ চক্ৰৱৰ্তী। ১৯৯৬ত 'ৰাগ-বিৰাগ' ছবিৰ জৰিয়তে পূৰ্ণ দৈৰ্ঘ্যৰ পৰিচালকৰূপে আত্মপ্ৰকাশ কৰাৰ পূৰ্বে ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত পৰিচালক ড° ভবেন্দ্ৰ নাথ শইকীয়া, পুলক গগৈৰ সহযোগী পৰিচালকৰূপে কাম কৰাৰ সুযোগ লাভ কৰিছিল। ১৯৮৫ত তেওঁ নাট্যকাৰ অৰুণ শৰ্মাৰ 'কুকুৰনেছীয়া মানুহ' নামৰ নাটকখনিক টেলিফিল্মৰ ৰূপ দিছিল। দূৰদৰ্শন কেন্দ্ৰই প্ৰযোজনা কৰা টেলিফিল্মখনে দৰ্শকৰ পৰা বিপুল সমাদৰ লাভ কৰিছিল। সেই টেলিফিল্মখনৰ কথা আজিও দৰ্শকে চৰ্চা কৰে। পৰৱৰ্তী সময়ত দূৰদৰ্শন কেন্দ্ৰ গুৱাহাটী আৰু পিপিচি (এন-ই)ৰ প্ৰযোজনাত তেওঁ কেবাখনো ধাৰাবাহিকৰ কাম কৰে। তেওঁৰ 'ৰাগ-বিৰাগ' ছবিখন ১৯৯৭ত তিৰুৱনন্তপুৰমত অনুষ্ঠিত ভাৰতৰ আন্তঃৰাষ্ট্ৰীয় মহোৎসৱত ভাৰতীয় পেনোৰামা শাখাৰ উদ্বোধনী ছবি হিচাপে প্ৰদৰ্শিত হৈছিল। ছবিখনে ৰাষ্ট্ৰীয় পৰ্যায়ত তিনিটা বঁটা লাভ কৰিবলৈ সক্ষম হোৱাৰ পাছতে চক্ৰৱতীক লৈ চৰ্চাও হয়। ছবিখন পৰিচালকৰ শ্ৰেষ্ঠ প্ৰথম ছবিৰ শাখাত ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বঁটা, শ্ৰেষ্ঠ চিত্ৰ গ্ৰহণ (মৃণালকান্তি দাস) আৰু শ্ৰেষ্ঠ সম্পাদক (এ শ্ৰীকৰ প্ৰসাদ)ৰ বঁটা লাভ কৰি অসমলৈ সুনাম অৰ্জন কঢ়িয়াই আনিবলৈ সক্ষম হয়। ইপিনে, ১৯৯৮ত অসম চৰকাৰে প্ৰৱৰ্তন কৰা 'ৰাজ্যিক চলচ্চিত্ৰ বঁটা'তো ছবিখনে নটাকৈ পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়। প্ৰথমখন ছবিৰ সফলতাৰ পাছত দ্বিতীয়খন ছবি 'নিষিদ্ধ নদী'য়ে কলকাতা আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰলৈ নিৰ্বাচিত হোৱাৰ লগতে ২০০০ বৰ্যত পাঁচটা ৰাজ্যিক চলচ্চিত্ৰ বঁটা লাভ কৰিবলৈ সক্ষম হয়। তৃতীয়খন ছবি 'গুণ গুণ গানে গানে' বাণিজ্যিক ভাবে সফল আছিল। ২০০৫ত চতুৰ্থখন ছবি 'অনুৰাগ' মুক্তি পোৱাৰ পাছতে পুনৰ চৰ্চালৈ আহে। বিদ্যুৎ চক্ৰৱৰ্তীৰ অন্তিমখন ছবি 'দুৱাৰ' ২০১৩ৰ প্ৰথম ফিল্মফেয়াৰ বঁটা, শ্ৰেষ্ঠ অসমীয়া ছবিৰ লগতে শ্ৰেষ্ঠ অভিনেতা-অভিনেত্ৰীৰ পুৰস্কাৰো লাভ কৰিবলৈ সক্ষম হয়। উক্ত ছবিখন ৰাজ্যিক চলচ্চিত্ৰ মহোৎসৱতো শ্ৰেষ্ঠ পৰিচালককে ধৰি তিনিটা বঁটা লাভ কৰে।

বিদ্যুৎ চক্ৰুৱৰ্তী অনাতাঁৰ আৰু মঞ্চজগতৰো এগৰাকী সফল অভিনেতা আছিল। তেওঁ অভিনয় কৰা কেইখনমান উল্লেখযোগ্য নাটক হ'ল 'মৃত্যুঞ্জয়', 'ভয়', 'অন্তৰংগ আলাপ'। তদুপৰি 'কোলাহল', 'গ্ৰহণ', 'প্ৰভাতী পখীৰ গান' 'হলধৰ', 'ধুনীয়া তিৰোতাবোৰ' আদি ছবিতো সুন্দৰ অভিনয় কৰিছিল।

# ভ্ৰাম্যমাণৰ এগৰাকী অক্লান্ত সৈনিক

ভ্ৰাম্যমাণৰ থিয়েটাৰৰ নিৰলস সাধকগৰাকী হ'ল কৃষ্ণ ৰয়। অসমত ভ্ৰাম্যমাণ থিয়েটাৰক আধুনিক ৰূপ দিয়াৰ ক্ষেত্ৰত যিসকল ব্যক্তিয়ে মুখ্য ভূমিকা গ্ৰহণ কৰিছে তেওঁলোকৰ ভিতৰত অন্যতম হ'ল কৃষ্ণ ৰয়। এইগৰাকী ব্যক্তিয়ে জীৱনৰ বহুতো ঘাত-প্ৰতিঘাত নেওচি আজিৰ এই পৰ্যায়ত উপনীত হৈছে। আজি অক্লান্ত যুঁজৰ সেনাপতিগৰাকীয়ে ৭৫ বছৰত ভৰি দিলে। উত্থান-পতনৰ মাজেদি জীৱন চক্ৰ আগবঢ়া কৃষ্ণ ৰয় এগৰাকী আজন্ম সাংস্কৃতিক কৰ্মী। এইগৰাকী ব্যক্তিৰ সুদীৰ্ঘ ৫০টা বছৰ পাৰ হৈছে ভ্ৰাম্যমাণৰ ছাঁ-পোহৰৰ মাজত। ভ্ৰাম্যমাণ থিয়েটাৰত পাঁচটা দশক অতিবাহিত কৰি যি অভিজ্ঞতা অৰ্জন কৰিছে সেই অভিজ্ঞতাৰে মঞ্চত নতুন নতুন চিন্তাৰ প্ৰতিফলন ঘটোৱা দেখা যায়, তাৰে জলন্ত উদাহৰণ হ'ল আৱাহন থিয়েটাৰ।

কৃষ্ণ ৰয়ৰ শৈশৱ আৰু কৈশোৰৰ আনন্দ হেৰাই গৈছিল আৰ্থিক দীনতাৰ মাজত। অভাৱৰ পৰাই আৰম্ভ হৈছিল জীৱনৰ গতিপথ। এটা মহাশূন্যক সাৰথি কৰি আজি এই পৰ্যায়ত উপনীত হৈছে একমাত্ৰ দৃঢ় মনোভাবৰ বাবে। মানুহৰ জীৱন চক্ৰ কেতিয়া, কোন দিশে গতি কৰে সেয়া কোনোৱে ক'ব নোৱাৰে। জীৱনত কিবা এটা কৰাৰ ইচ্ছা থাকিলে আৰ্থিক দীনতা তথা বাধা-বিঘিনিয়ে যে প্ৰাচীৰ হ'ব নোৱাৰে তাৰ দলিল হ'ল কৃষ্ণ ৰয়। সাহস, সততা, নিষ্ঠা আৰু শ্ৰমৰ বাবে আজি কৃষ্ণ ৰয়ে ভ্ৰাম্যমাণ জগতত এখন বিশিষ্ট আসন লাভ কৰিবলৈ সক্ষম হৈছে। এককথাত ক'বলৈ গ'লে সাহস, সততা, নিষ্ঠা আৰু কৃচ্ছ্ৰসাধনাৰ ফচল লাভ কৰিছে এইগৰাকী সাংস্কৃতিককৰ্মীয়ে। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, নটসূৰ্য ফণী শৰ্মা, যতীন গোস্বামী, সুধাকণ্ঠ ড° ভূপেন হাজৰিকা, ফণী তালুকদাৰ, ভবেন্দ্ৰনাথ শইকীয়া, অচ্যুত লহকৰ, ৰতন লহকৰৰ সান্নিধ্য লাভ কৰা কৃষ্ণ ৰয়ে সফলতাৰ বাবে কেতিয়াও পিছলৈ উভতি চাবলগীয়া হোৱা নাই। প্ৰতিটো

কামতেই তেওঁ সাফল্য অৰ্জন কৰিবলৈ সক্ষম হৈছে। ১৯৬৩ চনত অচ্যুত লহকৰ প্ৰযোজিত নটৰাজ থিয়েটাৰত এজন সাধাৰণ নাট্যকৰ্মী হিচাপে আত্মপ্ৰকাশ কৰা কৃষ্ণ ৰয় সম্প্ৰতি আৱাহান থিয়েটাৰৰ প্ৰযোজক। ভ্ৰাম্যমাণ থিয়েটাৰৰ প্ৰযোজনা, পৰিকল্পনা সামগ্ৰিক অৰ্থত সাংস্কৃতিক ধাৰাৰ স'তে যুক্ত ৰয়ে ৫০ বছৰীয়া সন্ধানী পৰিক্ৰমাৰে নৱ-প্ৰজন্মৰ প্ৰেৰণা হ'ব। ১৯৮০ চনৰ পৰা আৱাহন থিয়েটাৰে সদায় নতুন নতুন নাটক দৰ্শকক উপহাৰ দি আহিছে। ব্যতিক্ৰমী চিন্তা-চৰ্চাৰে দৰ্শকক মনোৰঞ্জন দিয়া আৱাহন থিয়েটাৰৰ মঞ্চত আধুনিক চিন্তাৰ প্ৰতিফলন ঘটিলেও মঞ্চৰ নাটকৰ বৈশিষ্ট্যৰ পৰা কেতিয়াও ফালৰি কাটি যোৱা নাই।

নাট্য জগতৰ স'তে ওতপ্ৰোতভাৱে জড়িত কৃষ্ণ ৰয়ে নিজেই তৈয়াৰ কৰা ক্ষেত্ৰখনৰ পৰিসৰে বিস্তৃত ৰূপ লৈছে। এই পৰিসৰখনে কেনেদৰে বিস্তৃত ৰূপ লৈছে তাৰ ব্যাখ্যাৰ নিষ্প্ৰয়োজন। ইমান বিস্তৃত পৰিসৰৰ ব্যক্তিত্বৰ অধিকাৰী হ'লেও কৃষ্ণ ৰয়ৰ জীৱন-যাপন আন দহগৰাকী সাধাৰণ লোকৰ দৰে। কঠোৰ পৰিশ্ৰম কৰি উপাৰ্জন কৰা ক্ষেত্ৰখনক লৈ তেওঁ কেতিয়াও অহমিকতাত ভোগা নাই। এজন তেনেই সহজ-সৰল লোক কৃষ্ণ ৰয়। তেখেতৰ স'তে আমাৰ পৰিয়ালটোৰ সম্পৰ্ক দীৰ্ঘদিনীয়া। সেই সম্পৰ্ক ক'ৰ পৰা কেনেদৰে আৰম্ভ হৈছে সেয়া মোৰ মনত নাই যদিও সৰুৰে পৰাই কিন্তু মানুহগৰাকীৰ নামটোৱে মোক আকৰ্ষণ কৰিছিল। কিয় নাজানো? সৰলমনা মনৰ অধিকাৰী, মিঠা মিঠা মাত কথা, নিজৰ বচন ৰক্ষাৰ বাবে সদা সতৰ্ক ভদ্ৰলোক কৃষ্ণ ৰয়। আজিলৈকে এইগৰাকী ব্যক্তিয়ে কাৰোবাৰ স'তে হাই-কাজিয়া, ব্যৱসায়ত প্ৰতিদ্বিন্দ্বী ভ্ৰাম্যমাণ গোষ্ঠীৰে সংঘাত, কোনো অভিনেতা-অভিনেত্ৰী, শিল্পী, কলা-কুশলীক দুৰ্ব্যৱহাৰ কৰাৰ কথা মনত নপৰে। নতুবা তেনে কৰাৰ বিষয়ে আজি পৰ্যন্ত কোনোবাই অভিযোগ কৰাটোও আমাৰ দৃষ্টিগোচৰ হোৱা নাই। সেয়েহে কৃষ্ণ ৰয়ক সঁচা অৰ্থত 'ভদ্ৰলোক' বুলি কোৱা হয়। মুখত এটা, পেটত এটা কথা ৰখা মানুহ নহয় কৃষ্ণ ৰয়। পেটত যি কথা থাকে সেয়া সলসলীয়াকৈ প্ৰকাশ কৰে কৃষ্ণ ৰয়ে। কাৰো কথা লুকুৱাবলৈ আৰু একো নাথাকে। কাৰো প্ৰতি নাই বিদ্বেষ, হিংসা, কপটতা। সেইবাবেই এসময়ত এসাঁজ ভাতৰ বাবে চিন্তা কৰা লোকজনে আজি নিজকে কৃষ্ণ ৰয় বুলি জগতত পৰিচয় দিবলৈ সক্ষম হৈছে।

# সাংস্কৃতিক সন্ধিয়া নে সাংস্কৃতিক পুৱতি নিশা

সম্প্ৰতি বিহুৰ মঞ্চত সাংস্কৃতিক সন্ধিয়াত বিভিন্ন ধৰণৰ অনুষ্ঠানৰ আয়োজন কৰা হয়। এই সাংস্কৃতিক সন্ধিয়া আৰম্ভ হয় নিশা প্ৰায় দহ বজাত। সাংস্কৃতিক সন্ধিয়াৰ কাৰ্যসূচী চলে পুৱতি নিশালৈ। বহু ঠাইত পুৱালৈকে বিভিন্ন অনুষ্ঠান চলি থকা দেখা যায়। এনে ধৰণৰ সময়সূচী দেখিলে মনত এটি প্ৰশ্ন উদয় হয়— সাংস্কৃতিক সন্ধিয়া নে সাংস্কৃতিক পুৱতি নিশা অথবা সাংস্কৃতিক পুৱা? যিসকল বিশিষ্ট তথা জনপ্ৰিয় শিল্পীক সাংস্কৃতিক সন্ধিয়ালৈ আমন্ত্ৰণ জনোৱা হয় তেওঁলোকক নিশা ১২ বজাৰ আগত মঞ্চত অনুষ্ঠান পৰিৱেশন কৰিব দিলে পৰৱৰ্তী কাৰ্যসূচীসমূহত দৰ্শকৰ উপস্থিতি সেৰেঙা হোৱাৰ ভয়তে নিশা এক-দুই বজাতহে মঞ্চলৈ আমন্ত্ৰণ কৰে। দৰ্শকেও জনপ্ৰিয় শিল্পীসকলৰ অনুষ্ঠান উপভোগ কৰিবলৈ টোপনি ক্ষতি কৰি মঞ্চৰ সন্মুখত বোন্দাপৰ দি থাকে। শিল্পীগৰাকীয়ে অথবা সাংস্কৃতিক দলে নিশা এক বজাত মঞ্চত সংগীত পৰিৱেশন কৰিলে পুৱতি নিশাহে অনুষ্ঠানৰ সামৰণি পৰে। এয়া এক উমৈহতীয়া সূত্ৰত পৰিণত হৈছে। সন্ধিয়া ৬ বজাত সাংস্কৃতিক সন্ধিয়াৰ অনুষ্ঠান আৰম্ভ কৰিলে যেন অনুষ্ঠানটোৰ সৌষ্ঠৱ হ্ৰাস পাব তেনে মানসিকতাই গঢ় লৈ উঠিছে।

বিশেষকৈ বিহুৰ অনুষ্ঠান আদি পৰিৱেশন কৰাৰ সময়ত এনে ধৰণৰ মানসিকতাৰ চিকাৰ হয় আয়োজক সমিতি তথা উদ্যোক্তাসকল। এতিয়া চহৰতেই হওক অথবা গ্ৰামাঞ্চলতেই নহওক কিয়— সকলোতে একেই ধৰণৰ প্ৰতিচ্ছবি। সাংস্কৃতিক সন্ধিয়াৰ উদ্বোধনী পৰ্ব আৰম্ভ হয় নিশা ১০ বজাত।

পুৱতি নিশাপৰ্যন্ত অনুষ্ঠান পৰিৱেশন কৰাত আমাৰ দ্বিমত নাই। কিন্তু শিল্পীসকলৰ সুৰক্ষাৰ বিষয়টোহে এতিয়া গুৰুত্বপূৰ্ণ হৈছে। কাৰণ পুৱতি নিশালৈকে অনুষ্ঠান পৰিৱেশন কৰি ঘৰলৈ ওভতাৰ সময়ত সকলোৱে ভাৰাক্ৰান্ত হয়। ভাগৰি পৰে শিল্পী, কলা-কুশলীসকল। কেৱল সেয়াই নহয়, শিল্পী, কলা-কুশলীক অনা-নিয়া কৰিবলৈ নিশা উজাগৰে থকা গাড়ীৰ চালকসকলৰ অৱস্থাও তথৈবচ হয়। টোপনিয়াই টোপনিয়াই গাড়ী চলায়। তেওঁলোকো ভাগৰুৱা হৈ পৰে, সেয়েহে সঠিকভাৱে গাড়ী চলাব নোৱাৰে। মনঃসংযোগত ব্যাঘাত জন্মে। এনেদৰে মনঃসংযোগত ব্যাঘাত জন্মাৰ ফলত ইতিমধ্যে ৰাজ্যখনত সংঘটিত ভয়াৱহ পথ দুৰ্ঘটনাত কে'বাগৰাকী শিল্পী, কলা-কুশলীয়ে প্ৰাণ হেৰুৱাবলগীয়া হৈছে। চ'ৰাবৰী, ক্ষেত্ৰী, তেজপুৰ, ধূপধৰাত সংঘটিত ভয়াৱহ পথ দুৰ্ঘটনাত অকালতে প্ৰাণ হেৰুৱালে 'ভায়া মামা' দলটোৰ সদ্যসসকলে। বিহুৱা দলৰ নাচনী-ঢুলীয়াও আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে গুচি গ'ল। বিগত বৰ্ষত অসমৰ প্ৰতিভাৱান শিল্পী সুমন মহন্তৰ লগতে আন কে'বাগৰাকী শিল্পী, কলা-কুশলীয়ে প্ৰাণ হেৰুৱাইছিল। এনে ধৰণৰ শোকাৱহ পথ দুৰ্ঘটনা সংঘটিত হোৱাৰ পাছত শিল্পীসকলৰ সুৰক্ষাক লৈ সচেতন মহলত বিভিন্ন প্ৰশ্নৰ উদ্রেগ ঘটিছে। সকলোৱে একেলগে প্ৰশ্ন কৰিছে— সাংস্কৃতিক সন্ধিয়া মানে পুৱতি নিশালৈকে অনুষ্ঠান পৰিৱেশন কৰিবই লাগিব নেকি? নিশা ১২ বজাৰ আগতে কিয় সাংস্কৃতিক সন্ধিয়াৰ কাৰ্যসূচী শেষ কৰিব নোৱাৰি?

সাংস্কৃতিক সন্ধিয়াৰ আয়োজক তথা উদ্যোক্তাসকলেই এইবাৰ নিশা ১২ বজাৰ আগতে অনুষ্ঠান শেষ কৰাৰ বাবে সিদ্ধান্ত লওক। তেতিয়া দৰ্শকৰ সংখ্যা হ্ৰাস প্ৰায় নে বৃদ্ধি পাব নিশ্চিত হ'ব পাৰিব। যদি সন্ধিয়া ৬ বজাত অনুষ্ঠানৰ আৰম্ভণি কৰে তেনেহ'লে দৰ্শকো নিশ্চয় ৬ বজাতেই মঞ্চৰ সন্মুখলৈ আহিব। উপযুক্ত সময়ত ভাল অনুষ্ঠান উপভোগ কৰাৰ প্ৰতি সকলোৰে দুৰ্বলতা থাকে। আজিকালি নিশা দুপৰত অনুষ্ঠান চলি থকাৰ মাজতে যিবোৰ ঘটনা সংঘটিত

হয় সেইবোৰৰ বাবে বহুতো পৰিয়ালে সাংস্কৃতিক সন্ধিয়াৰ অনুষ্ঠান উপভোগ কৰিবলৈকে নাযায়। মাৰপিটৰ ঘটনাৰ পৰা আৰম্ভ কৰি বলাৎকাৰ, হত্যাকাণ্ড আদি সকলোবোৰেই সংঘটিত হয় নিশা দুপৰলৈ অনুষ্ঠান চলিলে। আনকি প্ৰায়ভাগ দৰ্শকে নিজকে অসুৰক্ষিত অনুভৱ কৰে। মাদক দ্ৰব্যৰ প্ৰচলন বৃদ্ধি হোৱাত এতিয়া সাংস্কৃতিক অনুষ্ঠানসমূহৰ পিছৰফালে সুৰাপায়ী লোকৰ সংখ্যাই বেছি হোৱা পৰিলক্ষিত হয়। কিন্তু যদি অনুষ্ঠানসমূহ সোনকালে আৰম্ভ হয় তেতিয়া নিশ্চয় এনেধৰণৰ ঘটনা হ্ৰাস পাব। এনেবোৰ কথা উল্লেখ কৰিলে এচামে হয়তো প্ৰশ্ন কৰিব পাৰে— পথ দুৰ্ঘটনা কেৱল পুৱতি নিশাই সংঘটিত হৈছেনে? বলাৎকাৰ, মদপীৰ সংখ্যা নিশাহে বৃদ্ধি পায়নে? এনে প্ৰশ্ন উত্থাপিত হোৱাতো স্বাভাৱিক কথা। কিন্তু শেহতীয়াভাৱে যিবোৰ ঘটনা বিশেষকৈ ভয়াৱহ দুৰ্ঘটনা সংঘটিত হৈছে তাৰ পৰিসংখ্যা দেখিলেই ইয়াৰ ছবিখন স্পষ্ট হৈ পৰিব। প্ৰায়ভাগ ভয়াৱহ ঘটনা সংঘটিত হৈছে মাজনিশা।

সাংস্কৃতিক সন্ধিয়া নিশা ১২ বজাৰ পূৰ্বে শেষ কৰিবলৈ প্ৰশাসনেও উদ্যোক্তাসকলক কঠোৰ নিৰ্দেশনা জাৰি কৰক। ১২ বজাৰ পাছত অনুষ্ঠান পৰিৱেশনৰ বাবে প্ৰশাসনে অনুমতি প্ৰদান নকৰিলে নিশ্চয় বহুতো শিল্পীৰ প্ৰাণ ৰক্ষা পৰিব। বহুতো অসামাজিক ঘটনা প্ৰতিৰোধ কৰাতো সম্ভৱ হ'ব ।

# ব'হাগ বিহু,
# তাঁতৰ শব্দ আৰু...

ব'হাগ এটি ঋতু নহয়। ই অসমীয়া জাতিৰ আয়ুসৰেখা। এই ব'হাগ বিহুক বাদ দি অসমীয়া জাতিৰ নক্সা আঁকিব নোৱাৰি। অসমীয়া জাতি, অসমীয়া কৃষ্টি-সংস্কৃতিৰ ছবিখন এই বিহুটি অবিহনে আধৰুৱা। ব'হাগ বিহুটিৰ কথা কেৱল এটা মাহতেই সীমাবদ্ধ নাথাকে। কাৰণ বসন্তৰ আগমনৰ লগে লগে সকলোৱে সাজু হয় নতুন বছৰ এটিক আদৰিবলৈ। এই বছৰে আনে নতুন বতৰা, নতুন আশা। ব'হাগ বিহুৱে অসমীয়া জাতিটোৰ অস্তিত্বৰ কথাকে প্ৰতিপন্ন কৰে। যিমানেই অসমীয়া জাতিৰ সংকটৰ কথা কৈ নাথাকক কিয় যেতিয়ালৈকে গছে নতুন পাত সলাব, প্ৰকৃতিয়ে নতুন ৰূপ লৈ থাকিব তেতিয়ালৈকে ব'হাগ বিহুৱে জাতিটোৰ গৌৰৱৰ কথা, অস্তিত্বৰ কথা সোঁৱৰাই থাকিব।

এয়া বিহুৰ বতৰ। নাহৰ ফুলাৰ বতৰ। কপৌ ফুলাৰ বতৰত যেন প্ৰকৃতিয়ে ন-সাজেৰে ধৰণীদেৱীক আদৰিবলৈ সাজু হয়। চৌদিশে কেৱল ৰঙীন পৰিৱেশ। ভেদাভেদ পাহৰি সকলোৱে লৰৰি আহে বিহু মাৰিবলৈ। বিভিন্ন গোষ্ঠী-জনগোষ্ঠীৰ লোকসকলে এখন আকাশৰ তলত মিলিত হয় বিহুৰ আনন্দ উপভোগ কৰিবলৈ দৰাচলতে বিহুৰ আনন্দ আৰম্ভ হয় বসন্তৰ আগমনৰ লগে লগে। প্ৰতিটো জাতি-জনগোষ্ঠীয়ে বসন্ত কালৰ কোনোবা এটি দিনত আৰম্ভ কৰে বিহুৰ আনন্দ। অসমীয়াসকলে চ'তৰ দোমাহীত আৰম্ভ কৰি সাতদিনলৈকে এই বিহু পালন কৰে। ইয়াৰ বিপৰীতে কিছুমান জনগোষ্ঠীয়ে ব'হাগ মাহৰ আন সময়তো এই উৎসৱ পালন কৰে। অসমত অতীজৰে পৰা বড়ো, মিচিং, দেউৰী, সোণোৱাল, তিৱা, কাৰ্বি আদি জনগোষ্ঠীৰ লোকসকলে বিহু পৰম্পৰাগতভাৱে

পালন কৰি আহিছে। এই বসন্তকালীন উৎসৱে প্ৰতিটো জনগোষ্ঠীকে দিছে অন্য এক মাত্ৰা। অসমত বিভিন্ন জনগোষ্ঠীয়ে বেলেগে বেলেগে বসন্তকালীন উৎসৱ পালন কৰিলেও সকলোৱে কিন্তু একেলগে অংশগ্ৰহণ কৰা দেখা যায়। এয়া হ'ল সমন্বয়ৰ বাৰ্তা। অতীজৰে পৰা বৰ অসমত বিভিন্ন জাতি, জনগোষ্ঠীৰ লোকে মিলা-প্ৰীতিৰে বসবাস কৰি আহিছে। ভ্ৰাতৃত্ববোধৰ শিকলিডাল শক্তিশালী কৰিছে। মাজে সময়তে অপশক্তিয়ে এই সময়ত ব্যাঘাত জন্মালেও সেয়া মষিমূৰ কৰিছে ৰাইজে কঁকালত টঙালি বান্ধি। উৎখাত কৰিছে অপশক্তিক। বিশেষকৈ বসন্তকালীন উৎসৱৰ সময়ত সকলোৱে একগোট হৈ এনে অপশক্তিক মষিমূৰ কৰি সমাজখনত শান্তি প্ৰতিষ্ঠা কৰিছে। ব'হাগ বিহুৰ সময়ত শান্তি প্ৰতিষ্ঠা কৰিছে। ব'হাগ বিহুৰ সময়ত কোনো লোকে সমাজত অশান্তি বিয়পোৱাতো সহ্য নকৰে। কাৰণ ৰঙালী বিহু অসমীয়া জাতিৰ আয়ুসৰেখা। অসমত বসবাস কৰা প্ৰতিগৰাকী লোকৰে আত্মা। আত্মা অবিহনে যিদৰে শৰীৰ অস্তিত্বহীন তেনেদৰে বিহু অবিহনেও অসমীয়া জাতি পৰিচয়বিহীন।

বিহুত কেৱল নাচ, ঢোল-পেঁপাই ৰজনজনাই নাথাকে, প্ৰতিগৰাকী অসমীয়া লোকক পথাৰৰ মাজলৈ আকৰ্ষণে টানি আনে। পেঁপাৰ মাত শুনিলে হৃদয়হীন লোক এজনৰো মনটো হেন্দোলিত কৰি তোলে। ঢোলৰ মাত শুনিলে কেইজন ডেকাই ঘৰত বহি থাকিব পাৰে। ঢোলাৰ শব্দটোৱে যেন প্ৰতিগৰাকী অসমীয়া পাহোৱাল ডেকাৰ মনত শক্তি যোগায়, মনোবল বৃদ্ধি কৰে। হেজাৰ বিপদ-বিঘিনি থাকিলেও নাচনীক নচুৱাবলৈ আহিবই। বিহুৰ বাবে প্ৰায় এমাহৰ আগৰে পৰা প্ৰস্তুতিৰ অন্ত নাই। শিপিনীসকলেও তাঁতশালত ব্যস্ত হয়। আপোনজনক বিহুত নিজ হাতে বোৱা এখন নতুন কাপোৰ দিবলৈ যেন ব্যস্ততাৰ অন্ত নাই। নতুন কাপোৰসাজ দিব নোৱাৰিলে মনত শান্তি নাপায়। এতিয়া এনে দৃশ্য বিৰল বুলিয়ে ক'ব লাগিব। কাৰণ তাঁতৰ শব্দ শুনিবলৈ পোৱা নাযায়। যিসকলে কাপোৰ ব'বলৈ ইচ্ছা কৰে তেওঁলোকৰ হাতত ধন নাই। আকাশলংঘী মূল্যবৃদ্ধিৰ বাবে সূতা কিনিবলৈকে সাহস নকৰে। চৌদিশে যেন কিবা উৰুঙা উৰুঙা পৰিৱেশ। যেন যুদ্ধবিধ্বস্ত এখন ৰাজ্যহে। সমাজত অপশক্তি, বিশ্বায়নৰ কৰাল গ্ৰাস, হত্যা-হিংসা, প্ৰতিবাদ, ক্ষোভৰ অগনিয়ে যেন বিহুৰ মাদকতা বহুখিনি হ্ৰাস কৰিছে। তথাপি আমি সমাজৰ শান্তিৰ বাবে বিহু পাতিবই লাগিব।

# সৰস্বতী পূজা নে প্ৰতিযোগিতা

ভোগালী বিহুৰ পাছৰে পৰা টিভিটো খুলি যিটো অসমীয়া চেনেল চোৱা হয়— অধিকাংশ সময়ত কেৱল সৰস্বতী পূজাৰ সুন্দৰীৰ প্ৰতিযোগিতাহে দেখা পোৱা যায়। এইকেইটা চেনেলত সৰস্বতী পূজা সম্পৰ্কে কিবা দেখুওৱাতকৈ কেৱল সুন্দৰী ছোৱালীবোৰৰ মুখকেইখনহে দেখুৱাই থাকে। অসমীয়া টিভি চেনেলকেইটাৰ এনে দৃশ্যসমূহে দৰ্শকক কিমান মনোৰঞ্জন দিছে অথবা কাৰোবাৰ কিবা লাভ হওকেই বা নহওকেই চেনেলকেইটাই টি আৰ পি বঢ়োৱাত গুৰুত্ব দিয়া যেনহে অনুমান হয়। এই চেনেলকেইটাই হয়তো পাহৰি যায় যে সৰস্বতী পূজা নে সুন্দৰী প্ৰতিযোগিতা। এই চেনেলসমূহৰ কাযসূচী প্ৰস্তুতকৰ্তাসকলৰ যেন সৰস্বতী পূজা সম্পৰ্কে সম্যক জ্ঞানখিনিও নাই তাকে প্ৰতিপন্ন কৰিছে। পূজাৰ আধ্যাত্মিক দিশটোতকৈ বাহ্যিক সৌন্দৰ্যৰ ওপৰতহে অধিক গুৰুত্ব দিছে। চেনেলকেইটাৰ পৰিৱেশকসকলে কিয় সৰস্বতী পূজাক লৈ ইমান ব্যস্ত হৈ পৰিছে সেয়া মনে নধৰে। এনে প্ৰতিযোগিতামুখী ধ্যান-ধাৰণাই যুৱতীসকলক সৰস্বতী পূজাত নিজকে মডেলৰ শাৰীত উপনীত কৰোৱাৰ বাবে এখন ক্ষেত্ৰৰ দিশে আগুৱাই নিয়াটোহে সূচাইছে।

মনত ৰখা উচিত সৰস্বতী পূজা কোনো সুন্দৰী প্ৰতিযোগিতা নহয়। কোনগৰাকী যুৱতী ধুনীয়া তাকে লৈ যদি বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱীৰ পূজাৰ মণ্ডপত প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয় তেনেহ'লে তাতকৈ চৰম লজ্জাজনক বিষয় আন একো হ'ব নোৱাৰে। পূজাত সুন্দৰী প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ

নামত একাংশই চলাইছে ব্যৱসায়। পাৰ্লাৰসমূহত এইকেইদিন বিৰ দি বাট নোপোৱা অৱস্থা হয়। পাৰ্লাৰসমূহৰ সন্মুখত গোট খোৱা গাড়ী আৰু যুৱতীৰ শাৰীয়ে এই কথাকেই প্ৰতিপন্ন কৰে। আমি আমাৰ পৰম্পৰাক বিদায় দিলে নহ'ব। পৰিৱৰ্তনৰ নামত অপসংস্কৃতিয়ে গা কৰি উঠাৰ ফলত আন বহুতো সমস্যাই গা কৰি উঠিছে। সৰস্বতী পূজাৰ দিনাখন যুৱতীসকলে সাজি-কাছি পূজাথলীলৈ অহাটো এক পৰিচিত দৃশ্য। কিন্তু বিগত তিনি বছৰমানৰ পৰা টিভি চেনেলসমূহৰ একাংশ সাংবাদিকে কেৱল সৰস্বতী পূজাত কোনে কি পিন্ধিছে, কেনেকুৱা কেশবিন্যাস কৰিছে অথবা পূজাৰ দিনাখন কোনে কি কৰিব তাকে লৈ ব্যস্ত হৈ পৰিছে। পূজাৰ এসপ্তাহমান আগৰে পৰা সুন্দৰী প্ৰতিযোগিতাৰ নামত ব্যস্ত থকাৰ কোনো যুক্তি নাই। যদিহে সুকীয়াকৈ কোনো সুন্দৰী প্ৰতিযোগিতা অনুষ্ঠিত কৰি এনেদৰে সম্প্ৰচাৰ কৰি থাকে তেনেহ'লে আমাৰ ক'বলগীয়া একো নাই কিন্তু পূজাক কেন্দ্ৰ কৰি সুন্দৰী কোন হ'ব? সুন্দৰী যুৱতীগৰাকী কাৰ লগত পূজা চাবলৈ যাব? কোন যুৱতীয়ে বয়ফ্ৰেণ্ডৰ লগত পূজালৈ ওলাব? কোনে কিমান দামী বাইক চলাব? কোনজন যুৱকে যুৱতীক আকৰ্ষিত কৰিবলৈ বাইক ষ্টাণ্ট কৰিব? ইত্যাদি প্ৰশ্নৰে ব্যস্ত হয় চেনেলকেইটা। যেন এখন মহাযুদ্ধৰ বাবেহে সাজু হৈছে। সৰস্বতী পূজাৰ দিনাখন কিছুমান পূজাথলীৰ পৰা বিশেষকৈ যুৱতীয়ে বেছি ভিৰ কৰা পূজাথলীৰ দৃশ্যও সম্প্ৰচাৰ কৰা দেখা যায়। কিন্তু বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱীৰ মূৰ্তি অথবা পূজাভাগ দেখুওৱাটো তেওঁলোকৰ মুখ্য উদ্দেশ্য নহয়। পূজাখন বা মূৰ্তিটো গৌণ কৰি কেমেৰাৰ লেন্সত কেৱল বন্দী হয় সুন্দৰী যুৱতীৰ মুখমণ্ডল, দেহৰ অৱয়ব। কিন্তু তেওঁলোকে কিহৰ ভিত্তিত এগৰাকী যুৱতীক সুন্দৰী বুলি বাৰে বাৰে টিভিৰ পৰ্দাত দেখুৱাই থাকে সেয়াহে দৰ্শকৰ বোধগম্য নহয়। দামী পোছাক, মেকআপ কৰি দামী গাড়ীত ওলাই অহা যুৱতীগৰাকীক সুন্দৰী প্ৰতিযোগিতাত স্থান দিয়া হয়। সুন্দৰীগৰাকীৰ বুদ্ধিমত্তাৰ পৰিচয় দাঙি ধৰা নহয়। এই সুন্দৰীসকলৰ অধিকাংশই পিছে পূজাৰ দিনাখন সৰস্বতী বন্দনা কৰিছেনে নাই সেয়া নোসোধে। মূৰ্তি সন্মুখত সেৱা জনাইছে নে নাই কোনোবাই সোধেনে? যুৱতীসকলেও টিভি কেমেৰাটো অহালৈকেহে যেন বাট চাই থাকে। কেমেৰাটো দেখাৰ লগে লগে তেওঁলোক যেন হৈ পৰে অন্য এক গ্ৰহৰ প্ৰাণী। এওঁলোকেই যদি সুন্দৰৰ সংজ্ঞা হয় তেন্তে...।

# লোকবিশ্বাস আৰু ফাকুৱা

বসন্ত কালত প্ৰকৃতিৰ ৰং সলনি হয়। গছ-গছনিয়ে পাত সলাবলৈ ধৰে। গছবোৰ হৈ পৰে নাঙঠ— যেন এখন নিৰাভৰণ পৃথিৱীহে। পচোৱা বতাহজাকে সকলোৰে মন চুই যায়। ইয়াৰ মাজতেই তেজৰঙা থোপা থোপা শিমলু, পলাশ, মদাৰ ফুলৰ মৌন উন্মাদনাই প্ৰকৃতিক নতুন বছৰ অহাৰ আগজাননী দিয়ে। এই সময়ত প্ৰকৃতিপ্ৰেমীয়ে যেন ন-কইনাৰ সাজত মাতৃ গৃহ এৰি স্বামীগৃহলৈ যাবলৈ ওলায়। প্ৰকৃতিৰ এনে পৰিৱেশতেই পালন কৰা হয় 'ফাকুৱা' বা 'হোলী'। অসমত কেতিয়াৰ পৰা এই উৎসৱ পালন কৰি অহা হৈছে সেই বিষয়ে কিছু কিছু তথ্য পোৱা যায় যদিও ফাকুৱা প্ৰথমতে ক'ত আৰম্ভ হৈছিল সেই বিষয়টোত মতভেদ আছে। ব্ৰহ্ম পুৰাণ মতে, এই উৎসৱ প্ৰথমতে গকুলত অনুষ্ঠিত হৈছিল। শ্ৰীকৃষ্ণ আৰু গোপীসকলৰ মাজত এনে ৰঙৰ উৎসৱ পালনেৰে গোপীসকলে প্ৰাণৰ সখা তথা প্ৰভুক ওচৰৰ পৰা লাভ কৰিছিল। অসমত এই উৎসৱ আৰম্ভ হয় শ্ৰীমন্ত শংকৰদেৱৰ সময়ৰে পৰা। তেতিয়াৰে পৰা এই উৎসৱ অসমৰ বিভিন্ন ঠাইত পালন কৰি অহা হৈছে। অৱশ্যে ফাকুৱা বুলি ক'লে বৰপেটা আৰু বৰদোৱাৰ

কথাই মনলৈ আহে। এই দুই ঠাইত ফাকুৱা উৎসৱ পৰম্পৰাগতভাৱে পালন কৰা হয়। কিছুমান ঠাইত দুদিনীয়া আৰু পাঁচদিনীয়াকৈ ফাকুৱা উৎসৱ পালন কৰে।

যাত লক্ষ্মী মনোহৰ মুৰুতিক ধৰি।
কৃষ্ণৰ উৎসৱ যাত্রা কৰন্ত সাদৰী।।
কৃষ্ণক দোলাত দোলাসনে তুলি। ।
মুখে কৃষ্ণ গুণ গান্ত আনন্দত তুলি।।
দন্ত ছত্র চামৰ ধৰিয়া ভক্ত চয়।
জয় জয় কৃষ্ণ বুলি ফল্গু সিঞ্চৰয়।।

(ভাগৱত ২/৬২৮, ২২৯)।

শ্রীমন্ত শংকৰদেৱে শ্রীমদ্ভাগৱতৰ আলমত ভাগৱতৰ দ্বিতীয় স্কন্ধত বৈকুণ্ঠত পালিত এই ফাকুৱা উৎসৱৰ বিষয়ে বৰ্ণনা কৰিছে। ইয়াৰ পৰাই অনুমান কৰিব পাৰি এই উৎসব পালন সম্পৰ্কে। বৈকুণ্ঠৰ উৎসৱ পৰৱৰ্তী সময়ত বিভিন্ন স্থানলৈ সম্প্ৰসাৰিত হ'ল। এতিয়া সমগ্ৰ ভাৰতৰ লগতে বিদেশতো জাতি-ধৰ্ম বৰ্ণ-ভাষা নিৰ্বিশেষে পালন কৰা হয় বসন্ত উৎসৱ।

ব্ৰহ্মপুৰাণত বৰ্ণনা কৰা মতে ধৰাধামত প্ৰথমতে দৌল পূজা কৰিছিল অৱন্তীৰ সূৰ্যবংশীয় ৰজা ইন্দ্ৰদ্যুম্নই। এইগৰাকী ৰজাই হেনো শিলেৰে দৌল নিৰ্মাণ কৰি পূজা অৰ্চনা কৰিছিল। বিষ্ণুৰ দৰ্শনৰ লাভৰ উদ্দেশ্যেই ইন্দ্ৰদ্যুম্নই গৈছিল নীলাচল পাহাৰলৈ। কিন্তু ৰজাই বিষ্ণু দৰ্শন লাভ কৰিব নোৱাৰিলে। পাছত প্ৰভু বিষ্ণুৰ দৰ্শনৰ পৰা বঞ্চিত হৈ ইন্দ্ৰদ্যুম্নই আৰাধনা কৰে ব্ৰহ্মাক। অৱশ্যে ৰজাই ব্ৰহ্মাৰ জৰিয়তেহে প্ৰভু বিষ্ণুৰ দৰ্শন লাভ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ পাছত আৰম্ভ হয় ৰঙৰ উৎসৱৰ। প্ৰভুক দৰ্শন লাভৰ আনন্দতে এনে ৰঙৰ উৎসৱৰ আয়োজন কৰিছিল বুলি বিশ্বাস কৰা হয়।

ফাকুৱা উৎসৱ উদ্‌যাপন সম্পৰ্কে যিবোৰ কাহিনী পোৱা যায় সেইবোৰৰ ভিতৰত অন্যতম হ'ল দেৱতাসকলৰ মাজত পালন কৰা উৎসৱ। এক পৌৰানিক আখ্যান অনুসৰি সতী ৰাধিকাৰ লগত সুদামে দনু বংশত শংখচূড় ৰূপে জন্মগ্ৰহণ কৰিছিল। শংখচূড়ৰ আন এক নাম আছিল 'হোলিকা'। ইপিনে ধৰ্মধ্বজ ৰজাৰ কন্যা তুলসীৰো একে সময়তে জন্ম হৈছিল। শংখচূড় ডাঙৰ দীঘল হৈ দৈত্যকুলৰ

ৰজা হৈছিল। পাছত শংখচূড় মহা পৰাক্ৰমেৰে যুঁজি স্বৰ্গৰাজ্য অধিকাৰ কৰে। স্বৰ্গৰাজ্য অধিকাৰ কৰাৰ পাছত তেওঁ দেৱতাসকলক নিৰ্যাতন কৰিবলৈ ধৰে। দেৱতাসকলে শংখচূড়ৰ অত্যাচাৰৰ পৰা পৰিত্ৰাণ পাবলৈ নাৰায়ণৰ শৰণাপন্ন হয়। ইপিনে, স্বৰ্গৰাজ্য জয়ৰ আগতে তুলসীৰ স'তে শংখচূড়ৰ বিয়া হৈছিল। শিৱই তুলসীৰ তপস্যাত সন্তুষ্ট হৈ বৰ দিছিল যে যেতিয়ালৈকে তুলসীৰ সতীত্ব নষ্ট নহয় তেতিয়ালৈকে শংখচূড় অপৰাজেয় হৈ থাকিব। সেয়েহে দেৱতাসকলৰ বাবে শংখচূড়ক পৰাস্ত কৰাতো সহজ নাছিল। ইপিনে, নাৰায়ণেও শংখচূড়ক পৰাস্ত কৰিব নোৱাৰি তুলসীৰ সতীত্ব নষ্ট কৰিবলৈ বুদ্ধি উলিয়ায়। নাৰায়ণে শংখচূড়ৰ বেশ ধাৰণ কৰি তুলসীৰ সতীত্ব নষ্ট কৰে। যুদ্ধত শংখচূড় বিনাশ হয়। শংখচূড় বা হোলিকাৰ ধ্বংসৰ আন্দত দেৱতাসকলে যি উৎসৱ পালন কৰিছিল তাৰ নামেৰেই পালন কৰা হয় 'হোলী' বা 'ফাকুৱা'। আন এক লোকবিশ্বাস অনুসৰি শ্ৰীকৃষ্ণই পুতনা ৰাক্ষসীক বধ কৰাৰ পাছত গোপ নাৰীয়ে ৰং ছটিয়াই যি আনন্দ কৰিছিল সেয়াহে আছিল ফাকুৱাৰ আৰম্ভণি।

# যৌথ পৰিয়াল ধৰি ৰখাত মহিলাৰ ভূমিকা

এতিয়া যৌথ পৰিয়ালৰ ধাৰণাটো অতীত। তিনি দশকমান আগৰে পৰা যৌথ পৰিয়ালৰ ধাৰণাৰ সলনি হ'বলৈ ধৰিলে। আজিকালি চৌদিশে কেৱল একক বা নিউক্লিয় পৰিয়ালহে দেখা যায়। যেতিয়াৰে পৰা মানুহে সমাজ পাতি বসবাস কৰিবলৈ ধৰিলে তেতিয়াৰে পৰা পৰিয়ালৰ সদস্যসকলে এটা ঘৰত থাকিয়ে জীৱন অতিবাহিত কৰিছিল, সকলো সমস্যাৰ সমাধান কৰিছিল পৰিয়ালৰ জ্যেষ্ঠসকলে। সেইবাবে এটা সুশৃংখলিত সমাজ ব্যৱস্থাই বৰ্তি আছিল। পিছে যেতিয়াৰে পৰা যৌথ পৰিয়াল ভাঙি একক পৰিয়ালৰ ধাৰণাই গা কৰি উঠিল তেতিয়াৰে পৰা মানুহৰ মনোভাবো সলনি হ'বলৈ ধৰিলে। পিছে আধুনিক একক পৰিয়ালৰ মাজতো এতিয়াও সমাজত বহুত যৌথ পৰিয়াল দেখা যায়। এই পৰিয়ালসমূহ বৰ্তি থকাৰ মূলতে ঘৰখনৰ মহিলাসকলৰ ভূমিকা। ঘৰ এখন ধৰি ৰাখিব পাৰে কেৱল মহিলাসকলে। যিখন ঘৰত মহিলা নাই সেই ঘৰ পাতোক্ত ঘৰসদৃশ। প্ৰায়ভাগ মহিলাই নিজৰ ঘৰখনক সুৰক্ষা দিয়ে। কাৰণ অকলশৰে যুঁজাটো কিমান কঠিন তেওঁলোকে ভালদৰে বুজি পায়।

ইতিহাসৰ পৃষ্ঠা মেলি চালে দেখা যায় যে বিশ্বৰ প্ৰতিটো অঞ্চলৰে লোকসকলে মহিলাসকলক ঘৰ পৰিচালনাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়ে। কাৰণ দিনটোৰ বেছিভাগ সময় মহিলাসকলে ঘৰৰ ভিতৰতে অতিবাহিত কৰে। প্ৰতিটো মুহূৰ্তত সংঘটিত হৈ থকা ঘটনাপ্ৰৱাহ তেওঁলোকৰ নখদৰ্পণত। সেয়েহে বয়স

বৃদ্ধি আৰু সময়ৰ লগে লগে অৰ্জন কৰা অভিজ্ঞতাই তেওঁলোকক বহুতো সমস্যা সমাধান কৰিবলৈ সমাধান সূত্ৰ উলিওৱাত সহায় কৰে। বহুতৰে মনত ভ্ৰান্ত ধাৰণা আছে যে একক পৰিয়াল হ'লে সুখেৰে থাকিব পাৰে। কিন্তু একক পৰিয়ালত যিমান সুবিধা আছে তাতোকৈ বেছি অসুবিধাহে থকা দেখা যায়। কেনেধৰণৰ সমস্যাৰ সন্মুখীন হ'বলগীয়া হয় সেই বিষয়ে মহিলাসকলে ভালদৰে উপলব্ধি কৰিব পাৰে। বুজি পোৱাসকলৰ কিছুমানে যিকোনো মূল্যৰ বিনিময়ত যৌথ পৰিয়ালৰ বান্ধোন ধৰি ৰাখিবলৈ চেষ্টা চলায়। এৰা-ধৰাৰ মাজেদি হ'লেও ঘৰখন ধৰি ৰাখিব বিচাৰে। কেতিয়াবা যদি সফল হয়, আন কেতিয়াবা আকৌ ব্যৰ্থতাই গা কৰি উঠে।

যৌথ পৰিয়াল এটা ধৰি ৰখাতো এতিয়া এক প্ৰকাৰ প্ৰত্যাহ্বান হৈ পৰিছে। সময়ৰ পৰিৱৰ্তনৰ লগে লগে চিন্তা-চৰ্চাৰো পৰিৱৰ্তন হৈছে। হোৱাটো অস্বাভাৱিক নহয়। কথাতে কয় বোলে, 'ধানটোৰে প্ৰতি কণটো, মানুহটোৰে প্ৰতি মনটো'। এটা পৰিয়ালৰ সদস্যৰ সংখ্যা বেছি হ'লে কোনো এটা বিষয়ত মতামত ভিন্ন হোৱাতো স্বাভাৱিক কথা। সকলোৰে দৃষ্টিভংগীও বেলেগ । খাদ্যৰ পৰা আৰম্ভ কৰি থকা-মেলা সকলোতে পাৰ্থক্য থাকে। কিন্তু এই ব্যৱধান হ্ৰাস কৰি যি নিজ নিজ ক্ষেত্ৰত থাকে তাতে মনোনিৱেশ কৰিলেই কোনো সমস্যাই গা কৰি উঠিব নোৱাৰে। তাকে কৰিবলৈ যাওঁতে কিছুমান ত্যাগ স্বীকাৰ কৰিব লাগিব। প্ৰতিটো পৰিয়ালে ঠন ধৰি বা শান্তিৰ মাজত থকাৰ আঁৰত থাকে এজন বা দুজন সদস্যৰ অশেষ ত্যাগ। সাধাৰণতে যৌথ পৰিয়ালত কিছুমান বিষয়ত যদি কোনোবা এজন সদস্যই গুৰুত্ব দিয়ে তেনেহ'লে বিপদ ঘনীভূত হয়। যিবোৰ বিষয়ৰ পৰা সংঘাত সৃষ্টি হ'ব পাৰে সেইবোৰ দেখিও নেদেখা, শুনিও নুশুনা ভাও ধৰিব লাগে। তেনে কৰিলে বহুক্ষেত্ৰত কোনো সমস্যাৰ সৃষ্টি নহয়। স্পৰ্শকাতৰ বিষয়সমূহৰ পৰা নিজকে এৰাই ৰাখিলে অথবা আঁতৰি থাকিলে ঘৰখন ভাঙোনমুখী হোৱাৰ পৰা ৰক্ষা পৰে। একেটা গৃহত সকলোৰে মিলিজুলি থকাৰ সুযোগ পায়। আমি এনেবোৰ বিষয়ত গুৰুত্ব নিদিওঁ বাবেই সমস্যাৰ সৃষ্টি হয়।

এতিয়া যৌথ পৰিয়াল কিয় সম্ভৱ নহয়? এয়া এক লাখটকীয়া প্ৰশ্ন। সময়ৰ পৰিৱৰ্তনৰ লগে লগে মানুহৰ দৃষ্টিভংগীৰ পৰিবৰ্তন হোৱাতো স্বাভাৱিক কথা। কিন্তু এনে পৰিৱৰ্তনে মানুহৰ জীৱনলৈ কিমান সুখ কঢ়িয়াই আনিছে?

# নিঃসংগতা, এখন বিবাহ আৰু কিছু প্ৰাসংগিক কথা

২০১৫ চনত মহানগৰীত সম্পন্ন হোৱা এখন বিবাহে বৰকৈ চৰ্চা লাভ কৰিছিল। বিয়াখন কোনো ৰাজনৈতিক নেতা বা তাৰকা অভিনেতা-অভিনেত্ৰী অথবা খেলুৱৈৰ নাছিল। দিনটোত সম্পাদন হোৱা শ শ বিবাহৰ মাজত সেইখন বিবাহ কিয় চৰ্চাৰ কেন্দ্ৰবিন্দু আছিল বাৰু? নিঃসংগতাৰ পৰা পৰিত্ৰাণ পাবলৈ বিবাহপাশত আবদ্ধ হোৱা মহিলাগৰাকী আছিল ৬৩ বছৰীয়া। দৰাৰ বয়স ৭৩ বছৰ। আমাৰ সমাজত যি বয়সত সন্ন্যাস ব্ৰতসদৃশ জীৱন-যাপন কৰাৰ লগতে ধৰ্মপুথি পঢ়িবলৈ আৰম্ভ কৰে সেই সময়ত যুগ্ম জীৱনৰ পাতনি মেলা বাবেহে বৃদ্ধ দম্পতীৰ বিবাহে চৰ্চা লাভ কৰিছিল। এই বিবাহে আকৌ এবাৰ প্ৰমাণ কৰিলে মানুহে নিঃসংগ জীৱন-যাপন কৰাটো কাম্য নহয়। নিঃসংগতাই মানুহক লাহে লাহে আমুৱাবলৈ ধৰে। নিংসগ জীৱনৰ পৰিধিৰ পৰা নিজকে মুক্ত কৰিবলৈ সকলোৱে চেষ্টা কৰে।

প্ৰতিগৰাকী ব্যক্তিৰে এগৰাকী সংগীৰ প্ৰয়োজন। মানুহে যেতিয়াৰে পৰা সমাজ পাতি বাস কৰিবলৈ শিকিলে তেতিয়াৰে পৰাই সংগীৰ প্ৰয়োজন অনুভৱ

কৰিলে। কাৰণ সংগী অবিহনে পৰিয়াল পাতি বসবাস কৰাটো সম্ভৱ নহয়। আডামৰ জন্মৰ সময়ত ইভৰ সৃষ্টিৰ মূলতে আছিল নিঃসংগতাৰ পৰা মানৱক মুক্তি দিয়াতো। সংগী বিচৰাটো কেৱল মানুহৰে প্ৰবৃত্তি নহয়, জীৱ-জন্তুৰো একেই ছবি ফুটি উঠে। এটা ছাগলী পোৱালি পথাৰত এৰাল দিলে বেবাবলৈ ধৰে কিয় ? নিশ্চয় মাকক বিচাৰে। কাৰণ পোৱালিটোৱে অকলশৰে থাকিব নোৱাৰে। মানুহে নিঃসংগতা কামনা নকৰিলেও কিছুমান লোকৰ জীৱনলৈ নিজৰ অজ্ঞাতেই আহে। প্ৰথমতে কোনো কাৰণত নিঃসংগতা উপভোগ কৰিলেও পাছত ই অভিশাপস্বৰূপ হৈ পৰে। লাহে লাহে দুৰ্বিষহ জীৱন অতিবাহিত কৰিবলগীয়া হয়।

নিঃসংগ জীৱন বহুপৰিমাণে সমাজ ব্যৱস্থাৰ ওপৰতো নিৰ্ভৰ কৰে। যিবোৰ সমাজত একক পৰিয়ালৰ সংখ্যা বেছি তাত নিঃসংগতাৰ চিকাৰ হোৱা ব্যক্তিৰ সংখ্যাও অধিক। সাধাৰণতে পশ্চিমীয়া দেশসমূহত প্ৰচলিত সমাজ ব্যৱস্থাই এজন ব্যক্তিক প্ৰৌঢ়কালত নিঃসংগ হ'বলৈ বাধ্য কৰায়। বৃদ্ধাশ্ৰম হৈ পৰে অন্তিম ঠিকনা। কিন্তু বৃদ্ধাশ্ৰমত যিমানেই ঘৰুৱা পৰিৱেশৰ সৃষ্টি নকৰক কিয়— তাৰ মাজতে কিবা এটা অভাৱ অনুভৱ কৰে। সন্তানৰ লগতে পৰিয়ালৰ আন সদস্যৰ পৰা আঁতৰি থাকিবলগীয়া হোৱাৰ মনোবেদনা কেনেকুৱা হ'ব পাৰে। সেয়া ভুক্তভোগীৰ বাহিৰে আনে বুজিব নোৱাৰে।

নিঃসংগ জীৱন মানে দিশহাৰা জীৱন। এনে জীৱনৰ গতিপথ কোনফালে আগুৱাই সেয়া কোনোৱে অনুমান কৰিব নোৱাৰে। পদে পদে ৰিক্ততা অনুভৱ। জনঅৰণ্যৰ মাজত থাকিও অকলশৰীয়া জীৱন। চাৰিওফালৰ মানুহে যেতিয়া হাঁহে নিঃসংগজনে তেতিয়া হাঁহিব নে কান্দিব সেয়া নিজেই নাজানে।

নিঃসংগ জীৱনৰ পৰিণাম কি হ'ব পাৰে সেয়া নেপোলিয়ন বোনাপাৰ্ট, মাইকেল জেকচন, মেৰিলিন মনৰো, মধুবালা, মীনা কুমাৰী, পাৰবীন ববী, ৰেখা, ৰাজেশ খান্নাই জ্বলন্ত উদাহৰণ। নিঃসংগতাই জীৱনৰ গতিপথ স্তব্ধ কৰি দিয়ে। জীৱনটো এফালৰ পৰা পক্ষাঘাত ৰোগত আক্ৰান্ত হোৱা ৰোগীৰ দৰে কৰি তোলে। জীৱনটো অকামিলা কৰিবলৈ ধৰে।

জীৱনটো উপভোগ কৰিবলৈ সংগীৰ প্ৰয়োজন। মানুহে কেৱল যৌন ক্ষুধা নিবাৰণৰ বাবে সংগী নিবিচাৰে। জীৱনৰ প্ৰতিটো খোজতে বিপদে-আপদে

সহায় কৰিবলৈ এগৰাকী সংগীৰ প্ৰয়োজন। কেতিয়াও যাতে জীয়াই থকাৰ অৰ্থ বিচাৰি নোপোৱা নহয় তাৰ বাবে সকলোৱে জীৱন লগৰী বিচাৰে। জীৱনৰ অন্তিম কালছোৱাত যাতে পতি-পত্নীয়ে পৰস্পৰৰ সংগী হ'ব পাৰে, সেই উদ্দেশ্যেই এগৰাকী সংগী বিচাৰে। যদি কোনো কাৰণত সন্তানে আঁতৰি যায় অথবা বেলেগে থাকিবলগীয়া হয় তেন্তে তেতিয়া পৰস্পৰৰ সংগী হ'বলৈ প্ৰয়োজন জীৱন লগৰীৰ।

জীৱন সংগী বিচৰাৰ ক্ষেত্ৰত বয়স কেতিয়াও প্ৰাচীৰ হ'ব নোৱাৰে। জীৱনৰ আদিছোৱা কাল অকলশৰে থাকিও বিয়লি বেলাত জীৱন সংগী বিচৰা লোকো আছে আমাৰ সমাজত। বয়স নহয়, মনৰ মিলনহে আচল কথা। প্ৰেম, মৰম, ভালপোৱাত বয়স গৌণ, দুখন হৃদয় এখন হোৱাটোহে গুৰুত্বপূৰ্ণ বিষয়। জীৱনটোৰ অৰ্থ ইতিবাচক কৰিবলৈ বিয়লি বেলাতো বিচাৰে জীৱন সংগী। কোনোবা এজনে মনে বিচৰা সংগী পায় আৰু আন কোনোজনে নিঃসংগ হৈয়ে এই পৃথিৱীৰ পৰা আঁতৰি যায়।

# উত্তৰ-পূৰ্বাঞ্চলৰ লোক বৈষম্যৰ বলি কিয় ?

'মাই হাৰ্ট গউজ উইথ দ্য পিপল অৱ আছাম।' ১৯৬২ৰ চীনা যুদ্ধৰ সময়ত ভাৰতৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে অসম প্ৰসংগত কৰা মন্তব্যৰ পৰাই বুজিব পাৰি অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতি দিল্লীৰ কেনে মনোভাব। মহাভাৰতৰ যুগৰ পৰাই ভাৰতৰ অংগৰাজ্য হিচাপে অসমে এক বিশেষ স্থান লাভ কৰি আহিছে। ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰাই ভাৰতীয় ভূ-খণ্ডৰ আন ৰাজ্যৰ দৰে অসমৰ ভূমিও সংলগ্ন হৈ আছে। ভাৰতীয় সংবিধানেও অসমক সামৰি লৈছে। এগৰাকী ভাৰতীয় নাগৰিক হিচাপে অসম তথা উত্তৰ-পূৰ্বাঞ্চলবাসীয়ে সকলো অধিকাৰ সাব্যস্ত কৰিব পাৰে। তৎসত্ত্বেও দিল্লীয়ে সদায় উত্তৰ-পূৰ্বাঞ্চলবাসীক বঞ্চনা কৰি অহাৰ অভিযোগ উত্থাপিত হৈ আহিছে। নেহৰুৰ দিনৰ পৰা উত্থাপিত হৈ অহাৰ অভিযোগ আজিও অব্যাহত। আজিও দিল্লীৰ বাবে অসমখন জংঘল, হাবিৰে পৰিপূৰ্ণ এক ভূখণ্ড। ইয়াৰ লোকসকল বৰ্বৰ, অশিক্ষিত। চহা জীৱন-যাপন কৰা লোকৰ ৰাজ্য। ইয়াৰ লোকসকল বৰ্বৰ। সন্ত্ৰাসবাদীৰ ৰাজ্য। সেইবাবেই হয়তো স্বাধীনতা আন্দোলনৰ পাছতো এই

ৰাজ্যখনৰ উন্নতি যি ধৰণে হ'ব লাগিছিল সেইদৰে নহ'ল। এনে মানসিকতাৰ বাবে অসমত বৃহৎ বৃহৎ উদ্যোগপতিয়ে বিনিয়োগ কৰিব নোখোজে। কোনো এখন দেশ বা ৰাজ্যৰ উন্নতি ভালেখিনি নিৰ্ভৰ কৰে বিনিয়োগৰ ওপৰত।

উত্তৰ-পূৰ্বাঞ্চলৰ জনসাধাৰণক লৈ দেশখনৰ আন অঞ্চলৰ লোকসকলে প্ৰদৰ্শন কৰা বৈষম্যমূলক আচৰণ এয়াই প্ৰথম নহয়। উত্তৰ-পূৰ্বাঞ্চলৰ ছাত্ৰ-ছাত্ৰীয়ে বেছিকৈ বৈষম্যৰ বলি হৈছে দেশৰ ৰাজধানী চহৰখনত। যুৱক-যুৱতীক দুৰ্ব্যৱহাৰ কৰা, শাৰীৰিক মানসিক নিৰ্যাতন চলোৱাৰ ঘটনা এতিয়া প্ৰায়েই সংঘটিত হৈ আছে। ৰাজপথতে যুৱতীৰ শ্লীলতা হানি, বলৎকাৰৰ ঘটনা এতিয়া কেৱল দিল্লী চহৰখনতেই অস্বাভাৱিকভাৱে সংঘটিত হ'বলৈ ধৰিছে। উত্তৰ-পূৰ্বাঞ্চলৰ যুৱক-যুৱতীক নৃশংসভাৱে হত্যা কৰাৰ ঘটনা অতি সম্প্ৰতি বৃদ্ধি পাইছে। ছাত্ৰ-ছাত্ৰীক আক্ৰমণৰ ঘটনা উদ্বেগজনকভাৱে বৃদ্ধি পোৱা সত্বেও ৰাজধানী চহৰখনত প্ৰতিৰোধৰ বাবে কোনো কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। ২০১৩-১৪ বৰ্ষত দিল্লীৰ মাজ-মজিয়াতে অসমৰ বেছি সংখ্যক ল'ৰা-ছোৱালী আক্ৰমণৰ বলি হৈছে। আনহাতে, অসমৰ ছোৱালীক দিল্লীৰ 'চিংকি' বুলি জোকোৱাৰ তাচ্ছিল্য কৰাৰ ঘটনাও সঘনাই ঘটি আহিছে। তৃতীয় শ্ৰেণীৰ নাগৰিকৰ দৰে ব্যৱহাৰ কৰাৰ ফলত দিল্লী আৰু উত্তৰ-পূৰ্বাঞ্চলৰ লোকৰ মাজত ব্যৱধান বৃদ্ধি পাইছে। জংঘলৰ পৰা ওলাই অহা জীৱ-জন্তু বুলি গণ্য কৰে উত্তৰ-পূৰ্বাঞ্চলৰ লোকসকলক। সেইবাবে ৰাস্তা-ঘাটত এনেদৰে জোকায় বা ইতিকিং কৰে।

উত্তৰ-পূবক লৈ দীৰ্ঘদিন ধৰি কেন্দ্ৰীয় চৰকাৰে মাহী আইৰ দৃষ্টিভংগী গ্ৰহণ কৰা বুলি অভিযোগ উত্থাপিত হৈ আহিছে। উদ্যোগ নীতিৰ পৰা আৰম্ভ কৰি শিক্ষা, কৃষি, স্বাস্থ্য সকলো ক্ষেত্ৰতে প্ৰতিখন চৰকাৰে বঞ্চিত কৰা অভিযোগৰ ছবিখন প্ৰতিটো ক্ষেত্ৰতেই ফুটি উঠিছে। পূৰ্বৰ তুলনাত বিগত কিছু বছৰত এই ছবিখনৰ কিছু উন্নতি ঘটিছে যদিও সম্প্ৰতি অভিযোগ সদায় উত্থাপিত হৈয়ে আহিছে। ইয়াক বহুতে ৰাজনীতিৰ পাশাখেল বুলি ক'ব খোজে যদিও কাৰ্যক্ষেত্ৰত প্ৰতিফলিত ছবিখন সকলোৰে বোধগম্য। অৱশ্যে প্ৰায়ভাগ আঁচনিয়েই আগতে অসমক ঢুকি নোপোৱাৰ ফলত বহু ক্ষেত্ৰত পিছ পৰি নথকাকৈও থকা নাই। আঁচনিৰ ধন একাংশ লোকে মাজতে উদৰস্থ কৰাত যে এনে হ'বলৈ পাইছে

সেয়া ধ্ৰুপ। তদুপৰি উত্তৰ-পূৰ্বাঞ্চলৰ বহুতো উদ্যোগ ধ্বংস হোৱাৰ মূলতে হ'ল দিল্লীৱালাৰ ষড়যন্ত্ৰ।

উত্তৰ-পূৰ্বাঞ্চলৰ লোকসকলক যে কেৱল দিল্লীয়ে অৱহেলা কৰে তেনে নহয়, সুযোগ পালেই আন ৰাজ্যৰ লোকেও আক্ৰমণ কৰে। বিহাৰৰ মাজেদি যোৱা ৰে'লত উত্তৰ-পূবৰ লোক বুলি জানিলেই আক্ৰমণ আৰম্ভ কৰাৰ ঘটনা প্ৰায়েই শুনিবলৈ পোৱা যায়। আনকি ৰে'লৰ পৰা গতিয়াই মৃত্যু মুখলৈ ঠেলি দিয়া ঘটনাও সংঘটিত হোৱাৰ নজিৰ আছে। অসমত যেনেকৈ সময়ে সময়ে বিহাৰী সম্প্ৰদায়ৰ লোকক লক্ষ্য কৰি উগ্ৰপন্থী সংগঠনেই হওক অথবা আন সংগঠনে আক্ৰমণ কৰা ঘটনাৰ প্ৰতিক্ৰিয়া হয় বিহাৰত। অৱশ্যে বিহাৰত অসমীয়াৰ ওপৰত যি হাৰত আক্ৰমণ চলাই আহিছে তেনে ঘটনাই সচেতন লোকসকলক চিন্তিত কৰি তুলিছে। একাংশ সমাজবিৰোধী চক্ৰই এনে কাৰ্য সংঘটিত কৰি আহিছে। সেইবাবে সদায় বদনাম হৈছে বিহাৰী সম্প্ৰদায়টোৰ।

২০১৩ বৰ্ষত পূৰ্বে বাংগালুৰুৰ পৰা হেজাৰ হেজাৰ অসমীয়া লোক ঘূৰি আহিছিল অত্যাচাৰত তিষ্ঠিব নোৱাৰি। বিশেষকৈ প্ৰাইভেট কোম্পানী আদিত কৰ্মৰত শ্ৰমিকসকলে পলাই আহি প্ৰাণ ৰক্ষা কৰিছিল। ষ্টেচনলৈ ঢাপলি মেলিছিল হেজাৰ হেজাৰ লোক। অৱশ্যে পাছত পৰিস্থিতি শান্ত হয়। এতিয়া ভাৰতৰ বিভিন্ন ৰাজ্যলৈ কাম কৰিবলৈ যোৱা অসমীয়া লোকৰ ৰহস্যজনকভাবে মৃত্যু হোৱাৰ ঘটনা সংঘটিত হৈ আছে।

# নৱপ্ৰজন্ম আৰু ফেচবুক

আজিকালি ৰাস্তা-ঘাট, চিটিবাছ, পাৰ্ক, বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয় আদিত শতকৰা নব্বৈ শতাংশৰ হাতত দেখা যায় ম'বাইল ফোন। কাৰোবাৰ হাতত সাধাৰণ আৰু প্ৰায় ভাগৰেই হাতত থাকে দামী ম'বাইল। এইসকল ম'বাইল ফোন ব্যৱহাৰকাৰীৰ অধিকাংশই হ'ল পিতৃ-মাতৃ অথবা অভিভাৱকৰ ওপৰত নিৰ্ভৰশীল। হোৱাতো স্বাভাৱিক কথা। কাৰণ ছাত্ৰাৱস্থাত ৯৯ শতাংশৰ নাথাকে উপাৰ্জন। মাত্ৰ এক শতাংশই উপাৰ্জন কৰি পঢ়ে। কিন্তু 'আদাক দেখি উঠিল গা কেতুৰীয়ে বোলে মোকো খা'ৰ লেখীয়াকৈ আনক দেখুৱাহ হাতত ম'বাইলটো নল'লে এতিয়া আৰু তথাকথিত স্মাৰ্ট শব্দটো ব্যৱহাৰ নকৰে বুলি ভবা যুৱক-যুৱতীৰ সংখ্যাই অধিক। ম'বাইল ফোনৰ ব্যৱহাৰে পৃথিৱীখনক সংকুচিত কৰিলেও ইয়াৰ অপপ্ৰয়োগে যুৱ প্ৰজন্মক ধ্বংখমুখী কৰি তুলিছে। বিশেষকৈ ম'বাইলত যেতিয়াৰে পৰা 'ফেচবুক' উপলব্ধ হ'বলৈ ধৰিছে তেতিয়াৰে পৰা যুৱ প্ৰজন্মৰ মাজত অপৰাধজনিত ঘটনা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। ফেচবুকৰ জৰিয়তে অচিনাকি এজনৰ লগত চিনাকি হোৱা আৰু তাৰ পৰাই আৰম্ভ হোৱা ঘটনা প্ৰবাহে ৰাজ্যবাসীক জোকাৰি গৈছে। কাৰণ বিগত এটা বৰ্ষত যুৱক-যুৱতীসকলে সংঘটিত কৰা অপৰাধজনিত ঘটনাসমূহৰ কাৰণ বিশ্লেষণ কৰিলে দেখা যায় যে ইয়াৰ মূলতে ফেচবুক। সমগ্ৰ বিশ্বতে ফেচবুক জনপ্ৰিয় হৈছে। ইয়াৰ ব্যৱহাৰে পৃথিৱীখনক আৰু অধিক সংকুচিত কৰিছে যদিও সম্প্ৰতি

ফেচবুকৰ অপব্যৱহাৰ হোৱাহে দেখা গৈছে। বিশেষকৈ যুৱক-যুৱতীসকলৰ অধিকাংশই ফেচবুকক 'লাভবুক'লৈ পৰ্যবসিত কৰিছে। এইসকলৰ বাবে এতিয়া ফেচবুক হ'ল প্ৰেমৰ আদান-প্ৰদানৰ অন্যতম সুৰক্ষিত মাধ্যম। পিতৃ-মাতৃৰ লগতে পৰিয়ালৰ আন সদস্য বা অভিভাৱকৰ চকুত ধূলি মাৰি দিনটোৰ বেছিভাগ সময় ব্যস্ত থাকে প্ৰেমৰ শব্দ বিনিময়ত। এতিয়া টিভিয়েই হওক অথবা ছপা মাধ্যমেই হওক প্ৰতিদিনে একো একোটা ফেচবুকৰ বাবে সংঘটিত ঘটনাৰ বিষয়ে প্ৰকাশ পাই থকা দেখিবলৈ পোৱা যায়। আনকি কিছুমানে এদিন বা দুদিনৰ চিনাকিৰ পাছতেই প্ৰেমিকৰ স'তে পলাই যোৱাৰ বাতৰিও প্ৰকাশ পাইছে।

ফেচবুকত দিয়া মানুহজনৰ ছবিখন আৰু পৰিচয় প্ৰকৃত হয় নে নহয় সেয়া অনুমান কৰাতো টান হৈ পৰিছে। বহুতেই অপৰাধজনিত ঘটনা সংঘটিত কৰিবলৈ ভুৱা একাউণ্ট খুলিছে। এইসকলৰ লক্ষ্য ঠগ-প্ৰৱঞ্চনাৰে ধন সংগ্ৰহ কৰা, নাৰী সৰবৰাহকাৰীৰ হাতত কিশোৰী-যুৱতীসকলক তুলি দিয়া, বিক্ৰী কৰা, কেনেদৰে যুৱকসকলক নিচাযুক্ত দ্ৰব্যৰ প্ৰতি আকৰ্ষণ কৰিব পাৰে তাৰেই জাল ৰচনা কৰা। যিজন ব্যক্তিয়ে নিজৰ প্ৰকৃত পৰিচয়ৰ পৰিৱৰ্তে ভুৱা পৰিচয়ৰে একাউণ্ট খোলে তেওঁ সমাজত কি কৰিব নোৱাৰে? আজি প্ৰায়ভাগ কিশোৰ-কিশোৰী, যুৱক-যুৱতীৰ আত্মহত্যাৰ আঁৰৰ কাৰণ ফেচবুক। এই ফেচবুকৰ বাবেই বৃদ্ধি পাইছে অপহৰণজনিত ঘটনা। আনকি পৰীক্ষা ফলাফলৰ ক্ষেত্ৰতো ফেচবুকৰ প্ৰভাৱ পৰা বুলি একাংশ লোকে অভিযোগ উত্থাপন কৰা শুনিবলৈ পোৱা যায়।

আগতে উল্লেখ কৰিছো যে ফেচবুকৰ ব্যৱহাৰে আমাক উন্নতিৰ ক্ষেত্ৰত আৰু এখোজ আগুৱাই নিছে। বহুতে হেৰোৱাজনক দীৰ্ঘদিনৰ পাছত ঘূৰাই পাইছে। পুনৰ মিলন হৈছে বহুতৰে। প্ৰায়ভাগ ক্ষেত্ৰতেই উপকাৰ হৈছে। কিন্তু এইবিধ ছ'চিয়েল নেটৱৰ্কৰ জৰিয়তে যিমান উপকাৰ হৈছে তাতোকৈ যুৱ সমাজৰ অপকাৰ কম হোৱা নাই। এটা প্ৰজন্মক এলেহুৱা কৰিবলৈ ওলাইছে। সকলোৰে মনত ৰখা উচিত ফেচবুক খোলাতো ডাঙৰ কথা নহয়, ইয়াৰ সদ্ব্যৱহাৰ কৰাটোহে একপ্ৰকাৰ প্ৰত্যাহ্বান। ই পিছে খেলাৰ সামগ্ৰী নহয়— যিসকলে 'টাইম পাছ' অথবা খেলাৰ সামগ্ৰী হিচাপে গ্ৰহণ কৰিছে তেওঁলোকৰ বাবে ফেচবুক অনৰ্থক প্ৰতিগৰাকী পিতৃ-মাতৃ আৰু অভিভাৱকে সন্তানক বুজনি দিয়া উচিত যে সকলোৰে ব্যৱহাৰ সীমিত নহ'লে বিপদ নিজৰেই হ'ব।

# ৰাজনৈতিক হত্যাকাণ্ড

*(ৰাছিয়াৰ বিৰোধী নেতাক*
*হত্যা আৰু এগৰাকী সুন্দৰী)*

কেবাবছৰ শান্ত হৈ থকা ৰাছিয়াত আকৌ এবাৰ এগৰাকী সুন্দৰী যুৱতীয়ে ‘ছুপাৰ চাইক্ল’ন’ৰ সৃষ্টি কৰিলে ৰাছিয়াত। এই দেশখনৰ ৰাজনৈতিক ইতিহাসৰ পৃষ্ঠা মেলি চালে সুন্দৰী মহিলাই ৰাজনৈতিক নেতাৰ হত্যাকাণ্ড আৰু বিদেশী ৰাষ্ট্ৰত ৰাছিয়াৰ হৈ গোপন তথ্য সংগ্ৰহত বিশেষ ভূমিকা গ্ৰহণ কৰা দেখা যায়। এইবাৰ ইউক্ৰেইনৰ মডেল আন্না ডুৰিটছৰ নাম সাঙোৰ খাই পৰিছে ৰাছিয়াৰ বিৰোধী নেতা বৰিছ নেমট্ছভকৰ হত্যাকাণ্ডৰ স’তে। দেশখনৰ অন্যতম চৰ্চিত বিৰোধী নেতা বৰিছক অলপতে ৰাজপথতে দুৰ্বৃত্তই হত্যা কৰিছিল। ৰাছিয়াৰ প্ৰাক্তন উপ প্ৰধান মন্ত্ৰী বৰিছৰ হত্যাৰ পাছতে দেশখনত প্ৰতিবাদৰ জোৱাৰ উঠিল। উল্লেখ্য যে ক্ৰেমলিনৰ ওচৰত থকা এখন দলঙত দুৰ্বৃত্তই গুলিয়াই হত্যা কৰিছিল। ঘটনাটো সংঘটিত হোৱাৰ পাছতে ক্ষুব্ধ জনতাই ৰাজপথলৈ ওলাই আহি এই হত্যাকাণ্ডৰ আঁৰত ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিন জড়িত থকা বুলি শ্ল’গান দিছে। বৰিছৰ সমৰ্থকসকলে এয়া এক ৰাজনৈতিক হত্যাকাণ্ড বুলি আখ্যা দি সমগ্ৰ দেশতে প্ৰতিবাদৰ জোৱাৰ তোলে। ৰাষ্ট্ৰপতি পুটিনে বৰিছৰ মাতৃক

হত্যাকাৰীক গ্ৰেপ্তাৰ কৰি শাস্তি বিহিব বুলি প্ৰতিশ্ৰুতি দিলেও তেওঁক কোনোৱে বিশ্বাসত লোৱা নাছিল। ৬৫ বছৰীয়া বিৰোধী নেতাগৰাকীক কোনে কি পৰিস্থিতিত কেনেকৈ হত্যা কৰিলে সেয়া এক ৰহস্যৰ বিষয় হৈ পৰিছে। সকলোৰে মনত এই লৈ প্ৰশ্নই ভুমুকি মাৰি থকাৰ সময়তে এয়া আইছিছ, বকো হাৰাম অথবা আন কোনো সন্ত্ৰাসবাদীৰ কাৰ্য হ'ব পাৰে বুলি একাংশই সন্দেহ প্ৰকাশ কৰিছে। আন একাংশই আকৌ দেশখনৰ ৰাষ্ট্ৰপতি পুটিনৰ বিৰুদ্ধে অহৰহ প্ৰতিবাদ জনাই অহা বাবেই নিষ্কণ্টক হ'বলৈ পুটিনেই এনে হত্যাকাণ্ড সংঘটিত কৰিব পাৰে বুলি সন্দেহ কৰিছে।

এসময়ত ছোভিয়েট ইউনিয়নৰ অংশ ইউক্ৰেইনৰ স'তে বিগত সময়ছোৱাত খুব এটা ভাল সম্পৰ্ক নাছিল। কিন্তু দেশ দুখনৰ মাজত সদ্‌ভাৱ গঢ়ি তুলিবলৈ বৰিছে চেষ্টা অব্যাহত ৰাখিছিল। সেইবাবে হয়তো এই কথাত ক্ষুণ্ণ হৈ পৰিছিল বহু চোৰাংচোৰা সংস্থা কে জি বি। ৰুছ চোৰাংচোৰা সংস্থাটোৱে এই ক্ষেত্ৰত পথৰ কাঁইট আঁতৰাবলৈ ইউক্ৰেইনৰ মডেল আন্নাক ব্যৱহাৰ কৰাৰ কথাও অস্বীকাৰ কৰিব নোৱাৰি। কাৰণ এই চোৰাংচোৰা সংস্থাটোৱে সুন্দৰী মহিলাৰ জৰিয়তে বিশ্বত বহুতো শিহৰণকাৰী ঘটনা সংঘটিত কৰাৰ উদাহৰণ আছে। বৰিছৰ হত্যাকাণ্ডৰ পাছতেই আন্নাৰ নামটো সাঙোৰ খাই পৰাত এতিয়া কেৱল ৰহস্যৰহে সৃষ্টি কৰিছে। যদিহে এই মডেল গৰাকী বৰিছৰ হত্যাকাণ্ডত জড়িত থকাটো প্ৰমাণিত হয় তেনেহ'লে ৰাছিয়া ইউক্ৰেইনৰ মাজত থকা ৰাজনৈতিক সংঘাত পূৰ্বৰ তুলনাত বৃদ্ধি পোৱাতো নিশ্চিত। ৰাছিয়াৰ চোৰাংচোৰা সংস্থায়ো তাকেই বিচাৰে। কাৰণ কেজিবিয়ে দুয়োখন দেশৰ মাজত সুসম্পৰ্ক উন্নত কৰিবলৈ ভাৰতে যেতিয়া আগভাগ লয় তেতিয়া পাকিস্তানৰ চোৰাংচোৰা সংস্থা আই এছ আয়ে বিঘিনি জন্মোৱাৰ দৰে কেজিবিয়েও একেই পথকে অনুসৰণ কৰে। আই এছ আইৰ এজেণ্ট ভাৰতত পিয়াপি দি থকাৰ লেখীয়াকৈ কেজিবিৰ এজেণ্টেও বিশ্বৰ বিভিন্ন ঠাইত অৱস্থান কৰি আছে। অৱশ্যে বহু চোৰাংচোৰা সংস্থাটোৱে যিকোনো কাৰ্য সম্পাদন বিশেষকৈ ৰাজনৈতিক ঘটনা সংঘটিত কৰিবলৈ সুদৰী মহিলাক ইমানদিনে বব্যাহাৰ কৰি অহাৰ বিষয়ে সকলোৰে জ্ঞাত। এসময়ত মাতাহাৰি নামৰ সুন্দৰীগৰাকীয়ে বিশ্ববাসীৰ নিদ্ৰাহৰণ কৰিছিল। কাৰণ এইগৰাকী ৰুছ চোৰাংচোৰা সংস্থাৰ এজেণ্টে বিশ্বৰ বিভিন্ন ঠাইত ঘটনা সংঘটিত

কৰিবলৈ নাটক ৰচনাত পাকৈত আছিল। গতিকে বিৰোধী নেতা বৰিছ হত্যাৰ আঁৰত এই সংস্থাটোৰে হাত থকাৰ কথাতো অস্বীকাৰ কৰিব নোৱাৰি। কাৰণ হত্যাকাণ্ড সংঘটিত হোৱাৰ সময়ত মডেলগৰাকী সেই স্থানত কিয় উপস্থিত আছিল তাক লৈয়ো প্ৰশ্ন উত্থাপিত হৈছে। ইপিনে, ৰাষ্ট্ৰপতি পুটিনক ক্ষমতাচ্যুত কৰিবলৈ বৰিছে অহৰহ ৰাষ্ট্ৰপতি বিৰুদ্ধাচাৰণ কৰা বাবেও এনে হত্যাকাণ্ড সংঘটিত হোৱাৰ কথা নুই কৰিবও নোৱাৰি। কাৰণ এক সাক্ষাৎকাৰত বৰিছে এই শংকা প্ৰকাশ কৰি তেওঁক পুটিনে হত্যা কৰিব পাৰে বুলি কৈছিল। কাকো পৰে তালো সৰেৰ দৰে হ'লেও বিৰোধী নেতাজনৰ হত্যাৰ আঁৰত যে এক ৰাজনৈতিক ষড়যন্ত্ৰ নিহিত হৈ আছে সেয়া নিশ্চিত। নহ'লে ৭০ হেজাৰ লোকে হত্যাকাণ্ডৰ প্ৰতিবাদ জনাবলৈ ৰাজপথলৈ ওলাই আহিব কিয়? কে'বাবছৰ পূৰ্বে পাকিস্তানত দেশখনৰ সাধাৰণ নিৰ্বাচনৰ প্ৰাক্‌মুহূৰ্তত প্ৰাক্তন প্ৰধানমন্ত্ৰী তথা প্ৰধান বিৰোধী নেত্ৰী বেন্‌জিৰ ভূট্ট'ক ৰাজপথতে দুৰ্বৃত্তই হত্যা কৰিছিল। দেশখনৰ লগতে বিশ্বৰ প্ৰায়ভাগ দেশতে বেনিজৰ হত্যাৰ তদন্ত হ'ব লাগে বুলি দাবী উত্থাপিত হোৱাৰ লগতে গৰিহণা দিয়াৰ পাছতো আজিপৰ্যন্ত হত্যাকাণ্ডৰ ৰহস্য ভেদ নহ'ল। বৰিছৰ হত্যাকাণ্ডৰ তদন্তৰ একে পথেদিয়ে গতি নকৰেটো?

# তদন্তৰ নিৰ্দেশ মানেই সমস্যাৰ সমাধাননে !

নিতৌ ৰাজ্যখনৰ চৌদিশে সংঘটিত হৈ আহিছে বিভিন্ন ধৰণৰ ঘটনা। বিগত দুটা দশকত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত কিমানটা ঘটনা সংঘটিত হৈছে তাৰ প্ৰকৃত তথ্য পোৱাটো উজু নহয়। কাৰণ যিমান ঘটনা সংঘটিত হয় তাৰ অৰ্ধেকহে প্ৰকাশ পাইছে। বহুতো ঘটনা অপ্ৰকাশিত ৰূপতেই থাকি যায়। এইবোৰৰ হিচাপ ল'বলৈ আহৰি নাই। কৰ্মব্যস্ত জীৱনত কিছুমান কথা মনত ৰাখিব খুজিও নোৱাৰে। ভয়াৱহ, শোকাৱহ, নৃশংস হত্যাকাণ্ডৰ কথাই মানুহে সময়ত পাহৰি যায়।

যিকোনো ঘটনা এটা সংঘটিত হোৱাৰ পাছতেই প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। প্ৰতিবাদৰ ঢৌ ইমানেই প্ৰবল হৈ উঠে সেইবোৰ দেখিলে মনত এনে ভাবৰ সৃষ্টি হয় যেন ইয়াৰ প্ৰকৃত ৰহস্য ভেদ হ'ব। দোষীয়ে শাস্তি পাব। সমাজৰ পৰা এইবোৰ অসামাজিক কাৰ্য নোহোৱা হ'ব। ৰাজপথত বেনাৰ, ফেষ্টুন লৈ শ্ল'গান দিয়া লোকৰ অভাৱ নোহোৱা হয়। সংবাদ মাধ্যমৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ ৰাজপথতে শুই পৰে। ধৰ্ণা দিয়ে। দীৰ্ঘসময় কৰে পথ অৱৰোধ। স্মাৰক পত্ৰ দিয়ে। তালফাল লগোৱাৰ কেইদিনমানৰ পাছত ইয়াৰ ঢৌবোৰ লাহে লাহে নোহোৱা হ'বলৈ ধৰে। আনকি এসময়ত সকলোৰে অন্তৰ কঁপাই তোলা একো একোটা ঘটনাও সময়ৰ সোঁতত বিলীন হ'বলৈ ধৰে। কেতিয়াবা মনত পৰিলে দুই একোটা সংগঠনে বিষয়টোক লৈ চৰ্চা কৰে। আকৌ তল পৰে।

বিগত তিনিটা দশকত আন ৰাজ্যৰ কথা বাদেই অসমতেই ভয়াৱহ ঘটনা সংঘটিত হৈছে তাৰ হিচাপ নাই। ৰাজনৈতিক হত্যাকাণ্ডৰ পৰা ৰহস্যজনক মৃত্যু, দুৰ্ঘটনা, আত্মহত্যা, অপহৰণ, ধনদাবী, শ্লীলতা হানি, নৃশংস হত্যাকাণ্ড, দুৰ্নীতি, অনিয়ম আৰু যে ক'ত কিমান ঘটনা। এতিয়া এইবোৰ ঘটনা দৈনন্দিন জীৱনৰ অংশস্বৰূপ হৈ পৰিছে। কেতিয়া, কেনেকৈ ঘটনা সংঘটিত হয় সেই বিষয়ে

পূৰ্বানুমান কোনোৱে কৰিব নোৱাৰে যদিও কিছুমান ঘটনাৰ আনুষংগিক ঘটনা ৰাজিয়ে প্ৰমাণ কৰে যে এয়া পূৰ্ব পৰিকল্পিত।

দিল্লীৰ নায়না চাহানী, জেছিকালাল হত্যা, ডালিমী কাণ্ড, অসমৰ কৰবী-দূৱৰি হত্যাকাণ্ড আদিৰ ৰহস্য আজিও ভেদ নহ'ল। বিগত সময়ছোৱাত অসমত সংঘটিত এল অ'চি কেলেংকাৰি, কৃষি বীজ কেলেংকাৰি, ৰহস্যজনক অৱস্থাত কে'বাজনো ৰাজনৈতিক নেতাৰ মৃতদেহ উদ্ধাৰ, দুৰ্ঘটনা আদিৰ ৰহস্য সদায় ৰহস্য হৈয়ে থাকিল। কে'বাটাও ঘটনাৰ তদন্তৰ নিৰ্দেশ দিয়াৰ পাছতো আজিলৈ তাৰ প্ৰতিবেদন ৰাজহুৱা কৰা নহ'ল। ৰাইজে আচল ঘটনাৰ ভু নাপালে।

১৯৮৩ৰ পাছৰে পৰা অসমত কেবাটাও গোষ্ঠী সংঘৰ্ষৰ সৃষ্টি হ'ল। সাম্প্ৰদায়িক সংঘৰ্ষৰো সূত্ৰপাত ঘটিছে। হেজাৰ হেজাৰ লোকৰ মৃত্যু হ'ল। অঘৰী হ'ল লক্ষ লক্ষ নিৰীহ। আশ্ৰয় শিবিৰতেই বহুজনে পাৰ কৰিলে শৈশৱ, কৈশোৰ আৰু যৌৱন। গোহালিসদৃশ পৰিৱেশৰ মাজতেই জীৱন অতিবাহিত কৰিছে হেজাৰ হেজাৰ লোকে। কিন্তু কি কাৰণে আৰু কাৰ বাবে এইবোৰ ঘটনা সংঘটিত হ'বলৈ পালে তাৰ ৰহস্য কিন্তু এতিয়াও ভেদ হোৱা নাই। প্ৰায়ভাগ ঘটনাৰেই চৰকাৰে তদন্তৰ নিৰ্দেশ দিছে। জিলা প্ৰশাসন, মহকুমা প্ৰশাসনে বহুতো ঘটনাৰ তদন্ত কৰে। আৰক্ষী প্ৰশাসনেও তদন্তই কৰে। পিছে এই তদন্তৰ প্ৰতিবেদনৰ বিষয়ে কমসংখ্যক ৰাইজহে জ্ঞাত। তদন্তৰ গতি যিমান দীঘলীয়া হয় সিমানেই প্ৰকৃত দোষীয়ে সাৰি যোৱাৰ সুৰুঙা বিচাৰি পায়। সাক্ষ্যদাতাৰ ভাষ্য সলনি হয় বহুতো হেঁচাৰ বাবে। ৰাজনৈতিক চাপৰ বাবে বহুতো ঘটনাৰ তদন্ত আধাতেই সমাপ্ত হয়। প্ৰভাৱশালী নেতাই কোনো কাণ্ড সংঘটিত কৰা বুলি অভিযোগ উঠাৰ পাছতো আৰক্ষী থানাৰ ওচৰত থাকিলেও তেওঁক বিচাৰি নাপায় আটক কৰিবলৈ।

তদন্তৰ সময়ত 'প্ৰমাণ' গুৰুত্বপূৰ্ণ বিষয়। যিমানেই সোনকালে প্ৰমাণ লাভ কৰিব সিমানেই তদন্তই গতি লাভ কৰে। কিন্তু বহুক্ষেত্ৰত দেখা যায় সোনকালে তদন্ত কৰিলে প্ৰমাণ লাভ কৰাৰ সুযোগ থাকিলেও পলমকৈহে তদন্তৰ নিৰ্দেশ দিয়ে। তেতিয়া ঘটনাই অন্য ফালেহে ঢাল খায়। কেৱল ৰাইজক সন্তুষ্ট কৰিবলৈহে তদন্তৰ নাটক ৰচনা কৰে। ৰাইজে প্ৰায়েই অভিযোগ কৰে যে ঘটনা সংঘটিত হোৱাৰ পাছত সৃষ্টি হোৱা পৰিস্থিতি শান্ত কৰিবলৈ আৰু ৰাইজক আভুৱা-ভাঁৰিবলৈকে তদন্তৰ নিৰ্দেশ দিয়ে। তদন্তৰ নিৰ্দেশেই যেন সমস্যাৰ সমাধান সূত্ৰ।

# অপহৰণৰ আঁৰত

আজিকালি নিতৌ অপহৰণৰ কাণ্ড সংঘটিত হ'বলৈ ধৰিছে। উগ্ৰপন্থী সংগঠনৰ পৰা আৰম্ভ কৰি আত্মীয়ৰ দ্বাৰাও এই অপহৰণ কাণ্ড সংঘটিত হৈছে। অপহৰণ কৰি কাৰোবাক হত্যা কৰিছে আৰু আন কাৰোবাক মুক্তি দিছে। এই অপহৰণৰ শতকৰা ৯০ ভাগৰ ক্ষেত্ৰত অপহৰণকাৰীৰ মূল লক্ষ্য মুক্তিপণ দাবী। ১০ শতাংশৰ ক্ষেত্ৰত প্ৰেমজনিত বা পাৰিবাৰিক কাৰণ জড়িত থাকে। ইয়াৰ ভিতৰত কম সংখ্যক ঘটনা সংঘটিত হয় কোনো কাৰণ বা লক্ষ্য নোহোৱাকৈ। সম্প্ৰতি টিভিত প্ৰায়ে সম্প্ৰচাৰ হৈ থকা অপহৰণৰ বাতৰিয়েও একাংশ অপহৰণকাৰীক প্ৰভাৱান্বিত কৰে। ইয়াৰ প্ৰভাৱৰ বাবে আনকি কিশোৰ-কিশোৰীয়েও বন্ধু-বান্ধৱীক অপহৰণত জড়িত হৈ পৰাৰ বাতৰিও প্ৰচাৰ হৈছে। এনে ঘটনাই সৰ্বসাধাৰণক চিন্তান্বিত কৰি তুলিছে। কাৰণ কোনে কেতিয়া কাৰ দ্বাৰা অপহৃত হয় তাৰ নিশ্চয়তা নাই।

উগ্ৰপন্থী সংগঠনসমূহে মুক্তিপণ আদায় কৰিবলৈ অথবা সংগঠনৰ ধৃত সদস্যক মোকলাবলৈ এই কাৰ্য সংঘটিত কৰে। কেতিয়াবা আন কোনো দাবী মানিবলৈ চৰকাৰক বাধ্য কৰাবলৈও এনে কৰা দেখা যায়। কিন্তু আন কোনো লোক অপহৰণত জড়িত হৈ পৰিলে তাৰ স'তে বিনাকষ্টে অধিক ধন উপাৰ্জনৰ লক্ষ্য অন্তৰ্নিহিত হৈ থাকে। কেইদিনমান পূৰ্বে মহানগীৰৰ অতি ব্যস্ততাপূৰ্ণ অঞ্চল জু-ৰোড তিনিআলিৰ পৰা দিন দুপৰতে এখন মাৰুতি ভানৰ ডিকিত এটি কণমানি

শিশুক ভৰাই লৈ অপহৰণৰ চেষ্টা চলোৱাৰ ঘটনা সংঘটিত হোৱাৰ পাছত এতিয়া সকলোৱে শংকিত হৈ পৰিছে। কাৰণ স্কুললৈ যোৱা শিশুটি কেতিয়া কেনেকৈ অপহৰণকাৰীৰ কবলত পৰে তাৰ ঠিকনা নাই।

অপহৰণ কাণ্ডসমূহ বিশ্লেষণ কৰিলে দেখা যায় যে অধিকাংশ ঘটনাই সংঘটিত হয় কোনো পৰিচিত ব্যক্তিৰদ্বাৰা। পৰিচিত ব্যক্তিজন প্ৰত্যক্ষভাৱে অথবা পৰোক্ষভাৱে জড়িত হৈ পৰে। তৃতীয় পক্ষই অৰ্থাৎ পৰিচিত ব্যক্তিজনে মোটা অংকৰ বিনিময়ত এই কাৰ্য সংঘটিত কৰে। ধনৰ লোভত পৰি আনকি নিকট আত্মীয়কো অপহৰণ কৰা ঘটনা সংঘটিত হোৱাৰ নজিৰ আছে। অপহৃত ব্যক্তিজনৰ স'তে অপহৰণত জড়িত তৃতীয় ব্যক্তিজনৰ পূৰ্বৰ পৰাই চিনাকি থাকে। কেতিয়াবা আকৌ এনে ঘটনা সংঘটিত কৰাৰ উদ্দেশ্য আগত ৰাখিয়ে কিছুদিন আগৰে পৰা চিনাকি হৈ আত্মীয়তা গঢ়ি তোলে। কম দিনৰ ভিতৰতে বিভিন্ন কৌশলেৰে প্ৰিয়ভাজন হ'বলৈ চেষ্টা চলায় আৰু সকলো হয়। তাৰ পাছতে অতি কৌশলেৰে অপহৰণকাৰীৰ হাতত অপহৃত ব্যক্তিক গতাই দিয়ে।

সম্প্ৰতি একাংশ দুষ্ট প্ৰকৃতিৰ লোকৰ বাবে ধন ঘটাৰ অন্যতম উৎস হৈ পৰিছে অপহৰণ। এইসকলে মুক্তিপণ নাপালে অপহৃতক হত্যা কৰে। এই লোকসকলৰ ধন উপাৰ্জনৰ বাহিৰে আন কোনো উদ্দেশ্য নাথাকে। সাধাৰণতে কাম-বন নকৰি মদ, ভাং, ড্ৰাগছ আদি খোৱাৰ লগতে বিলাসী জীৱন কটাব খোজাসকলে এনে কাণ্ডত জড়িত হৈ পৰে। এইসকল লোক আন বহুতো অসামাজিক কাম কাজত লিপ্ত হৈ পৰে। সমাজত অশান্তি বিয়পোৱাৰ উদ্দেশ্যতকৈ ব্যক্তিগত স্বাৰ্থ পূৰণতহে গুৰুত্ব দিয়ে।

উগ্ৰপন্থী, জেহাদী, সন্ত্ৰাসবাদী সংগঠনৰ আমোঘ অস্ত্ৰ হ'ল অপহৰণ। সন্ত্ৰাসবাদীসকলে অপহৰণ কৰি হত্যা কৰা ছবি বা বাতৰি প্ৰকাশৰ জৰিয়তে বিশ্বত ত্ৰাস সৃষ্টি কৰিবলৈ এনে কাৰ্য সংঘটিত কৰে। জেহাদী সংগঠনসমূহে ধৰ্মীয় কঠোৰ নীতি-নিয়ম মানিবলৈ বাধ্য কৰোৱাৰ উদ্দেশ্যে অপহৰণ কৰে। এওঁলোকে ধন দাবীতকৈ ধৰ্মান্তৰকৰণতহে অধিক গুৰুত্ব দিয়ে। সন্ত্ৰাসবাদী সংগঠনে সাধাৰণ লোকৰ লগতে সেনাক অপহৰণ কৰাতো গুৰুত্ব দিয়ে। সন্ত্ৰাসবাদীৰ উদ্দেশ্য দেশৰ লগতে আন্তৰ্জাতিক পৰ্যায়ত সকলোকে অস্থিৰ কৰি ৰখা। সেইবাবে সকলো ঠাইতে ৰচে অপহৰণৰ 'নীল নক্সা'।

# যুৱ মানসিকতা-আত্মহত্যা

ভোগবাদী সমাজখনত আত্মহত্যাজনিত ঘটনা অভাবনীয়ভাৱে বৃদ্ধি পাবলৈ ধৰিছে। মানুহে যিমানে আধুনিক সভ্যতাৰ মাপকাঠিৰে আগুৱাই যোৱাৰ প্ৰৱণতা বৃদ্ধি পাইছে সিমানেই জীৱনৰ প্ৰতি মোহ, ভালপোৱা আদি শব্দবোৰ যেন হেৰাই গৈছে। নিজক ভাল পাব নজনা মানুহ এজনে আনকো যে ভাল পাব নোৱাৰে সেই কথা উপলব্ধি কৰা লোকৰ এতিয়া অভাৱ। সকলোৱে বিচাৰে নিজেই শ্ৰেষ্ঠৰ আসনত বহক। যিটো বিচাৰিছে সেয়া লাভ কৰি এটি সুন্দৰ জীৱন যাপন কৰক। কিন্তু মানুহে যে বিচাৰিলেই সকলো বস্তু লাভ কৰিব নোৱাৰে সেই কথা পাহৰি গৈছে। এতিয়া সমাজখনত আত্মকেন্দ্ৰিক লোকৰ সংখ্যাই বেছি। কম বয়সীয়া ল'ৰা-ছোৱালীৰ পৰা আৰম্ভ কৰি বয়স্কলৈকে সকলোৰে মনত এনে প্ৰৱণতাই গা কৰি উঠা দেখা যায়। কিন্তু এনে আত্মকেন্দ্ৰিক মানসিকতাই পিছে মানুহৰ সহনশীল ক্ষমতা হ্ৰাস কৰিছে। সেইবাবেই হতাশাও হৈ পৰিছে জীৱন লগৰী। সাধাৰণ কথা একোটাক লৈয়ে আজিকালি মানুহে হতাশগ্ৰস্ত হয়। হতাশগ্ৰস্ত লোকৰ সন্মুখত ভাহি থাকে এখন নেতিবাচক ছবি। এই ছবিখনৰ ৰেখাবোৰ যোৱা নালাগে। যিফালৰ পৰাই অংকন নকৰক কিয় শেষ বিন্দু দেখা নাপায়। সেইবাবেই মনত আত্মহত্যাৰ প্ৰৱণতা জাগি উঠে। কিন্তু তেওঁলোকে নাজানে যে আত্মহত্যা সমস্যা সমাধানৰ অন্তিম সমাধান সূত্ৰ নহয়।

কোনোবাই যদি পৰীক্ষাত আশানুৰূপ ফলাফল লাভ কৰিব নোৱাৰি আত্মহত্যা কৰে, আন একাংশৰ আকৌ এই কাৰ্যৰ মূলতে প্ৰেমত ব্যৰ্থতা, পৰিয়ালৰ লগতে আন লোকৰ অত্যধিক চাপৰ বাবেও আত্মহত্যা কৰা লোকৰ সংখ্যা কম নহ'ব। শেহতীয়াভাৱে আত্মহত্যাৰ ঘটনা এনেদৰে বৃদ্ধি পাবলৈ ধৰিছে যে এয়া সকলোৰে বাবে চিন্তাৰ কাৰণ হৈ পৰিছে। টিভিটো খুলিলে, পুৱা বাতৰি কাকতখন হাতত তুলি ল'লৈই চকুত পৰে আত্মহত্যাৰ বাতৰি। এতিয়া বয়স্ক লোকতকৈ কিশোৰ-কিশোৰী, যুৱক-যুৱতীৰ মাজত আত্মহত্যাৰ ঘটনা বেছিকৈ

সংঘটিত হ'বলৈ ধৰিছে। সপ্তম-অষ্টম শ্ৰেণীৰ পৰা আৰম্ভ কৰি স্নাতকোত্তৰ শ্ৰেণীত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰ মাজত এনেধৰণৰ ঘটনা এটা দশকৰ আগলৈকে সিমান নাছিল যদিও এতিয়া পিছে নিতৌ এনে ধৰণৰ ঘটনা সংঘটিত হৈ থকাত বিষয়তো চিন্তনীয় হৈ পৰিছে।

এতিয়া যুৱ প্ৰজন্মৰ মাজত গা কৰি উঠা 'ফেচবুক' সংস্কৃতিৰ বাবেও নিতৌ আত্মহত্যাৰ ঘটনা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। ছাত্ৰ-ছাত্ৰীৰ হাতে হাতে দামী ম'বাইল ফোন উপলব্ধ হৈছে। শেহতীয়াভাৱে ৰাজ্যখনৰ বিভিন্ন ঠাইত যুৱক-যুৱতীৰ মাজত সংঘটিত আত্মহত্যাজনিত কাৰণৰ আদিতে এই ফেচবুক বুলি চৰ্চিত হৈছে। জীৱনবোধ সম্পৰ্কে ধাৰণা কৰাৰ আগতে প্ৰেমত মতলীয়া হৈ কোনো কাৰণত ব্যৰ্থ হ'লেই আত্মহত্যাৰ পথ বাছি লয়। প্ৰেমত ব্যৰ্থ হোৱা মানেই জীৱনটো অসাৰ বুলি ভাবে। জীৱনটো অন্ধকাৰ হোৱা বুলি ভাবিয়েই এনে সিদ্ধান্ত গ্ৰহণ কৰে। আনহাতে, পিতৃ-মাতৃ অথবা অভিভাৱকসকলৰ অত্যধিক চাপৰ বাবেও এনে ধৰণৰ ঘটনা সংঘটিত হৈছে। কোমল মনটোৱে অত্যধিক চাপ সহ্য কৰিব নোৱাৰি এনে চাপৰ পৰা মুক্তি লাভৰ লগতে পিতৃ-মাতৃৰ অশান্তি আঁতৰ কৰিবলৈ আত্মহত্যাৰ পথ বাছি লয়। সন্তানে যদি পৰীক্ষাত ভাল ফলাফল দেখুৱাব পৰা নাই অথবা আন ক্ষেত্ৰতো পাৰদৰ্শিতা দেখুৱাব পৰা নাই তেনেহ'লে অপ্ৰয়োজনীয়ভাৱে গালি-গালাজ কৰি থকাৰ ফলত এনে ঘটনা সংঘটিত হৈ আহিছে।

সন্তানক প্ৰয়োজনতকৈ বেছি প্ৰাধান্যতা দিয়া বাবেও আত্মহত্যাৰ ঘটনাই নহয় অপৰাধজনিত ঘটনাও বৃদ্ধি পাইছে। পিতৃ-মাতৃয়ে নিজকে সমাজত ধনী বা প্ৰভাৱশালী ব্যক্তি বুলি জহাবলৈ সন্তানৰ হাতত বেছিকৈ টকা-পইচা দিয়া, ঘূৰা-ফুৰা, লাহ-বিলাসিতাৰ অবাধ সুযোগ দিয়াৰ ফলত উপভোগৰ প্ৰৱণতা বৃদ্ধি পাইছে। উপভোগ মানেই বিপৰীত লিংগৰ স'তে শাৰীৰিক-মানসিক সম্পৰ্ক স্থাপন কৰাটোৱে বুজে। সেইবাবে এনে কাৰ্যত ব্যাঘাত জন্মিলে অথবা বিপৰীত পক্ষৰ পৰা প্ৰেমৰ সম্পৰ্ক ছেদ কৰিলে আত্মহত্যা কৰে। তদুপৰি প্ৰতিযোগিতাৰ যুগত যদি নিজে বিচৰা ধৰণে কেৰিয়াৰ গঢ়িব নোৱাৰে তেনেহ'লে জীৱনটো ব্যৰ্থ বুলি ভাবিয়ে আত্মহত্যাৰ পথ বিচাৰি লয়। যদিহে ছাত্ৰ-ছাত্ৰী মাজত ফেচবুক আৰু ম'বাইল ফোনৰ ব্যৱহাৰ সীমিত কৰিব পৰা যায় তেন্তে আত্মহত্যাৰ ঘটনাও বহুখিনি হ্ৰাস পাব।

# ৰাজপথত
# মৃত্যুৰ কিৰীলি

ভাৰতত প্ৰতি দুই মিনিটত একোটি দুৰ্ঘটনা সংঘটিত হয়। অসমতো গড়ে কুৰিটাতকৈ কম দুৰ্ঘটনা নহয়। দুৰ্ঘটনাসমূহৰ ভিতৰত পথ দুৰ্ঘটনাতেই আটাইতকৈ বেছি লোকৰ মৃত্যু হয়। পথ দুৰ্ঘটনাত সাধাৰণতে মস্তিষ্কত আঘাত পোৱাৰ ফলতেই মৃত্যু ঘটে। ইয়াৰ আকৌ প্ৰধান কাৰণ হ'ল হেলমেট পৰিধান নকৰাটো। আজিকালি প্ৰায়ভাগ কিশোৰ-কিশোৰীয়ে হেলমেট পৰিধান নকৰাকৈ দুচকীয়া বাহন চলায়। আইনমতে হেলমেট পিন্ধি দুচকীয়া বাহন নচলালে জৰিমনা বিহিব লাগে। কিন্তু এনে জৰিমনাকো একাংশই কেৰেপ নকৰে। মাক-দেউতাকৰ পৰা অনা পৰ্যাপ্ত ধন পকেটত থাকে বাবে জৰিমনা দিবলৈও প্ৰস্তুত। হেলমেট পৰিধান নকৰাটে 'ফেশ্বন' বুলি ভাবে। এনে ফেশ্বনে যে মৃত্যুমুখলৈ ঠেলি পঠিয়াব পাৰে সেই কথা পিছে ভাবি নাচায়।

সমগ্ৰ বিশ্বতে বছৰি ১.২৪ নিযুত লোক পথ দুৰ্ঘটনাত পতিত হয়। ভাৰতবৰ্ষত ১ লাখ ৪০ হাজাৰ লোকৰ পথ দুৰ্ঘটনাত নিহত হোৱাৰ পৰা এটা কথা স্পষ্ট হৈ পৰিছে যে বিশ্বৰ ভিতৰত সৰ্বাধিক ভাৰততে দুৰ্ঘটনাগ্ৰস্ত হৈ

মৃত্যুমুখত পৰে। অসমত যিমান লোক দুৰ্ঘটনাত পতিত হয় তাৰে ৫০ শতাংশই মৃত্যু হয়। এওঁলোকৰ ভিতৰত এক তৃতীয়াংশৰ মৃত্যু হয় হস্পিতাললৈ নিয়াৰ পথত।

পথ দুৰ্ঘটনা নিতৌ সংঘটিত হৈ আছে। কিমান লোকৰ মৃত্যুৰ বাতৰি প্ৰকাশ নোপোৱাকৈ থাকে তাৰ কোনো হিচাপ নাথাকে। হিচাপ থাকে মাথোঁ মৃতকৰ পৰিয়ালৰ। পথ দুৰ্ঘটনাই একোটা পৰিয়াল উচন কৰে। বহুতো পৰিয়াল নিঃশেষ হৈ যায়। উপাৰ্জনক্ষম কোনো এজন সদস্য অথবা পৰিয়ালৰ মুৰব্বীজনৰ মৃত্যু হ'লে কিমান সমস্যাৰ লগতে ক্ষতিৰ সন্মুখীন হ'বলগীয়া হয় সেয়া ভুক্তভোগী পৰিয়ালৰ বাহিৰে আনে বুজি নাপাব। একোটা পৰিয়ালৰ যে খোৱা-বোৱাতেই সমস্যা হয় তেনে নহয়, সমান্তৰালভাৱে সন্তানৰ বা আন সদস্যৰো জীৱন নিৰ্বাহতো ব্যাঘাত জন্মে। কিছুমানে আকৌ সময়মতে ছোৱালীক বিয়া দিব নোৱাৰাৰ ফলত পৰৱৰ্তী সময়ত যি জটিল সমস্যাৰ সন্মুখীন হ'বলগীয়া হয় সেয়া বৰ্ণনা কৰাতো উজু নহয়।

পথ দুৰ্ঘটনাৰ পৰোক্ষ প্ৰভাৱ পৰে অৰ্থনীতিৰ ওপৰতো। কৰ্মক্ষম শ্ৰেণীৰ বিশেষকৈ ১৫-৫০ বছৰৰ ভিতৰৰ লোক বেছিকৈ দুৰ্ঘটনাত আক্ৰান্ত হৈ মৃত্যুমুখত পৰে। বছৰি ভাৰতৰ কে'বা হেজাৰ কোটি টকা লোকচান হয় কেৱল পথ দুৰ্ঘটনাৰ ফলত। এনে ধৰণৰ দুৰ্ঘটনাই দেশৰ অৰ্থনীতিত কু-প্ৰভাৱ পেলোৱাৰ পাছতো বিষয়টো সন্দৰ্ভত প্ৰায়ভাগ লোকেই গুৰুত্ব প্ৰদান নকৰে। বিশ্ব স্বাস্থ্য সংস্থাৰ তথ্যমতে, ২০২০ত সমগ্ৰ বিশ্বতে মৃত্যুৰ কাৰণৰ তালিকাত শীৰ্ষস্থানত থাকিব পথ দুৰ্ঘটনা। আমি সততে ভয়াৱহ কেঞ্চাৰ, ডায়েবেটিছ, হেপাটাইটিছ-বি, এইডচ্ আদিৰ বিষয়ে সজাগতা সৃষ্টিৰ কথা কৈ থাকো। অথচ সকলোৰে সন্মুখত সংঘটিত হৈ থকা পথ দুৰ্ঘটনাই যে মহামাৰীৰ ৰূপ ধাৰণ কৰিছে সেই বিষয়টোত গুৰুত্ব নিদিওঁ। সম্প্ৰতি বিশ্ববাসীৰ মাজত যি প্ৰত্যাহ্বান আহি পৰিছে সেইবোৰৰ ভিতৰত অন্যতম হ'ল দুৰ্ঘটনা। দুৰ্ঘটনাৰ ভিতৰত আকৌ চৰ্চিত হৈছে পথ দুৰ্ঘটনা।

দুৰ্ঘটনাৰ কোনো নিৰ্দিষ্ট কাৰণ নাথাকে। ইয়াৰ পূৰ্বানুমানো কৰিব নোৱাৰি। কেতিয়া, ক'ত, কেনেকৈ দুৰ্ঘটনা সংঘটিত হ'ব সেই বিষয়ে অনুমান কৰিব নোৱাৰে বাবে একে ঠাইতে এদিনতে কে'বাটাও ভয়াৱহ দুৰ্ঘটনা সংঘটিত হোৱা দেখা যায়। আনকি একোটা পৰিয়ালৰ অঙহী-বঙহীৰো এদিনতে একে ঠাইতে

পৃথক দুর্ঘটনাত প্ৰাণ যায়। দুৰ্ঘটনাটো ঘটাৰ পাছতে সকলো সতৰ্ক হয়। ৰাইজ ওলাই আহে আৰক্ষী প্ৰশাসন আৰু গড়কাপ্টানী বিভাগৰ বিৰুদ্ধে ক্ষোভ উজাৰিবলৈ। পথ অৱৰোধ, আৰক্ষীৰে হতাহতি, থানা ঘেৰাও আদি কাৰ্যসূচীও ৰূপায়ন কৰে। গতিৰোধক (স্পীড ব্ৰেকাৰ) স্থাপনৰ দাবীত পথৰ ওপৰতে বহি পৰে। যান-বাহন আবদ্ধ হৈ পৰে। সাময়িক উত্তেজনা। কিছু সময় পাছত মাৰ যায় এই উত্তেজনা। ঘটনাটোৰ পৰৱৰ্তী সময়ত কি ঘটিল এনে ঘটনা প্ৰতিৰোধৰ বাবে কেনে পদক্ষেপ গ্ৰহণ কৰিব লাগে সেই সম্পৰ্কে কোনেও আগভাগ নলয়। কিছুমানে ল'লেও পিছলৈ এই গতি অব্যাহত নাথাকে।

পথ দুৰ্ঘটনা প্ৰতিৰোধৰ বাবে সজাগতাৰ সৃষ্টি কৰিবই লাগিব। পথ সভা, বাটৰ নাট, সজাগতা সভাৰ জৰিয়তে ৰাইজক বুজাব লাগিব হেলমেট পিন্ধিহে যে দুচকীয়া গাড়ী চলাব লাগে। পিতৃ-মাতৃ অভিভাৱকসকলে সন্তানক বিশেষকৈ কিশোৰ-কিশোৰীক দুচকীয়া বাহন অথবা চাৰি চকীয়া বাহনেই হওক কিনি দিয়াৰ সময়ত হেজাৰবাৰ যেন মনতে ভাবে। পিতৃ-মাতৃ সচেতন হ'লে বহুতো পথ দুৰ্ঘটনা প্ৰতিৰোধ কৰাতো সম্ভৱপৰ হ'ব।

# আইন হাতত
# ল'লে বিপদ হ'ব

ডিমাপুৰত কৰিমগঞ্জৰ চৈয়দ ফৰিছ খান নামৰ এজন যুৱকক ৰাইজে ৰাজপথতে নৃশংসভাবে হত্যা কৰিছিল। এই দৃশ্য টিভিৰ পৰ্দাত ভাহি উঠাৰ লগে লগে তালিবানী শাসনৰ কথা মনত পৰে। কাৰণ গণতান্ত্রিক দেশ এখনত কোনো লোকে আইন হাতত তুলি ল'ব নোৱাৰে। যদি কোনো লোকে অপৰাধমূলক কাৰ্য সংঘটিত কৰে তেনেহ'লে তেওঁক শাস্তি বিহিবলৈ আইন আছে। আদালতৰ মজিয়াত বিচাৰ হ'ব। যদি অভিযোগ সত্য বুলি প্ৰমাণিত হয় তেন্তে ন্যায়ালয়ে শাস্তি প্ৰদান কৰিব। কাৰাগাৰৰ পৰা উলিয়াই আনি ৰাইজে ৰাজপথতে এজন লোকক উলংগ কৰি হত্যা কৰাৰ অধিকাৰ নাই। যুৱকজনৰ বিৰুদ্ধে উত্থাপিত অভিযোগ কিমান সঁচা, তাৰ বিচাৰ নকৰাকৈ ৰাইজে নৃশংসভাৱে হত্যা কৰা ঘটনাই ৰহস্যৰ সৃষ্টি কৰিছে।

কোনো অপৰাধ সভ্য সমাজে গ্ৰহণ নকৰে। সেই বাবে বিচাৰ কৰিবলৈ আদালত, ন্যায়ালয় আছে। কাৰণ ন্যায়ালয়তহে বিচাৰ কৰা হয় প্ৰকৃততে লোকজন অপৰাধী হয় নে নহয়। যদি অপৰাধী হয় তেনেহ'লে দেশৰ আইন-

কানুন মতেই শাস্তি প্ৰদান কৰা হয়। এনে ব্যৱস্থা থাকিলে সমাজত অশান্তি আঁতৰ হ'ব। সমাজত শান্তি প্ৰতিষ্ঠা তথা সমাজ ব্যৱস্থা শৃংখলিতভাৱে পৰিচালিত হ'বলৈ যিহেতু আইন-কানুন প্ৰণয়ন কৰা হয়, সেয়েহে এই ব্যৱস্থাক সকলোৱে শ্ৰদ্ধা আৰু সন্মান প্ৰদৰ্শন কৰিব লাগিব। ইয়াৰ পৰিৱৰ্তে যদি ৰাইজে আইন হাতত তুলি লয় তেতিয়া হয়তো বিপৰীতহে হ'ব। শান্তি নহয়, অৰাজকতাহে বৃদ্ধি পাব। 'জোৰ যাৰ মুলুক তাৰ' নীতিৰ প্ৰয়োগ কৰিবলৈ একাংশ সুবিধাবাদীয়ে চেষ্টা অহৰহ চলাই থাকিব।

ধৰ্ষণ কোনো সভ্য সমাজৰ বাবে গ্ৰহণযোগ্য নহয়। ইতিহাসৰ পৃষ্ঠা মেলি চালেও ইয়াৰ প্ৰমাণ পোৱা যায়। নাৰী জাতিৰ সুৰক্ষাৰ বাবে বিশ্বৰ প্ৰতিখন দেশতেই কিছুমান আইন প্ৰণয়ন কৰা হৈছে। কিছুমান লিখিত আৰু কিছুমান ঠাইত প্ৰচলিত নীতিৰ প্ৰয়োগ। সকলোবোৰ আইনৰ উদ্দেশ্য এটাই নাৰীক সুৰক্ষা দিয়া। এনে ধৰণৰ কঠোৰ নিয়ম থকা বুলি জানিও একাংশ লোকে মহিলাৰ ওপৰত জপিয়াই পৰে। সুবিধা পালেই সতীত্ব নষ্ট কৰে। বিশ্বৰ আন দেশৰ কথাতো বাদেই অকল ভাৰতবৰ্ষতে প্ৰতি পাঁচ মিনিটত একোটি বলাৎকাৰ সম্পৰ্কীয় ঘটনা সংঘটিত হয়। বহুতো ঘটনা আকৌ পোহৰলৈ নহাকৈয়ে থাকে। কেইদিনমান পূৰ্বে ডিমাপুৰৰ এখন হোটেলত এগৰাকী যুৱতীক ধৰ্ষণ কৰা বুলি অভিযোগ উঠাৰ পাছত যুৱকজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি কাৰাগাৰৰ ভিতৰত ৰাখিছিল। এই ধৰ্ষণ কাণ্ডক কেন্দ্ৰ কৰি চহৰখনত ক্ষোভৰ উদ্‌গিৰণ ঘটে। ইতিমধ্যে দেশৰ ৰাজধানী চহৰ দিল্লীত নাগালেণ্ড, মণিপুৰ, অসম, অৰুণাচলৰ যুৱতীক বলাৎকাৰ কৰা ঘটনাই উত্তৰ-পূৰ্বাঞ্চলবাসীক ক্ষোভিত কৰি তোলাৰ সময়তে ডিমাপুৰৰ মাজ মজিয়াতে এগৰাকী ছাত্ৰীক ধৰ্ষণ কৰাৰ অভিযোগ ৰাইজে সহজভাৱে ল'ব পৰা নাছিল। ৰাইজৰ ক্ষোভৰ বহিঃপ্ৰকাশ ঘটে ডামিনী-কাণ্ড, নিৰ্ভয়া-কাণ্ডৰ পাছতো দেশৰ বিভিন্ন প্ৰান্তত নিতৌ সংঘটিত হৈ আছে বলাৎকাৰ সম্পৰ্কীয় ঘটনা। কঠোৰ আইন প্ৰণয়নেৰে এনে জঘন্য ঘটনা প্ৰতিৰোধ কৰিব পৰা নাই। সেয়েহে হয়তো ৰাইজে আৰক্ষী প্ৰশাসনৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰিবলৈ ৰাজপথলৈ ওলাই আহি এনে নাৰকীয় ঘটনা সংঘটিত কৰিলে। কিন্তু যুৱকজন জানো অপৰাধী আছিল? যুৱকজনে যিয়েই অক্ষমনীয় অপৰাধ সংঘটিত নকৰক কিয় ৰাজপথত এনেদৰে হেজাৰ হেজাৰ ৰাইজৰ সন্মুখত

নৃশংসভাৱে হত্যা কৰাতো কেতিয়াও সমৰ্থনযোগ্য হ'ব নোৱাৰে। দেশৰ আইনে শাস্তি দিব। ৰাইজে হাতত আইন তুলি ল'লেই ইয়াৰ অপপ্ৰয়োগ হোৱাৰ আশংকাই অধিক। সাধাৰণতে তালিবান, আইছিছ অথবা আন কোনো জেহাদী সংগঠনৰ আধিপত্য থকা অঞ্চলতহে এনে ধৰণৰ শাস্তিৰ দৃশ্য দেখিবলৈ পোৱা যায়। ইণ্টাৰনেট, ইউ টিউব আদিত উগ্ৰপন্থী আৰু জেহাদী সংগঠনৰ সদস্যই এনে ধৰণৰ শাস্তি প্ৰদৰ্শন কৰি নিজৰ অস্তিত্ব তথা শক্তি প্ৰদৰ্শন কৰিব বিচাৰে। কাৰণ তেওঁলোকে কোনো আইন নামানে। লক্ষ্য এটাই সমাজক অশান্ত বা অস্থিৰ কৰি ৰখা। কিন্তু গণতান্ত্ৰিক দেশ এখনৰ নাগৰিকে এনে ধৰণৰ শাস্তি কেতিয়াও সমৰ্থন নকৰে। কাৰণ দেশৰ আইনৰ ঊৰ্ধ্বত কোনো নহয়। গণতান্ত্ৰিক দেশ এখনত সকলোৱে সমভাবে অধিকাৰ সাব্যস্ত কৰিব পাৰে। অভিযুক্ত এজনকো আত্মপক্ষ সমৰ্থনৰ সুযোগ দিয়া হয়। কাৰণ ঘটনা একেটাৰ আঁৰত লুকাই থাকে বহুতো ঘটনা। আমি যিটো ঘটনা প্ৰত্যক্ষ কৰো সেই ঘটনাটোৰ স'তে আন বহুতো ঘটনাই জড়িত হৈ আছে। এটা ধৰ্ষণৰ অভিযোগৰ ঘটনাৰ আঁৰতো থাকিব পাৰে একোটা বৃহৎ ঘটনা। যুৱক জনৰ বিৰুদ্ধে যি ধৰ্ষণৰ অভিযোগ যুৱতীগৰাকীয়ে উত্থাপন কৰিছিল সেয়া কিমান সঁচা, তাৰ উত্তৰ সকলোৱে দিব। অভিযোগ উঠিলেই এজন লোকক অপৰাধী বুলি গণ্য কৰাটো সমীচীন নহয়। গতিকে প্ৰকৃত তথ্য উদ্‌ঘাটন কৰি দোষীক শাস্তি প্ৰদান কৰিলেহে সমাজত শান্তি প্ৰতিষ্ঠা হ'ব।

# সন্তানৰ স্বাস্থ্য ৰক্ষাত মাতৃৰ ভূমিকা

শিক্ষা-দীক্ষা আদি সকলো ক্ষেত্ৰতে পিতৃ-মাতৃৰ ভূমিকা গুৰুত্বপূৰ্ণ বুলি সকলোৱে স্বীকাৰ কৰে। দুয়োগৰাকীৰ সহযোগিতা অবিহনে সন্তানৰ শাৰীৰিক-মানসিক বিকাশ অসম্ভৱ। যদিও দুয়োগৰাকীৰ ভূমিকা সমান বুলি কোৱা হয় তথাপি তুলনামূলকভাৱে সন্তানৰ স্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰত মাতৃৰ ভূমিকা অধিক। কিয়নো এই প্ৰক্ৰিয়া আৰম্ভ হয় শিশুটি মাতৃ গৰ্ভত থকা সময়তে। শেহতীয়াভাৱে গৱেষকসকলে এইবুলি মন্তব্য আগবঢ়াইছে যে মাতৃগৰ্ভত থাকোতে যদি শিশুটিয়ে পুষ্টি লাভ নকৰে তেনেহ'লে সন্তানটিৰ বিকাশত ব্যাঘাত জন্মাৰ আশংকা থাকে। সেইবাবে সম্প্ৰতি গৰ্ভৱতী মহিলাগৰাকীৰ পুষ্টিকৰ খাদ্য গ্ৰহণৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। গৰ্ভাৱস্থাত মহিলাগৰাকীৰ লগতে শিশুটিৰ সুৰক্ষাৰ বাবে সুষম আহাৰ গ্ৰহণ কৰাটো গুৰুত্বপূৰ্ণ বিষয়। ভৱিষ্যতৰ সুৰক্ষাৰ ইয়াৰ মূলতে হ'ল সচেতনতাৰ অভাৱ। আমাৰ সমাজত আজিও মহিলাসকলে গৰ্ভধাৰণ কৰাৰ পাছতো কিছুমান অন্ধবিশ্বাসৰ বলি হৈ থাকিলগীয়া হৈছে। গৰ্ভাৱস্থাত অমুকটো কৰিব লাগে, তমুকটো কৰিব নালাগে, এইটো খাব লাগে, সেইটো খাব নালাগে ইত্যাদি। বিভিন্ন জনৰ ভিন্ন মত। ফলত মহিলাগৰাকী পুষ্টিহীনতাত আক্ৰান্ত হোৱাৰ আশংকা অধিক। যদিহে শিশুটি গৰ্ভাৱস্থাত থাকোতে মাতৃ পুষ্টিহীনতাত ভোগে তেতিয়া সন্তানৰ ওপৰত ইয়াৰ প্ৰভাৱ পৰাটো নিশ্চিত। সেয়েহে ক'ব পাৰি যে সন্তানৰ স্বাস্থ্য ৰক্ষাৰ আৰম্ভণি হয় মাতৃগৰ্ভতেই।

শিশুটি ভূমিস্থ হোৱাৰ পাছত মাতৃদুগ্ধ খায়েই এই বিশ্বৰ প্ৰতিটো ক্ষেত্ৰত লাহে লাহে নিজকে খাপ খুৱাই লয়। প্ৰথম ছমাহলৈকে শিশুটিয়ে কেৱল মাতৃৰ আহাৰ গ্ৰহণ কৰিয়েই জীয়াই থাকে। কেৱল সেয়াই নহয়— শাৰীৰিক বিকাশো

হ'বলৈ ধৰে। তাৰ পাছতেই যেতিয়া গোটা আহাৰ খুৱাবলৈ আৰম্ভ কৰে তেতিয়া পিতৃতকৈ মাতৃয়েহে অধিক সতৰ্ক হয়। দিনটোৰ ভিতৰত কি খাদ্য কেতিয়া খুৱাব তাকে লৈ ব্যস্ততাৰ অন্ত নাই। পিতৃয়ে আহাৰ আদি সংগ্ৰহ কৰি দিয়ে যদিও সেইবোৰ প্ৰস্তুত কৰি উপযুক্তভাৱে পৰিৱেশন কৰাৰ দায়িত্ব মাতৃৰ।

মাতৃয়ে শিশুটিক মানসিকভাৱেও সবল কৰিবলৈ চেষ্টা চলায়। দিনটোৰ অধিকাংশ সময় সন্তানে মাতৃৰ লগতে অতিবাহিত কৰে। সেয়েহে মাতৃয়ে সন্তানক যিদৰে গঢ় দিয়ে তেনেদৰেই সন্তানেও ডাঙৰ-দীঘল হয়, মাতৃয়ে যি ধৰণৰ কথা কয় বা শিক্ষা দিয়ে তেনে ধৰণৰ শিক্ষাই লয় শিশুটিয়ে। ঘৰখন হ'ল শিশুৰ শিক্ষাৰ কঠিয়াতলি। ঘৰখনত যি শিক্ষা দিয়া হয় সেই ধৰণেই ডাঙৰ-দীঘল হয়। সেয়েহে শৈশৱৰ কালছোৱা অতি গুৰুত্বপূৰ্ণ। শিশুটি সুস্থ হৈ থাকিলেহে বিকাশো হ'ব স্বাভাৱিক। ৰুগীয়া শৰীৰেৰে এটি শিশুৱে ভালদৰে পঢ়া-শুনা কৰিব নোৱাৰে। তদুপৰি বুদ্ধিৰ বিকাশো স্বাভাৱিক নহয়।

স্মৃতিশক্তি স্বাভাৱিক কৰি ৰখা আৰু বৃদ্ধি কৰাত খাদ্যৰ ভূমিকাও গুৰুত্বপূৰ্ণ। স্মৃতিশক্তি সজীৱ কৰি ৰাখিবলৈ সুষম আহাৰ গ্ৰহণ কৰিব লাগিব। এনেবোৰ আহাৰ শিশুটিক খুওৱাৰ ক্ষেত্ৰত মাতৃয়ে আগভাগ লয়। শেহতীয়াভাৱে বৃটেইনত চলোৱা এক গৱেষণাত এদল গৱেষকে এই বুলি মন্তব্য আগবঢ়াইছে যে— যিসকল শিশু মাতৃদুগ্ধৰ পৰা অথবা মাতৃৰ মৰমৰ পৰা বঞ্চিত হয় তেওঁলোকে সহজে অপৰাধজনিত কাৰ্য তথা অসামাজিক কাৰ্যত লিপ্ত হয়। অপৰাধ প্ৰৱণতা তীব্ৰ হয় মাতৃদুগ্ধ নোখোৱা শিশুৰ। অৱশ্যে মাতৃদুগ্ধৰ কোনবিধ উপাদানে এই ক্ষেত্ৰত ভূমিকা গ্ৰহণ কৰে সেই বিষয়ে বৰ্তমানলৈকে গৱেষকসকল নিশ্চিত হ'ব পৰা নাই। গৱেষকসকলে দহ সহস্ৰাধিক শিশুৰ ওপৰত এই গৱেষণা চলাই তথ্য লাভ কৰে।

আমাৰ সমাজত তুলনামূলকভাৱে মাতৃয়েই সন্তানক বেছিকৈ চোৱা-চিতা কৰে, কাৰণ পুৰুষজনে দিনটোৰ বেছিভাগ সময় কামতে ব্যস্ত হৈ থাকে। আনহাতে যিসকল মহিলাই দিনটোৰ বেছিভাগ সময় কৰ্মক্ষেত্ৰত ব্যস্ত থাকে, তেওঁলোকে সন্তানৰ খোৱা-বোৱাত বেছি সময় ব্যয় কৰিব নোৱাৰে, এনে হ'লে পিতৃ-মাতৃৰ স'তে সন্তানৰ ব্যৱধান বৃদ্ধি পায়। সন্তানৰ ভৱিষ্যতৰ কথা চিন্তা কৰিয়ে পিতৃ-মাতৃয়ে সকলো সিদ্ধান্ত ল'ব লাগে। এই ক্ষেত্ৰত মাতৃয়ে আগভাগ ল'ব লাগিব।

# সচেতন নহ'লে প্ৰদূষণমুক্ত নহয় ধৰিত্ৰী

৫ জুনত সমগ্ৰ বিশ্বতে পালন কৰা হয় 'বিশ্ব পৰিৱেশ দিৱস'। প্ৰকৃতিৰ ধ্বংস প্ৰতিৰোধ, ধৰিত্ৰীক শ্যামলী কৰি প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰা তথা মানৱ জাতিৰ লগতে প্ৰকৃতিৰ জীৱকুলৰ ভৱিষ্যৎ ৰক্ষাৰ বাবে প্ৰতিবছৰে পালন কৰা হয় এই দিৱস। আজি বিশ্বৰ চৌদিশে কেৱল ধ্বংসযজ্ঞ। প্ৰকৃতিৰ বুকুত যিদৰে ধ্বংসযজ্ঞ আৰম্ভ হৈছে সেয়া অব্যাহত থাকিলে মহাপ্ৰলয় হ'বলৈ বেছিদিন নালাগিব। ইতিমধ্যে অ'জন স্তৰত ছিদ্ৰ হোৱাৰ বিষয়ে বিজ্ঞানীমহলে তথ্য সদৰী কৰিছে। এণ্টাৰ্কটিকাত বৃহৎ আকাৰৰ দুই খণ্ড বৰফ গলিছে। একোটা খণ্ডৰ আকাৰ ছিংগাপুৰৰ ভূ-খণ্ডৰ সমান হ'ব। হিমালয়ৰ বৰফ গলি গছ-গছনি উন্মুক্ত হৈছে। সাগৰৰ বুকুত 'ই এন নাইনো'ৰ সৃষ্টি হৈছে। এই বতাহে পৃথিৱীৰ তাপমাত্ৰা বৃদ্ধি কৰিছে। বিশ্বায়নে মানুহক উন্নতিৰ ক্ষেত্ৰত এখোপ আগুৱাই নিলেও সমান্তৰালভাৱে ধ্বংসৰ দিশেও আগবঢ়াই নিছে। ইতিমধ্যে বিভিন্ন কাৰণত পৃথিৱীৰ বুকুৰ পৰা বহুতো জীৱৰ বিলুপ্তি ঘটিছে। সেইবাবে আমি সকলোৱে সতৰ্ক হোৱাৰ সময় আহি পৰিছে। আজি যদি প্ৰকৃতিক সুৰক্ষা দিবলৈ কোনো পদক্ষেপ গ্ৰহণ নকৰো তেনেহ'লে আমাৰ ভৱিষ্যৎ সুৰক্ষিত নহ'ব।

'বিশ্ব পৰিৱেশ দিৱস'ৰ দিনাখন সকলোৱে গছপুলি ৰোপণ কৰে। সভা-সমিতিৰ আয়োজন কৰে। সকলোকে সতৰ্ক কৰিবলৈ আমি যিমানেই পদক্ষেপ গ্ৰহণ নকৰো কিয় যদি নিজেই সতৰ্ক নহও তেনেহ'লে ধৰিত্ৰী দেৱীৰ ভাৰসাম্য ৰক্ষা নহয়। প্ৰাকৃতিক ভাৰসাম্য অবিহনে আমি জীয়াই থাকিব নোৱাৰো। কাৰণ প্ৰদূষণৰ মাজত থাকি কোনোৱে সু-স্বাস্থ্য ৰক্ষা কৰিব নোৱাৰে। আমি সকলোৱে হাতে-কামে লাগিলেহে সফল হ'ব পাৰিম। কেৱল এই দিৱসৰ দিনাখন এডাল গছপুলি ৰোৱা, সভা-সমিতিৰ আয়োজন কৰি বক্তৃতা দিলেই আমাৰ দায়িত্ব শেষ নহয়। বছৰটোৰ ৩৬৪ দিনেই যদি গছ-গছনি ধ্বংসত ব্যস্ত থাকো, প্ৰকৃতিৰ কথা নাভাবো তেনেহ'লে এই দিৱস পালন কৰাৰ কোনো অৰ্থ নাথাকে। নৱ-প্ৰজন্মক সৰুৰে পৰাই শিকনি দিব লাগিব— গছ নাথাকিলে মানুহ নাথাকে বুলি। প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষাৰ ক্ষেত্ৰত প্ৰতিগৰাকী লোকৰ প্ৰত্যক্ষ বা পৰোক্ষ অৱদান থাকে। প্ৰতিটো মুহূৰ্ততে এই কাৰ্য সংঘটিত হৈ থাকে। মাথোঁ সতৰ্কহে হোৱা উচিত। পেলনীয়া সামগ্ৰী কেনেদৰে ব্যৱহাৰ কৰিব পাৰি, সেইবোৰৰ উপকাৰিতা আৰু অপকাৰিতাৰ বিষয়ে বুজাই দিব পাৰিলেহে শৈশৱৰ পৰাই পৰিৱেশ সচেতন হ'ব। তদুপৰি পঞ্চম শ্ৰেণীৰ পৰাই যদি ছাত্ৰ-ছাত্ৰীক পৰিৱেশ সম্পৰ্কে সম্যক জ্ঞান দিব পৰা যায় তেনেহ'লেও সমাজৰ লগতে দেশৰ উন্নতি সাধন হ'ব।

অসমতো প্ৰদূষণ বৃদ্ধি পাইছে। জল-স্থল, বায়ু প্ৰদূষণৰ ফলত বিভিন্ন সমস্যাই গা কৰি উঠিবলৈ ধৰিছে। সৰ্বত্ৰে কেৱল ধ্বংসমুখী ছবিখনহে প্ৰতিফলিত হৈছে। পাহাৰসমূহ এতিয়া সমভূমিত পৰিণত হ'ল। অসমৰ বুকুত দুই দশকমান আগলৈকে যিমান পাহাৰ আছিল এতিয়া তাৰ অৰ্ধেকো নাই। পাহাৰৰ মাটি কাটি সমভূমি কৰা হৈছে। যিকেইখন পাহাৰ আছে সেই কেইখনো নাঙঠ হৈ ঠিয় দি আছে। গছ-গছনি বুলিবলৈ পাহাৰত একো বিচাৰি পোৱা নাযায়। পাহাৰত গছ-গছনি নোহোৱা হোৱা বাবে সঘনে ভূমিস্খলন হৈ বহুতৰ প্ৰাণ হানি হোৱাৰ বাতৰিও প্ৰকাশ হৈ আহিছে। কেৱল পাহাৰেই নহয়, সংকুচিত হ'বলৈ ধৰিছে সেউজীয়া ঠাই, বনাঞ্চলসমূহ। সমান্তৰালভাৱে বৃদ্ধি পাইছে উত্তাপ। কিছুবছৰ আগলৈকে তাপমাত্ৰা ৩৫° চেলছিয়াছ হোৱাটো বহুত ডাঙৰ কথা আছিল। পিছে এতিয়া অসমত ৩৬° চেলছিয়াছ উত্তাপ তেনেই সাধাৰণ কথা হৈ পৰিছে। চহৰ-

নগৰত প্ৰদূষণ বৃদ্ধি পাই থকাটো সকলোৱে প্ৰত্যক্ষ কৰিছে। আনহে নালাগে মহানগৰীৰ মুখ্য স্থানসমূহত দিনৰ দুই- তিনি বজালৈ বিশেষকৈ পানবজাৰ, গুৱাহাটী ক্লাব, শিলপুখুৰী, চানমাৰি, জু-ৰোড তিনিআলি, গণেশগুৰি, গণেশমন্দিৰ, উলুবাৰী, পল্টনবজাৰ আদিত যিবোৰ পেলনীয়া জাবৰ-জোঁথৰ অথবা আৱৰ্জনা পচি থাকে সেইবোৰেই গুৱাহাটীখন কিমান পৰিষ্কাৰ আৰু প্ৰদূষণমুক্ত তাৰ প্ৰকৃত ছবিখন দাঙি ধৰে। তদুপৰি যিবোৰ পুৰণি গছ-গছনি আছিল সেইবোৰ ধুমুহাত উভালি পৰাৰ পিছত তাৰ আশে-পাশে গছ-গছনি নতুনকৈ ৰোপণ কৰা পৰিলক্ষিত হোৱা নাই। গতিকে এনে এখন মহানগৰীত 'বিশ্ব পৰিৱেশ দিৱস'ৰ দিনা ডাঙৰ ডাঙৰ বেনাৰ-পোষ্টাৰ আদি মাৰি সমদল উলিয়ালে কিবা লাভ হ'ব জানো? যেতিয়ালৈ প্ৰতিগৰাকী নাগৰিকে নিজৰ কৰ্তব্য সম্পৰ্কে সচেতন নহয় তেতিয়ালৈকে প্ৰদূষণমুক্ত নহয় ধৰিত্ৰী দেৱী। সেউজীয়া হৈ নাথাকিব বিনন্দীয়া পৃথিৱীখন। আহক, আমি সকলোৱে পৰিৱেশ সুৰক্ষা বাবে সতৰ্ক হওঁ, তেতিয়াহে সাৰ্থক হ'ব ৫ জুনৰ বিশ্ব পৰিৱেশ দিৱস।

# মহানগৰীৰ
# পথত জাবৰৰ দ'ম

সম্প্ৰতি গুৱাহাটী মহানগৰীত যিবোৰ সমস্যাই ভয়াৱহ ৰূপ ধাৰণ কৰিছে সেইবোৰৰ ভিতৰত অন্যতম হ'ল পথৰ মাজত থকা জাবৰ বা বোকা পানীৰ দ'মবোৰ। ক্ষুদ্ৰ পাহাৰসদৃশ বোকাৰ দ'মবোৰে পথটোত যে কেৱল যান-জঁটৰে সৃষ্টি কৰিছে তেনে নহয়, ই দুৰ্ঘটনাৰো কাৰণ হৈ পৰিছে। পথচাৰীয়ে এতিয়া ৰাস্তাৰ কাষেৰেতো বাদেই পদপথতো খোজ দিব নোৱাৰা অৱস্থা এটিৰ সৃষ্টি হৈছে। সংশ্লিষ্ট কৰ্তৃপক্ষই মহানগৰীৰ নলা-নৰ্দমা পৰিষ্কাৰ কৰাৰ নামত আতংকময় পৰিৱেশৰহে সৃষ্টি কৰিছে বুলি ৰাইজৰ অভিযোগ। উত্তৰ-পূৰ্বাঞ্চলৰ ব্যৱসায়িক কেন্দ্ৰ মহানগৰখনৰ বানপানীৰ সমস্যা আঁতৰ কৰিবলৈ নলা-নৰ্দমা পৰিষ্কাৰ কৰিবই লাগিব। বৰষুণত পাহাৰৰ পৰা নামি অহা বোকা মাটিয়ে নলাসমূহ বন্ধ কৰি পেলাইছে। সেয়েহে এতিয়া মহানগৰীৰ বাবে বৃহৎ বৃহৎ নদা-নৰ্দমা থকা-নথকাৰ মাজত কোনো পাৰ্থক্য নাই। সামান্য এজাক বৰষুণতে উপচি পৰে বাট-পথ। কিছুমান অঞ্চলত বাৰিষাৰ কথাতো বাদেই খৰালিতো পানী নুশুকায়। কিছুমান ঠাইত কুঁৱাত পানী এটুপিও নাথাকে, অথচ তাৰ ওচৰতে থকা বাট-পথ সদায় পানীৰে উপচি থাকে।

নলা-নৰ্দমাৰ পৰা ওচৰতে পথৰ দুয়োফালে জমা কৰি থোৱা লেতেৰা বোকা-পানীৰ দ'মবোৰ পথৰ পৰা এক নিৰ্দিষ্ট সময়ৰ ভিতৰত আঁতৰ কৰোৱাতো নিয়ম। কাৰণ এইবোৰ সময়মতে উঠাই নিনিলে এজাক বৰষুণ দিলেই পুনৰ নদা-নৰ্দমা উপচি পৰে। একেটা কামকে বাৰে বাৰে কৰি থাকিলে ৰাইজৰ ধনৰ অপচয় নহয় জানো? যিটো কাম এবাৰ কৰিলেই হয় সেই কামটো সংশ্লিষ্ট

কৰ্তৃপক্ষই কিয় চাৰি-পাঁচবাৰ কৰে তাকে লৈ মহানগৰবাসীৰ মাজত হয় সৰৱ চৰ্চা। ৰাজহুৱা ধনৰ এনেদৰে অপচয় কৰিলে চৰ্চা হোৱাটো স্বাভাৱিক কথা।

এতিয়া মহানগৰীৰ বাট-পথত ওলাব নোৱাৰা অৱস্থা। চাৰিওফালে কেৱল জাবৰৰ দ'ম। বোকা-পানীৰ ওখ ওখ দ'ম। যেনি চায় তেনি কদৰ্য ৰূপ। ঘৰৰ বাহিৰলৈ ওলালে নাকত ৰুমাল লোৱাৰ বাহিৰে অন্য গত্যন্তৰ নাই। সংশ্লিষ্ট কৰ্তৃপক্ষই এই জাবৰৰ দ'মবোৰ সময়মতে তুলি নিনিয়াৰ ফলত সেইবোৰ পথতে মিলি গৈ পথসমূহৰ অৱস্থা চকু মেলি চাব নোৱাৰা হৈছে। দ'মবোৰ শুকুৱাৰ ফলত প্লাষ্টিক জাতীয় সামগ্ৰীসমূহ বতাহত উৰি য'তে-ত'তে পৰিছে। যি সময়ত পাষ্টিক বৰ্জনৰ বাবে নিষেধাজ্ঞা আৰোপ কৰা হৈছে সেই সময়ত ৰাস্তা-পদূলি পেলনীয়া প্লাষ্টিকেৰে ভৰি পৰিছে। বোকা, জাবৰৰ দ'মবোৰ ৰাস্তাৰ দুয়োকাষে জমা কৰোৱাৰ আগতে কিয় সংশ্লিষ্ট কৰ্তৃপক্ষই পৰিকল্পনা নকৰে এইবোৰ কোন দিনা উঠাই নিব। অৱশ্যে পৰিকল্পনাবিহীনভাৱে এনেদৰে কাম কৰি থাকিলে তাৰ ফলাফল ইয়াতকৈ আৰু কি ভাল আশা কৰিব পাৰি? জাবৰ দ'মবোৰ হ'ল বিভিন্ন ৰোগৰ উৎস। চৰ্মৰোগৰ পৰা আৰম্ভ কৰি শ্বাস-প্ৰশ্বাসজনিত ৰোগ হোৱাৰ আশংকা থাকে। ৰাস্তাত দ'ম হৈ থকা বোকা পানী শুকাই কেনে অৱস্থাৰ সৃষ্টি কৰিব পাৰে সেয়া সকলোৰে বাবে সহজে অনুমেয়। এতিয়া মহানগৰীত শ্বাস-প্ৰশ্বাসজনিত ৰোগত ভোগা লোকৰ সংখ্যা অস্বাভাৱিকভাৱে বৃদ্ধি পাবলৈ ধৰিছে। যদিহে পথত এনেদৰে দীৰ্ঘদিন ধৰি বোকাৰ দ'ম পৰি থাকে তেনেহ'লে পৰিস্থিতি খুবেই ভয়াৱহ হৈ পৰিব।

যিকোনো সমস্যা সমাধানৰ বাবে কেতিয়াবা আনুষংগিক সমস্যাৰ সৃষ্টি হোৱাটো স্বাভাৱিক কথা। তথাপি একেলগে বহুতো সমস্যাই গা কৰি উঠিলে আহুকালৰ সৃষ্টি হ'ব। বিশুদ্ধ পানী যোগান আঁচনি ৰূপায়ণৰ নামত এফালে পাইপ বহুৱাবলৈ খান্দে পথৰ কাষ। আনফালে একে সময়তে নলা পৰিষ্কাৰৰ নামত পদপথৰ ওচৰতে দ'ম কৰিছে জাবৰৰ। তাৰ মাজতে পথৰ মেৰামতিৰ কাম। এই তিনিওটা কাম একেলগে বিভিন্ন কৰ্তৃপক্ষই কৰিবলৈ লোৱাৰ লগে লগে জীয়াতু ভুগিছে মহানগৰবাসী, সৃষ্টি হৈছে যান-জঁটৰ। এক কিলোমিটাৰ পথ যাবলৈ এঘণ্টাৰ প্ৰয়োজন। পথৰ কাষৰ পৰা জাবৰৰ দ'মবোৰ আঁতৰাই মহানগৰবাসীক জীয়াতু ভোগাৰ পৰা বচাওক।

# সপ্তপুৰী দ্বাৰকা ভ্ৰমণ

যোৱা ২০১৪ৰ চনৰ ২৫ ডিচেম্বৰত গুৱাহাটীৰপৰা যাত্ৰা কৰিছিলো আহমেদাবাদ অভিমুখে। লক্ষ্য দ্বাৰকা নগৰৰ মন্দিৰ দৰ্শন কৰা। বিমানেৰে যোৱা বাবে কম সময়ৰ ভিতৰত আমাৰ পৰিয়ালৰ সদস্যসকলে আহমেদাবাদ চহৰত উপস্থিত হ'লো। গুজৰাটৰ পৱিত্ৰ স্থানসমূহৰ ভিতৰত অন্যতম হ'ল দ্বাৰকা নগৰ। পৃথিৱীৰ কৃষ্ণভক্ত লোকসকলে প্ৰভু শ্ৰীকৃষ্ণৰ বিচৰণভূমি দৰ্শন কৰিবলৈ আগ্ৰহী। মোৰো এটা ইচ্ছা আছিল চহৰখনৰ লগতে মন্দিৰসমূহ দৰ্শন কৰিবলৈ। সময়-সুবিধা নিমিলা বাবে কেবাবাৰো যাত্ৰাৰ কথা ভাবিও বাদ দিবলগীয়া হৈছে। এইবাৰ সুযোগ পোৱা বাবে গ'লো। ভাৰতবৰ্ষৰ যিমানেই ধৰ্মীয় অনুষ্ঠান দৰ্শন নকৰক কিয় দ্বাৰকা চহৰলৈ নগ'লে ভ্ৰমণ অসম্পূৰ্ণ যেন লাগে। সি যি নহওক, আমি নিশা ১১.৩০ বজাত পূৰ্বতে বন্দোবস্ত কৰি থোৱা হোটেলত থাকিলো। পিছদিনা অৰ্থাৎ ২৬ ডিচেম্বৰৰ পুৱা ৯ বজাত এখন সৰু গাড়ীৰে দ্বাৰকালৈ গ'লো। তাতে শ্যাম ভৱন নামৰ ধৰমশালাত থাকিলো। আমাৰ চিনাকি পাণ্ডা এজন আছিল। নাম নৰেশ পণ্ডিত। তেওঁ আমি গৈ পোৱাৰ লগে লগে আমাক লগ ধৰি সকলো বন্দোৱস্তি কৰি দিলে। তাত সন্ধিয়া ৭ বজাত মন্দিৰত আৰতি দিয়ে। আমি সকলোৰে সন্ধিয়াৰ আৰতিত অংশগ্ৰহণ কৰিলো। নিশাটো ধৰমশালাতে কটাই পুৱা ৬ বজাত পুনৰ মন্দিৰলৈ আৰতি দিবলৈ গ'লো। আৰতি দিয়াৰ পিছত তুলাচনী দান কৰিলো। এই তুলাচনী দানৰ আঁৰতো আছে এক কিংবদন্তি। প্ৰভু শ্ৰীকৃষ্ণৰ ভাৰ্যা এগৰাকীৰ সোণৰ প্ৰতি খুব আকৰ্ষণ আছিল। সেয়েহে শ্ৰীকৃষ্ণক প্ৰায়ে আ-অংলকাৰৰ কথা কৈ আছিল। প্ৰভুৰ ভাৰ্যাৰ কিমান

সোণৰ আ-অলংকৰাৰ আছিল ভাৰ্যাই নিজেই জ্ঞাত নাছিল। শ্ৰীকৃষ্ণই সকলো কথা জানিও এদিন এখন তুলাচনীত বহি আনফালে ভাৰ্যাৰ সোণৰ আ-অংলকাৰ দি থাকিল। কিন্তু ভাৰ্যাই তুলাচনীত সোণ দি তৎ নোপোৱা হ'ল। তুলাচনীত কিমান সোণ তুলি দিলে সেয়া কল্পনাই কৰিব নোৱাৰা হ'ল। তেতিয়া ভাৰ্যাই বুজি পালে প্ৰভুৰ মহিমা। সেইবাবে দ্বাৰকা মন্দিৰত তুলাচনী দান কৰিলে পুন্য অৰ্জন হয় বুলি জনবিশ্বাস। অৱশ্যে তুলাচনী এনেয়ে দান কৰিলে নহ'ব। তুলাচনী দান দিব খোজা লোকজনৰ ওজনৰ সমান বস্তুও দান দিব লাগে। এনেদৰে দান কৰিলে শৰীৰৰপৰা বেমাৰ-আজাৰ নোহোৱা হয় বুলিও বিশ্বাস। এই দানৰ পৰাই পণ্ডিসকলৰ পৰিয়াল চলে। আটাইতকৈ ডাঙৰ কথা হ'ল এই পণ্ডিতসকলৰ মন্দিৰ দৰ্শন কৰোৱাৰ বাবে কোনো দাবী নাই। খুব ভাল লাগিব পণ্ডিতৰ ব্যৱহাৰত। ।

দ্বাৰকাৰ প্ৰধান মন্দিৰ বুলিলে দ্বাৰকাধীশ মন্দিৰৰ কৰা উল্লেখ কৰিবই লাগিব। দ্বাৰকাক 'দ্বাৰাৱতী' বুলিও জনা যায়। দ্বাৰকাই হওক বা দ্বাৰাৱতীয়েই নহওক কিয় দুয়োটাৰ অৰ্থ পিছে এটাই ইয়াৰ অৰ্থ বহুতো দ্বাৰ'। দ্বাৰকা চহৰত কে'বাখনো দুৱাৰ আছে। হিন্দুসকলৰ পৱিত্ৰ স্থানসমূহৰ ভিতৰত অন্যতম হ'ল দ্বাৰকা। কাৰণ ইয়াতে ভগৱান শ্ৰীকৃষ্ণই বহুদিন বসবাস কৰিছিল। হিন্দুসকলৰ 'সপ্তপুৰী' অৰ্থাৎ সাতখন পৱিত্ৰ স্থানৰ ভিতৰত অন্যতম হ'ল দ্বাৰকা। যি ঠাইক এতিয়া দ্বাৰকা হিচাপে জনা যায় সেই ঠাইক মহাভাৰতৰ যুগত 'কুশস্থলী' হিচাপে পৰিচিত আছিল। কুৰুক্ষেত্ৰৰ যুদ্ধৰ পিছত যাদৱসকলে এই ঠাইখন নতুনকৈ সজাই-পৰাই লৈছিল। এসময়ত এই চহৰখন আছিল 'অনৰ্টা' ৰাজ্যৰ ৰাজধানী। হৰিবংশৰ মতে এই চহৰখন হিন্দু প্ৰদেশত অৱস্থিত আছিল। এই চহৰখনৰ নিৰ্মাণ সম্পৰ্কে যিবোৰ আখ্যান পোৱা যায় সেইবোৰৰ ভিতৰত পুৰাণত বৰ্ণনা কৰামতে গড়ুৰৰ পৰামৰ্শ মতেই শ্ৰীকৃষ্ণই বিশ্বকৰ্মাৰ হতুৱাই নিৰ্মাণ কৰিছিল। কাৰণ সেই সময়ত যাদৱ কুলৰ ওপৰত কাল যৱন আৰু জৰাসন্ধই অত্যাচাৰ চলাইছিল। দুয়োজন ৰজাই যাদৱ বংশৰ লোকক শত্ৰু জ্ঞান কৰিছিল। এই চহৰখনৰ মহাভাৰতৰ যুদ্ধৰ পূৰ্বে নিৰ্মাণ কৰা হৈছিল বুলি পুৰাণত বৰ্ণনা কৰা হৈছে। অৱশ্যে কুৰুক্ষেত্ৰৰ যুদ্ধৰ আগত নে পাছত দ্বাৰকা নিৰ্মাণ কৰা হৈছিল সেই সম্পৰ্কে আন বহুতো জনশ্ৰুতি পোৱা যায়।

যদিও আমি দ্বাৰকা বুলি কওঁ তথাপি মন্দিৰটোৰ প্ৰকৃত নাম হ'ল 'দ্বাৰকাধীশ মন্দিৰ'। এই মন্দিৰটো জগত মন্দিৰৰূপেও জনাজাত। দৰাচলতে

এই মন্দিৰটোত শ্ৰীকৃষ্ণকে আৰাধনা কৰা হয়। 'দ্বাৰকাধীশ' বা দ্বাৰকাৰ ৰজা হিচাপে শ্ৰীকৃষ্ণক অতীতৰেপৰাই পূজা-অৰ্চনা কৰি অহা হৈছে। ৫তলা যুক্ত এই মন্দিৰটো ৭৫টা খুঁটাৰ ওপৰত থিয় হৈ আছে। এই জগত মন্দিৰটো আকৌ নিজা মন্দিৰ হিচাপে স্থানীয় লোকৰ মাজত জনাজাত। পুৰাতত্ত্ববিদসকলৰ মতে এই মন্দিৰটোৰ ২০০০ বছৰৰো বেছি পুৰণি। এই মন্দিৰটোৰ ১৫ৰপৰা ১৬শ শতিকাৰ ভিতৰত পৰিসৰ বৃদ্ধি কৰা হৈছিল বুলি অনুমান কৰা হৈছে। এই মন্দিৰটোৰ ৰীতি-নীতি বৰ কঠোৰ। শ্ৰীবল্লভাচাৰ্য আৰু শ্ৰীভিঠেলেশনাথজীয়ে প্ৰৱৰ্তন কৰা নীতি-নিয়মেৰে আজিও মন্দিৰটো পৰিচালনা কৰা হয়।

জনবিশ্বাস অনুসৰি দ্বাৰকাধীশ মন্দিৰটোৰ মূল মন্দিৰটো শ্ৰীকৃষ্ণৰ জ্যেষ্ঠ পুত্ৰ বৰ্জনভাই নিৰ্মাণ কৰিছিল। হৰিগৃহ (শ্ৰীকৃষ্ণৰ থকা ঠাই)ৰ ওপৰতেই এই মন্দিৰটো নিৰ্মাণ কৰিছিল। অষ্টম শতিকাত ঈশ্বৰতত্ত্ববিদ তথা দাৰ্শনিক আদি শংকৰাচাৰ্যই এই স্থান পৰিদৰ্শন কৰাৰ পাছতেই 'চাৰ ধাম'ৰ অন্যতম ধাম হিচাপে যাত্ৰীৰ সোঁত ববলৈ ধৰে। আন তিনিখন ধাম হ'ল— ৰামেশ্বৰম, বদ্ৰিনাথ আৰু পুৰী। প্ৰভু বিষ্ণুৰ 'দিব্য দেশম'ৰ ভিতৰত দ্বাৰকাধীশ হ'ল ১০৮ সংখ্যক স্থানপ্ৰাপ্ত পৱিত্ৰ স্থান। পৱিত্ৰ ধৰ্মগ্ৰন্থসমূহত বৰ্ণিত দিব্য প্ৰবন্ধ'ৰ 'দিব্য দেশম' হ'ল দ্বাৰকাধীশ।

গুজৰাটৰ দ্বাৰকা চহৰখনক লৈ আন এক কাহিনী শুনিবলৈ পোৱা যায়। মহাভাৰতৰ যুগত দ্বাৰকা ৰাজ্যৰ বিষয়ে উল্লেখ আছে। এই চহৰখন গোমতি নদীৰ পাৰত অৱস্থিত আছিল। শ্ৰীকৃষ্ণৰ বাবেই এই ৰাজ্যখনৰ ৰাজধানী বিখ্যাত আছিল। পুৰাতত্ত্ববিদসকলে পানীৰ তলত এই চহৰখনৰ ভগ্নাৱশেষ উদ্ধাৰ কৰিবলৈ সক্ষম হৈছিল। উপকূলীয় চহৰখন কোনো কাৰণত ধ্বংস হোৱাত ইয়াৰ ভগ্নাৱশেষ পানীৰ তলত সোমাই থকা বুলি সন্দেহ কৰা হৈছে। আনহাতে পুৰাতত্ত্ববিদসকলে পানীৰ তলত উদ্ধাৰ কৰা ভগ্নাৱশেষৰ নিৰ্মাণশৈলীলৈ চাই এয়া মধ্যযুগীয় নিৰ্মাণ কাৰ্য বুলি অনুমান কৰিছে। শিলত অংকিত লিপিৰ পৰা এইটো অনুমান কৰা হৈছে যে উপকূলী অঞ্চলৰ খহনীয়াই আছিল চহৰখন পানীত ডুব যোৱাৰ কাৰণ। এই মন্দিৰটোৰ ওপৰত থকা পতাকাখনত সূৰ্য আৰু চন্দ্ৰৰ ছবি দেখিবলৈ পোৱা যায়। এই পতাকাখন দিনটোৰ ভিতৰত ৫বাৰ সলনি কৰা হয় যদিও ইয়াৰ প্ৰতীক একেই থাকে। অৰ্থাৎ সূৰ্য আৰু চন্দ্ৰৰ প্ৰতীক দুটা থাকিবই। উক্ত মন্দিৰটো ৭৮.৩ মিটাৰ উচ্চতা সম্পন্ন। এই মন্দিৰটো চূণশিলেৰে নিৰ্মিত হ'লেও বৰ্তমানলৈকে ইয়াৰ ওপৰত কোনো প্ৰভাৱ পৰা নাই। অৰ্থাৎ

সৌন্দৰ্য ম্লান হোৱা নাই। মন্দিৰটোৰ ওলোৱা-সোমোৱা পথ দুটা। ইয়াৰে উত্তৰফালে থকা দুৱাৰখন হ'ল— 'মোক্ষ দুৱাৰ'। দক্ষিণ ফালে থকা দুৱাৰখন হ'ল— 'স্বৰ্গ দ্বাৰ'। স্বৰ্গলৈ যোৱা দুৱাৰ হিচাপে পৰিচিত এই দুৱাৰখনেৰে অহা-যোৱা কৰিবলৈ সকলোৱে ইচ্ছা কৰে। কিছুমানৰ ইচ্ছা পূৰণ হয়। যিসকলৰ নহয় তেওঁলোকৰ যেন ভ্ৰমণ অসম্পূৰ্ণ হৈ ৰয়।

আন এক জনশ্ৰুতি অনুসৰি শ্ৰীকৃষ্ণ মৃত্যুৰ পিছত দ্বাৰকা নগৰখন সাগৰত বিলীন হৈছিল। পশ্চিম উপকূলৰ সৌৰাষ্ট্ৰৰ ৰাজধানী আছিল বুলিও বহুতেই ক'ব খোজে। শ্ৰীকৃষ্ণই স্থাপন কৰা দ্বাৰকা ভাৰতৰ ইতিহাসত উল্লেখযোগ্য ঘটনা। মহাভাৰতত উল্লেখিত যি ৭টা দ্বীপ আৰব সাগত ডুব যোৱাৰ কথা উল্লেখ কৰা হৈছিল সেইবোৰৰ ভিতৰত দ্বাৰকাও অন্যতম। সাগৰতলিত উদ্ধাৰ হোৱা শিলাখণ্ডৰপৰা পুৰাতত্ত্ববিদসকলে ৩৬০০ বছৰ পূৰ্বে এই ভূখণ্ড সাগৰৰ পৰা উৎপত্তি হৈছিল বুলি অনুমান কৰিছে। দ্বাৰকা চহৰখনক অতীতত দ্বাৰমতি, দ্বাৰৱতী, কুশথলী হিচাপেও জনা গৈছিল।

দ্বাৰকা নগৰখন কেনেদৰে সাগৰত ডুব গৈছিল, সেই সম্পৰ্কে আন এটি কাহিনী শুনিবলৈ পোৱা যায়। শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণৰ পিছত যাদৱ বংশৰ মুৰব্বীসকলে নিজৰ মাজতে কাজিয়া কৰাত তেওঁলোকৰ মৃত্যু হৈছিল। ইয়াৰ পাছতে মহাভাৰতৰ অন্যতম নায়ক পাণ্ডুপুত্ৰ অৰ্জুনে কৃষ্ণৰ ডাঙৰ পুত্ৰসকলৰ লগতে যাদৱৰ পত্নীসকলক হস্তিনাপুৰলৈ লৈ আহিছিল। দ্বাৰকাৰ পৰা অৰ্জুন ঘূৰি অহাৰ পিছতেই সাগৰৰ বুকুত দ্বাৰকা বিলীন হৈছিল। এনে এখন ঐতিহাসিক চহৰৰ স্মৃতি বিজৰিত ঠাইলৈ গৈ আমাৰ খুব ভাল লাগিছিল। স্থানীয় লোকৰপৰা চহৰখনৰ ইতিহাস সম্পৰ্কে জানিব পাৰিলো তেতিয়া মনটো এক অজান আনন্দত ভৰি পৰিছিল। কি যে অপূৰ্ব দৃশ্য— আমি তুলাচনী দান দিয়াৰ পিছত পুৰা ১১ মান বজাত ওলালো নাগেশ্বৰ জ্যোতিলিংগ মন্দিৰলৈ।

শিৱপুৰাণত উল্লেখিত ১২টা জ্যোতিলিংগৰ ভিতৰত অন্যতম হ'ল— নাগেশ্বৰ জ্যোতিলিংগ। পৃথিৱীৰ প্ৰথমটো জ্যোতিলিংগ হ'ল নাগেশ্বৰ। জনবিশ্বাস অনুসৰি ৬৪টা জ্যোতিলিংগ আছিল যদিও ইয়াৰে বাৰটা লিংগহে পৱিত্ৰ হিচাপে গণ্য কৰা হয়। ব্ৰহ্মা আৰু বিষ্ণুৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰাক কেন্দ্ৰ কৰিয়েই নাগেশ্বৰ জ্যোতিলিংগৰ সৃষ্টি হৈছিল। আন এক জনবিশ্বাস অনুসৰি শিৱ পুৰাণত নাগেশ্বৰ জ্যোতিলিংগ ডাৰুকা বনত প্ৰতিষ্ঠা কৰা হৈছিল। এনেদৰে আমি এটাৰ পিছত আন এটা মন্দিৰ দৰ্শন কৰি তাৰ যি দৃশ্য তথা পৰিৱেশ

উপভোগ কৰিলো সেয়া সঁচাকৈয়ে বৰ্ণনাতীত। সাধাৰণতে ভাৰতৰ বিভিন্ন ঠাইত বিশেষকৈ ধৰ্মীয় অনুষ্ঠানবোৰত যি পৰিৱেশ প্ৰত্যক্ষ কৰা হয় ইয়াত পিছে তাৰ প্ৰতিচ্ছবি এখন দেখিবলৈ পোৱ গ'ল দ্বাৰকাত। জ্যোতিলিংগ প্ৰত্যক্ষ কৰাৰ পিছত আমাৰ গন্তব্য স্থান হৈ পৰিল 'বেদ দ্বাৰকা'। এই স্থান সাগৰৰ মাজত থকা বাবে আমি তালৈ জাহাজেৰে গ'লো। দৰাচলতে এইটো আছিল শ্ৰীকৃষ্ণ ঘৰ। জাহাজেৰে তালৈ যাবলৈ ২০-২৫ মিনিটমান সময় লাগে। তাত গ'লে চাউল দান দিয়াতো একপ্ৰকাৰ পৰম্পৰা। মাটিৰ পৰা এই অংশ বহুযোজন দূৰত থকা বাবে ইয়াৰ পণ্ডিত তথা পণ্ডিতসকলৰ পৰিয়াল পোহ-পালন দিবলৈ বিশেষ ধন নাই। সেইবাবে যাত্ৰীসকলে যি দিয়ে তাতেই সন্তুষ্ট হয়। চাউল দান কৰিলে পুণ্য হয় বুলি আজিও বিশ্বাস কৰে।

ইয়াৰ পাছত আমি দৰ্শন কৰিলো ৰুক্মিণী মন্দিৰ। এই মন্দিৰটো স্থাপনৰ আঁৰত দুৰ্বাশা মুনিৰ অভিশাপ জড়িত হৈ আছে। দুৰ্বাষা মুনিয়ে অভিশাপ দিয়াৰ বাবে যি ঠাইত ৰুক্মিণী থাকিবলগীয়া হ'ল কালক্ৰমত সেই ঠাইতে মন্দিৰটো নিৰ্মাণ হ'ল। সাগৰৰ পাৰত থকা মন্দিৰটো চালেই চকু ৰোৱা। ইয়াৰ পানী লুণীয়া। সেইবাবে ইয়াত যদি কোনোবাই পানী দান কৰে তেতিয়া পুণ্য হয় বুলি আজিও সকলোৱে বিশ্বাস কৰে। ইয়াৰ পাছতে গোপী ঘাট দৰ্শন কৰিলো। মন্দিৰটো দৰ্শন কৰাৰ পাছত আমি সোমনাথ মন্দিৰলৈ গ'লো। তাত গৈ পোৱাৰ পাছত মনটো আপোনা-আপুনি ভক্তিভাবত সোমাই পৰিল। সৌৰাষ্ট্ৰ ভেৰাভেলৰ নিকটৱৰ্তী অঞ্চল প্ৰভাষক্ষেত্ৰত এই মন্দিৰটো অৱস্থিত। এইটো গুজৰাটৰ পশ্চিম উপকূলীয় অঞ্চল। কে'বাজনো মুছলমান ৰজাই আক্ৰমণ কৰাৰ ফলত মূল মন্দিৰটো ধ্বংস হৈছিল। ১৯৪৭ চনৰ নৱেম্বৰত মন্দিৰটো পুনৰ্নিৰ্মাণ কৰা হয়। লৌহ মানৱ চৰ্দাৰ বল্লভ ভাই পেটেলে সেই বৰ্ষত গুজৰাট ভ্ৰমণলৈ অহাৰ পিছত মন্দিৰটোৰ পুনৰ্নিৰ্মাণৰ বাবে পৰামৰ্শ আগবঢ়াইছিল। মন্দিৰটো পুৱা ৬ বজাৰ পৰা নিশা ৯ বজালৈ খোলা থাকে। পুৱা ৭ বজাত, দুপৰীয়া ১২ বজাত আৰু গধূলি পৰম্পৰাগতভাৱে আৰতি প্ৰদান কৰা হয়। সন্ধিয়া আমি মন্দিৰটোত আৰতি দিলো। তাৰ পাছত এখন হোটেলত নিশাটো কটাই পুনৰ পুৱা অভিষেক কৰিলো। অভিষেক হ'ল ৭ বজাত। এই মন্দিৰটোলৈ গ'লে অভিষেক কৰিবই লাগে। আনহাতে সোমনাথ মন্দিৰলৈ গ'লে ত্ৰিবেনী সংগমত গা ধুবই লাগে। পিছ দিনা আমি গুৱাহাটীলৈ উভতি আহিলো।

# মাতা বৈষ্ণো দেৱী মন্দিৰ দৰ্শন

ভাৰতৰ তীৰ্থস্থানসমূহৰ ভিতৰত অন্যতম হ'ল মাতা বৈষ্ণো দেৱী মন্দিৰ। প্ৰতিগৰাকী হিন্দু ধৰ্মাৱলম্বী লোকৰে ইচ্ছা থাকে এই ঐতিহাসিক মন্দিৰটো দৰ্শন কৰাৰ বাবে। প্ৰাচীন কালৰে পৰা বৰ্তমানলৈকে মন্দিৰটোক কেন্দ্ৰ কৰি বহুতো কাহিনী শুনিবলৈ পোৱা যায়। সুউচ্চ পাহাৰৰ ওপৰত প্ৰতিষ্ঠিত মন্দিৰটোৱে অতীজৰে পৰা হেজাৰ হেজাৰ ভক্তক আকৰ্ষণ কৰি আহিছে। মাতা বৈষ্ণো দেৱী মন্দিৰ দৰ্শনৰ বাবে সকলোৱে উদগ্ৰীৱ হৈ থাকে কিয় ? এই প্ৰশ্নটোৰ উত্তৰ দিয়া কঠিন যদিও দেৱীৰ মাহাত্ম্যৰ বাবেই যে দৰ্শনৰ ইচ্ছা কৰে তাত কাৰো সন্দেহ নাই। মনোমুগ্ধকৰ প্ৰাকৃতিক শোভাৰে দৰ্শনৰ পাছত আকৌ যাবলৈ ইচ্ছা কৰে। সেইবাবে মন্দিৰটো দৰ্শনৰ বাবে ২০১৪ৰ তিনি এপ্ৰিলত গুৱাহাটীৰ পৰা যাত্ৰা কৰিলো।

আজি কালি মন্দিৰটোলৈ যোৱা পথ দুৰ্গম নহয়। এতিয়া ৰাস্তা-ঘাট নিৰ্মাণ কৰা হৈছে। অৱশ্যে মন্দিৰলৈ যোৱা ১২ কিলোমিটাৰ পথছোৱাত খোজ কাঢ়ি, ঘোৰা অথবা ডোলাত যাব লাগে। এতিয়া হেলিকপ্টাৰ কমসংখ্যক লোকেহে

ব্যৱহাৰ কৰে। অধিকাংশ দৰ্শনাৰ্থীয়ে খোজ কাঢ়িয়ে মন্দিৰলৈ যায়। কিছুমানে আকৌ কষ্ট কৰি পথ অতিক্রম কৰিলেহে মাতা বৈষ্ণো দেৱী সন্তুষ্ট হয় বুলি বিশ্বাস কৰে। সি যি নহওক, আমি তিনি এপ্রিলত পুৱাৰ ভাগতে গুৱাহাটীৰ পৰা বিমানযোগে দিল্লীলৈ যাত্রা কৰিলো। মোৰ স'তে মন্দিৰ দৰ্শনৰ বাবে গৈছিল প্ৰতিথযশা সাহিত্যিক অনুৰাধা শৰ্মা পূজাৰী আৰু তেওঁৰ স্বামী প্ৰদীপ পূজাৰী। তিনিওগৰাকীয়ে দিল্লীৰ পৰা আবেলি ৫.৩০ বজাত শ্ৰীশক্তি ৰে'ল গাড়ীখনেৰে কাত্ৰালৈ ওলালো। এই ৰে'লখনৰ সেৱা নতুনকৈ আৰম্ভ কৰিছে। পিছদিনা পুৱা পাঁচ বজাত কাত্ৰা ৰে'ল ষ্টেচন পালো। কাত্ৰা ষ্টেচনটো পোৱাৰ পাছত তাৰ সৌন্দৰ্য দেখি মনত এনে এটি ভাব হ'ল যেন আমি ইউৰোপৰ কোনোবা এটি সুন্দৰ ষ্টেচনতহে উপস্থিত হৈছো। ইমান পৰিষ্কাৰ ষ্টেচন। সেই ষ্টেচনটো দেখাৰ পাছত গুৱাহাটী ষ্টেচনৰ ছবিখন চকুত ভাহি উঠিল। দুয়োটা ষ্টেচনৰ মাজত আকাশ-পাতাল পাৰ্থক্য। তাৰ পাছত আমি পূৰ্বতে বুক কৰি থোৱা হোটেললৈ গ'লো। তাত গা-পা ধুই অলপ সময় জিৰণি লৈ মন্দিৰ দৰ্শনৰ বাবে সাজু হ'লো। আমি আগতে বুক কৰি থোৱা টিকট লৈ হেলিকপ্টাৰেৰে পাহাৰৰ ওপৰত উঠিলো। খোজ কাঢ়ি গ'লে কমেও ছয়-সাত ঘণ্টা সময়ৰ প্ৰয়োজন। হেলিকপ্টাৰত মাত্ৰ তিনি মিনিটতে পাহাৰৰ ওপৰ পাব পাৰি। অৱশ্যে হেলিপেডৰ পৰা আঢ়ৈ কিলোমিটাৰ খোজ কাঢ়িব লাগে। মন্দিৰ পোৱালৈকে প্ৰায় পাঁচ বাজিছে। মন্দিৰত সন্ধিয়া ছয় বজাৰ পৰা এটি বিশেষ আৰতি দিয়া হয়। নিশা ৯.৩০ বজালৈকে আৰতি চলে। এই বিশেষ আৰতিত সকলোৰে অংশগ্ৰহণৰ সুযোগ নাপায়। ইয়াৰ বাবে আগতীয়াকৈ টিকট বুক কৰিব লাগে। আমি আগতেই অনলাইন যোগে বুক কৰা টিকট লৈ মন্দিৰত প্ৰৱেশ কৰিলো। মাত্ৰ ৫০ গৰাকী যাত্ৰীয়েহে এই বিশেষ আৰতিত অংশ গ্ৰহণ কৰিব পাৰে। তাতকৈ এজনো বেছি ভক্তই আৰতি দিয়াৰ সুযোগ নাপায়। এই আৰতিৰ বাবে প্ৰতিগৰাকী ভক্তহ এঘাৰশ টকা দিব লাগে। এবাৰ আৰতিত মন্দিৰ কৰ্তৃপক্ষই কমেও ৫৫ হেজাৰ টকা ভক্তৰ পৰা কেৱল টিকটৰ জৰিয়তেই সংগ্ৰহ কৰে। ইমান দাম দি হ'লেও মাতা দেৱীক দৰ্শন কৰা ভক্তৰ অভাৱ নাই। আমি এই বিশেষ আৰতিৰ বাবে দুমাহ আগতেই টিকট বুক কৰিছিলো।

এই আৰতি দিয়াৰ সময়ত মন্দিৰটোৰ পৰিৱেশ এনেকুৱা হয় যেন দেৱীয়ে

সন্মুখত প্ৰসাদৰ টোপোলা ভক্তক দিয়ে। আৰতি পৰ্ব সমাপ্ত কৰি নিশা ন বজাত মন্দিৰৰ অতিথিশালাত থাকিলো। সোনকালে খাই বৈ শুলো, কাৰণ পিছদিনা পুৱা আৰতি দিবলৈ পুৱতি নিশা উঠিবই লাগিব। পুৱতি নিশাৰ আৰতি দিবলৈ আমি দোভাগ ৰাতি উঠি গা-পা ধুই সাজু হ'লো। এই আৰতিৰ বাবেও টিকট ল'ব লাগে। পুৱতি নিশাৰ আৰতিৰ বাবেও আমি আগতেই অনলাইনযোগে টিকট বুক কৰিছিলো। পুৱাৰ পৰিৱেশো একেই। দৰাচলতে মন্দিৰটোৰ ভিতৰত প্ৰৱেশ কৰিলে প্ৰতিটো মুহূৰ্ততে একেই ধৰণৰ ছবি এখন প্ৰত্যক্ষ কৰা হয়। মন্দিৰটোৰ আন্তগাঁথনি, পাহাৰৰ সুশোভিত দৃশ্য আৰু অঞ্চলটোৰ শান্ত-সৌম্য পৰিৱেশ দেখি মন্দিৰটোৰ ইতিহাস জানিবলৈ মনটো উৎসুক হৈ পৰিল। মন্দিৰৰ পুৰোহিত এজনক মন্দিৰটোৰ বিষয়ে সোধাত তেওঁ ক'লে যে হেজাৰ হেজাৰ বছৰ আগতে পাহাৰৰ গুহাটোত দেৱীৰ পূজা-অৰ্চনা আৰম্ভ হৈছিল। ভূতত্ত্ববিদসকলে পাহাৰখনৰ গুহাটোৰ বিষয়ে অধ্যয়ন কৰি ইয়াৰ বয়স নিযুত বছৰৰো বেছি হ'ব বুলি অনুমান কৰিছে। পুৰাণৰ সময়ৰ পৰা ইয়াত পূজা-অৰ্চনা কৰাৰ বিষয়ে অনুমান কৰা হৈছে যদিও আজিলৈকে কোনোৱে সঠিক তথ্য উদ্‌ঘাটন কৰিব পৰা নাই। 'মহাভাৰত'ত প্ৰথমবাৰৰ বাবে মাতৃ দেৱীৰ বিষয়ে উল্লেখ কৰা হৈছে। কৌৰৱ আৰু পাণ্ডৱৰ যুদ্ধৰ সময়ত ভগৱান শ্ৰীকৃষ্ণৰ উপদেশ মৰ্মে অৰ্জুনে উক্ত পৰ্বতখনৰ গুহাত মাতৃ দেৱীক পূজা-অৰ্চনা কৰি আশীৰ্বাদ লৈছিল। পাণ্ডু নন্দন অৰ্জুনে মাতৃ দেৱীক সন্তুষ্ট কৰিবলৈ কৈছিল— 'জাম্বুকটক চিত্তায়িছু নিত্যম্ সন্নিহিতলয়ে' অৰ্থাৎ তুমি সদায় পাহাৰৰ এঢলীয়া জাম্বুস্থানত বাস কৰা। সম্ভৱতঃ এই 'জাম্বু' শব্দটোৰ পৰাই পৰৱৰ্তী সময়ত 'জম্মু' শব্দটোৰ সৃষ্টি হৈছিল। আন এক জনবিশ্বাস অনুসৰি পাণ্ডৱে প্ৰথমতে কল কান্দলী আৰু ভৱন নিৰ্মাণ কৰিছিল। মাতৃ দেৱীক সন্তুষ্ট কৰিবলৈ পাণ্ডৱে এই পাহাৰত পদাৰ্পণ কৰিছিল। ত্ৰিকূট পাহাৰৰ সংলগ্ন আন পাহাৰৰ গুহাত থকা পাঁচটা শিলাস্তম্ভই পাণ্ডৱৰ পাঁচ বীৰৰ স্মৃতি বুলি আজিও বহুতে বিশ্বাস কৰে।

জম্মু-কাশ্মীৰৰ ত্ৰিকূট পৰ্বত (পাহাৰ)ত অৱস্থিত মন্দিৰটোত থকা দেৱী মূৰ্তিটো হ'ল দেৱী দুৰ্গাৰ আন এক ৰূপ। শক্তি দেৱী হিচাপে অনাদি অনন্ত কালৰ পৰাই মাতৃ দেৱীক পূজা-অৰ্চনা কৰি অহা হৈছে। ৰক্তবস্ত্ৰ পৰিহিতা দেৱী অষ্টভুজা। দেৱীৰ আঠখন হাতত সুদৰ্শন, পদ্ম ফুল, তৰোৱাল, শংখ, ধনু, ত্ৰিশূল,

গদা আৰু ওঁমযুক্ত হাতেৰে অভয় দান। দেৱীৰ বাহন হ'ল বাঘ। ভক্তসকলৰ মনোবাঞ্ছা দেৱীয়ে পূৰণ কৰে বুলি বিশ্বাস কৰিয়ে সকলোৱে দেৱীৰ চৰণত এপাহ ফুল দিবলৈ মন্দিৰলৈ ১২ কিলোমিটাৰ পথ খোজ কাঢ়ি যায়। অতীতত শাৰদীয় নৱৰাত্ৰীৰ পৰা মন্দিৰলৈ ভক্তৰ সমাগম হৈছিল। তিনিমাহ ধৰি মন্দিৰ দৰ্শনাৰ্থীৰে ভৰি থাকে। ঘোঁৰা, গাধ অথবা খোজ কাঢ়ি যাব লাগিছিল। যেতিয়াৰে পৰা ৰে'লগাড়ী জম্মুলৈ চলাচল হ'ল তেতিয়াৰে পৰা জম্মুৰ পৰা যাত্ৰীয়ে খোজ কাঢ়ি অথবা ঘোঁৰাৰে মন্দিৰলৈ যাতায়াত কৰিবলৈ ধৰিলে। এতিয়া কাত্ৰালৈ ৰে'লৰ সংযোগ হোৱাত যাতায়াত বহু পৰিমাণে সুচল হ'ল। বহুতে জম্মুৰ পৰা গাড়ীৰে কাত্ৰালৈ আহিছিল যদিও ই হ'ল ব্যয়বহুল। কাত্ৰী আৰু হংচালীৰ বাসিন্দাসকলে এই সময়ত যাত্ৰীসকলৰ বাবে অপেক্ষা কৰিছিল। প্ৰতিটো পৰিয়ালতে যাত্ৰীক ৰাখিব পৰা ব্যৱস্থা আছিল। ব্যৱসায়িক ভিত্তিত গৃহ নিৰ্মাণ কৰিছিল। বিশেষকৈ পুৰোহিতসকলে তেওঁলোকৰ ঘৰতে যাত্ৰীসকলৰ বাবে সু-ব্যৱস্থা কৰিবলৈ ধৰিলে। এতিয়াও এনে ব্যৱস্থা উপলব্ধ হৈ আছে। কেৱল থকাটোৱে নহয়, খাদ্যও মজুত ৰখা হ'ল। যাত্ৰীসকলে কাত্ৰাত বিশ্ৰাম লৈ মন্দিৰলৈ গ'লে বিশেষ কষ্ট অনুভৱ নহয়।

যেতিয়াই সত্যত অশান্তিৰ সৃষ্টি হয়, দুষ্কৃতিকাৰীৰ প্ৰাদুৰ্ভাব ঘটে তেতিয়া ভগৱানে ভিন্ন ৰূপত জন্মগ্ৰহণ কৰে। দেৱীৰ জন্মৰ আঁৰতো আছে তেনে এক কাহিনী। মহিষাসুৰৰ আতংকত ত্ৰস্তমান হোৱা দেৱতাসকলে আত্মৰক্ষাৰ বাবে দেৱীৰ সৃষ্টি কৰিছিল। দেৱীৰ সৃষ্টিৰ পাছত দেৱতা সকলক অভয় দি কেইগৰাকীমান সেৱিকাৰ স'তে শত শৃংগ পৰ্বতলৈ আহে। এই পৰ্বতেৰে অসুৰে অহা যোৱা কৰিছিল। বৈষ্ণো দেৱীয়ে আদিকুমাৰী স্থানতকিছুদিন থকাৰ পাছত মহিষাসুৰক সংহাৰ কৰি বৰ্তমানৰ গুহাটোত তপস্যা কৰিছিল বুলি জনশ্ৰুতি আছে। আদিকুমাৰী স্থানত য'ত বৈষ্ণো দেৱীয়ে তপস্যাৰ বাবে এটি সৰু গুহাত বাস কৰিছিল। এই নতুন স্থানতে চৰণ-গংগাৰ উৎপত্তি স্থান। প্ৰকৃতিদেৱীৰ এই গুহাত থাকিবলৈ লৈ সেই গুহাত দেৱীৰ নিজৰ তিনিটা ৰূপ প্ৰকট কৰিবলৈ তিনিটা 'পিণ্ড'ৰ সৃষ্টি কৰে। এই তিনিটা পিণ্ডি হ'ল— মহালক্ষ্মী, মহাকালী, আৰু মহাস্বৰস্বতী। এই তিনিটা পিণ্ডিৰ সমষ্টিয়ে হ'ল মাতা বৈষ্ণো দেৱী। বৈষ্ণো দেৱী দৰ্শনৰ বাবে গ'লে যিবোৰ উল্লেখযোগ্য স্থান আৰু মন্দিৰ দেখা পোৱা

যায় সেইবোৰৰ ভিতৰত অন্যতম হ'ল— দেৱামাই, কাত্ৰা, ভূমিক মন্দিৰ, দৰ্শনীয় দৰ্জা, বাণ গংগা, চৰণ পাদুকা, আদিকুমাৰী আৰু গুহা, মত্যা, ঝঞ্চীছত, ভৈৰৱ মন্দিৰ, গুহাৰ ভিতৰত থকা পিণ্ডি; শ্ৰীৰাম মন্দিৰ, ৰসায়ন গুহা আদি।

১৯৮৬ চনত শ্ৰীমাতা বৈষ্ণো দেৱী মন্দিৰ ব'ৰ্ড গঠন হয়। সম্প্ৰতি মন্দিৰটোৰ সকলো কাম-কাজ এই ব'ৰ্ডখনৰ দ্বাৰাই পৰিচালিত। যাত্ৰীসকলৰ যাতায়াত আৰু দৰ্শন সুগম আৰু সুচল কৰিবলৈ ব'ৰ্ডে ইতিমধ্যে বহুতো কাম-কাজ আৰম্ভ কৰিছে। পথৰ লগতে মন্দিৰৰ উন্নয়ন হ'ল এই ব'ৰ্ডখনৰ অন্যতম লক্ষ্য। পুৰোহিতজনৰ মুখৰ পৰা মন্দিৰটোৰ ইতিবৃত্ত সম্পৰ্কে কিছু পৰিমাণে জানিব পাৰি মনটো খুব ভাল লাগিল। এই সকলোবোৰ জনাৰ পাছত মন্দিৰৰ মুখ্য পুৰোহিতজনৰ দৰ্শন লাভৰ বাবে ইচ্ছা গ'ল। সেয়েহে সেইজন পুৰোহিতকে মুখ্য পুৰোহিতৰ ঘৰটো দেখুৱাই দিবলৈ ক'লো। তেওঁ সন্মুখত থকা ঘৰটো দেখুৱাই দিলে। পাছত আমি মুখ্য পুৰোহিতজনৰ ঘৰত উপস্থিত হৈ সেৱা জনালো। তেওঁক দেখাৰ লগে লগে মনটো ভক্তি ভাবেৰে ভৰি পৰিল। তেওঁৰ চৰণ স্পৰ্শ কৰাত আমাক আশীৰ্বাদ দিলে। পুৰোহিতজন লগত কথোপকথন হৈ মনটো খুউব ভাল লাগিল। তেওঁ হ'ল অগাধ জ্ঞানৰ ভাণ্ডাৰ। শাস্ত্ৰ সকলো কথা কণ্ঠত আছে। যি বিষয়ে সোধা যায় সকলোবোৰ টপৰাই উত্তৰ দিয়ে। কথাৰ মাজতে মা কামাখ্যা দেৱীৰ বিষয়ে শুনিছেনে বুলি সোধতে মিচিকিয়াই হাঁহি ক'লে, 'ভাৰতৰ ৫৬ খন শক্তিপীঠৰ অন্যতম কামাখ্যা দেৱীৰ বিষয়ে ভালদৰে জানো।' তেওঁ কামাখ্যা মন্দিৰৰ বিষয়ে আমাক বহুতো কথাই ক'লে। আমাৰো ভাল লাগিল। কামাখ্যা দেৱী দৰ্শনৰ বাবে আমি তেওঁক অসমলৈ নিমন্ত্ৰণ কৰিলো। আমাৰ অনুৰোধ ৰক্ষা কৰি অসমলৈ আহিব বুলি প্ৰতিশ্ৰুতিও দিলে। আধা ঘণ্টামান কথোপকথন হোৱাৰ পাছত তেওঁ আমাক প্ৰসাদ খাবলৈ দিলে। প্ৰসাদ খাই পুনৰ সেৱা জনাই হেলিপেডলৈ আহিলো। হেলিকপ্টাৰত উঠি তললৈ নামি আহি পুনৰ দিল্লীলৈ যাত্ৰা কৰিলো। বেছিদিনীয়া যাত্ৰা নহয় যদিও খুব আনন্দদায়ক আছিল।

# আমি কি কৰা উচিত

আমি কি কৰা উচিত? —এই প্ৰশ্নটো প্ৰায়ভাগ লোকেই উত্থাপন কৰে। কোনো এটা বিষয়ত যেতিয়া উত্তৰ নোলায় বা দোদুল্যমান পৰিস্থিতিৰ সৃষ্টি হয় তেতিয়া এনেধৰণৰ প্ৰশ্ন মনলৈ আহে। কোনো এটা ঘটনা সংঘটিত হোৱাৰ পাছত মনলৈ অহা প্ৰশ্নটোৱে কেৱল যে এজন লোকৰে মনত খুন্দিয়াই তেনে নহয়, প্ৰত্যেকৰে মনলৈ আহে। কিংকৰ্তব্যবিমূঢ় হৈ সাধাৰণতে এনে ধৰণৰ প্ৰশ্নৰ সন্মুখীন হয়।

'আমি কি কৰা উচিত'ৰ অৰ্থ হ'ল আমি কি কি কৰিব নালাগিছিল। অমুকটো কৰিলে ভাল আছিল নেকি? তমুকটো কৰিব নালাগিছিল। কি কৰা ভাল, কি কৰা অনুচিত সেয়া প্ৰতিটো কাম কৰাৰ আগত ভাবি চাব লাগে। কিন্তু বাস্তৱ জীৱনত আমি প্ৰতিটো কামেই ভাবি-চিন্তি নকৰো। কিছুমান কাম আৱেগৰ বশৱৰ্তী হৈয়ে কৰো। ইয়াৰ ফলাফল কি হ'ব ভাবি নাচাও। কিন্তু যেতিয়া এই কামৰ ফলাফল লাভ কৰে তেতিয়াহে শংকিত হৈ পৰো। কিন্তু তেতিয়ালৈকে বহুত পলম হৈ যায়। যি পৰিস্থিতিত উপায়ান্তৰ হৈ কামটো সম্পাদন কৰো তেতিয়া মনত এবাৰো এই প্ৰশ্নটোৱে ভুমুকি নামাৰে। পাছত মনটোত খেলি-

মেলি লাগে। যেতিয়া কোনো এটা কাম কৰাৰ পাছত আশানুৰূপ ফলাফল লাভ নকৰো তেতিয়াই সাধাৰণতে এনে প্ৰশ্নৰ উদ্রেগ ঘটে। সকলোৱে সমাধান সূত্ৰ বিচাৰি প্ৰশ্ন কৰে— আমি এতিয়া কি কৰা উচিত?

সন্মুখত বিপদৰ আগজাননী পালে প্ৰত্যেকৰে মনত এনে বিষয়ে ভুমুকি নমৰাকৈ নাথাকে। দৰাচলতে বিপদৰ পৰা পৰিত্ৰাণ পাবৰ বাবে সাজু হ'বলৈকে মনত এনে প্ৰশ্নৰ সৃষ্টি হয়। আত্মৰক্ষাৰ বাবে বা বিপদৰ পৰা পৰিত্ৰাণ পাবলৈ ব্যৱস্থা গ্ৰহণৰ বাবে সাজু হ'বলৈকে সকলোৱে চেষ্টা চলায়। যেতিয়া সমস্যা সমাধানৰ আন কোনো পথ নাথাকে তেতিয়া বিকল্প পথৰ সন্ধানত নামি পৰে। বিপদত পৰা মানুহৰ বাবে খেৰ-কুটা এডালো আশ্ৰয়ৰ উৎস হৈ পৰে। কোনে কেতিয়া কি বিপদৰ সন্মুখীন হ'বলগীয়া হয় সেয়া কোনোৱে নাজানে বা অনুমান কৰিব নোৱাৰে। সন্মুখত বিপদ থাকিলেও ভ্ৰান্ত প্ৰত্যক্ষৰ বাবে ধৰাত নপৰে। বিপদৰ আগজাননী পোৱাসকলে সময়ত সকলো পাহৰি যাবলৈ ধৰে। যিবোৰ কথাই বেছিকৈ আমনি কৰি থাকে সচৰাচৰ তেনেবোৰ বিষয়ক গুৰুত্ব দিয়া হয়। সতৰ্কও হোৱা দেখা যায়। কিন্তু কিছুমান বিষয় জানিও আমি নজনাৰ ভাও ধৰো। বুজিবলৈ চেষ্টা নকৰো। কিন্তু এই গুৰুত্বহীন বুলি ভবা কথাটোৱে সময়ত ভয়াৱহ ৰূপ ধাৰণ কৰে। তেতিয়াই মনত ভুমুকি মাৰে— আমি কি কৰা উচিত? কেতিয়াবা উত্তৰ বিচাৰি পোৱা যায় যদিও আন কেতিয়াবা পোৱা নাযায়।

পৃথিৱীত সকলো সমস্যাৰ সমাধান আছে। সমস্যাৰ সমাধান নোহোৱাকৈ নাথাকে। মাথোঁ কেতিয়াবা সোনকালে আৰু আন কেতিয়াবা পলমকৈ সমাধান সূত্ৰ ওলায়। যিবোৰ সমস্যাৰ তাৎক্ষণিক সমাধান সূত্ৰ বিচাৰি পোৱা যায়, কেতিয়াবা আকৌ বিচাৰি পালেও তাৰ পৰা সৃষ্টি হোৱা জটিলতা সম্পৰ্কে পূৰ্বানুমান কৰিব নোৱাৰে। সমস্যাবিহীন কোনো লোক নাই। দৈনন্দিন জীৱনত প্ৰত্যকৰে কিবা নহয় কিবা সমস্যা থাকেই এই সমস্যাৰ মাজেদিয়ে জীৱনটো আগ বাঢ়ে। কেতিয়াবা সমস্যাৰ সমাধান হয় আৰু কিছুমানৰ নহয়। যিবোৰ সমস্যাৰ পৰিয়ালৰ সদস্যসকলে সমাধানৰ সূত্ৰ উলিয়াব নোৱাৰে তেনে ক্ষেত্ৰত কয়— আমি কি কৰা উচিত? এই প্ৰশ্নৰ উত্তৰ পিছে— সকলোৰে হাতৰ মুঠিত। মাথোঁ শীতল মস্তিষ্কৰে সমস্যাটোৰ সমাধান সূত্ৰ বিচাৰিব লাগে।